ASSAM
LEGISLATIVE ASSEMBLY
DEBATES

OFFICIAL REPORT

EIGHTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE THIRTEENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

NO - 12

The 25th March, 2013

Price : Rs. 424

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

MONDAY, THE 25TH MARCH, 2013

The House met at 9.00 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Pranab Gogoi, Speaker in the Chair.

STARRED QUESTIONS AND ANSWERS

(To which oral replies were given)

Mr. Speaker : Now, Starred Question No. 201, Hon'ble Member, Shri Phani Bhusan Choudhury.

বিষয় ঃ পৰিকল্পনা, পৰিকল্পনা বহির্ভূত ধন, ঋণ, কেন্দ্ৰৰ ধন।

শ্ৰীফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ

২০১। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১১-১২ বিত্তীয় বৰ্ষত কোন বিভাগ/ছেক্টৰলৈ পৰিকল্পনা আৰু পৰিকল্পনা বহির্ভূত শিতানত কিমান ধন আবণ্টন দিয়া হৈছিল ইয়াৰে ভিতৰত কোন বিভাগে কিমান ধন ব্যয় কৰিলে আৰু কিমান ধন ব্যয় কৰিব নোৱাৰিলে?

(বিভাগ/ছেক্টৰ অনুযায়ী সদনত তথ্য দাখিল কৰিব)

(খ) চলিত ২০১২-১৩ বিত্তীয় বৰ্ষত পৰিকল্পনা আৰু পৰিকল্পনা বহির্ভূত

শিতানৰ কোন বিভাগ/ছেক্টৰলৈ কিমান টকা আবণ্টন আছিল। এই ধনৰ ভিতৰত ১০ মার্চ পর্য্যন্ত বিত্ত বিভাগে কোন বিভাগ/ছেক্টৰলৈ কিমান ধনৰ চিলিং দিলে?

(বিভাগ/ছেক্টৰ অনুযায়ী সদনত জনাব)?

(গ) ২০১২-১৩ বিত্তীয় বর্ষৰ ১০ মার্চলৈ ৰাজ্য চৰকাৰে কাৰোবাৰ পৰা কিবা ঋণ লৈছে নেকি? যদি লৈছে সেই ঋণ কি কাৰণত লোৱা হৈছে?

(ঘ) ২০১২-১৩ বিত্তীয় বর্ষৰ ১০ মার্চলৈ অসম চৰকাৰে পূর্বৰ কোনো ঋণ কাৰোবাক ওভতাই দিছে নেকি? যদি দিছে কাক দিছে, কিমান দিছে?

শ্রীনীলমণি সেন ডেকা ((কৃষি মন্ত্রী)য়ে বিত্ত বিভাগৰ মন্ত্রী, মুখ্যমন্ত্রী শ্রীতৰুণ গগৈদেৱৰ হৈ উত্তৰ দিছে ঃ

(ক) ২০১১-১২ বিত্তীয় বর্ষৰ ৰাবে পৰিকল্পনা আৰু পৰিকল্পনা বহির্ভূত শিতানত আবণ্টিত/পাৰিত হোৱা পুঁজি সংশ্লিষ্ট বিত্তীয় বর্ষৰ বাজেট অধিৱেশনত বিস্তাৰিতভাৱে সদনত দাখিল কৰা হৈছিল। পৰিকল্পনা ব্যয়ৰ হিচাপ অনুবদ্ধ A সূচীত দিয়া হৈছে। (See Annexure-I) পৰিকল্পনা বহির্ভূত পুঁজি ব্যয়ৰ তথ্য সংগ্রহ/প্রস্তুত কৰি থকা হৈছে। তথ্যসমূহ প্রাপ্ত হ'লেই মাননীয় সদনক জনোৱা হ'ব। অৱশ্যে ২০১১-১২ চনৰ বিভিন্ন বিভাগৰ ব্যয়ৰ খতিয়ান ইতিমধ্যে মহাগাণনিকৰ প্রতিবেদন (Finance Accounts) মাননীয় সদনত দাখিল কৰা হৈছে।

(খ) ২০১২-১৩ বিত্তীয় বর্ষত পৰিকল্পনা আৰু পৰিকল্পনা বহির্ভূত শিতানত আবণ্টিত/পাৰিত হোৱা পুঁজি সংশ্লিষ্ট বিত্তীয় বর্ষৰ বাজেট অধিৱেশনত বিস্তাৰিতভাৱে সদনত দাখিল কৰা হৈছে। সবিশেষ ব্যয় সংক্রান্তীয় তথ্য সংগ্রহ/প্রস্তুত কৰি থকা হৈছে। তথ্যসমূহ প্রাপ্ত হ'লেই মাননীয় সদনক জনোৱা হ'ব।

(গ) ২০১২-১৩ বিত্তীয় বর্ষৰ বর্তমানলৈ ৰাজ্য চৰকাৰে বিভিন্ন উৎসৰ পৰা ঋণ লৈছে। উক্ত সময়ছোৱাত বিভিন্ন উৎসৰ পৰা ঋণৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল।

উৎস	ঋণৰ পৰিমাণ (কোটি টকাৰ হিচাপত)
বজাৰ ঋণ	৩০০.০০
বিত্তীয় প্ৰতিষ্ঠান (নাবার্ড)	১৩৫.৪৫
কেন্দ্ৰীয় ক্ষুদ্ৰ সঞ্চয় পুঁজি	৭১৩.৪৮
কেন্দ্ৰীয় চৰকাৰ	৩৬.৭০

ঋণসমূহ ৰাৰ্ষিক পৰিকল্পনাৰ আধাৰত বিভিন্ন উন্নয়নমূলক আঁচনিৰ কাৰণে লোৱা হৈছে।

(ঘ) ৰাজ্য চৰকাৰে লোৱা প্ৰতিটো ঋণ তাৰ চৰ্তাবলী অনুসৰি পৰিশোধ কৰা হয়। ২০১২-১৩ বিত্তীয় বৰ্ষত ৰাজ্য চৰকাৰে বিভিন্ন অনুষ্ঠানক পৰিশোধ কৰা ঋণৰ পৰিমাণ তলত দিয়া হ'ল ঃ

ঋণৰ উৎস	পৰিশোধ কৰা ধনৰ পৰিমাণ (কোটি টকাৰ হিচাপত)
বজাৰ ঋণ	৯৯৬.৩৯
বিত্তীয় প্ৰতিষ্ঠান	১৭২.৯৫
কেন্দ্ৰীয় ক্ষুদ্ৰ সঞ্চয় পুঁজি	২৩৭.২৩
কেন্দ্ৰীয় চৰকাৰ	১২৬.৩২

* শ্ৰীফণীভূষণ চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ (ক) আৰু (খ) প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে ইতিমধ্যে উত্তৰ দিছে যে ২০১২-১৩ বিত্তীয় বৰ্ষত পৰিকল্পনা আৰু পৰিকল্পনা বহির্ভূত শিতানত আবণ্টিত হোৱা পুঁজিৰ সংশ্লিষ্ট বিত্তীয় বৰ্ষৰ বাজেট অধিবেশনত বিস্তাৰিতভাবে সদনত দাখিল কৰা হৈছে। সবিশেষ ব্যয় সংক্ৰান্ত তথ্য সংগ্ৰহ কৰি থকা হৈছে। তথ্যসমূহ প্ৰাপ্ত হ'লে সদনত জনোৱা হ'ব বুলি কৈছে। যিমানখিনি ধন আবণ্টন দিয়া হৈছে, সিমানখিনি খৰচ কৰিব লাগে।

* Speech not corrected

ইতিমধ্যে যিখিনি ধন ব্যয় কৰিব নোৱাৰিলে, সেইখিনি নির্দিষ্ট সময়ৰ ভিতৰত খৰচ কৰিবৰ কাৰণে অনুৰোধ জনালো। যিটো টকা আবণ্টন দিয়া হৈছিল তাৰে ১০০ শতাংশ খৰচ কৰিব নোৱাৰিলে, যিখিনি খৰচ কৰিলে সেইখিনি বহু কম পৰিমাণৰ হৈছে, এতিয়া মই মন্ত্রী মহোদয়ক প্রশ্ন কৰিব বিচাৰিছো যে, এই যে আবণ্টিত টকাখিনি খৰচ কৰিব পৰা নাই সেই ক্ষেত্রত কি কি অসুবিধাৰ কাৰণে টকাকিনি খৰচ কৰিব নোৱাৰিলে। ভৱিষ্যতলৈ ২০১৩-১৪, ২০১৪-১৫ লৈকে যাতে টকাখিনি খৰচ কৰিব পৰা যায় তাৰ বাবে ব্যৱস্থা কৰিব লাগে। তদুপৰি কৈছে, ব্যয় সংক্রান্তীয় তথ্য প্রস্তুত কৰি থকা হৈছে। সেইখিনি পালহে জনাব পাৰিব। এইক্ষেত্রত মই ক'ব বিচাৰিছো, কিছুমান বিভাগে হিতাধিকাৰীক অনুদান দিবলগীয়া হয়। ধৰি লওক এন এছ এ পি প্রগ্রেমত পেঞ্চন, নেচনেল উইদো পেঞ্চন আৰু ডিজেবুল পেঞ্চন ইত্যাদিৰ ক্ষেত্রত যাতে সমুদায় টকা ঠিকমতে খৰচ হয় তাৰ বাবে ব্যৱস্থা ল'বলৈ অনুৰোধ জনালো।

* **শ্রীনীলমণি সেন ডেকা (কৃষি মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীক মই ধন্যবাদ জ্ঞাপন কৰিলো। এই প্রশ্নৰ লগত জড়িত থকা একাংশ প্রশ্নৰ উত্তৰ ইতিমধ্যেই পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে উত্তৰ দিছেই। এতিয়া কথাটো হ'ল কি কাৰণে খৰচ কৰিব পৰা নাই। এই যে প্লেনৰ টকাটো বিভিন্ন হেডত ধার্য্য কৰা হয়। এতিয়া হিল এৰিয়াকে ধৰি বিভিন্ন বিভাগৰ আৰু ছিক্স ছিডিউলৰ কাৰণে টকাটো ইয়াৰমার্ক কৰি থোৱা হৈছে। সেই কাৰণে টকাটো ফাণ্ডত ধৰা হৈছে। কিন্তু সেই টকাটো অহা নাই। এনেদৰে টকাটো পোৱাৰ পিছত খৰচ কৰিব পৰা হ'ব। কিন্তু টকা নাপালেও সেইটো বাজেটত ধৰা হৈছে আৰু দেখুওৱা হৈছে। একেদৰে এ চি পি এলত সেইটো অহা নাই। যি কি নহওক এই সম্পর্কত মাননীয় সদস্য গৰাকীয়ে যিখিনি পৰামর্শ আগবঢ়াইছে, সেইখিনি আমি গ্রহণ কৰিছো। ২০১১-১২ ত

* Speech not corrected

যিখিনি টকা ইতিমধ্যে খৰচ কৰা হৈছে, ৩০ মার্চ তাৰিখে সেইখিনি সদনত দাখিল কৰা হৈছে। টকাটো নন-প্লেনত খৰচ কৰা হ'ল। পৰামৰ্শটো মানি লৈছো।

* শ্রীফণীভূষণ চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰুৰেল ডেভলপমেণ্টত ২৩৯৬,৭৫ ডি, আৰ, ডিএ, ৰুৰেলত ৫৪৮৫,৫৬, এন, এছ, এ, পি ১৬৮৭৫,৭৫ লাখ টকা, সেইদৰে ৰাটাৰ ছাপ্লাইতো দিয়া হৈছে, জলসিঞ্চন আৰু বান নিয়ন্ত্রণত ২৭১,৯৫,১৮৮৭৮,৫৮ কোমাণ্ড এৰিয়া ২৯২,০০ ৰাটাৰ ৰিছার্চত ২০৬৩৩,৪০, বান খহনীয়াত ৫০০০,০০, পাৰাৰ এনার্জিত ৩৭৯৮,০০, পৰিহণ আৰু গড়কাপ্টানিত ৪০৮২৭,৬৩, জি, এম, ডি, এত ১৮০১৮,৯৫ ইত্যাদি খৰচ কৰা হৈছে বুলি কৈছে। আমি দেখিছো জলসিঞ্চনৰ ক্ষেত্রত মাত্র ১,৫ লাখ হেক্টৰ ভূমিতহে জলসিঞ্চন হৈছে। তেনেস্থলত এই ছেক্টৰত বহুত টকা খৰচ হৈছে। ঠিক তেনেধৰণে পাৰাৰ ছেক্টৰতো খৰচ হৈছে, কিন্তু সেই মতে কাম হোৱা নাই। গতিকে প্লেন এলটমেণ্ট মতে যিখিনি টকা ছেংচন দিয়া হয়, সেই সমুদায় টকা নির্দিষ্ট সময়ত ঠিক মতে খৰচ কৰাৰ ব্যৱস্থা কৰিবনে?

* শ্রীনীলমণি সেন ডেকা (কৃষি মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে যিখিনি টকাৰ কথা কৈছে, সেইখিনি সময় মতে মুকলি কৰি দিয়া হৈছে। কিন্তু খৰচ কৰাৰ ক্ষেত্রত বহু সময়ত কোনো কোনো ঠাইত কিছু সময় লাগিছে। এইটো নহয় যে টকাখিনি খৰচ হোৱা নাই। টকাটো যাতে ঘূৰি মাযায়, তাৰ কাৰণে আমি সততে চেষ্টাত আছো। মাননীয় সদস্যগৰাকীয়ে যিখিনি পৰামৰ্শ আগবঢ়াইছে সেইখিনি যাতে আমি কামত লগাব পাৰো তাৰ কাৰণে চেষ্টা কৰিম। এয়া ৰাইজৰ টকা ৰাইজৰ কাৰণে খৰচ কৰিব লাগিব, ৰাইজৰ বিকাশৰ স্বার্থতেই ৰা ৰাজ্যৰ বিকাশৰ কাৰণেই এই সমুদায় টকা খৰচ কৰা হ'ব।

Mr. Speaker : Now, Starred question No. 202, Hon'ble Member, Jahan Uddin.

* Speech not corrected

বিষয় ঃ ধুবুৰীৰ সাম্প্ৰদায়িক সংঘৰ্ষ।

শ্ৰীজাহান উদ্দিনে সুধিছে ঃ

২০২। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ২০১২ চনত ধুবুৰী চহৰৰ এটা মন্দিৰত হোৱা চুৰি কাৰ্য্যক কেন্দ্ৰ কৰি ধাৰাবাহিকভাৱে সংঘটিত হোৱা সাম্প্ৰদায়িক সংঘৰ্ষৰ বলি হৈ কিমানজন ব্যক্তি আহত, নিহত আৰু বৰ্তমানলৈকে নিৰুদ্দেশ হৈ আছে? (আহত, নিহত আৰু নিৰুদ্দেশ ব্যক্তিৰ নাম ঠিকনাসহ তালিকা দিব)

(খ) নিহত আৰু আহত ব্যক্তিসকলৰ পৰিয়ালবৰ্গলৈ ক্ষতিপূৰণ বাবদ চৰকাৰে কিমান টকা আগবঢ়াইছে আৰু উক্ত টকা বা সাহায্যখিনি ইতিমধ্যে পৰিয়ালবৰ্গই লাভ কৰিছেনে? (যদি কৰিছে, তেন্তে পৃথকে পৃথকে খতিয়ান দিব)

(গ) যদি ক্ষতিপূৰণ আগৰঢ়োৱা নাই তেন্তে কিয় আৰু কিমান দিনৰ ভিতৰত আগবঢ়াব? (সবিশেষ জনাব)

(ঘ) উক্ত সাম্প্ৰদায়িক সংঘৰ্ষৰ বলি হৈ কিমান পৰিয়াল আংশিক বা সম্পূৰ্ণভাৱে ক্ষতিগ্ৰস্ত পৰিয়ালসকলক চৰকাৰে কিবা অনুদান আগবঢ়াইছেনে? (পৰিয়ালৰ মুৰব্বীৰ নাম ঠিকনাসহ আগবঢ়োৱা অনুদানৰ বিতং তথ্য দিব)

(ঙ) উক্ত সাম্প্ৰদায়িক সংঘৰ্ষক কেন্দ্ৰ কৰি কিমানটা গোচৰ ৰুজু কৰা হৈছিল আৰু উক্ত গোচৰসমূহৰ ভিত্তিত এতিয়ালৈকে কিমানজন ব্যক্তিক কৰায়ত্ত কৰা হৈছে আৰু কিমানজন ব্যক্তি পলাতক হৈ আছে? (FIRৰ কপি সহ কৰায়ত্ত হোৱা জামিনত মুক্তি পোৱা বা পলাতক হৈ থকা ব্যক্তিৰ নাম ঠিকনা সহ বিতং তথ্যৰ যোগান ধৰিব)

(চ) উক্ত স্পৰ্শকাতৰ সাম্প্ৰদায়িক সংঘৰ্ষ সংঘটিত হোৱাত চৰকাৰে উচ্চ পৰ্য্যায়ৰ কিবা তদন্তৰ ব্যৱস্থা কৰিছেনে? (যদি কৰিছে, তেন্তে বিশদ জনাব)

(ছ) উক্ত সাম্প্রদায়িক সংঘর্ষৰ বলি হোৱা পৰিয়াললৈ চৰকাৰী অনুদান আগবঢ়োৱাৰ উদ্দেশ্যে জিলা উপায়ুক্তই চৰকাৰলৈ প্ৰেৰণ কৰা প্ৰতিবেদনখন প্ৰসংগ নং DRR-7/2009/267, dt. 12-12-2012 মৰ্মে To the Principal Secy., Revenue & disaster Management Deptt. Assam ৰ বিবেচনাধীন হৈ থকা বিষয়টো সত্যনে?

(জ) যদি সত্য, তেন্তে বৰ্তমানলৈকে ইয়াৰ বিহীত ব্যৱস্থা গ্ৰহণ নকৰাৰ কাৰণ জনাব নেকি? (কাৰণ জনোৱাৰ লগতে কেতিয়া কাৰ্য্যকৰীকৰণৰ ব্যৱস্থা কৰিব বিতং জনাব)

শ্ৰীৰকিবুল হুছেইন (বন ও পৰিবেশ আৰু পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) যোৱা ২০১২ চনত ধুবুৰী চহৰৰ মিছন ৰোডত অৱস্থিত এটা মন্দিৰত হোৱা চুৰি কাৰ্য্যক (০৮-০৯-২০১২) কেন্দ্ৰ কৰি সংঘটিত হোৱা সাম্প্রদায়িক সংঘৰ্ষত ১জন লোক নিহত, ২২জন লোক আহত আৰু ২ জন লোক নিৰুদ্দেশ হয়।

নিহত, আহত আৰু নিৰুদ্দেশ হোৱা ব্যক্তিৰ তালিকা "ক"ত গাঠি দিয়া হ'ল।

(See Annexure-II)

(খ) নিহত আৰু আহত ব্যক্তিসকলৰ পৰিয়াললৈ এতিয়াও কোনো সাহায্য আগবঢ়োৱা নাই। নিহত ব্যক্তিজনৰ এককালীন সাহায্য (Ex gratia grant) সম্পৰ্কে সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰা প্ৰতিবেদন বিচৰা হৈছে। সংশ্লিষ্ট বিভাগৰ পৰা এতিয়ালৈকে প্ৰতিবেদন পোৱা নাই। আহত ব্যক্তিসকলে কোনো ধৰণৰ সাহায্য বিচাৰি আবেদন দাখিল কৰা নাই আৰু সংশ্লিষ্ট বিভাগেও কোনো ধৰণৰ প্ৰতিবেদন (Proposal) দাখিল কৰা নাই।

(গ) সংশ্লিষ্ট বিভাগৰ পৰা প্ৰতিবেদন পোৱাৰ পিছত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব।

(ঘ) উপায়ুক্তৰ পৰা প্ৰতিবেদন পালে বিধি অনুসৰি বিহিত ব্যৱস্থা লোৱা হ'ব।

(ঙ) ধুবুৰী চহৰৰ এটা মন্দিৰ চুৰি কাৰ্য্যক কেন্দ্ৰ কৰি সংঘটিত হোৱা সাম্প্ৰদায়িক সংঘৰ্ষৰ ফলত মুঠ ৪৫টা গোচৰ ৰুজু কৰা হৈছে আৰু ৪৯ জন ব্যক্তিক গ্ৰেপ্তাৰ কৰা হৈছে আৰু ৪৯ জনেই জামিন পাইছে। ১৮ জন ব্যক্তি পলাতক হৈ আছে আৰু এই ১৮ জনৰ নাম ঠিকনা সহ বিতং নথি "খ"ত উল্লেখ কৰা হ'ল।

(See Annexure-III)

(চ) উচ্চ পৰ্য্যায়ৰ কোনো তদন্ত কৰা হোৱা নাই।

(ছ) ৰাজহ বিভাগে এতিয়ালৈকে তেনে কোনো প্ৰস্তাৱ প্ৰসংগ নং DRR-7/2009/267, dt. 12-12-2012 মৰ্মে ধুবুৰী জিলা উপায়ুক্তৰ পৰা পোৱা নাই। কিন্তু সাম্প্ৰদায়িক সংঘৰ্ষত ক্ষতিগ্ৰস্ত হোৱা পৰিয়াললৈ সাহায্য আগবঢ়োৱাৰ উদ্দেশ্যে ধুবুৰী জিলা উপায়ুক্তক বিত্তীয় ক্ষমতা প্ৰদান কৰা হৈছে আৰু সেই অনুসৰি ইতিমধ্যে জিলা উপায়ুক্তই নিহত ব্যক্তিজনৰ নিকটতম আত্মীয়লৈ ৩ লাখ টকাৰ এককালীন অনুগ্ৰহ সাহায্য (ex-gratia) প্ৰদান কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

(জ) সত্য নহয়।

শ্ৰীজাহান উদ্দিন ঃ অধ্যক্ষ মহোদয় মোৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে ধুবুৰী চহৰৰ মন্দিৰ এটাত চুৰি কাৰ্য্যক কেন্দ্ৰ কৰি ধাৰাবাহিকভাৱে সংঘটিত হোৱা সাম্প্ৰদায়িক সংঘৰ্ষত এজন লোক নিহত, ২২জন আহত আৰু ২জন লোক এতিয়ালৈকে নিৰুদ্দেশ হৈ আছে বুলি কৈছে। মোৰ দ্বিতীয় প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে আহত, নিহত, আৰু ক্ষতিগ্ৰস্ত ব্যক্তিসকলৰ পৰিয়াললৈ এতিয়াও কোনো ধৰণৰ সাহায্য আগবঢ়োৱা নাই বুলি কৈছে। অধ্যক্ষ মহোদয়, চৰকাৰে এই Sensative বিষয়টো গুৰুত্ব সহকাৰে ল'ব লাগিছিল। য'ত প্ৰায় ৪ মাহ ধৰি ৰাইজে Curfew ৰ যাতনা ভুগিলে, এজন সাংবাদিক নিহত হ'ল, ২২জন লোক আহত হ'ল,

২জন এতিয়াও নিৰুদ্দেশ হৈ আছে আৰু প্ৰায় ৪৫টা গোচৰ ৰুজু হ'ল, অথচ চৰকাৰৰ ফালৰ পৰা বিষয়টো যেনেদৰে গুৰুত্ব পাব লাগিছিল, দুৰ্ভাগ্যৱশতঃ গুৰুত্ব নাপালে। অধ্যক্ষ মহোদয়, আমাৰ মানুহে সাধাৰণতে ক্ষতিপূৰণ বিচাৰি আবেদন কৰিবলৈ আগবাঢ়ি নাহে। কাৰণ আবেদন কৰি সহজে ক্ষতিপূৰণ নাপায়। এইক্ষেত্ৰত চৰকাৰে আহত, নিহত আৰু ক্ষতিগ্ৰস্ত পৰিয়াললৈ এককালীন সাহায্য দিয়াৰ ঘোষণা কৰিব লাগিছিল। দুৰ্ভাগ্য ঘোষণা নকৰিলে। মন্ত্ৰী মহোদয়ে এই আহত, নিহত বা ক্ষতিগ্ৰস্ত পৰিয়ালবৰ্গৰ বাবে এককালীন আৰ্থিক সাহায্য দিয়াৰ কথা সদনত ঘোষণা কৰি সেয়া সোনকালে দিয়াৰ ব্যৱস্থা কৰিব নেকি?

* শ্ৰীৰকিবুল হুছেইন (মন্ত্ৰী, মুখ্যমন্ত্ৰীৰ হুকে) ঃ অধ্যক্ষ মহোদয়, মই মাননীয় সদস্যগৰাকীক ধন্যবাদ জনাইছো, কাৰণ কেতিয়াবা বিধানসভাৰ যোগেদিও কিছুমান কাম হৈ যায়। সদস্যগৰাকীৰ এই প্ৰশ্নটো অনাৰ লগে লগে আমি ধুবুৰীৰ উপায়ুক্তৰ লগত যোগাযোগ আৰম্ভ কৰিলো ইয়াৰ আগতে উপায়ুক্তৰ প্ৰতিবেদনলৈ অপেক্ষা কৰা হৈছিল। মাননীয় সদস্যগৰাকীয়ে যিজন নিহত ব্যক্তিৰ কথা কৈছে তেওঁলৈ ইতিমধ্যে ৩ লাখ টকা মঞ্জুৰ কৰা হৈছে আগতে ইয়াৰ পৰিমাণ কম আছিল। এতিয়া ৩ লাখ কৰা হৈছে তাৰ কাৰণে অলপ দেৰি হৈছে। এতিয়াৰ পৰা আৰু উপায়ুক্তসকলে এনেকুৱা বিলাক কেচত নিজে ধন মঞ্জুৰী দিব পৰা ব্যৱস্থা আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে কৰিছে।

* শ্ৰীজাহান উদ্দিন ঃ অধ্যক্ষ মহোদয়, ৩ লাখ টকা পৰিয়ালৰ লোকক সাহায্য দিয়া শুনি তেখেতক ধন্যবাদ জনাইছো চৰকাৰৰ নীতিতো ভাল পাইছো। এই সাম্প্ৰদায়িক সংঘৰ্ষৰ কাৰণে ধুবুৰীৰ বাসিন্দাসকলে বহুত কষ্ট কৰিবলগীয়া হৈছে। বহুত পৰিয়ালক তাৰ পৰা স্থানান্তৰ কৰিবলগীয়া হৈছে যোৱা ৪ মাহত এওঁলোকৰ অশেষ কষ্ট হৈছে আনকি তেওঁলোকক ৰক্ষণাবেক্ষণৰ কাৰণে পুলিচৰ ব্যৱস্থা কৰিবলগীয়া হৈছে, যাৰ কাৰণে অন্য লোকেও শাস্তি ভোগ কৰিবলগীয়া হৈছে। গতিকে মই মন্ত্ৰী

মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো অতি সোনকালে এই বিষয়টোৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিবনে?

* শ্ৰীৰকিবুল হুছেইন (মন্ত্ৰী) ঃ আহতসকলকো সাহায্য দিবলৈ উপায়ুক্ত মহোদয়ক কোৱা হৈছে। আমি ব্যৱস্থা গ্ৰহণ কৰিছো এই সাম্প্ৰদায়িক সংঘৰ্ষৰ কাৰণে মুঠ ৪৫টা কেচ ৰুজু কৰা হৈছে আৰু ইতিমধ্যে ৪৯জনক গ্ৰেপ্তাৰ কৰা হৈছে আৰু ১৮জন পলাতক অৱস্থাত আছে। তেওঁলোককো সোনকালে এৰেষ্ট কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইমানবিলাক ব্যৱস্থা কৰা হৈছে যেতিয়া আৰু ৰেছি উচ্চ পৰ্য্যায়ৰ তদন্ত কৰা দৰকাৰ বিবেচনা কৰা নাই।

* শ্ৰীৰফিকুল ইছলাম ঃ মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে উপায়ুক্তৰ প্ৰতিবেদন পালে বিধি অনুযায়ী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইমান ডাঙৰ এটা সাম্প্ৰদায়িক সংঘৰ্ষ হৈ গ'ল আজিও উপায়ুক্তই কোনো ৰিপোৰ্ট দিয়া নাই। গতিকে উপায়ুক্তগৰাকীয়ে নিজৰ দায়িত্ব পালন নকৰা বাবে তেওঁৰ বিৰুদ্ধে কি ব্যৱস্থা ল'ব।

* শ্ৰীৰকিবুল হুছেইন (মন্ত্ৰী) ঃ ক্ষতিপূৰণ দিওঁতে দেৰি হোৱা কাৰণে ৰিপোৰ্ট অহাৰ পাছতো আমি মঞ্জুৰীৰ কাৰণে এজিলৈ পঠিয়াব লাগে। এতিয়া সেই কাৰণে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ক্ষতিপূৰণ দিব পৰা দায়িত্ব এতিয়াৰ পৰা উপায়ুক্তসকলক দিছে। মাননীয় বিধায়কসকলে নিশ্চয় জানে প্ৰচ্ছেছ হওঁতে কিছু সময় লাগে। সদস্যগৰাকীয়ে প্ৰশ্ন উত্থাপন কৰা বাবে খৰতকীয়া ব্যৱস্থা লোৱা হৈছে মৃতজনক ইতিমধ্যে দিয়া হৈছে বাকী সকলবোৰ ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

Shri Siraj Uddin Ajmal : Mr. Speaker Sir, I appreciate the Hon'ble Ministers lecture. Every time we face communal violence and people are going to face all kinds of harassments due to curfew. Sir, I would like to request your office that if strict and immediate actions are taken on the perpetu-

* Speech not corrected

ating of the crime then this would send a very good message to the people. Sir, as you are aware, lots of this sort of incidents are happening in Assam and Assam is reeling under crime communal violence. So the Government should give priority to stop such incidents and make payment of compensation immediately to the victims. If strict actions are taken other people will restrict themselves from committing such crimes.

* শ্রীৰকিবুল হুছেইন (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, খৰতকীয়া ব্যৱস্থা লোৱাই হৈছে। এইবিলাক প্ৰচ্ছেছ কৰাটো আগতেই বহুত পলমেই লাগিছিল উপায়ুক্তৰ প্ৰতিবেদন পাওঁতে বহুত দেৰি হয় সেই কাৰণে আজি কালি উপায়ুক্তই দিব পৰা ব্যৱস্থা কৰা হৈছে। গতিকে আমি একচন লৈছো। এনেবিলাক কেচত কেতিয়াও হেমাহি কৰা নহয়। আৰু বেছি তৎপৰ হ'বলৈ কোৱা হৈছে।

Mr. Speaker : Now, Starred Question No. 203, Hon'ble Member, Shri Keshab Mahanta.

বিষয় ঃ উগ্রপন্থী সংগঠনৰ লগত আলোচনা।

শ্রীকেশৱ মহন্তই সুধিছে ঃ

*২০৩। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ উগ্রপন্থী সংগঠনৰ নামসমূহ উল্লেখ কৰিব আৰু ইয়াৰে কোন কেইটা গোটৰ লগত ক'ত ক'ত কেতিয়া আলোচনা হৈছে? (বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিব)

(খ) আলোচনাৰ বাবে আগৰাড়ি অহা গোটসমূহক কি কি সা-সুবিধা দিয়া হৈছে, অনুগ্রহ কৰি বিতংকৈ জনাব?

(গ) U.L.F.A. ৰ লগত বর্তমানলৈকে কিমান লানি আলোচনা হ'ল আৰু

*Speech not corrected

প্রত্যেকটো আলোচনাত তেখেতসকলৰ উত্থাপন কৰা দাবীসমূহ আৰু চৰকাৰে মানি লোৱা বিষয়সমূহ সদনৰ মেজত ৰাখিব?

(ঘ) এই আলোচনা কেতিয়া সমাপ্ত হোৱাৰ লক্ষ্য স্থিৰ কৰা হৈছে অনুগ্ৰহ কৰি জনাব?

শ্ৰীৰকিবুল হুছেইন (বন ও পৰিবেশ আৰু পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) ৰাজ্যখনৰ উগ্রপন্থী সংগঠনৰ নাম আৰু কোন কেইটা গোটৰ লগত আলোচনা হৈছে, তালিকা ইয়াৰ লগত গাঁঠি দিয়া হ'ল। আলোচনাৰ স্বাৰ্থত ক'ত ক'ত কেতিয়া আলোচনা হৈছে গোপনীয়তাৰ বাবে দিব পৰা নগ'ল। (সংলগ্ন "ক") (See Annexure-IV)

(খ) কেন্দ্রীয় চৰকাৰৰ আঁচনি অনুসৰি যুদ্ধ বিৰতিত থকা প্রতিজন সদস্যক মাহিলী ৩০০০.০০ (তিনি হাজাৰ) টকাকৈ জলপানী দিয়া হয়।

(গ) আলফা, অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ মাজত Suspension of Operation (SoO) এগ্রিমেণ্ট ০৩-০৯-১১ তাৰিখে চহী হৈছিল। ইয়াৰ পিছত কেইবা লানি বৈঠক আলফা আৰু চৰকাৰৰ লগত হৈছে। শেহতীয়া বৈঠকখন ৭ মার্চ, ২০১৩ তাৰিখে নতুন দিল্লীত অনুষ্ঠিত হৈছিল। এই আলোচনাসমূহত ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ জ্যেষ্ঠ বিষয়াবৰ্গ, ভাৰত চৰকাৰে মনোনয়ন কৰা Interlocutor আৰু আলফাৰ কেন্দ্রীয় সমিতিৰ সদস্যবৃন্দ উপস্থিত থাকে, তালিকা ইয়াৰ লগত গাঁঠি দিয়া হ'ল (সংলগ্ন "খ")। বৰ্তমান এই আলোচনা সঠিক দিশত আগবাঢ়ি আছে। আলোচনা আৰু দাবী চনদৰ সবিশেষ গোপনীয়তাৰ খাতিৰত প্রকাশ কৰিব পৰা নাযাব।

(See Annexure-V)

(ঘ) আলোচনা ইতিবাচক দিশত চলি আছে। আলোচনা সোনকালে শেষ হ'ব বুলি চৰকাৰ আশাবাদী।

* শ্রীকেশৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, শান্তি স্থাপনৰ ক্ষেত্ৰত সদনত আলোচনা হৈছে। সেই আলোচনা মৰ্মে মই মন্ত্ৰী মহোদয়ক তৰাচিহ্নিত প্ৰশ্নৰ যোগে কেইটামান প্ৰশ্ন কৰিছিলো। সেই প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে ৬টা উগ্ৰপন্থীৰ গ্ৰুপ এতিয়াও সক্ৰিয় হৈ আছে আৰু ১২টা উগ্ৰপন্থীৰ গ্ৰুপৰ লগত আলোচনা কৰা হৈছে। মই এইখিনিতে জানিব বিচাৰিছো যে এই যে সক্ৰিয় ৬টা গ্ৰুপ, চৰকাৰৰ লগত আলোচনাৰ মেজলৈ আনিবলৈ চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে? বাকী ১২টা গ্ৰুপৰ লগত চৰকাৰৰ আলোচনা হৈ থাকোতে, তাৰো ভাগ হৈ এটা নতুন গ্ৰুপৰ আৰম্ভ কৰিছে। প্ৰায় বিলাক গ্ৰুপৰ ক্ষেত্ৰতেই এনে হৈ আছে। এই উগ্ৰপন্থীসকলক মূল সুঁতিলৈ ঘূৰাই আনিবলৈ চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে? আৰু শান্তি স্থাপনৰ ক্ষেত্ৰত আলফা, এন ডি এফ বি, কে পি এল টি, কে এল ও, মালটা, হাম এই গ্ৰুপ কেইটাৰ ক্ষেত্ৰত চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে? তাৰোপৰি আলফাৰ অনুপ চেতিয়াৰ প্ৰত্যাৱৰ্তনৰ ক্ষেত্ৰত চুক্তি কৰা হৈছিল যদিও ভাৰত চৰকাৰে আনিব পৰা নাই। গতিকে মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা বিশেষভাৱে জানিব বিচাৰিছো যে এইক্ষেত্ৰত আমাৰ অসম চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

* শ্ৰীৰকিবুল হুছেইন (বন ও পৰিৱেশ আৰু পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী, মুখ্যমন্ত্ৰীৰ হকে) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি প্ৰত্যক্ষ কৰিছো যে, আজি বহু ক্ষেত্ৰত উগ্ৰপন্থী সংগঠনসকলে আলোচনাৰ মেজলৈ আহিছে। আলফাৰ এটা বৃহৎ অংশই আলোচনাৰ মেজলৈ আহিছিল আমাৰ মুখ্যমন্ত্ৰীৰ আহ্বান ক্ৰমে। আমি এতিয়া পৰেশ পন্থী সকলোকো আলোচনাৰ মেজলৈ আহিবলৈ আহ্বান জনাইছো। তেওঁলোকো আন গ্ৰুপসমূহৰ দৰে আলোচনাৰ মেজলৈ আহিব। এইক্ষেত্ৰত সকলোৰে সমৰ্থন আৰু সহযোগিতা লাগিব। বাকী যিসকল আলোচনাৰ মেজলৈ অহা নাই তেওঁলোককো মুখ্যমন্ত্ৰীয়ে আলোচনাৰ

* Speech not corrected

মেজলৈ আহিবলৈ আহ্বান জনাইছে আৰু তাৰে বাতাবৰণ সৃষ্টি কৰাৰ বাবে আমি ব্যৱস্থা গ্ৰহণ কৰিবলৈ কাম কৰি আছো। অধ্যক্ষ মহোদয়, আজি ১২টা সংগঠন আলোচনাৰ মেজলৈ আহিছে, তেওঁলোকৰ দাবী উত্থাপন কৰিছে আৰু কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা হৈ আছে তাত আমাৰ ৰাজ্য চৰকাৰৰ প্ৰতিনিধিও উপস্থিত আছে। যদিও মাননীয় সদস্যগৰাকীয়ে কি কি আলোচনা হৈ আছে তাৰ তথ্য বিচাৰিছিল, আলোচনা হৈ থকা কাৰণে সেই তথ্য দিব পৰা নগ'ল। এইক্ষেত্ৰত বিৰোধী পক্ষৰ সদস্যসকলেও সমৰ্থন আৰু সহায়ৰ হাত আগবঢ়ালে বাকী গ্ৰুপৰ উগ্ৰপন্থীসকলেও আলোচনাৰ মেজলৈ আগবাঢ়ি অহাত সহায় হ'ব। তেনে কোনো কথা থাকিলে আমি চাম আমাৰ সেই ব্যৱস্থা অব্যাহত আছে। মাননীয় সদস্যগৰাকীয়ে লিখিত প্ৰশ্ন দিছে যে, যি কেইটা সংগঠনে আলোচনাৰ মেজলৈ আহি কুটাঘাটমূলক কাম কৰিছে তেওঁলোকৰ বিৰুদ্ধে কি ব্যৱস্থা লৈছে? আমি আলফাই হওক বা এন ডি এফ বিয়ে হওক তেওঁলোকৰ কুটাঘাতমূলক যিকোনো ঘটনাতেই চৰকাৰে কঠোৰ ব্যৱস্থা ল'ব বা লৈছে।

* শ্ৰীকেশৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ লগতে মই এটা কথা মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, আলফা আলোচনা ক্ষেত্ৰত বিদেশী বন্দী চেতিয়াৰ প্ৰত্যাবৰ্তনৰ যি চুক্তি ভাৰত চৰকাৰৰ লগত হৈছিল সেই চুক্তি মতে চেতিয়াক প্ৰত্যাবৰ্তন কৰিব পৰা নাই। এতিয়া সেই চুক্তি মৰ্মে কি হৈ আছে জানিব বিচাৰিছো। তাৰোপৰি যিবিলাক উগ্ৰপন্থীৰ নতুন গ্ৰুপ একটিভ হৈ আছে, তেওঁলোকে অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰ লৈ যুদ্ধ কৰিবলৈ আগবাঢ়িছে বুলি আৰু আমাৰ চৰকাৰৰ যি প্ৰক্ৰিয়া সেই সকলোৰোৰ নেওচি কাম কৰিব বিচাৰিছে বুলি বাতৰি কাকতসমূহত ওলাইছে। তাৰোপৰি তেওঁলোকৰ সমৰ্থনত এতিয়াও গৈ আছে। তেওঁলোকক ৰোধ কৰাৰ কি ব্যৱস্থা গ্ৰহণ কৰিছে? তাৰোপৰি আধুনিক অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত শক্তিশালী উগ্ৰপন্থীসকলক বাধা দিবলৈ চৰকাৰে

* Speech not corrected

কি ব্যৱস্থা লৈছে বা কি নীতি আছে? এইটো মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

* শ্রীৰকিবুল হুছেইন (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, বন্দী প্রত্যাৱর্তনৰ ক্ষেত্রত কেন্দ্রীয় চৰকাৰ তথা ৰাজ্য চৰকাৰৰ প্রচেষ্টা অব্যাহত আছে। ইতিমধ্যে বহুসংখ্যক উগ্রপন্থী গ্রুপে আহি আমাৰ আলোচনাৰ মেজত জইন কৰিছে। গতিকে যিবিলাক অহা নাই তেওঁলোক শক্তিশালী নহয়। মই ক'বলৈ গৈছো যিসকল একত্রিত নহয় তেওঁলোক শক্তিশালী নহয়। তেওঁলোক দুৰ্বল। এই ভুল মেছেজটো যাব নালাগে যে তেওঁলোক শক্তিশালী। তাৰোপৰি যিসকল ডেকা-গাভৰু যিসকলে উগ্রপন্থী সংগঠনলৈ যাব বিচাৰে তেওঁলোকক কম যে তেওঁলোকে নিজৰ ভৱিষ্যৎ ধ্বংস কৰিব নালাগে। উগ্রপন্থীসকল কেতিয়াও শক্তিশালী নহয়। এইক্ষেত্রত আমাৰ মাননীয় সকলো সদস্য ও ৰাইজৰ সহযোগিতাত যিসকল নতুনকৈ গ্রুপ উগ্রপন্থী হৈছে তেওঁলোকো আলোচনাৰ মেজলৈ আহিব। এইটো আমাৰ বিশ্বাস।

* শ্রীআব্দুৰ ৰহিম খান ঃ মাননীয় অধ্যক্ষ মহোদয়, আলোচনাপন্থী উগ্রপন্থীসকলৰ প্রায় বিলাকক ৰাজ্যৰ ডেজিগনেটেড কেম্পত ৰখা হৈছে। ক'ত ক'ত ৰখা হৈছে আৰু সেই কেম্পত কিমান অস্ত্র-শস্ত্র আছে তাৰ তথ্য আছে নেকি? তাৰোপৰি আলফা, এন ডি এফ বি, কে পি এল টি, কে এল ও, মালটা হাম এই সংগঠনকেইটাৰ মুৰব্বী কেইজনৰ নাম আৰু তেওঁলোকে ক'ত ক'ত কি কি কুটাঘাতমূলক কাম কৰিছে তাৰ তথ্য আছে নেকি?

* শ্রীৰকিবুল হুছেইন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো প্রশ্ন কৰিছে যে আমাৰ উগ্রপন্থী সংগঠনসমূহ ক'ত কিমান ডেজিগনেটেড কেম্পত আছে আৰু তেওঁলোকৰ মুৰব্বীসকলৰ নাম কি? সেই প্রশ্নটো বেলেগে যদি এটা প্রশ্ন দিয়ে তেন্তে মই দিব পাৰিম। এইটো প্রশ্নৰ লগত নহয়। এই ডেজিগনেটেড কেম্পত থকাসকলে যদি অন্যধৰণৰ কুটাঘাতমূলক কাম বা অন্য তেনে কোনো কাম কৰা

* Speech not corrected

বুলি যদি আমাৰ চৰকাৰৰ দৃষ্টি গোচৰ হয় তেন্তে তেওঁলোকৰ ওপৰত কঠোৰ ব্যৱস্থা লোৱা হ'ব। তাৰ কাৰণে আমাৰ স্পেচিয়েল ব্যৱস্থা আছে। তেনে ধৰণৰ ব্যৱস্থা ল'বলৈ আমাৰ আইন হাতত আছে। তেনে কোনো আইন ভংগ কৰিলে আমি সহ্য নকৰো।

শ্রীকমল সিং নার্জাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে উগ্রপন্থীৰে আলোচনা পন্থী গোটসমূহৰ লগত আলোচনা চলি থকাৰ কথা কৈছে। ইতিমধ্যে জেলৰ পৰা ওলাই অহা শ্রীঅৰবিন্দ ৰাজখোৱাপন্থীৰ লগত সন্মান সহকাৰে আলোচনাৰ পৰিবেশ সৃষ্টি কৰিছে। ঠিক তেনেকৈ ৰঞ্জন দৈমাৰীৰ আলোচনাপন্থী গ্রুপকো বিষয়া পর্য্যায়ত আলোচনা নকৰি ৰাইজৰ দ্বাৰা নির্বাচিত প্রতিনিধিৰ লগত আলোচনা কৰাৰ ব্যৱস্থা কৰিব লাগে।

* শ্রীৰকিবুল হুছেইন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই প্রক্রিয়াটো কেন্দ্রীয় চৰকাৰৰ আওতাত আছে। ইতিমধ্যে আলোচনা প্রক্রিয়া আৰম্ভ হৈছে। আৰু বাকী কথাখিনি আমাৰ দৃষ্টিগোচৰ হৈছে। সকলোবিলাক কথা আমি চালি-জাৰি চাম।

* শ্রীশেৰমান আলী আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, উগ্রপন্থী সংগঠনসমূহৰ সদস্যসকলে ৰাষ্ট্রৰ বিৰুদ্ধে যুদ্ধ কৰা দেখা যায়। তেওঁলোকক দমন কৰাৰ কাৰণে চৰকাৰে যথেষ্ট টকা-পইচা খৰচ কৰিছে। ৰঞ্জন দৈমাৰী গোটে গুৱাহাটীৰ গণেশগুৰীকে ধৰি ছিৰিয়েল বোম্ব ব্লাষ্টিং কৰাইছিল। তাৰোপৰি ধেমাজীৰ মর্মান্তিক দুখজনক ঘটনাৰ কথা সকলোৱেই জানে। সেই উগ্রপন্থীসকলক আজি আলোচনাৰ মেজলৈ আনি ভি আই পি ট্রিটমেন্ট দিয়া দেখা গৈছে। তাৰোপৰি তেওঁলোকক মাহিলি ৩০০০ টকাকৈ দিয়াৰো ব্যৱস্থা কৰা হৈছে। How this Policy of the Government. There are more then 20 lakh of unemployed youths in Assam. Are you not encouraging this people? How this Policy of the Government? আজি আমাৰ ৰাজ্যত ২০

* Speech not corrected

লাখৰো অধিক নিবনুৱা যুৱক-যুৱতীয়ে চাকৰি নাপাই হাহাকাৰ কৰি ফুৰিছে। আনহাতে ২-৪ জনক হত্যা কৰি আলোচনাৰ মেজলৈ আহি ভি আই পি ট্ৰিটমেণ্ট লাভ কৰিছে। ইতিমধ্যে মাননীয় সদস্য শ্ৰীকেশৱ মহন্ত ডাঙৰীয়াই কৈছে যে আজিও নিতৌ উগ্ৰপন্থী দলসমূহত জইন কৰিয়েই আছে। We can not stop extremism. This is a very serious matter. গতিকে এইটো কিয় হ'বলৈ পাইছে। ইয়াৰ ৰুট অব কট কি? গতিকে কেনেকৈ চিৰদিনৰ কাৰণে উগ্ৰপন্থী বন্ধ কৰিব পাৰি তাৰ ব্যৱস্থা ল'ব নেকি? ভি আই পি ট্ৰিটমেণ্ট বন্ধ কৰি We can not liminate them from the world.

* শ্ৰীৰকিবুল হুছেইন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, শেয়ত তেখেতে পৃথিৱীৰ কথাকেই ক'লে। এতিয়া আমাৰ গোটেই সংগঠনবিলাকৰ লগত আলোচনা প্ৰক্ৰিয়া চলি আছে। গতিকে আলোচনা চলি থকাৰ সময়ত তেওঁলোকৰ ঘৰখন চলাৰ কাৰণে টকা-পইচা দিব লাগে নে নালাগে সেইবিলাক কথাও আহি পৰিছে। গোটেই পৃথিৱীতে এই ধৰণৰ প্ৰক্ৰিয়া চলি আছে।

অধ্যক্ষ মহোদয়, উগ্ৰপন্থীৰ কাৰণে যিসকল সাধাৰণ মানুহৰ মনত ভয়ৰ সৃষ্টি হৈছিল সেইসকল মানুহৰ মনৰ পৰা এতিয়াও ভয়ৰ ভাব আঁতৰ হোৱা নাই। ধেমাজীৰ ঘটনা নেদেখিলে এইটো অনুমান কৰিব নোৱাৰি। এই বাতাবৰণবিলাকৰ অৱসান ঘটোৱাৰ কাৰণেই আলোচনাৰ মেজলৈ অনা হৈছে। যিসকলে ক্ৰাইম কৰিছে তেওঁলোকৰ কেচবিলাক উঠাই লোৱা হোৱা নাই। সেই কেচবিলাক হাইকোৰ্টলৈ যাব। তাতহে সিদ্ধান্ত হ'ব। সেই কাৰণে আমি যিবিলাক প্ৰক্ৰিয়া আৰম্ভ কৰিছো সেইবিলাক পৰিৱেশ সৃষ্টিৰ কাৰণেহে কৰিছো। মাননীয় সদস্যই ৰঞ্জন দৈমাৰীৰ কথা সুধিছে। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা চলি আছে।

* শ্ৰীশেৰমান আলী আহমেদ ঃ I was talking about the serious situation.

* Speech not corrected

মাননীয় অধ্যক্ষ ঃ Please sit down. এইক্ষেত্রত চৰকাৰৰ কথা কৈছে। ঘপহকৈ উত্তৰ এটা দিব নোৱাৰে।

* শ্রীশ্বেৰমান আলী আহমেদ ঃ অধ্যক্ষ মহোদয়, এইটো গুৰুত্ব সহকাৰে লৈ কৰিব লাগে।

মাননীয় অধ্যক্ষ ঃ আপুনি বহক, বহক।

(সদনত কেইবাজনো সদস্যই একেলগে কোৱা কাৰণে অলপ গণ্ডগোল)

* **Shri Sirajuddin Ajmal :** The Government should go to the root cause. I say that the Government should make on invironment. Such things do not come. Such things should be avoided. I appriciate that there are 20 lakhs unemployed people, they should be taken seriously. I appreciate this.

মাননীয় অধ্যক্ষ ঃ অকলে তেওঁক মিন কৰা নাই...। বহক, বহক।

শ্রীতৰুণ গগৈ (মুখ্যমন্ত্রী) ঃ অধ্যক্ষ মহোদয়, সেইটো ইনভাৰেনমেণ্ট ক্রিয়েট কৰিছে।

(Starred question No. 204 could not be taken up for disposal as the questioner was not present in the House when called for. However, the said question deemed to have been laid on the table of the House with replies there to)

Sub : Vacant Post.

Dr. Rumi Nath asked :

204. Will the Minister of Home be pleased to state :

(a) Is Govt. aware of the fact that, there is shortage of manpower in Borkhola P.S?

---

* Speech not corrected

(i) If so, by what time the shortage of manpower in Borkhola P.S will be filled up ?

(ii) At present, how many officers are engaged in Borkhola P.S with designation and since when?

(iii) How many posts remained vacant in Borkhola P.S ?

(b) How many cases have been registered under Borkhola P.S, such as Dacoit, Kidnapping, Rape case, forgeries, Murder etc. in last 2 (two) years? (Give details.)

(c) How many cases have already been solved and how many of them are yet pending?

(d) The Questioner has lodged a case vide Case No. 13113 dated on 12th February, 2013 during Panchayat election. What action have been taken for the same?

Shri Rakibul Hussain (Minister, Forests and Environment etc., Assam) replies on behalf of Hon'ble Chief Minister, Assam :

(a) Government is aware that 2 posts ofNaik (UB) are vacant in Borkhola P.S.

(i) Vacancies of 2 posts of Naik will be filled up on promotion basis.

(ii) At present, 5 Sub-Inspectors of Police w.e.f. 12/02/2011, 20/02/2011, 30/12/2011,05/12/2012.07/01/2013 and 3 Asstt. Sub-Inspectors of Police w.e.f. 17/05/

2010, 12/03/2011, 13/1 0/20 11 are engaged in Borkhola P .S.

In addition to above, 2 Head Constables, 14 U.B Constables, 5 A.B Personnel, 10 Armed H.Gs (SPO) and 8 Un-Armed H.Gs are deployed at Borkhola P.S. There are 3 Sub-Inspectors of Police, 1 Head Constable and 4 Constables (UB) in excess in Borkhola P.S which include unsanctioned Bhangarpar O.P.

(iii) 2 posts in the rank of Naik are vacant in Borkhola P.S.

(b) The number of cases registered under Borkhola P.S is enclosed at Annexure A. (See Annexure-VI)

(c) The number of cases already solved and pending is enclosed at Annexure B. (See Annexure-VII)

(d) After the case was registered vide Borkhola P.S Case No. 13/2013 U/S 1471148/353/341/336/427/307 IPC, the 1/0 immediately visited the place of occurrence, examined witnesses including the complainant and recorded their statements U/S 161 Cr.P.c. Several attempts were made to arrest the accused persons; but found them absconding. The case is pending for arrest of accused persons.

Mr. Speaker : Now Starred Question No. 205, Hon'ble Member, Shri Klengdoon Engti.

Sub : PMGSY, Package.

Shri Klengdoon Engti asked :

*205. Will the Minister of P.W.D. be pleased to state :

a) In which year / years PMGSY packages for Karbi Anglong No. AS-1223, AS-1227, AS- 1230 and AS-1237 were allotted?

b) What were the stipulated time of completion for the above packages ?

c) What are the current progress status of the packages?

d) If the progress has not been as per stipulation, what has the Government done to ensure to their completion?

Shrimati Ajanta Neog (Minister, PWD) replied :

(a) The year of allotment of PMGSY packages are given below:

Package No.	Year of allotment	Date of allotment
AS-12-23	2005-2006	19.10.2005
AS-12-27	2006-2007	13.07.2007
AS-12-30	2006-2007	13.07.2007
AS-12-37	2006-2007	13.07.2007

(b) The Stipulated time for completion of the respective packages are given below:

Package No.	Time of Completion	Stipulated date of completion
AS-12-23	9 months	24.07.2006
AS-12-27	9 months	18.04.2008
AS-12-30	9 months	18.04.2008
AS-12-37	9 months	18.04.2008

c) The current progress status of the packages are stated below:

Package No.	Present Physical Progress
AS-12-23	50%
AS-12-27	55%
AS-12-30	50%
AS-12-37	50%

d) As the contractors of these packages failed to complete the work even after several notices and also failed to achieve proportionate progress due to their complacency, all the works were finally withdrawn. The status of the cancelled packages are :-

(i) The packages No .: AS-12-37 has already been reallotted to Sri Bikram Sing Phangso on 19.11.2011 and the work is under progress.

(ii) Package No. AS-12-23, the balance work already been approved and tendering is under process at HPIU's level (SE, PWD Diphu Circle).

(iii) Package No. AS-12-27 and package No. AS-12-30, balance work estimates under process of approval.

* **Shri Klengdoon Engti :** Sir, is the Minister is aware that the contractor has yet to pay Rs. 50,70,000/- against the advance mobilisation of machinaries. What will the Govt. do to recover an amoun of Rs. 50 lakh and whether the Govt. will take sturn action against the contractor.

* **শ্রীমতী অজন্তা নেওগ (মন্ত্রী) :** মাননীয় অধ্যক্ষ মহোদয়, কার্বি আংলং জিলাত ২০০৫-০৭ চনত পি এম জি ৰাই পেকেজত চাৰিটা এলোট কৰা হৈছিল। তাৰ দুটা সম্পূর্ণ হৈছে। আন ১৩টা আঁচনিৰ ৭ টাৰ কাম সম্পূর্ণ কৰা হৈছে। কনট্রেক্টৰ শ্রীৰাজেন বৰাই কাম কৰিছিল। কিন্তু সম্পূর্ণ হোৱা নাছিল। এডভাঞ্চ লৈ কাম কৰিছিল। এতিয়া ব্লেক লিষ্টেড কৰা হৈছে। গোটেই কথাখিনি চালি-জাৰি চাই তদন্তৰ ব্যৱস্থা কৰিছো। ৰিপোর্ট পালে তাত জড়িত থকাসকলৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হ'ব। আমি চাৰিটা পেকেজ ৰি-এলোটমেণ্ট কৰিছো। শ্রীবিক্রম ফাংছুক দিয়া হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, পি এম জি এছ ৰাই পেকেজৰ যিবিলাক আঁচনি আছে সেই আঁচনিৰ ধনবিলাক এ এছ আৰ বিত জমা থাকে। সেইবিলাক চোৱাৰ কাৰণে এডিচনেল চিফ ইঞ্জিনীয়াৰ পর্য্যায়ৰ একোজন বিষয়া থাকে। সেইবিলাক তেওঁলোকে চোৱা-চিতা কৰে। সেই ব্যৱস্থা

* Speech not corrected

মতে আমাৰ কামবিলাক হয়। বৰ্তমান মই এইটো ক'ব পাৰো যে যদি ক'ৰবাত খেলিমেলি হৈছে সেইটো তদন্ত কৰা হ'ব। ক'তো আমি কাম নকৰাকৈ ধন আদায় দিয়া নাই। বিষয়াসকলৰ দ্বাৰা ইয়াৰ ব্যৱস্থা লোৱা হ'ব। আমি ব্যৱস্থা গ্ৰহণ কৰিম।

Mr. Speaker : Now, Starred Question No. 206, Hon'ble Member, Shri Banendra Kr. Muchahary.

বিষয় ঃ দলং আৰু PMGSY ৰ সম্পৰ্কে।

শ্ৰীবনেন্দ্ৰ কুমাৰ মুছাহাৰীয়ে সুধিছে ঃ

২০৬। মাননীয় গড়কাপ্টানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত ১/৪/২০১২ চনৰ পৰা আজিলৈকে কিমানখন কাঠৰ দলং পকীকৰণ কৰাৰ বাবে অনুমোদন দিয়া হৈছে আৰু কিমানখন দলঙৰ কাম সম্পূৰ্ণ হৈছে, জিলা ভিত্তিত তথ্য সদনৰ মজিয়াত দাখিল কৰিবনে?

(খ) যদি উক্ত পকী দলং বিলাক সম্পূৰ্ণ হোৱা নাই তেনেহ'লে কিমান শতাংশ কাম সম্পূৰ্ণ হৈছে জিলা ভিত্তিত তথ্য সদনৰ মজিয়াত দাখিল কৰিবনে?

(গ) ধুবুৰী জিলাৰ PMGSY আঁচনিৰ PACKAGE No. 51 ৰ কাম চলিত ত্ৰয়োদশ বিধানসভাৰ মজিয়াত বিভাগীয় মন্ত্ৰী মহোদয়ে অতি সোনকালে সম্পূৰ্ণ কৰা হ'ব বুলি উত্তৰ দিয়াৰ পাছতো এতিয়ালৈকে সম্পূৰ্ণ নোহোৱাৰ কাৰণ কি বিতংকৈ তথ্য সদনৰ মজিয়াত দাখিল কৰিবনে?

(ঘ) নতুনকৈ আৰম্ভ হ'ব লগা ৫০০ জন জনসাধাৰণৰ ওপৰত থকা PMGSY আঁচনিৰ বাবে ধুবুৰী জিলাত কিমানখন আঁচনি অন্তৰ্ভুক্ত কৰা হৈছে, জনাবনে? (সম্ভাব্য ধনৰ লগতে ৰাস্তাবিলাকৰ নাম সদনৰ মজিয়াত দাখিল কৰিব)

শ্ৰীমতী অজন্তা নেওগ (গড়কাপ্টানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যখনত ১/৪/২০১২ চনৰ পৰা আজিলৈকে মুঠ ৪৫৯খন কাঠৰ

দলং পকীকৰণ কৰাৰ বাবে অনুমোদন দিয়া হৈছে। ইয়াৰে বৰ্তমান ১৫খন দলঙৰ পকীকৰণৰ কাম পূৰ্ণগতিত চলি আছে, ৬৮খনৰ আৱণ্ট দিয়া হৈছে আৰু ৩৭৬খনৰ নিবিদা প্ৰক্ৰিয়া চলি আছে। (জিলা ভিত্তিত তথ্য আঁচনি আনুযায়ী অনুবদ্ধ A, B, C, D, E, F ত সংলগ্ন কৰি দিয়া হ'ল।

(খ) আংশিকভাৱে সম্পূৰ্ণ হোৱা কামৰ জিলা ভিত্তিক তথ্য অনুবদ্ধ C, D, E, F উল্লেখ কৰা হ'ল। (See Annexure-VIII)

(গ) ২০০৭-০৮ চনৰ ধুবুৰী জিলাৰ PMGSY আঁচনিৰ Package No. AS-05-51 ৰ অনুমোদিত ৯টা পথৰ ভিতৰত বৰ্তমান ২টা পথৰ কাম সম্পূৰ্ণ হৈছে বাকী ৭টা পথৰ কাম চলি আছে। অনুবদ্ধ H ত দেখুওৱা হৈছে। যোৱা বছৰ (২০১১-১২) বৰ্ষত হোৱা প্ৰবল বানপানীৰ বাবে উক্ত পেকেজটোৰ অন্তৰ্গত পথৰ বিস্তৰ ক্ষতি সাধন হয়। বানপানীৰ কাৰণে বহুদিন ধৰি কামবোৰ কৰিব পৰা হোৱা নাছিল। সংশ্লিষ্ট ঠিকাদাৰ M/S BASS Forum য়ে বৰ্তমানে দিয়া প্ৰতিশ্ৰুতি অনুসৰি জুন/২০১৩ ৰ ভিতৰত কামটো সম্পূৰ্ণ কৰিব পৰা যাব।

(ঘ) PMGSY আঁচনিত ধুবুৰী জিলাৰ অন্তৰ্গত ৫০০+ জনবসতিৰ ১৩টা পথৰ অনুমোদন হৈছে। ধনৰ লগতে ৰাস্তাবোৰৰ নাম অনুবদ্ধ 'G' ত সংলগ্ন কৰি দিয়া হ'ল। (See Annexure-IX)

* শ্ৰীবনেন্দ্ৰ কুমাৰ মুছাহাৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীয়ে মোৰ প্ৰশ্নৰ উত্তৰত কৈছে— ৰাজ্যখনত ১/৪/২০১২ চনৰ পৰা আজিলৈকে ৪৫৯ খন কাঠৰ দলং পকীকৰণ কৰাৰ বাবে অনুমোদন দিয়া হৈছে। যোৱা বছৰ আমাৰ বিধায়কসকলক প্ৰতিটো সমষ্টিৰ কাৰণে ২খনকৈ কাঠৰ দলং পকীকৰণৰ বাবে দিয়া হৈছিল। কিন্তু আমি দেখা পাইছো মোৰ সমষ্টিত ১খনহে হ'ল আৰু অন্যান্য সমষ্টিতো ১খনকৈ হ'ল বুলি গম পাইছো। বিধায়কসকলৰ সমষ্টিত বাকী থকা দলং বিলাকৰ কাম কেতিয়া শেষ হ'ব। অহা বছৰত এই কাঠৰ দলং পকীকৰণৰ ক্ষেত্ৰত

* Speech not corrected

২খনৰ ঠাইত ৩খনকৈ দিয়াৰ ব্যৱস্থা ল'ব নেকি? আৰু লগতে (গ) প্ৰশ্নৰ উত্তৰত কৈছে পি এম জি এছ ৰাই আঁচনিৰ পেকেজ নং- এ এছ-০৫-৫১ ৰ অনুমোদিত ১টা পথৰ ভিতৰত ২টা পথৰ কাম সম্পূৰ্ণ হৈছে বাকী ৭টা পথৰ কাম চলি আছে। অনুবদ্ধ এইছত দেখুৱা হৈছে আৰু কৈছে যে বানপানীৰ কাৰণে পেকেজটোৰ অন্তৰ্গত পথৰ বিস্তৰ ক্ষতিসাধন হৈছে আৰু এইবিলাক কৰিম বুলি কৈছে। মই মাননীয়া মন্ত্ৰী মহোদয়াৰ পৰা জানিবলৈ বিচাৰিছো যে জুন মাহৰ ২০১৩ চনত মন্ত্ৰী মহোদয়াৰ পৰা জানবলৈ বিচাৰিছো যে জুন মাহৰ ২০১৩ চনত এই কামখিনি শেষ কৰিব পাৰিবনে? এইটো উত্তৰ দিব লাগে।

শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০১২ আৰু ২০১৩ চনলৈ মুঠ-৪৫৯ খন কাঠৰ দলং পকীকৰণৰ বাবে অনুমোদন পাইছিলো। সেই কাৰণে মই আমাৰ বিধায়কসকলক সমষ্টিৰ বাবে দলং পকীকৰণ কৰিবলৈ দিছিলো। আমি ইতিমধ্যে নাবার্ডৰ পৰা কিছু পুঁজি দিছো। এতিয়া আমাৰ বাকী থকা কামবিলাক পুঁজি সাপেক্ষে কৰিব পৰা যাব। পি এম জি এছ ৰাইৰ বাকী থকা কামখিনিও কৰিবলৈ সক্ষম হ'ম। আমি আগতে যি কাম কৰিবলৈ দিয়া হৈছিল সেইবিলাক আগৰ বছৰৰ। এই বছৰৰ বাবে ৫০০খন দলং পকীকৰণ কৰিবৰ কাৰণে পুঁজি আবণ্টন কৰিছো। আমি কৰাৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰিছো। আমাৰ যোৱা বছৰৰ কামবিলাকৰ কাৰণে বানপানীয়ে অসুবিধা কৰিলে। এই বছৰ কৰিবলৈ চেষ্টা কৰিছো। এই গোটেইখিনি কাম এই বছৰ কৰি শেষ কৰিব পাৰিম বুলি আশা কৰিছো।

Mr. Speaker : Now Starred Question No. 207, Hon'ble Member, Shri Gopinath Das.

বিষয় ঃ PMGSY বাস্তা।

শ্ৰীগোপীনাথ দাসে সুধিছে ঃ

২০৭। মাননীয় গড়কাপ্টানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এহেজাৰ বা তাতকৈ অধিক জনবসতি থকা অসমৰ সকলো ৰাজহ গাঁও PMGSY আঁচনিৰ অধীনত পকী ৰাস্তাৰে সংযোগ কৰা হ'লনে?

(খ) যদি হোৱা নাই তেন্তে এতিয়ালৈকে কিমান ৰাজহ গাঁও PMGSY আঁচনিৰ ৰাস্তাৰে সামৰি লোৱা হ'ল আৰু কিমান গাঁও এই আঁচনিয়ে সামৰি লোৱা নাই জনাবনে?

(গ) বাকী থকা গাঁওবোৰ কেতিয়া এই আঁচনিৰ দ্বাৰা সামৰি লোৱা হ'ব জনাবনে?

(ঘ) এইটো কথা সঁচানে যে বৰ্তমান চৰকাৰে ৫০০ (পাঁচশ) তকৈ বেছি আৰু এহেজাৰতকৈ কম জনসংখ্যা থকা গাঁওবোৰৰ ৰাস্তাসমূহ PMGSY আঁচনিৰ দ্বাৰা সামৰি লৈ মঞ্জুৰী দিছে?

(ঙ) যদি সঁচা তেন্তে জিলা ভিত্তিত নাইবা সংমণ্ডল ভিত্তিক ৰাস্তাসমূহৰ (দলংসহ) নাম জনাবনে?

শ্ৰীমতী অজন্তা নেওগ (গড়কাপ্টানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) PMGSY আঁচনিৰ অধীনত এহেজাৰ বা তাতকৈ অধিক জনবসতি থকা অসমৰ সকলো চুবুৰী/গাঁও সংযোগী পথসমূহ পকীকৰণৰ বাবে আঁচনি গ্ৰহণ কৰা হৈছিল আৰু তাৰে অনুমোদিত ৬১০২ খন এহেজাৰ বা তাতকৈ অধিক জনবসতি থকা চুবুৰী/গাঁৱৰ বিপৰীতে ৫২০৪ খন ইতিমধ্যে সংযোগ কৰা হৈছে আৰু ৮৯৮ খন সংযোগ কৰিবলৈ পকী ৰাস্তাৰ নিৰ্মাণ কাৰ্য্য চলি আছে।

(খ) PMGSY আঁচনিৰ ৰাস্তাৰে এহেজাৰ বা তাতকৈ অধিক জনবসতি থকা ৬১০২ খন চুবুৰী/গাঁও এতিয়ালৈকে সামৰি লোৱা হৈছে আৰু ১২২১ খন চুবুৰী/গাঁও অন্য বিভিন্ন আঁচনিত (যেনে RIDF, MPNA, Annual Plan, ACCP ইত্যাদিত সামৰি লোৱা হৈছে।

(গ) প্ৰযোজ্য নহয়।

(ঘ) হয়, সঁচা।

(ঙ) জিলা ভিত্তিক তথ্য Annexure-I, II আৰু Annexure-III ত সংলগ্ন কৰা হ'ল (See Annexure-X)

* শ্রীগোপীনাথ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্রশ্নৰ উত্তৰত মাননীয়া মন্ত্রীয়ে পকীকৰণৰ বাবে অনুমোদিত ৬১০২ খন এহেজাৰতকৈ অধিক জনবসতি থকা গাঁৱত লৈছে আৰু ৫২০৪ খন ইতিমধ্যে সংযোগ কৰা হৈছে আৰু ৮১৮খন সংযোগ কৰিবলৈ বাকী আছে আৰু সেই বিলাকৰ কাম চলি আছে। মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ক ক'বলৈ বিচাৰিছো যে— মোৰ সমষ্টিত প্রায়বিলাক গাঁও ২ হেজাৰৰ পৰা ৩ হেজাৰ ঘৰ মানুহ আছে কিন্তু তাত বহু ঠাইত হোৱা নাই। ১০০০ৰ কম আৰু ৫০০ বেছি হ'লেই হয়। মোৰ সমষ্টিৰ চমৰিয়া ব্লকত এতিয়ালৈকে কাম কৰিব পৰা নাই। এইটোত ৰোড মেপ কৰা হৈছিল। অন্যান্য সমষ্টিতো তেনেকৈ কাম হোৱা নাই। গতিকে গোটেই বিষয়টো ৰিভিঅ' কৰি যি বাদ পৰিছে সেইটো কেন্দ্রীয় চৰকাৰৰ লগত যোগাযোগ কৰি আকৌ অনাৰ ব্যৱস্থা কৰিব নেকি? গতিকে এই বিষয়টোত মাননীয়া মন্ত্রীয়ে ব্যৱস্থা গ্রহণ কৰিব লাগে।

* শ্রীমতী অজন্তা নেওগ (মন্ত্রী, গড়কাপ্টানী বিভাগ) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সংক্রান্তত মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়ালে এখন চিঠি দিছিলো, তাত গোটেই কথাখিনি লিখিছিলো, মই চিঠিখন পঢ়ি দিছো— Referred a letter Non FTS No. 9733/M/RI dated 8th February, 2013. from Shri Jairam Ramesh, Union Minister of Rural Development, Government of India, Krishi Bhawan, New Delhi-110114 to Shri Tarun Gogoi, Chief Minister, Assam.

"Dear Tarun Gogoi,

The Union Cabinet met yesterday and cleared some very important proposals on PMGSY. This will provide

* Speech not corrected

new connectivity to 1,300 left out habitations of 500+ population and also enable new connectivity to 36 left-out habitations of 250+ population in border area blocks in Assam.

With warm personal regards.

Yours Sincerely,

Sd/- Jairam Ramesh."

যেতিয়া তেখেত অসমলৈ আহিছিল তেতিয়া আমি তেওঁক জনাইছিলো। আমি ইয়াৰ জনসংখ্যা ১ হাজাৰ বুলি কোৱা নাই। পাঁচ হাজাৰ হ'ব পাৰে। আমি এতিয়া এইখিনি ছাৰ্ভে কৰিম।

* শ্রীগোপীনাথ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ জনসংখ্যা হাজাৰ প্লাছৰ ওপৰত হ'ব বুলি কোৱা হৈছে। বাকীখিনি কাম ভৱিষ্যৎ নহ'বও পাৰে। হাজাৰ প্লাছৰ কথাটো কেন্দ্রীয় চৰকাৰৰ লগত যোগাযোগ কৰি কাম আগবাঢ়িব লাগে। তেতিয়াহ'লে আমি আশা কৰিব পাৰো নেকি?

* শ্রীমতী অজন্তা নেওগ (মন্ত্রী) ঃ হয়, সেইখিনি আশা কৰিব পাৰে।

* শ্রীঅঞ্জন দত্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ প্রধান ৰাস্তাটোৰ নক্সা এখন কৰিছিল। সেই ৰাস্তাটোৰ নাম এটা আৰু নক্সাখনত আছে বেলেগ এটা। এই ৰাস্তাটো কেতিয়া হ'ব।

শ্রীমতী অজন্তা নেওগ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, তেনেকুৱা আঁসোৱাহ থাকিব পাৰে, কেতিয়াবা ভুল হৈ যায়। এই ৰাস্তাটোৰ নাম অন্তর্ভুক্ত কৰা হৈছে। ৫০০ গাঁৱৰ নামৰ পৰা ২০০ খন গাঁৱৰ নাম তালিকাত অন্তর্ভুক্ত কৰা হৈছে।

Sub: Slow & bad condition of PMGSY road works.

Shri Sanjay Raj Subba asked :

*208. Will the Minister of P.W.D. be pleased to state:

a) How many Nos. of PMGSY works had been executed during the year 2006-07, 2007-08, 2008-09,2009-10 and 2010-11 at Nowboicha LAC, which of them had been completed and incomplete till date? (Please give details)

b) Whether the Govt. is aware that Harmoti to Duimukh Road under PMGSY which was just completed is now running in dilapidated condition as the quality of said works was very bad?

c) If so, why action against those contractors and officers had been taken for low quality and damage of the road for which the Govt. have to enquiry about the road works ?

d) Whether the Govt. is aware about the bad condition of Laluk to Bihpuria State road for which several times I had verbally and written requested the Hon'ble Minister and Commissioner, P. W.D. Government of Assam for repairing.

e) If so, what is the present position of Laluk to Bihpuria State Road and whether it had been sanctioned for repairing?

Shrimati Ajanta Neog (Minister, PWD) replied :

a) 32 (thirty two) nos. of roads have been sanctioned under PMGSY during 2006-07 to 2008-09 in the Nowboicha and Karunabari block which falls under Nowboicha LAC, out of which 19 nos. have been

completed and 13 nos. of roads are progress. (Details in Annexure,-A). (See Annexure-XI)

b) The said road was constructed as per specification and the quality of construction Was good, which has been checked by the State Quality Monitor (SQM) & graded as satisfactory.

c) The work was complet~d on 31.12.2010 and is presently under routine maintenance for 5 years w.e.f. 01.01.2011.

d) Yes, Govt. is aware that the road requires repair and improvement.

e) The work of repair of Laluk to Narayanpur via Bihpuria Road (Bangalmara and Bihpuria town portion) for Rs. 34.25 Lakhs have been sanctioned under 13th Finance Commission Award for the year 2012-13. Moreover, the road is included for improvement under CM Spl. Packages construction of Border Roads and Bridges for the year 2012-13.

* শ্রীসঞ্জয় ৰাজ চুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্রী ডাঙৰীয়ানীৰ পৰা জানিব বিচাৰিছো যে হাৰমতিৰ পৰা ইটানগৰ লৈ যোৱা বাস্তাটোৰ কামখিনি আজিলৈকে হোৱা নাই। ইয়াৰ ৭০ শতাংশ কাম হৈছে বাকীখিনি কেতিয়াকৈ হ'ব মই জানিব বিচাৰিছো। এনকুৱাৰি কৰি ৰিপোর্ট দিব নেকি? এতিয়ালৈকে কোনো ষ্টেপ লোৱা নাই।

* শ্রীমতী অজন্তা নেওগ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, হাৰমতি-ইটানগৰ এই

* Speech not corrected

ৰাস্তাটো লোড ল'ৰৰ কাৰণে নহয়। এই ৰাস্তাটো ৰৰ গুৰুত্বপূৰ্ণ তেখেতে ঠিকেই কৈছে। আমি ইতিমধ্যে চৰকাৰৰ পৰা টকা মঞ্জুৰী পাইছো আমি সোনকালেই কাম আৰম্ভ কৰিম।

(Starred question Nos. 209 to 220 could not be taken up disposal as the Question Hour over. However, the said questions deemed to have been laid on the table of the House with replies there to)

বিষয় ঃ PMGSY পথৰ মেৰামতি সন্দৰ্ভত।

শ্ৰীমতী মণিকা ৰৰাই সুধিছে ঃ

*২০৯। মাননীয় গড়কাপ্টানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গহপুৰ বিধানসভা সমষ্টিৰ NH-52 খাৰৈবান্ধ পথটি PMGSY ৰ অধীনত পকীকৰণ হোৱাৰ পিছত এই পথটি বৰ্তমান কেইবা ঠাইতো ভাঙি-ছিণ্ডি পৰাৰ বিষয়ে চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, এই পথটিৰ মেৰামতিৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) বৰ্তমান ভাঙি-ছিণ্ডি যোৱা এই পথটি চৰকাৰে কিমান দিনৰ ভিতৰত মেৰামতি কৰি দিব জনাবনে?

(ঘ) যিজন ঠিকাদাৰে এই পথটি নিৰ্মাণৰ বাবে দায়িত্ব পাইছিল, পথটো ভাঙি-ছিণ্ডি যোৱাৰ পাছত চৰকাৰে ঠিকাদাৰজনৰ ওপৰত কিবা ব্যৱস্থা কৰিবনে?

শ্ৰীমতী অজন্তা নেওগ (গড়কাপ্টানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত। এই পথৰ ৫.০০ কিঃমিঃৰ পৰা ১২.৫১ কিঃমিঃ লৈ ঠায়ে ঠায়ে ভাঙি Pothole ৰ সৃষ্টি হৈছে।

(খ) পথটিৰ ভঙা অংশবোৰ, পথটো নিৰ্মাণ কৰা ঠিকাদাৰ গৰাকীয়েই মেৰামতি কৰি আছে আৰু কমদিনৰ ভিতৰতে মেৰামতিৰ কাম সম্পূৰ্ণ হ'ব। উল্লেখযোগ্য যে বিভাগীয় নীতিমতে কৰিবলগীয়া মেৰামতিৰ

অংশ হিচাপে এই মেৰামতি কৰা হৈছে।

(গ) পথটোৰ মেৰামতিৰ কাম কম দিনৰ ভিতৰত সম্পূৰ্ণ হ'ব।

(ঘ) পথটো নিৰ্মাণ কৰা ঠিকাদাৰ গৰাকীয়েই নিবিদা চুক্তি মতে মেৰামতিৰ কাম কৰি আছে, গতিকে তেওঁৰ বিৰুদ্ধে বিভাগৰ তৰফৰ পৰা কোনোব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই।

বিষয় ঃ ৰাজ্যিক মহাপথ (State Highway)।

শ্ৰীমনোৰাৰ হুছেইনে সুধিছে ঃ

*২১০। মাননীয় গড়কাপ্টানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাত দুধনৈ গোৱালপাৰা চহৰ হৈ প্ৰস্তাৱিত ৰাজ্যিক মহাপথ (State Highway)খন কিমান কিলোমিটাৰ দীঘল হ'ব, কোন কোন ঠাইবোৰ স্পৰ্শ কৰি ক'ত গৈ শেষ হ'ব, মুঠ কিমান টকা ব্যয় হ'ব আৰু কিমান দিনত সম্পূৰ্ণ কৰা হ'ব। (বিতং তথ্য সদনত জনাব)

(খ) ২০১১-১২ আৰু ২০১২-১৩ চনত মোৰ সমষ্টিত মুঠ কেইখন পথ PMGSY আঁচনিত গ্ৰহণ কৰা হৈছে। (পথৰ নাম, দৈৰ্ঘ্য, অৰ্থৰ পৰিমাণ সহ বিতং তথ্য জনাব)

শ্ৰীমতী অজন্তা নেওগ (গড়কাপ্টানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) গোৱালপাৰা জিলাৰ দুধনৈ গোৱালপাৰা চহৰ হৈ প্ৰস্তাৱিত ৰাজ্যিক পথটো ৪১.৬৭ কিঃমিঃ দীঘল। দুধনৈত (৩৭ নং ৰাষ্ট্ৰীয় পথ) আৰম্ভ হৈ মাটিয়া, মৰণৈ, গোৱালপাৰা হৈ পঞ্চৰত্নৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সপ্তম কিলোমিটাৰৰ নৰনাৰায়ণ সেতুৰ দলঙৰ সংযোগপথ (approach)ত শেষ হ'ব। মুঠ ১৭১.৯৭ কোটি ব্যয় হ'ব আৰু কামটো সম্পূৰ্ণ কৰিবলৈ ৩৬ মাহ লাগিব।

(খ) সমষ্টি ভিত্তিক তথ্য নথকাৰ বাবে সম্পূৰ্ণ গোৱালপাৰা জিলাৰ ২০১২-১৩ চনৰ PMGSY আঁচনিৰ সবিশেষ অনুবদ্ধ 'ক' আৰু 'খ'ত দিয়া হ'ল। (See Annexure-XII)

বিষয় ঃ সেইল টেক্স গেইটৰ সংখ্যা।

মৌওলানা আতাউৰ ৰহমান মাৰাৰভূঞা জিজ্ঞাসা কৰেছেন ঃ

*২১১। মাননীয় বিত্ত বিভাগৰে মন্ত্রী মহোদয় অনুগ্রহ কৰিয়া জানাবেন কি ঃ

(ক) আসামে মোট কতটি সেইল টেক্স গেইট আছে? এবং কোন কোন স্থানে?

(খ) বক্সিৰহাট, শ্রীৰামপুৰ, খানাপাড়া, জালুকবাড়ী এবং দীগৰখাল গেইটে কর্মৰত আধিকাৰীক এবং কর্মচাৰীৰ নামের তালিকা প্রতিটি গেইটে পৃথকভাৱে পদবীসহ উল্লেখ কৰিবেন? সুপাৰইনটেনডেণ্ট ও ইন্সপেক্টৰ পদে কর্মৰত আধিকাৰী কৰা বর্তমান কর্মস্থলে কোন সনের কোন তাৰিখ থেকে কর্মৰত আছেন?
(নির্দিষ্টভাবে উল্লেক কৰিবেন)

(গ) দিগৰখাল গেইটে নিয়মিত কর্মচাৰী ব্যতীত ক্যাজুয়েল হিসাবে কতজন কর্মচাৰী আছেন?
(নাম ও পূর্ণ ঠিকনাসহ উল্লেখ কৰিবেন)

শ্রীনীলমণি সেন ডেকা (কৃষি ইত্যাদি বিভাগৰ মন্ত্রী)য়ে বিত্ত বিভাগৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্রী শ্রীযুত তৰুণ গগৈদেৱৰ হৈ উত্তৰ দিছেঃ

(ক) অসমত মুঠ ১০ (দহ)খন ছেল টেক্স চেকগেট আছে। এই চেকগেট কেইখনৰ স্থান তলত উল্লেখ কৰা হ'ল।

১। শ্রীৰামপুৰ, কোকৰাঝাৰ।
২। বক্সিৰহাট, ধুবুৰী
৩। খানাপাৰা, গুৱাহাটী (কামৰূপ মেট্র')
৪। জালুকবাৰী, গুৱাহাটী (কামৰূপ মেট্র')
৫। দীঘলখাল, কাছাৰ।
৬। ধোলাইৰাজাৰ, কাছাৰ।
৭। চুৰাইবাৰী, কৰিমগঞ্জ।

৮। কাৰাইটাৰী, বঙাইগাঁও।

৯। নাৰায়ণপুৰ, উত্তৰ লক্ষীমপুৰ।

১০। শুখানজান, কাৰ্বি আংলং।

(খ) বক্সিৰহাট, শ্রীৰামপুৰ, খানাপাৰা, জালুকবাৰী আৰু দীঘলখাল চেকগেটত কর্মৰত ব্যক্তিসকলৰ আৰু কর্মচাৰীৰ নাম আৰু পদবী লগতে কৰ অধীক্ষক আৰু কৰ পৰিদর্শক পদত কর্মৰত ব্যক্তিসকল বর্তমান কর্মস্থানত কোন চনৰ কোন তাৰিখৰ পৰা কর্মৰত হৈ আছে Annexure-A ত উল্লেখ কৰা হ'ল।

(See Annexure-XIII)

(গ) দীঘলখাল চেকগেটত নিয়মিত কর্মচাৰীৰ বাহিৰে কোনো ধৰণৰ কেজুৱেল কর্মচাৰী নাই।

বিষয় ঃ নলী-নর্দমা নির্মাণৰ ব্যৱস্থা।

শ্রীপ্রবীণ হাজৰিকাই সুধিছে ঃ

২১২। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চৰকাৰ জ্ঞাত নে বিশ্বনাথ সমষ্টিৰ, বিশ্বনাথ পৌৰসভাৰ অন্তর্গত ২নং/৩নং আৰু ৪/৫নং ৱার্ডৰ বাসিন্দা কালত, নলা-নর্দমা ব্যৱস্থাটো ভাল নোহোৱাৰ বাবে বানপানীৰ সৃষ্টি হয়?

(খ) যদি জ্ঞাত তেন্তে উক্ত সমস্যাৰ বাবে বিত্তীয় সাহায্য আগবঢ়াবৰ বাবে ব্যৱস্থা কৰিবনে?

(গ) গৃহ কৰ ধার্য্য কৰোতে গড়কাপ্টানী চিদুল ব্যৱস্থা কৰ হ'বনে?

(ঘ) পুৰণি ঘৰসমূহৰ কৰ নিৰিখ গড়কাপ্টানী চিদুল অনুযায়ী বৃদ্ধি/হ্রাস কৰাৰ নিয়ম আছেনে? যদি আছে অনুগ্রহ কৰি জনাবনে?

(ঙ) বিশ্বনাথ পৌৰসভাই ২০১০-১১ আৰু ২০১১-১২ বর্ষত কিমান টকা কৰ আদায় কৰিছে অনুগ্রহ কৰি জনাবনে?

শ্রীমতী অজন্তা নেওগ (নগৰ উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) জ্ঞাত।

(খ) বিশ্বনাথ সমষ্টিৰ বিশ্বনাথ চাৰিআলি পৌৰসভালৈ নলা-নৰ্দমা আদি উন্নয়নৰ বাবে ত্রয়োদশ वित्त আয়োগৰ অনুদান ২০১০-১১ বিত্তীয় বৰ্ষৰ পৰা দি থকা হৈছে।

(গ) নহয়।

(ঘ) নাই।

(ঙ) বিশ্বনাথ চাৰিআলি পৌৰসভাই ২০১০-১১ বৰ্ষত ৪৭,০৫,১২৯.০০ টকা আৰু ২০১১-১২ বৰ্ষত ৪৫,০৩,৫২৯.০০ টকা কৰা আদায় কৰিছে।

Sub:- Implementation of "The Assam District wise Population Pattern in Services in Class-III and IV. PostAct 1994"

Shri Sherman Ali Ahmed asked :

*213. Will the Minister of Personnel be pleased to state :

(a) What are the District wise total Population of Muslims Tea-Tribes, Misings, Koch- Rajbonshis, Tiwas, Ravas, Bodos, Dimasas, Karbis alongwith percentage (%) of each community in each Districts in all the Districts of Assam as per 2001/2011 census ? (Please furnish the data against the total population of each Districts)

(b) How many persons of the above communities have been employed District wise in Class -III & IV posts of various departments of Govt. of Assam during the financial year 2009-10, 2010-11 & 2011-12 ? (please

furnish the data against the total District wise appointment in each of Class-III & IV Posts alongwith percentage (%) of each of above mentioned communities appointed in each post)

(c) When the High Power Officer in pursuance of section 6(1) of the "The Assam District wise Population Pattern in Services in Class-III & IV posts Act-1994" have been appointed? (please furnish a copy of the appointment letter)

(d) When the above Act shall be implemented?

(e) Whether requisite Rules under the said Act have been framed ? (If yes, please furnish a copy of the said Rules)

(f) If Not, How much more time will be required to frame the Rules?

(g) Would the Govt. be pleased to specify a definate time frame to frame the said Rules ?

Sri Prithibi Majhi (Minister, Revenue & D.M. etc) replied on behalf of the Hon'ble Minister, Personnel Department :

(a) The district-wise total Population of Muslims, Tea-Tribes, Misings, Koch Rajbonshis, Tiwas, Ravas, Bodos, Dimasas, Karbis alongwith percentage of each community in each districts of Assam as per 2001 census (except Tea-Tribes and Koch Rajbonshis) as published by Registrar General of India for census

2001 and received from P&D Department is annexed at "I" Similar figures for 2011 census has not yet been published by Census, India.

(See Annexure-XIV)

(b) Office records of employees are not maintained on the basis of religion/community.

(c) The latest High Power Officer was appointed on 04-07-2007 (copy annexed at "II")

(See Annexure-XV)

(d) The Act shall be implemented as soon as the Rules are framed.

(e) No.

(f) Rules will be framed as soon as the basis of recruitment is determined on the basis of recommendation of High Power Officer and Rules is framed under the Act.

বিষয় ঃ চহৰ উন্নয়ন আঁচনি।

শ্রীমনোৰঞ্জন দাসে সুধিছে ঃ

*২১৪। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) নগৰীয়া আন্তগাঁথনি আৰু সা-সুবিধা প্রদান কৰাৰ উদ্দেশ্যে চৰকাৰে অসমত কি কি আঁচনি হাতত লৈছে?

(খ) এইবোৰ আঁচনিৰ জৰিয়তে অসমৰ কোন কোন নগৰত ২০১০-১১ চনৰ পৰা আজিলৈকে কিমান টকা খৰচ কৰি কিমানখন আঁচনি ৰূপায়ণ কৰিলে? (বিতং তথ্য সদনত দাখিল কৰিব)

(গ) কেন্দ্রীয় সাহায্যপ্রাপ্ত আঁচনি স্বর্ণজয়ন্তী চহৰী ৰোজগাৰ যোজনা ৰূপায়ণ

কৰি অসমৰ প্ৰতিখন চহৰ/নগৰত দৰিদ্ৰ সীমাৰেখাৰ তলত থকা কিমানজন লোকক দিন হাজিৰা প্ৰদান কৰাৰ লগতে চহৰীয়া নিবনুৱাসকলৰ কিমানজন কৰ্মসংস্থাপন দিয়া হ'ল? (তথ্যভিত্তিক হিচাপ প্ৰতি চহৰ/নগৰৰ বিপৰীতে সদনত দাখিল কৰিব)

(ঘ) চহৰবাসী লোকলৈ নিৰাপদ খোৱাপানী যোগানৰ বাবে অসমৰ নগৰ পানী যোগান আৰু পয়প্ৰণালী পৰিষদে এতিয়ালৈকে কিমানখন আঁচনি হাতত লৈছে আৰু তাৰ ভিতৰত কিমানখন আঁচনিৰ সেৱা সম্পূৰ্ণ হৈছে?

(ঙ) পাঠশালা নগৰত এনে আঁচনি হাতত লৈছিল নেকি? যদি লৈছিল কেতিয়া আৰম্ভ কৰিছিল আৰু তেনে আঁচনিৰ কাম কেতিয়া সম্পূৰ্ণ হ'ব?

শ্ৰীমতী অজন্তা নেওগ (নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) নগৰীয়া আন্তঃগাঁথনি আৰু সা-সুবিধা প্ৰদান কৰাৰ উদ্দেশ্যে চৰকাৰে অসমত বস্তি উন্নয়ন (Basti Sudhar), নৈশ আৱাস (Night Shelter), সৰু আৰু মজলীয়া চহৰৰ নগৰীয়া আন্তঃগাঁঠনি উন্নয়ন (UIDSSMT), সৰু আৰু মজলীয়া চহৰৰ সংহত উন্নয়ন (IDSMT) আৰু সংহত গৃহ নিৰ্মাণ আৰু বস্তি উন্নয়ন (IHSDP), 10% Pool Fund, NLCPR স্বৰ্ণজয়ন্তী চহৰী ৰোজগাৰ যোজনা, অসম বিকাশ যোজনা, ক্ষুদ্ৰ চহৰ উন্নয়ন আঁচনি, অল্পব্যয়ী শৌচাগাৰ নিৰ্মাণ আঁচনি আদি আঁচনিৰ অধীনত বিভিন্ন প্ৰকল্প হাতত লৈছে।

(খ) এইবোৰ আঁচনিৰ জৰিয়তে ২০১০-১১ চনৰ পৰা আজিলৈকে ৰূপায়ণ কৰা নগৰৰ নাম আৰু খৰচৰ তালিকা পৰিশিষ্ট 'ক' সদনত দাখিল কৰা হ'ল। (See Annexure-XVI)

(গ) তথ্য বিচাৰা হৈছে।

(ঘ) চহৰবাসী লোকলৈ নিৰাপদ খোৱাপানী যোগানৰ বাবে অসমৰ নগৰ পানীযোগান আৰু পয়প্ৰণালী পৰিষদে এতিয়ালৈকে ৫৮খন আঁচনিৰ কাম হাতত লৈছে আৰু ইয়াৰ ভিতৰত ২৭খন আঁচনি কাৰ্যক্ষম কৰা হৈছে।

(ঙ) হয় লৈছিল। পানী পৰিবাহী পাইপৰ অলপ কাম আছে যদিও এই আঁচনিৰ জৰিয়তে ২০১১ চনৰ পৰা পাঠশালাবাসী ৰাইজক বিশুদ্ধ খোৱা পানীৰ যোগান ধৰা হৈছে।

বিষয় ঃ BTAD ত আৰক্ষী থানা, আৰক্ষী বিষয়া কৰ্মচাৰী, অবৈধ অস্ত্ৰ-শস্ত্ৰ আৰু ভূপিন্দৰ সিং আয়োগৰ প্ৰতিবেদন।

শ্ৰীআব্দুৰ ৰহিম খানে সুধিছে ঃ

*২১৬। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) BTAD ত আৰক্ষী চকী, আৰক্ষী থানা আৰু পহৰা চকী আদিৰ সংখ্যা কিমান?

(নাম ঠিকনাৰ সৈতে জিলা ভিত্তিত তালিকা সদনত দাখিল কৰিব)

(খ) উক্ত আৰক্ষী চকী, থানা ও পহৰা চকীসমূহত বিষয়া-কৰ্মচাৰীৰ সংখ্যা কিমান?

(Rank wise জনগোষ্ঠী উল্লেখ কৰি আৰক্ষী বিষয়া কৰ্মচাৰীৰ নাম ঠিকনাৰ তালিকা সদনত দাখিল কৰিব)

(গ) যোৱা ১০-১২-১২ ইং তাৰিখৰ বিধানসভাৰ ১৩নং তৰা চিহ্নিত প্ৰশ্নৰ 'গ' নং প্ৰশ্নৰ উত্তৰ সম্পূৰ্ণ আছিল নে? যদি আছিল, বিগত গোষ্ঠী সংঘৰ্ষত ১৯ জুলাই ২০১২ ইংৰ পৰা বৰ্তমানলৈ পঞ্জীয়নভুক্ত হোৱা গোচৰৰ ভাৰতীয় দণ্ডবিধিৰ ধাৰা সহ এজাহাৰকাৰী আৰু আচামীৰ নাম ঠিকনাৰ সৈতে গোচৰৰ প্ৰতিলিপি পৃথকে পৃথকে সদনত দাখিল কৰিবনে?

(ঘ) উক্ত তাৰিখৰ বিধানসভাত 'ঘ' প্ৰশ্নৰ উত্তৰত অনুজ্ঞাপত্ৰপ্ৰাপ্ত (বৈধ) অস্ত্ৰ-শস্ত্ৰ প্ৰকাৰ উল্লেখ কৰি নাম ঠিকনাৰ সৈতে তালিকা সদনত দাখিল কৰিবলৈ অনুৰোধ কৰা হৈছিল যদিও তথ্য সংগ্ৰহ কৰি থকা হৈছে বুলি উত্তৰ দিয়া হৈছিল, বৰ্তমান তথ্য সংগ্ৰহ হৈছেনে?

(ঙ) যদি হৈছে, সদনত দাখিল কৰিব?

(চ) উক্ত তাৰিখৰ বিধানসভাৰ ‘ঙ’ নং প্ৰশ্নত BTAD ত অবৈধ অস্ত্ৰ-শস্ত্ৰ থকা আৰু বিগত গোষ্ঠী সংঘৰ্ষত সেইবোৰৰ ব্যৱহাৰ সম্পৰ্কত চৰকাৰৰ অৱগতনে? বিচৰা উত্তৰত প্ৰশ্ন অনুপাতে উত্তৰ দিয়া নাই, বৰ্তমান সঠিক উত্তৰ দিবনে?

(ছ) উক্ত তাৰিখৰ বিধানসভাৰ ‘চ’ নং প্ৰশ্নৰ উত্তৰত অস্ত্ৰ-শস্ত্ৰ জব্দ কৰা ব্যক্তি, দল, সংগঠনৰ বিতং তথ্য সংগ্ৰহ কৰি থকা হৈছে বুলি উত্তৰ দিয়া হৈছিল, বৰ্তমানে তথ্য সংগ্ৰহ হৈছেনে?

(জ) যদি হৈছে, বিতং তথ্য সদনত দাখিল কৰিব?

(ঝ) যদি আছে, প্ৰতিলিপি সদনত দাখিল কৰিব?

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভাগৰ মন্ত্ৰী)য়ে গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) BTAD ত আৰক্ষী চকী ৪৩খন; থানা ৪১খন আৰু পহৰা চকী ১৩খন আছে। নাম-ঠিকনাৰ সৈতে জিলা ভিত্তিক তালিকা ‘ক’-ত সংলগ্ন কৰা হ’ল। (Annexure-XVII)

(খ) উক্ত আৰক্ষী চকী, থানা ও পহৰা চকী সমূহত কৰ্মৰত বিষয়া-কৰ্মচাৰীৰ সংখ্যা হ’ল ৮২২ জন। Rank wise জনগোষ্ঠী উল্লেখ কৰি আৰক্ষী বিষয়া-কৰ্মচাৰীৰ নাম-ঠিকনা তালিকা ‘খ’-ত সংলগ্ন কৰা হ’ল আৰু সদনৰ মজিয়াত দাখিল কৰা হ’ল। (See Annexure-XVIII)

(গ) যোৱা ১০-১২-২০১২ ইং তাৰিখৰ বিধানসভাৰ ১৩নং চৰাচিহ্নিত প্ৰশ্নৰ ‘গ’ নং প্ৰশ্নৰ উত্তৰ সেই সময়ত সম্পূৰ্ণ আছিল। মুঠ ১৫টা গোচৰ কেন্দ্ৰীয় অনুসন্ধান সংস্থা (চি বি আই)লৈ হস্তান্তৰ কৰা হৈছিল যদিও ইয়াৰে ৮টা গোচৰহে চি বি আইয়ে বৰ্তমান অনুসন্ধান কৰি আছে। BTAD এলেকাত ২০১২ চনৰ ১৯ জুলাই তাৰিখৰ পৰা বৰ্তমানলৈ পঞ্জীয়নভুক্ত হোৱা গোচৰৰ সংখ্যা ৫৭৪১টা। এই গোচৰসমূহৰ তালিকা আইনৰ ধাৰা, এজাহাৰকাৰীৰ নাম আৰু আচামীৰ নাম-ঠিকনাৰ সৈতে গোচৰৰ চমু বিৱৰণী তালিকা ‘গ’-ত উল্লেখ কৰা

হ'ল আৰু সদনৰ মজিয়াত দাখিল কৰা হ'ল।

(ঘ) BTAD ত অস্ত্ৰ-শস্ত্ৰৰ অনুজ্ঞাপত্ৰৰ সংখ্যা ৪২৬। নিৰাপত্তাজনিত কাৰণত অনুজ্ঞাপত্ৰপ্ৰাপ্ত লোকসকলৰ নাম-ঠিকনা একেলগে দিয়াত অসুবিধা আছে।

(ঙ) ওপৰত 'ঘ'-ত উল্লেখ কৰা মতে। (See Annexure-XIX)

(চ) উক্ত তাৰিখৰ বিধানসভাৰ 'ঙ'নং প্ৰশ্নৰ বিপৰীতে দিয়া উত্তৰেই সঠিক আৰু বৰ্তমানেও প্ৰযোজ্য।

(ছ) BTAD এলেকাত ২০১২ চনৰ ১৯ জুলাই তাৰিখৰ পৰা জব্দ কৰা অবৈধ অস্ত্ৰ-শস্ত্ৰসমূহৰ বিৱৰণ তালিকা 'ঘ'-ত সংলগ্ন কৰা হ'ল। (See Annexure-XIX)
এই জব্দ কৰা অস্ত্ৰ-শস্ত্ৰসমূহৰ বিপৰীতে ১৩২জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। বিতং তথ্য তালিকা 'ঙ'ত সংলগ্ন কৰা হ'ল আৰু সদনৰ মজিয়াত দাখিল কৰা হ'ল।

(জ) ওপৰত 'ছ'-ত উল্লেখ কৰা মতে।

(ঝ) ডঃ ভূপেন্দৰ সিঙৰ অধ্যক্ষতাত গঠন কৰা তিনিজনীয়া বিশেষজ্ঞ কমিটীৰ প্ৰতিবেদন মজুত আছে।

(ঞ) কমিটীৰ প্ৰতিবেদনৰ প্ৰতিলিপি তালিকা 'চ'-ত সংলগ্ন কৰা হ'ল আৰু সদনৰ মজিয়াত দাখিল কৰা হ'ল।

বিষয় ঃ চি বি আই তদন্ত।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

২১৬। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ মন্ত্ৰীসভাৰ সদস্য এগৰাকীৰ কাৰ্য্যব্যৱস্থাৰ ওপৰত চি বি আইৰ দ্বাৰা তদন্ত অব্যাহত ৰাখিছে নেকি?

(খ) এই তদন্ত কি কাৰণত, কাৰ নিৰ্দেশনাত কৰিব লগা হ'ল? (এই নিৰ্দেশনাৰ/আদেশৰ কপি সদনত দিব)

(গ) কেতিয়াৰ পৰা কোন কোন বিষয়াই এই তদন্ত কৰি আছে?

(ঘ) এই মন্ত্ৰীগৰাকী কোন? চি বি আইৰ তদন্ত চলি থকা অৱস্থাতো সেই

মন্ত্রীগৰাকীয়ে কার্য্যনির্বাহ কৰি আছে নেকি?

(ঙ) মাননীয় উচ্চ ন্যায়ালয়ে এই তদন্তৰ নির্দেশনা কিয় দিব লগা হ'ল বিতংকৈ তাৰ তথ্য জনাবনে?

শ্রীৰকিবুল হুছেইন (বন ও পৰিবেশ আৰু পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে গৃহ বিভাগৰ মন্ত্রী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰৰ মন্ত্রীসভাৰ কোনো সদস্যৰ কার্য্য ব্যৱস্থাৰ ওপৰত বর্তমানলৈকে চি বি আইৰ দ্বাৰা তদন্ত আৰম্ভ কৰা হোৱা নাই। এই সম্পর্কত চি বি আই শিলং আৰু গুৱাহাটী কর্তৃপক্ষৰ পৰাও নিশ্চিত কৰা হৈছে।

(খ) কার্বি আংলং জিলাৰ হাওৰাঘাট আৰক্ষী থানাৰ অন্তর্গত নিৱাসী শ্রীমতী ৰাধিকা চাহ আৰু শ্রীমতী গায়ত্রী চাহে গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা আবেদন মর্মে মাননীয় উচ্চ ন্যায়ালয়ে নিজাবৰীয়াকৈ ৰুজু কৰা গোচৰ নং WP(C) (Taken up) 2591/2012 ৰ সন্দর্ভত মাননীয় আদালতৰ ২২-০২-২০১৩ তাৰিখে দিয়া হুকুমৰ নির্দেশনানুসৰি চি বি আইৰ দ্বাৰা তদন্ত কৰাবলৈ বিভাগীয়ভাৱে ব্যৱস্থা কৰি থকা হৈছে। উল্লেখযোগ্য যে মাননীয় উচ্চ ন্যায়ালয়ৰ এই হুকুম সম্পর্কে ১৫-০৩-২০১৩ তাৰিখে চৰকাৰ অৱগত হয়। (হুকুমৰ প্রতিলিপি সদনৰ মেজত দাখিল কৰা হৈছে- পৰিশিষ্ট-"ক") (See Annexure-XX)

(গ) প্রশ্ন নুঠে।

(ঘ) মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ২২/০২/২০১৩ তাৰিখৰ হুকুম অনুসৰি অসম চৰকাৰৰ মাননীয় মন্ত্রী শ্রীখৰছিং ইংতিৰ বিৰুদ্ধে তদন্ত কৰিবলৈ নির্দেশনা জাৰি কৰিছে। হয়, তেখেতে বর্তমানেও কার্য্যনির্বাহ কৰি আছে।

(ঙ) মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ২২-০২-২০১৩ তাৰিখৰ হুকুম (পৰিশিষ্ট "ক" দ্রষ্টব্য) অনুসৰি দেখা যায় যে স্থানীয় আৰক্ষীৰ ভূমিকা সন্দেহাতীত নহয় বাবে আৰু লগতে মাননীয় মন্ত্রী গৰাকীৰ অধিবক্তায়ো এক স্বতন্ত্র তদন্ত বিচৰা বাবে মাননীয় উচ্চ ন্যায়ালয়ে এই তদন্তৰ নির্দেশনা জাৰি কৰে।

বিষয় ঃ চাফাই আৰু আৱর্জনা পেলোৱা।

শ্রীমতী গুলআখতাৰা বেগমে সুধিছে ঃ

২১৭। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যৰ কোন কেইখন নগৰ সমিতি আৰু পৌৰসভাসমূহৰ চাফাই কৰাৰ পিছত আৱর্জন পেলাবৰ বাবে নির্দিষ্ট স্থান আছে?

(খ) যিবোৰ পৌৰসভা বা নগৰ সমিতিত এনে সুবিধা নাই, এইসমূহ কেনেদৰে পৰিষ্কাৰ কৰি ৰাখিব?

(গ) চাপৰ নগৰ সমিতি আৰু বিলাসীপাৰা নগৰ সমিতি এলেকাত এনে নির্দিষ্ট স্থান আছেনে?

(ঘ) উক্ত এলেকা পৰিষ্কাৰ কৰি ৰখিবলৈ প্রয়োজনীয় চাফাই কর্মী আছেনে?

(ঙ) যদি আছে, তেন্তে উক্ত এলেকা ইমান লেতেৰা কিয়?

(চ) গুৱাহাটী পৌৰসভা এলেকাৰ গণেশগুৰী বজাৰৰ লগতে বিভিন্ন বজাৰ এলেকাসমূহৰ কদর্যময় অৱস্থাৰ বিষয়ে চৰকাৰ অৱগতনে?

(ছ) যদি অৱগত, তেন্তে গণেশগুৰীৰ আৱর্জনাময় পৰিৱেশ প্রদূষণমুক্ত কৰিবলৈ অতি শীঘ্রে চাফা কৰাৰ ব্যৱস্থা কৰিবনে?

(জ) যদি কৰে কেতিয়া কৰিব?

শ্রীমতী অজন্তা নেওগ (নগৰ উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যখনৰ ২৪খন পৌৰ সভা আৰু ১৭খন নগৰ সমিতিৰ চাপাই কৰাৰ পিছত আৱর্জনা পেলাবৰ বাবে নির্দিষ্ট স্থান আছে। তথ্য পৰিশিষ্ট 'ক' আৰু 'খ'ত সন্নিৱিষ্ট কৰা হ'ল।

(খ) যিবোৰ পৌৰসভা বা নগৰ সমিতিৰ আৱর্জনা পেলাবৰ বাবে সুবিধা নাই, সেইবোৰ পৌৰসভা/নগৰ সমিতিয়ে PPP Mode ত Solid Wate Management নির্মাণ কৰি চহৰৰ আৱর্জনা পেলোৱা সমস্যা দূৰ কৰিব পাৰে। তেজপুৰ পৌৰসভাই ইতিমধ্যে PPP Mode ৰ এটা Solid Wate Management নির্মাণ কৰি উলিয়াইছে। আনহাতে

ওচৰা-ওচৰিকৈ থকা তিনি চাৰিখন চহৰৰ বাবে একোটা Solid Wate Managements Plant নির্মাণৰ উদ্দেশ্যে অর্হতা সম্পন্ন প্রতিষ্ঠানৰ পৰা নিবিদা গ্রহণ কৰি পৌৰ প্রশাসনে সঞ্চালকালয়ত বিষয়টো পৰীক্ষা-নিৰীক্ষা কৰি আছে।

(গ) বিলাসীপাৰা নগৰ সমিতিৰ নির্দিষ্ট-স্থান থকাৰ বিপৰীতে চাপৰ নগৰ সমিতিৰ নির্দিষ্ট স্থান নাই।

(ঘ) চাফাই কর্মচাৰী আছে যদিও প্রয়োজনতকৈ কম আছে বুলি জনা যায়।

(ঙ) আৱর্জনা পেলোৱা নির্দিষ্ট স্থান প্রয়োজনতকৈ কম হোৱা বাবে তেনে পৰিৱেশ সৃষ্টি হৈছে। কিছুসংখ্যক জনসাধাৰণৰ সজাগতাৰ অভাৱত ৰাস্তা নলা নর্দমা আদিত য'তে-ত'তে জাৱৰ-জোথৰ পেলোৱাৰ ফলতে কেতিয়াবা কেতিয়াবা চহৰবোৰত লেতেৰা অৱস্থাৰ সৃষ্টি হয়।

(চ) গণেশগুৰি বজাৰখন গুৱাহাটী পৌৰসভাৰ এলেকাধীন নহয়। এই বজাৰখন গুৱাহাটী পৌৰ নিগমৰহে এলেকাধীন।

গণেশগুৰি বজাৰৰ লগতে বিভিন্ন বজাৰ এলেকাসমূহৰ কদর্যময় অৱস্থাৰ বিষয়ে গুৱাহাটী পৌৰ নিগমহে অৱগত।

(ছ) গণেশগুৰি বজাৰৰ সম্মুখৰ পথত ডাষ্টবিনৰ ব্যৱস্থা আছে আৰু সেই সমূহ দৈনিক পশ্চিম ৰৱাগাঁৱৰ আৱর্জনাস্থলীলৈ পৰিৱহণৰ ব্যৱস্থা আছে। গণেশগুৰি বজাৰৰ আশে-পাশে ঝাড়ু দি পৰিষ্কাৰ কৰাৰ লগতে দোকানীসকলে য'তে-ত'তে নিক্ষেপ কৰা আৱর্জনাসমূহ সাৰি-পুচি ডাষ্টবিনত পেলাবলৈ গুৱাহাটী পৌৰ নিগমৰ চাফাই কর্মী নিয়োজিত হৈ আছে।

(জ) উত্তৰ ছ'ত সন্নিবিষ্ট হৈ আছে।

বিষয় ঃ "সোনাৰী নগৰ পানী যোগান আঁচনি।"

শ্রীশৰৎ বৰকটকীয়ে সুধিছে ঃ

*২১৮। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চৰকাৰ জ্ঞাতনে সঞ্চালক, পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ ১৭/১২/২০১২ ইং চিঠি নং UDD(M)141/2011 মৰ্মে "সোনাৰী নগৰ পানী যোগান আঁচনি" বৰ্ধিত আৰু উন্নয়নৰ বাবদ ৭৮৮.০০ লাখ টকা ধাৰ্য্য কৰিছিল?

(খ) এইটোও জ্ঞাতনে এই আঁচনিখনৰ আধাৰশিলা ঠুকুবিল সত্ৰত যোৱা ২৩/১২/২০০৮ ইং তাৰিখে মাননীয় মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈৰ উপস্থিতিত স্থাপন কৰা হৈছিল?

(গ) যদি জ্ঞাত তেন্তে এই আঁচনিখনৰ কামৰ অগ্ৰগতি আৰু কেতিয়ালৈ সম্পূৰ্ণ হ'ব চাৰকাৰে জনাবনে?

শ্ৰীমতী অজন্তা নেওগ (নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, জ্ঞাত।

(খ) হয়, এই আঁচনিখনৰ আধাৰশিলা ঠুকবিল সত্ৰত যোৱা ২৩/১২/২০০৮ ইং তাৰিখে মাননীয় মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈৰ উপস্থিতিতেই স্থাপন কৰা হৈছিল।

(গ) আঁচনিখনৰ কাম পূৰ্ণগতিত চলি আছে। চলিত বছৰৰ ছেপ্টেম্বৰ মাহৰ ভিতৰত কামখিনি সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে।

বিষয় ঃ ডিব্ৰুগড় পৌৰসভা।

শ্ৰীপ্ৰশান্ত ফুকনে সুধিছে ঃ

*২১৯। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় চহৰৰ ডিব্ৰুগড় পৌৰসভাৰ অন্তৰ্গত ২২টা ৱাৰ্ডত কিমান পথ পকীকৰণ কৰা হ'ল? (পথৰ নামসহ তালিকা সদনত দাখিল কৰিব)

(খ) এই পথসমূহ পকীকৰণ কৰাৰ ক্ষেত্ৰত কোন কোন শিতানৰ পৰা খৰচ কৰা হৈছে?

(গ) এই পথসমূহ নিৰ্মাণৰ বাবে প্ৰাক্‌কলন প্ৰস্তুত কৰা হৈছিলনে? (প্ৰাক্‌কলনসমূহ সদনত দাখিল কৰিব)

(ঘ) এই পথসমূহ নির্মাণৰ বাবে নিবিদা আহ্বান কৰা হৈছিলনে? যদি কৰা হৈছিল কোন কেইখন বাতৰি কাকতত ইয়াৰ বাবে বিজ্ঞাপন দিয়া হৈছিল? (পেপাৰ কাটসহ সদনত দাখিল কৰিব)

শ্রীমতী অজন্তা নেওগ (পৌৰ প্রশাসন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ডিব্রুগড় চহৰৰ ডিব্রুগড় পৌৰসভাৰ অন্তর্গত ২২টা ৱার্ডত ২০০৯-১০ বর্ষৰ পৰা ২০১২-১৩ বর্ষলৈকে মুঠ ১৩৪টা পথ পকীকৰণ কৰা হৈছে।

উক্ত পথৰ নামসূহৰ তালিকা পৰিশিষ্ট 'ক' সদনৰ মেজত দিয়া হ'ল। (See Annexure-XXIII)

(খ) উক্ত পথসমূহ পকীকৰণ কৰাৰ ক্ষেত্রত খৰচ কৰা শিতানসমূহ তলত উল্লেখ কৰা হ'ল—

ক্রমিক নং	শিতান	পকীকৰণ কৰা পথৰ সংখ্যা
১	District Development Plan	৪৮টা
২	Non Salary	২৯টা
৩	Fourth Assam State Finance Commission	৪৯টা
৪	Swarna Jayanti Sahari Rojgar Yojana	৪টা
৫	13th Finance Commission	২টা
৬	Entry Tax	১টা
৭	Integrated Development of Small and Medium Town	১টা

(গ) হৈছিল। প্রাক্‌কলনসমূহ পৰিশিষ্ট 'খ' সদনৰ মেজত দিয়া হ'ল।
(See Annexure-XXIV)

(ঘ) হৈছিল। চতুর্থ ৰাজ্যিক বিত্তীয় আয়োগৰ অধীনত ২০১১-১২ বৰ্ষত নিৰ্মাণ কৰা কামখিনিৰ বাবে নিবিদা আহ্বান কৰি দিয়া বিজ্ঞাপন নিম্নলিখিত বাতৰি কাকতত প্ৰকাশ কৰা হৈছিল—

১) আজি, তাৰিখ - ০৬-১১-২০১২

২) ইষ্টাৰ্ণ ক্ৰণিকল, তাৰিখ- ০৬-১১-২০১২

সংশ্লিষ্ট বাতৰি কাকতৰ অংশ (পেপাৰ কাট) পৰিশিষ্ট 'গ' সদনৰ মেজত দিয়া হ'ল।

(See Annexure-XXIV)

বিষয় ঃ চুৰি, ডকাইতি, মাৰপিট, অপহৰণৰ ঘটনা।

শ্ৰীযাদৱ চন্দ্ৰ ডেকাই সুধিছে ঃ

*২২০। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কামৰূপ জিলাৰ বাইহাটা চাৰিআলি আৰু কমলপুৰ আৰক্ষী চকীৰ অধীনত ইং ২০১১-১২ আৰু ২০১২-১৩ বৰ্ষত কিমানটা চুৰি, ডকাইতি, মাৰপিট আৰু অপহৰণৰ ঘটনা সংঘটিত হৈছিল?
(ঘটনাৰ তাৰিখ স্থান সহ বৰ্ষ ভিত্তিত বেলেগে বেলেগে সদনত দিব)

(খ) ইয়াৰে পঞ্জীয়ন হোৱা আৰু নোহোৱা কেচৰ সংখ্যা কিমান?

(গ) উক্ত ঘটনাৰ কেচ সমূহ কি কি ধা�ৰাত পঞ্জীয়ন কৰা হৈছে?
(কেচৰ ধাৰাৰ বিপৰীতে পঞ্জীয়ন নম্বৰ সদনত দিব)

(ঘ) কেচৰ ডায়েৰি কিমান দিনৰ ভিতৰত পঠিয়াব লাগে?

(ঙ) নিৰ্ধাৰিত সময়ৰ ভিতৰত কেচ ডায়েৰি সমূহ পঠোৱা হৈছিলনে?

(চ) উপৰোক্ত ঘটনাৰ লগত জড়িত কিমানজন অপৰাধী জামিনবিহীন ধাৰাত অভিযুক্ত?

(ছ) জামিনবিহীন অভিযুক্তসকলৰ কেচ ডায়েৰি নির্ধাৰিত সময়ৰ ভিতৰত পঠোৱা হৈছিলনে?

(জ) যদি নাই কিয় জনাব?

(ঝ) কিমানটা কেচৰ বিপৰীতে কি কি ধাৰাত কিমানজন অপৰাধীক গ্ৰেপ্তাৰ কৰা হৈছিল?

(নাম ঠিকনা আৰু অপৰাধ উল্লেখ কৰি সদনত দাখিল কৰিব)

(ঞ) কি কি ধাৰাৰ বিপৰীতে কিমানটা কেচ মীমাংসা কৰা হৈছে?

(পৃথকে পৃথকে বিতং তথ্য সদনত দিব)

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) কামৰূপ জিলাৰ বাইহাটা চাৰিআলি আৰু কমলপুৰ থানাৰ অধীনত ইং ২০১১, ২০১২ আৰু ২০১৩ চনৰ ফেব্ৰুৱাৰী মাহলৈকে চুৰি, ডকাইতি, মাৰপিট আৰু অপহৰণৰ মুঠ ৩৪৮টা ঘটনা সংঘটিত হৈছে। ইয়াৰে বাইহাটা চাৰিআলি থানাৰ অধীনত ১৬৭টা আৰু কমলপুৰ থানাৰ অধীনত ১৮১টা ঘটনা সংঘটিত হৈছে। বৰ্ষ ভিত্তিত শিতান অনুযায়ী ঘটনাৰ তথ্য নথি 'ক'-ত উল্লেখ কৰা হ'ল।

(See Annexure-XXVI)

(খ) 'ক'-ত উল্লেখ কৰা ৩৪৮টা গোচৰৰ আটাইকেইটা পঞ্জীয়ন কৰা হৈছে।

(গ) উক্ত ঘটনাবোৰৰ বিপৰীতে বছৰ অনুযায়ী মোং নং ও ধাৰাসমূহ নথি 'খ'-ত উল্লেখ কৰা হ'ল।

(See Annexure-XXVII)

(ঘ) অসম পুলিচ মেনুৱেল Part-V ৰ ১৩৪ অধিনিয়ম মতে কেচ ডায়েৰী আদালতলৈ পঠিওৱাৰ কোনো নির্ধাৰিত সময়সীমা নাই যদিও ১৯৭৩ চনৰ ফৌজদাৰী কাৰ্য্যবিধি আইনৰ ১৭৩ ধাৰা মতে কেচ ডায়েৰীবোৰ সাধাৰণতে তদন্ত শেষ হোৱাৰ পিছত আদালতলৈ পঠিওৱা হয়।

(ঙ) হয়, পঠিওৱা হৈছিল।

(চ) উপৰিউক্ত ঘটনাৰ লগত জড়িত জামিনবিহীন ধাৰাত অভিযুক্ত অপৰাধীৰ তথ্য নথি 'খ'-ত উল্লেখ কৰা হ'ল।

(ছ) হয়, পঠিওৱা হৈছিল।

(জ) প্ৰশ্ন নুঠে।

(ঝ) ৯৩টা গোচৰৰ বিপৰীতে ১৬৪জন অপৰাধীক নথি 'খ'-ত উল্লেখ কৰা ধাৰা মতে গ্ৰেপ্তাৰ কৰা হৈছে (নাম, ঠিকনা উল্লেখ কৰা হৈছে)।

(ঞ) নথি 'খ'-ত উল্লেখ কৰা অভিযোগনামা (C.S.) দাখিল কৰা সকলোবিলাক গোচৰৰ বিচাৰ প্ৰক্ৰিয়া বৰ্তমানলৈ আদালতত চলি আছে। কোনো গোচৰ মীমাংসা হোৱা নাই।

(QUESTION HOUR IS OVER)

UNSTARRED QUESTIONS AND ANSWERS

Sub : Assam State Housing Board.

Shri Aminul Islam asked :

353. Will the Minister of Housing be pleased to state:

(a) Who is the Chairman of Assam State Housing Board; who are the other members? What is the procedure of formation of the Board ?

(b) What is the term of the Board ? When was the existing board constituted and when will the term be over?

(c) What are the activities of Assam State Housing Board?

(Detailed break up of the activities done by the board since 2006 alongwith expenditure may kindly be furnished)

(d) What are the assets/properties under Assam State Housing Board ?

(Total income of last five years from the various sources and utilization report of the fund may be furnished)

(e) What are the properties sold by the board since 2008 and to whom?

(please give detailed report with income and expenditure alongwith the rules and regulations of selling and purchasing of properties under the Board)

Smti. Ajanta Neog (Minister, Housing) replied :

(a) Shri Wazed Ali Choudhury is the Chairman of Assam State Housing Board.

Other Members are :-

(i) Shri Membar Gogoi, MLA

(ii) Shri Himanta Talukdar, MLA

(iii) Shri Kamalsing N arzary, MLA

Permanent Members:-

Eight Govt. Members;

(i) Secretary, Urban Development Department or his

Representative.

(ii) Secretary, Finance Department or his Representative.

(iii) Chief Engineer, P.W.D. (Roads), Assam.

(iv) Chief Engineer, P.W.D. (Buildings), Assam.

(v) Chief Engineer, P.H.E., Assam.

(vi) Director, Town & Country Planning Department, Assam.

(vii) Director, P & R.D., Assam.

(viii) Director, M.A.D., Assam.

As provided by provision of sub-section (1) of Section 4 of the Assam State Housing Board Act, 1972, the Govt. constituted the Board of Directors of Assam State Housing Board by a notification appointing its Chairman consisting of 11 members including 3 members elected by Assam Legislative Assembly amongst each MLA.

(b) (i) The term of the Board is for a period of three years as per sub-section (I) of Section 7 of the Assam State Housing Board Act, 1972.

(ii) The existing Board was constituted by Govt. notification No. UDD(T) 256/2003/40 dated, 15/5/2010 with immediate effect and the term of the Board will be over on 14/5/2013.

(c) The details breakup activities done by the Board since 2006 alongwith expenditure is furnished below :

Sl. No.	Name of activities	Year	Fund Received	Expenditure Incurred
1	Rental Housing Scheme	Since 2006-07 to 2011-12	467.63 lacs	Fully utilized
		2012-13	FOC received from Govt.	
2	Janata Housing Scheme	Since 2006-07 to 2011-12	580.60Lacs	Fully utilized
		2012-13	Allocated fund Rs. 369.00 lacs against which Board has received FOC.	
3	Affordable Housing Project under 10% Pool Fund of GOI	2011-12 2012-13	236.81 lacs 94.72 lacs	Fully Utilised Sanctioned received

Apart from the activities mentioned above, the ASHB has taken up various agency works of several Department obtaining service charges raising from 3% to 7% for smooth maintenance of the Board. The Department included are Education, Health, Social

Welfare, Tea Garden Welfare, Economics & Statistics, WPT & BC Department, NRHM etc.

(d) Assets/ properties of the Assam State Housing Board for last five years furnished as follows :-

	Year	Assets/Properties
1.	2007-08	Rs. 15,15,16,071.22
2.	2008-09	Rs. 15,85,05,466.22
3.	2009-10	Rs. 16,31,28,556.22
4.	2010-11	Rs. 16,80,22,413.00
5.	2011-12	Rs. 17,30,63,085.39

Income of last 5 years from various sources

	Year	Income
1.	2007-08	Rs. 6,93,55,236.11
2.	2008-09	Rs. 7,85,44,925.12
3.	2009-10	Rs.7,66,34,531.05
4.	2010-11	Rs. 7,70,01,307.27
5.	2011-12	Rs. 7,89,85,444.84

*Fund received is fully utilized

(e) A few portion of land, which were not suitable for undertaking any scheme by the Assam State Housing Board and likely to be encroached upon were sold/ disposed of after realization of land value as per Schedule of Govt. rate and also on public demand which are as follows :-

Sale of land property :-

1. Smti. Khadiza Ahmeda,
   C/O. Seikh Mazibur Rahman,
   Bhetapara Housing Colony,
   Hatigaon, Guwahati.
   Land measuring OB-2K-OL covered by Dag No. 298 & 297, Patta No. 91 under Beltola Mouza.
   Sale of Land value Rs. 1,50,000.00 (Dt. 28/12/2010)
2. Bhetapara Durga Mandir Unnayan Samittee, Land measuring OB-2K-10Ls covered by Dag No. 297 and 742(n), Patta No.7 of Borsojai area under Beltola Mouza. Selling of land Rs. 1,25,000/- (dated, 30/12/2010)
3. Kamakhya Nagar Puja Samittee
   A Unit of Development Committee
   Maligaon, Guwahati-12
   Land measuring OB-1K-5Ls covered by Dag No. 500, 155 under Jalukbari Mouza.
   Selling of land Rs. 50,000/- (dated, 2711012008)
4. Shri Basanta Barooah,

Krishna Nagar Chandmari, Guwahati-03.
Land measuring OB-OK-6Ls only covered by Dag No. 220 under Ulubari Mouza.
Selling of land Rs. 1,50,000/- (dated 7/6/2011)

5. The Senior Manager,
Office of the General Manager,
Lower Assam Electricity Distribution Company at Guwahati Zone,
Narengi, Guwahati-25
Covered by Dag No. 194 and Patta No. 61 under Beltola Mouza,
Land area = 21 x 35.5 Sq.m.
Selling of land Rs. 14,00,000/- (dated 19110/2009)

বিষয় ঃ ফ্লেট আবণ্টন।

শ্রীমজিবুৰ ৰহমানে সুধিছে ঃ

৩৫৪। মাননীয় গৃহ নির্মাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে,ঃ

(ক) অসমত হাউছিং ব'র্ডৰ অধীনত কি কি আঁচনি লোৱা হয় জনাবনে?

(খ) এই ব'র্ডৰ জৰিয়তে চৰকাৰী নীতি-নির্দেশনাৰ জৰিয়তে ফ্লেট আবণ্টন দিয়াৰ কথাটো সত্যনে?

(গ) যদি সত্য, তেন্তে সেই ফ্লেটসমূহ আবণ্টন পোৱাৰ বাবে চৰকাৰী নীতি কি? ভাড়াৰ নিৰিখ কি? (বিতং তথ্য জনাব)

(ঘ) এতিয়া কিমান ফ্লেট অসমত আবণ্টন দিয়া হৈছে আৰু বর্তমান কিমান ফ্লেট খালী আছে জনাবনে?

(ঙ) কোনে আবণ্টনৰ বাবে আবেদন কৰিব পাৰে জনাবনে?

শ্রীমতী অজন্তা নেওগ (গৃহ নির্মাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসম ৰাজ্যিক গৃহ নির্মাণ পৰিষদে ৰাজ্যিক পৰিকল্পনা শিতানত ধার্য্য কৰা পুঁজিৰে ৰাজ্যখনত অর্থনৈতিকভাৱে দুর্বল শ্রেণীৰ লোকৰ বাবে জনতা গৃহ নির্মাণ আঁচনি (সাধাৰণ, অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি) আৰু তৃতীয় আৰু চতুর্থ শ্রেণীৰ চৰকাৰী কর্মচাৰীৰ বাবে ভাড়া ভিত্তিক গৃহ নির্মাণ আঁচনি ৰূপায়ণ কৰি আছে।

আনহাতে কেন্দ্রীয় চৰকাৰৰ "হাউছিং এণ্ড আৰবান পোভাৰটি এলিভিয়েচন" মন্ত্রালয়ে ১০% পুল ফাণ্ডৰ অধীনত আবণ্টিত পুঁজিৰে শিলচৰ আৰু ধুবুৰী জিলাত "Affordable Housing for all EWS and LIG" ৰ প্রকল্পৰ নির্মাণৰ কাম কৰি আছে।

(খ) এই ব'ৰ্ডৰ জৰিয়তে চৰকাৰী নীতি নির্দেশনাৰ জৰিয়তে ফ্লেট আবণ্টন দিয়াৰ কথাটো সত্য।

(গ) ফ্লেটসমূহ Rule 15 under chapter XIII of Assam State Housing Board's Rule, 1976 মতে আবণ্টন দিয়া হয়। ভাড়াতীয়া আঁচনি (RHS) ৰ বিভিন্ন Category ৰ ভাড়াৰ নিৰিখ বেলেগ বেলেগ। বিতং তথ্য পৰিশিষ্ট "১"ত সংলগ্ন কৰা হ'ল।

(See Annexure-XXVII)

(ঘ) বর্তমান ২১৫৮টা ফ্লেট সমগ্র অসমত আবণ্টন দিয়া হৈছে আৰু বর্তমান কোনো ফ্লেট খালি নাই।

(ঙ) সকলো লোকে আবণ্টনৰ বাবে আবেদন কৰিব পাৰে। কিন্তু যিসকল লোকে নগৰ বা চহৰত ঘৰ আবণ্টনৰ বাবে আবেদন কৰে সেই চহৰ বা নগৰত নিজৰ ঘৰ বা মাটি থাকিব নোৱাৰিব লগতে নির্দিষ্ট নগৰ চহৰত চাকৰি বা ব্যৱসায় সূত্রে স্থায়ীভাৱে বসবাস কৰা হ'ব লাগিব।

বিষয় ঃ Pass-Port Zonal Office স্থাপন।

শ্রীকমলাক্ষ্য দে পুৰকায়স্থই সুধিছে ঃ

৩৫৫। মাননীয় পাৰপত্র বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰৰাকভেলীত স্থাপন কৰিব ৰিচৰা Pass-Port Zonal Office টোৰ কাম কেতিয়া কৰিব?

(খ) সীমান্তৰতী এলেকা (Border-Side area) কৰিমগঞ্জত Pass-Port Zonal Office টো স্থাপনৰ ব্যৱস্থা কৰিবনে?

শ্ৰীৰকিবুল হুছেইন (বন আৰু পৰিবেশ, পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে পাৰপত্ৰ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ বৈদেশিক পৰিক্ৰমা বিভাগৰ অধীনত। এই সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে।

(খ) ৰৰাকভেলীৰ শিলচৰত এটা PSK (Passport Seva Kendra) স্থাপনৰ বাবে যোগাযোগ কৰি থকা হৈছে।

বিষয় ঃ আৰক্ষী বদলিকৰণ সন্দৰ্ভত।

শ্ৰীঅঞ্জন দত্তই সুধিছে ঃ

৩৫৬। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম আৰক্ষীৰ বিষয়া-কৰ্মচাৰীসকলে নিৰ্বাচনৰ সময়ত গৃহ জিলাতে কাৰ্য্যনিৰ্বাহ কৰি থাকিব পাৰেনে? আৰক্ষী বিভাগত একেটা পদত একে ঠাইতে তিনি বছৰতকৈ অধিক কাল কাৰ্য্যনিৰ্বাহ কৰিব পাৰেনে? যদি পাৰে, কিমানদিনলৈকে পাৰে? তিনি বছৰতকৈ অধিক কাল একেটা পদত একে ঠাইতে কাৰ্য্যনিৰ্বাহ কৰি থকা সকলক বদলি কৰাৰ কিবা পৰিকল্পনা চৰকাৰৰ আছে নেকি?

(খ) অসম আৰক্ষীৰ District Executive Force চমুকৈ DEF আৰু বেটেলিয়নৰ অধীনত কিমানজন কনিষ্টবল, এ এছ আই, এছ আই আৰু চি আইয়ে বৰ্তমান গৃহ জিলাত চাকৰি কৰি আছে?

(জিলা ভিত্তিত সুকীয়া সুকীয়াকৈ জনাব)

(গ) শিৰসাগৰ জিলা আৰক্ষী বিভাগত কৰ্মৰত কোনো কৰ্মচাৰীৰ পত্নীয়ে ২০১৩ বৰ্ষৰ পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে নেকি? এনে কোনো

কর্মচাৰীয়ে পত্নীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ অভিযোগ উত্থাপিত হৈছিল নেকি? যদি হৈছিল, তেনেহ'লে এই সম্পৰ্কে তদন্ত হ'ল নেকি? যদি হ'ল, এই তদন্তৰ ভিত্তিত কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী)য়ে গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) নিৰ্বাচনৰ কামত নিয়োজিত আৰক্ষীৰ বিষয়া-কৰ্মচাৰীসকলক নিৰ্বাচনৰ সময়ত গৃহ জিলাত কাৰ্যনিৰ্বাহ কৰি থাকিবলৈ দিয়া নহয়। সাধাৰণতে একেটা পদত একে ঠাইতে তিনি বছৰতকৈ অধিককাল কাৰ্যনিৰ্বাহ কৰি থাকিবলৈ দিয়া নহয় যদিও নিম্নপৰ্য্যায়ৰ বিষয়া-কৰ্মচাৰীৰ ক্ষেত্ৰত এই ব্যৱস্থা মানি চলা নহয়। সময়ে সময়ে তিনি বছৰতকৈ অধিককাল একে ঠাইত কাৰ্যনিৰ্বাহ কৰি থকা বিষয়াসকলক বদলি কৰি থকা হয়।

(খ) গৃহ জিলাত চাকৰি কৰি থকা কনিষ্টবল, এ এছ আই, এছ আই আৰু চি আইৰ তথ্য জিলাত ভিত্তিত তালিকা 'A' আৰু 'B' ত সংলগ্ন কৰা হ'ল। (See Annexure-XXVIII)

(গ) শিৱসাগৰ জিলাৰ গৌৰীসাগৰ থানাৰ সীমান্ত শাখাত কৰ্মৰত এজন কনিষ্টবলৰ পত্নীয়ে যোৱা পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল। কনিষ্টবলজনৰ বিৰুদ্ধে অভিযোগ পোৱা গৈছিল। উক্ত অভিযোগৰ ভিত্তিত তদন্ত কৰি শিৱসাগৰ জিলাৰ উপায়ুক্তৰ ওচৰত প্ৰতিবেদন দাখিল কৰা হৈছে। উক্ত কনিষ্টবলজনক আৰক্ষী চাউনীলৈ স্থানান্তৰ কৰা হৈছে।

Sub: Nos. of SPT Bridge Converted into RCC Bridge.

Shri Abdur Rahman Ajmal asked :

357. Will the Minister of P.W.D. be pleased to state:

a) How many SPT Bridges have been converted into RCC by the Government in last two financial years in the State? (Please give in details LAC wise)

b) Whether the Government is Planning to Construct RCC Bridges this year ?

c) If so, is there any Bridge (s) to be constructed under South Salmara LAC this year?

Smti. Ajanta Neog (Minister, PWD) replied :

a) Total 729 nos. of SPT bridges have been converted in to RCC bridges by the Government in the last two financial years in the state under different schemes (Details enclosed - summary sheet, Annexure-A, Annexure-B & Annexure - C) for NLCPR, RIDF & MMPDNA consecutively.

(See Annexure-XXIX)

b) Yes.

c) No.

Sub : Building of Fire Station.

Shri Kripanath Mallah asked :

358. Will the Chief Minister of be pleased to state:

(a) Whether necessary fund is available with the Directorate of State Fire Service for construction of the building for Ramkrishna Nagar Fire Station ? If so, how much ? If not, whether budgetary provision will be made during financial year, 2013-14? State the present status of the matter?

(b) Whether necessary land has been handed over to the Fire Service Department by the Deputy

Commissioner, Karimganj ? If so, when? If not, has the Director, State Fire Service, Assam sent reminding letter to the Deputy Commissioner, Karimganj/ Secretary, Revenue requesting them to expedite the matter of handing over of land?

Shri Rakybul Hussain (Minister, Forest, Panchayat etc. Department) replied on behalf of the Chief Minister :

(a) Fund for construction of Fire Service Station building is made under the Sub Head "505-Openning of New Fire Service Station & Detail Head 13 Major Works". Budgetary provision will be available during 2013-14 under above head of account for construction of Fire Service Station building at Ramkrishna Nagar.

(b) The D.C., Karimganj is yet to hand over the land recently allotted by the Revenue & Disaster Management(s) Department. The land is allotted on 8th March, 2013 vide letter No.RSS.1242/2012/14. (Copy enclosed as Annexure-I),

(See Annexure-XXX)

বিষয় ঃ লক্ষীপুৰ নগৰ সমিতি।

শ্রীমইন উদ্দিন আহমেদে সুধিছে ঃ

৩৫৯। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০১০ চনৰ পৰা আজিলৈকে লক্ষীপুৰ নগৰ সমিতিৰ মুঠ আয় কিমান, মাহিলি ভিত্তিত বিতং তালিকা দিব?

(উৎসৰ নাম, ঠিকনা, তাৰিখ, ধনৰ পৰিমাণৰ সৈতে বিতং তালিকা দিব)

(খ) ২০১০ চনৰ পৰা আজিলৈকে উক্ত নগৰ সমিতিৰ মুঠ ব্যয়ৰ পৰিমাণ কিমান মাহিলি ভিত্তিক তথ্য দাখিল কৰিব?

(শিতানৰ নাম, ঠিকনা, সময়, পুঁজিৰ পৰিমাণৰ সৈতে জনাব)

(গ) উক্ত সময়ৰ ভিতৰত এই নগৰ সমিতিয়ে কি কি আঁচনিৰ অধীনত কিমান প্ৰস্তাৱ দিছে, তাৰে কিমান অনুমোদন পাইছে আৰু তাৰে কিমানখিনি ৰূপায়ণ হ'ল বা হৈ আছে?

(আঁচনিৰ নাম, ঠিকনা, পুঁজিৰ পৰিমাণ, কামৰ অগ্ৰগতি, মোকলাই দিয়া টকাৰ পৰিমাণৰ সৈতে জনাব)

(ঘ) উক্ত নগৰৰ কিমান বিঘা খালী মাটি ঠিকনাৰ সৈতে জনাব, লগতে বেদখলকৃত মাটিৰ পৰিমাণো জনাব?

শ্ৰীমতী অজন্তা নেওগ (নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০১০ চনৰ পৰা আজিলৈকে লক্ষীপুৰ নগৰ সমিতিৰ মুঠ আয়, মাহিলি ভিত্তি বিতং তালিকা পৰিশিষ্ট 'ক'ত দেখুওৱা হ'ল।

(See Annexure-XXXI)

(খ) ২০১০ চনৰ পৰা আজিলৈকে উক্ত নগৰ সমিতিৰ মুঠ ব্যয়ৰ পৰিমাণ, মাহিলি ভিত্তিক পৰিশিষ্ট 'ক'ত দাখিল কৰা হ'ল।

(See Annexure-XXXII)

(গ) পৰিশিষ্ট 'গ'ত দাখিল কৰা হ'ল। (See Annexure-XXXIII)

(ঘ) লক্ষীপুৰ নগৰ সমিতিৰ কোনো ধৰণৰ খালী মাটি নাই আৰু কোনোধৰণৰ বেদখলকৃত মাটি নাই।

বিষয় ঃ দলং পকীকৰণ।

শ্ৰীহেমন্ত তালুকদাবে সুধিছে ঃ

৩৬০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰ অৱগতনে যে সকলোবোৰ কাঠৰ দলং পকীকৰণ কৰা হ'ব বুলি ঘোষণা কৰা হৈছিল?

(খ) এইটো জ্ঞাতনে, পশ্চিম গুৱাহাটী সমষ্টিৰ বহু কাঠৰ দলং জৰাজীর্ণ তথা বিপদাপন্ন অৱস্থাত পৰি আছে?

(গ) চৰকাৰে জানেনে, অসম মেঘালয় সীমান্তৱর্তী অঞ্চলৰ দুখন কাঠৰ দলং ভগ্নপ্রায় অৱস্থাত মানুহে তক্তা পাৰি কোনোমতে অহা-যোৱা কৰি আছে আৰু দুখন ঠাইৰ কাঠৰ দলঙৰ অৱস্থা অতি পুতৌলগা আৰু বিপদসংকুল অৱস্থাত আছে?

(ঘ) যদি জানে, অনতিপলমে চৰকাৰে কিবা ব্যৱস্থা হাতত ল'বনে?

(ঙ) যদি লয়, কেতিয়া কার্য্যকৰী ব্যৱস্তা হাতত ল'ব জনাবনে?

শ্রীমন্তী অজন্তা নেওগ (গড়কাপ্টানি বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰ অৱগত। পর্য্যায়ক্রমে সকলোবোৰ দলং পকীকৰণৰ ব্যৱস্থা লোৱা হৈছে।

(খ) আন আন সমষ্টিৰ লগতে পশ্চিম গুৱাহাটী সমষ্টিটো কিছু কাঠৰ দলং পকী কৰিবলৈ পাকী আছে আৰু এই কাঠৰ দলং বোৱত মেৰামতিৰ প্রয়োজন আছে।

(গ) অসম মেঘালয় সীমান্তৱর্তী অঞ্চলৰ কাঠৰ দলং নং ক্রমে ২/১ আৰু ২/২ ভগ্নপ্রায় অৱস্থাত থকাটো চৰকাৰে জানে।

(ঘ) বর্তমান এই দলং দুখন পথটি সহ Spl. Package, constn. of Border Area Roads & Bridges আঁচনিৰ অধীনত পুন নির্মাণৰ বাবে অনুমোদন দিয়া হৈছে।

(ঙ) এই পথটোৰ কামৰ নিবিদা আহ্বান কৰা হৈছে। অতি সোনকালে কাম আৰম্ভ কৰা হ'ব।

বিষয় ঃ অসম প্রশাসনীয় সেৱা।

শ্রীদেৱব্রত শইকীয়াই সুধিছে ঃ

৩৬১। মাননীয় কর্মচাৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বৰ্তমানে ৰাজ্যত কিমানসংখ্যক অসম প্ৰশাসনিক সেৱা আৰু বিভিন্ন ৰাজপত্ৰিত বিষয়া আৰু অৰাজপত্ৰিত বিষয়াৰ পদবী খালী আছে? (বিভাগ অনুযায়ী তালিকা দিব)

(খ) বহু চৰকাৰী বিষয়াই অতিৰিক্ত দায়িত্ব বহন কৰাৰ বাবে বহু সময়ত চৰকাৰী আঁচনি ৰূপায়ণত আহি পৰা স্থবিৰতাৰ বিষয়ে চৰকাৰ অৱগতনে? যদি অৱগত, ইয়াৰ দূৰকৰণৰ বাবে উপযুক্ত সংখ্যক বিষয়া নিয়োগৰ ক্ষীপ্ৰ ব্যৱস্থা চৰকাৰে ল'বনে?

(গ) অসম অসামৰিক সেৱা আয়োগক অধিক কাৰ্য্যক্ষম কৰাৰ বাবে খালী হৈ থকা অধ্যক্ষ আৰু সদস্য পদসমূহ পূৰণ কৰাৰ বাবে চৰকাৰে কেনে ব্যৱস্থা লৈছে?

(ঘ) মুখ্যমন্ত্ৰী মহোদয়ে ঘোষণা কৰা গ্ৰাম্য প্ৰশাসনীয় সেৱা নিযুক্তি কেতিয়াৰ পৰা আৰম্ভ হ'ব?

শ্ৰীপৃথিৰী মাঝি (ৰাজহ, শ্ৰম ও নিয়োগ বিভাগৰ মন্ত্ৰী)য়ে কৰ্মচাৰী বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) মুঠ ৫৪টা বিভাগৰ পৰা পোৱা তথ্য অনুসৰি বৰ্তমান ৰাজ্যত ২৬৬টা অসম প্ৰশাসনিক সেৱাৰ, ৩৭১০টা বিভিন্ন ৰাজপত্ৰিত বিষয়াৰ আৰু ১১৬১৯টা অৰাজপত্ৰিতত বিষয়াৰ পদ খালী হৈ আছে।
(বিভাগ অনুযায়ী তালিকা অনুবদ্ধ ক'ত দিয়া হ'ল)
(See Annexure-XXXIV)

(খ) আঁচনি ৰূপায়ণত স্থবিৰতা অহা নাই। খালী হৈ থকা পদবীসমূহ সময়ে সময়ে পূৰণ কৰি থকা হৈছে।

(গ) অসম লোকসেৱা আয়োগত খালী হোৱা পদসমূহ পূৰণ কৰাৰ প্ৰক্ৰিয়া চলি আছে।

(ঘ) অসম গ্ৰাম্য সেৱা বিধি চূড়ান্ত হোৱাৰ পাছতে নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব।

বিষয় ঃ BTAD সংঘর্ষ।

শ্রীআলী হুছেইনে সুধিছে ঃ

৩৬২। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) BTADত গোষ্ঠীগত সংঘর্ষৰ ফলত কোন জনগোষ্ঠী আটাইতকৈ বেছি ক্ষতিগ্রস্ত হৈছে?

(খ) BTADৰ গোষ্ঠীগত সংঘর্ষৰ বাবে কোন আটাইতকৈ জগৰীয়া তাক চৰকাৰে চিনাক্ত কৰিব পাৰিছেনে?

(গ) যদি চিনাক্ত কৰিব পাৰিছে, তেন্তে চিনাক্তকাৰী জগৰীয়া ব্যক্তিসকলৰ নাম তালিকা সদনত প্রকাশ কৰিব?

(ঘ) যদি চিনাক্ত কৰিব পৰা নাই, তেন্তে কি কাৰণত জগৰীয়া ব্যক্তিসকলক চিনাক্ত কৰিব পৰা নাই, তাৰ সবিশেষ তথ্য বিধানসভাৰ মজিয়াত জনাব?

শ্রীৰকিবুল হুছেইন (বন ও পৰিবেশন আৰু পঞ্চায়ত ও গ্রামোনয়ন বিভাগৰ মন্ত্রী)য়ে গৃহ বিভাগৰ মন্ত্রী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) ২০১২ চনৰ জুলাই মাহৰ ১৯ তাৰিখৰ পৰা BTAD অঞ্চলত হোৱা গোষ্ঠীগত সংঘর্ষত ক্ষতিগ্রস্ত সম্পর্কে নির্ধাৰণৰ বাবে ন্যায়াধীশ (অৱসৰপ্রাপ্ত) শ্রীমুটুম বি কে সিঙৰ অধীনত তদন্ত কৰিবলৈ ০৫-১০-২০১২ তাৰিখে চৰকাৰী অধিসূচনা যোগে এজনীয়া তদন্ত আয়োগ গঠন কৰা হৈছে।

(খ) BTAD ৰ গোষ্ঠীগত সংঘর্ষৰ বাবে কোন জগৰীয়া তাক তদন্ত আয়োগৰ প্রতিবেদনৰ পাছত হে ক'ব পৰা যাব। এই সংক্রান্তত বর্তমানলৈ ৫,৭৪১টা গোচৰ ৰুজু কৰা হৈছে। তদুপৰি CBI ৰ দ্বাৰাও তদন্ত চলি আছে।

(গ) গোষ্ঠীগত সংঘর্ষত ৰুজু হোৱা গোচৰ সমূহত আটক হোৱা ব্যক্তিসকলৰ (মুঠ ১৮২জন) নামৰ তালিকা সংলগ্ন পৰিশিষ্ট "ক"ত দিয়া হ'ল। (See Annexure-XXXV)

(ঘ) "গ"ত উল্লেখ কৰা ধৰণে।

বিষয় ঃ ৰাস্তা মেৰামতি।

শ্রীশিৱচৰণ বসুমতাৰীয়ে সুধিছে ঃ

৩৬৩। মাননীয় গড়কাপ্টানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চৰকাৰ অৱগতনে, ৩৬নং দুধনৈ জনজাতি বিধানসভা সমষ্টিৰ অৱৰ্গত কৃষ্ণাই তিনিআলিৰ পৰা পাখিৰিগুৰি তিনিআলিলৈ (পুৰণা 37 N H Road) যোৱা ৰাস্তা আৰু বক্স কালভাৰ্ট এখন অতি ঘন বসতিপূৰ্ণ জনসংখ্যাৰ অহা-যোৱা কৰাৰ পথ?

(খ) যদি অৱগত, তেন্তে যোৱা ১৫-২০ বছৰেই উল্লেখিত ৰাস্তাটো মেৰামতি কৰা হোৱা নাই কিয়?

(গ) বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত বাৰে বাৰে অনুৰোধ কৰা সত্ত্বেও কিয় হোৱা নাই, অনুগ্রহ কৰি জনাবনে?

শ্রীমতী অজন্তা নেওগ (গড়কাপ্টানী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) উল্লেখিত ৰাস্তাটো যোৱা ১৫-২০ বছৰে প্রয়োজন সাপেক্ষে বিভিন্ন আঁচনিৰ জৰিয়তে মেৰামতি কৰা হৈছিল। বিতং তথ্য অনুবদ্ধ 'ক'ত দিয়া হৈছে।

(See Annexure-XXXVI)

(গ) উল্লেখিত পথটিৰ মেৰামতি পর্যাপ্ত পুঁজি নথকাৰ বাবে ২০১২-১৩ বিত্তীয় বর্ষত কৰিব পৰা নগ'ল। সেয়েহে ২০১৩-১৪ বিত্তীয় বর্ষৰ বার্ষিক মেৰামতিৰ শিতানত পথটি অন্তর্ভুক্ত কৰি প্রস্তাৱ লোৱাৰ বাবে চেষ্টা চলাই থকা হৈছে।

পুঁজি সাপেক্ষে পৰৱর্তী সময়ত মেৰামতিৰ ব্যৱস্থা লোৱা হ'ব।

বিষয় ঃ টকা অনুমোদন।

শ্রীউৎপল দত্তই সুধিছে ঃ

৩৬৪। মাননীয় গড়কাপ্টানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা ২০১১-১২, ২০১২-১৩ বৰ্ষত পৰিকল্পনা আৰু পৰিকল্পনা বিহীন শিতানত বিভাগে কিমান টকা অনুমোদন দিছিল জনাবনে?

(খ) উক্ত অনুমোদিত ধন কি পদ্ধতিত বিতৰণ কৰা হয় জনাবনে?

(গ) যোৱা দুটা বছৰত উক্ত ধন জিলা ভিত্তিত কিমান পৰিমাণে বিতৰণ কৰা হৈছিল সম্পূৰ্ণ তথ্য সদনত দাখিল কৰিবনে?

(ঘ) PMGSY আঁচনিৰ অধীনত উক্ত বৰ্ষ দুটাত কেন্দ্ৰীয় চৰকাৰৰ পৰা কিমান টকা আৱণ্টন পাইছিল জনাবনে?

(ঙ) PMGSY আঁচনিৰ অধীনত উক্ত দুটা বৰ্ষত লখিমপুৰ জিলাৰ বিভিন্ন উন্নয়ন খণ্ড সমূহৰ অধীনত কি কি আঁচনি লোৱা হৈছিল জনাবনে? (আঁচনিৰ নাম আৰু অনুমোদিত ধনৰ পৰিমাণ দাখিল কৰিব)

(চ) আঁচনিসমূহৰ কাম কি পৰ্য্যায়ত আছে সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব?

শ্ৰীমতী অজন্তা নেওগ (গড়কাপ্টানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) যোৱা ২০১১-১২ আৰু ২০১২-১৩ বৰ্ষত গড়কাপ্টানী (পথ) বিভাগৰ বাবে অনুমোদিত বাজেটৰ পৰিমাণ তলত দিয়া হ'ল ঃ-

		(লাখ টকা)
	২০১১-১২	২০১২-১৩
পৰিকল্পনা	১৫৭৯৯০.৩১	১৯৯৭০০.০০
পৰিকল্পনা বহির্ভূত	৩৮২৯৭.০০	৩০২৬০.০০

(খ) উক্ত অনুমোদিত ধন কামৰ অগ্ৰাধিকাৰ ভিত্তিত আৱণ্টন দিয়া হয়।

(গ) অনুমোদিত বাজেটৰ ধন জিলা ভিত্তিত বিতৰণ কৰা নহয়। ইয়াৰ সলনি চৰকাৰে ৰূপায়ণ কৰা আঁচনিসমূহৰ নীতি-নিৰ্দেশনা অনুসৰি আৰু

ৰূপায়িত কামৰ অগ্ৰগতিৰ ওপৰত ভিত্তি কৰি মুকলি কৰি দিয়া হয়।

(ঘ) ২০১১-১২ বৰ্ষত ১৬৮২.৮৪ কোটি টকা মুকলি কৰি দিয়া হৈছিল।

(ঙ) উক্ত আঁচনিৰ অধীনত ২০১১-১২ বৰ্ষত লখিমপুৰ জিলাত ৪টা আঁচনি লোৱা হৈছিল। উক্ত আঁচনিসমূহৰ বিতং তথ্য অনুবদ্ধ 'খ'ত দিয়া হ'ল। (See Annexure-XXXII) ২০১২-১৩ বৰ্ষত এতিয়ালৈকে কোনো আঁচনিৰ অনুমোদন পোৱা হোৱা নাই।

(চ) অনুমোদিত আঁচনিসমূহৰ নিবিদা গ্ৰহণ কৰাৰ পাছত নিবিদাসমূহৰ পৰীক্ষণ প্ৰক্ৰিয়াৰ কাম চলি আছে।

বিষয় ঃ বি টি এ ডি অঞ্চলত সংঘৰ্ষপীড়িতৰ পুনৰ সংস্থাপন।

হাফিজ ৰহিৰ আহমেদে সুধিছে ঃ

(ক) বি টি এ ডি অঞ্চলত ২০১২ বৰ্ষত সংঘটিত হিংসাত্মক ঘটনাৱলীত কিমান লোক ক্ষতিগ্ৰস্ত হৈছে, তাৰ সবিশেষ তথ্য চৰকাৰৰ হাতত আছেনে?

(খ) যদি হয়, উক্ত হিংসাত্মক ঘটনাৱলীত ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালৰ প্ৰকৃত সংখ্যা কিমান?

(গ) ইয়াৰে কিমানজন লোকৰ ঘৰ-দুৱাৰ সম্পূৰ্ণ ভস্মীভূত হৈছে, কিমানজন লোকৰ ঘৰ-দুৱাৰ অগ্নিকাণ্ডৰ ফলত ক্ষতিগ্ৰস্ত হৈছে আৰু কিমানজন লোকৰ ঘৰত লুট-পাটৰ ঘটনা ঘটিছে?

(গাঁও ভিত্তিত ক্ষতিগ্ৰস্ত লোকৰ তালিকা দাখিল কৰিব)

(ঘ) কি আধাৰ নীতিৰ অধীনত ক্ষতিগ্ৰস্ত লোকসকলক কিমান টকাকৈ ক্ষতিপূৰণ আদায় দিয়া হৈছে আৰু বাকী থকা ক্ষতিগ্ৰস্ত লোকসকলক কিমান দিনৰ ভিতৰত ক্ষতিপূৰণ আদায় দিয়া হ'ব?

(উত্তৰ তথ্যসহ দিব)

(ঙ) বি টি এ ডিৰ শেহতীয়া হিংসাত্মক ঘটনাৱলী সন্দৰ্ভত বিভিন্ন আৰক্ষী থানাত কিমানটা গোচৰ ৰুজু হৈছে?

(চ) ইয়াৰে কোনকেইটা গোচৰৰ ভিত্তিত কিমানজন লোকক গ্ৰেপ্তাৰ হৈছে?

(উত্তৰ তথ্যসহ দিব)

শ্ৰীৰকিবুল হুছেইন (পৰিবেশ ও বন আৰু পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা (প্ৰশমন আৰু পুনৰ সংস্থাপন শাখা) বিভাগৰ পৰা পোৱা তথ্য মতে বি টি এ ডি অঞ্চলত ২০১২ বৰ্ষত সংঘটিত হিংসাত্মক ঘটনাবলীত ১৪,৭১৪টা পৰিয়ালৰ লোক ক্ষতিগ্ৰস্ত হৈছে, তাৰ সবিশেষ তথ্য চৰকাৰৰ হাতত আছে। তদুপৰি উক্ত হিংসাত্মক ঘটনাত সৰ্বমুঠ ১০৯ জন লোকৰ মৃত্যু হৈছে।

(সবিশেষ তথ্য পৰিশিষ্ট "ক"ত সংলগ্ন কৰা হ'ল আৰু সদনৰ মজিয়াত দাখিল কৰা হ'ল)

(See Annexure-II-A)

(খ) উক্ত হিংসাত্মক ঘটনাবলীত ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালৰ প্ৰকৃত সংখ্যা ১৪,৭১৪।

(গ) ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা (প্ৰশমন আৰু পুনৰ সংস্থাপন শাখা) বিভাগৰ পৰা পোৱা তথ্য মতে ধুবুৰী জিলাৰ ১৭২ জন লোকৰ ঘৰ-দুৱাৰ সম্পূৰ্ণৰূপে ভস্মীভূত/ক্ষতিগ্ৰস্ত হৈছে আৰু ৪ জন লোকৰ ঘৰ-দুৱাৰ আংশিকভাৱে ক্ষতিগ্ৰস্ত হৈছে। (ধুবুৰী জিলাৰ গাঁও ভিত্তিক ক্ষতিগ্ৰস্ত লোকৰ তালিকা পৰিশিষ্ট "খ"ত সংলগ্ন কৰা হ'ল আৰু সদনৰ মজিয়াত দাখিল কৰা হ'ল) (See Annexure-II-B) কোকৰাঝাৰ আৰু চিৰাং জিলাৰ বিতং তথ্য সংশ্লিষ্ট উপায়ুক্তসকলৰ পৰা ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা (প্ৰশমন আৰু পুনৰ সংস্থাপন শাখা) বিভাগৰ দ্বাৰা সংগ্ৰহ কৰি থকা হৈছে।

(ঘ) চৰকাৰী সিদ্ধান্তৰ ভিত্তিত ক্ষতিগ্ৰস্ত লোকসকলক নিম্নোক্ত ধৰণে ক্ষতিপূৰণ দিয়া হৈছে আৰু বিতং তথ্য তলত উল্লেখ কৰা হ'ল—

১) সম্পূর্ণৰূপে ক্ষতিগ্রস্ত পৰিয়ালৰ ক্ষেত্রত ঃ-

* নগদ ২০,০০০ টকা আৰু ৩ (তিনি) বাণ্ডিল টিনপাত।
* বস্ত্র সাহায্য ১,৩০০ টকা।
* বৰ্তন সাহায্য ১,৪০০ টকা।

তদুপৰি প্রধানমন্ত্রী সাহায্য পুঁজিৰ পৰা ৩০,০০০ টকাকৈ আর্থিক অনুদান দিয়া হৈছে।

২) আংশিকভাৱে ক্ষতিগ্রস্ত পৰিয়ালৰ ক্ষেত্রত ঃ

* নগদ ২০,০০০ টকা অর্থসাহায্য প্রদান কৰা হৈছে।

তদুপৰি প্রধানমন্ত্রী সাহায্য পুঁজিৰ পৰা ২০,০০০ টকাকৈ আর্থিক অনুদান দিয়া হৈছে।

৩) প্রতিজন মৃত ব্যক্তিৰ নিকটাত্মীয়ক অসম চৰকাৰৰ পৰা ৩ লাখ টকাকৈ অর্থ সাহায্য প্রদান কৰা হৈছে। তদুপৰি ভাৰত চৰকাৰৰ পৰা ৩ লাখ টকাকৈ আৰু প্রধানমন্ত্রী সাহায্য পুঁজিৰ পৰা ২ লাখ টকাকৈ মৃত ব্যক্তিৰ নিকটাত্মীয়ক দিয়াৰ ব্যৱস্থা লৈ থকা হৈছে।

৪) গুৰুতৰভাৱে আহত ব্যক্তিসকলক ৫০,০০০ টকাকৈ আৰু সামান্যভাৱে আহত ব্যক্তিসকলক ১০,০০০ টকাকৈ অর্থ সাহায্য প্রদান কৰা হৈছে।

বর্তমানলৈ মুঠ ১১,৪৮৯ টা পৰিয়ালক ক্ষতিপূৰণ আৰু পুনৰ সংস্থাপন দিয়া হৈছে।

জিলা ভিত্তিক তথ্য তলত দাখিল কৰা হ'ল—

কোকৰাঝাৰ ঃ ৯,৬৬৩

চিৰাং ঃ ১,৬৬০

ধুবুৰী ঃ ১৬৬ (দহটা পৰিয়াল সংস্থাপনৰ যোগ্য নহয়)

মুঠ ঃ ১১,৪৮৯

ক্ষতিপূৰণ আদায়ৰ প্ৰক্ৰিয়া বৰ্তমানে চলি আছে আৰু অতি শীঘ্ৰে বাকী থকা পৰিয়ালসমূহক পৰ্য্যায়ক্ৰমে ক্ষতিপূৰণ আদায় দিয়া হ'ব।

(ঙ) বি টি এ ডিৰ শেহতীয়া হিংসাত্মক ঘটনাৱলী সম্পৰ্কত বিভিন্ন আৰক্ষী থানাত সৰ্বমুঠ ৫,৭৪১টা গোচৰ ৰুজু কৰা হৈছে। (জিলা তথাআৰক্ষী থানা ভিত্তিক বিতং তথ্য পৰিশিষ্ট 'গ'ত সংলগ্ন কৰা হ'ল আৰু সদনৰ মজিয়াত দাখিল কৰা হ'ল)

(See Annexure-XXXII-C)

(চ) উক্ত গোচৰসমূহৰ অন্তৰ্ভুক্ত মুঠ ৩৭৮ জন অপৰাধীক গ্ৰেপ্তাৰ কৰি মাননীয় আদালতলৈ প্ৰেৰণ কৰা হৈছে। (গোচৰসমূহৰ ও ধৃত অপৰাধীসকলৰ বিতং তথ্য পৰিশিষ্ট 'ঘ'ত সংলগ্ন কৰা হ'ল আৰু সদনৰ মজিয়াত দাখিল কৰা হ'ল)

(See Annexure-XXXII-D)

বিষয় ঃ বাদলাভেটা দুৱাৰমাৰা পথ।

শ্ৰীদিলীপ মৰাণে সুধিছে ঃ

৩৬৫। মাননীয় গড়কাপ্টানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১২৫ নং ডুমডুমা সমষ্টি অন্তৰ্গত "বাদলভেটা-দুৱাৰমাৰা" পথটি (গড়কাপ্টানী পথ)ৰ অৱস্থা অতি শোচনীয়, চৰকাৰ জ্ঞাতনে?

(খ) গড়কাপ্টানী পথটিৰ প্ৰায় ৩ কিলোমিটাৰ গাড়ী চলাচল কৰিব নোৱাৰা কাৰণে স্থানীয় ৰাইজে তাৰা জাহ্ বাগিচাৰ মাজেদি অহা-যোৱা কৰিব লাগে, চৰকাৰ জ্ঞাতনে?

(গ) যদি চৰকাৰ্ জ্ঞাত, তেন্তে "বাদলভেটা-দুৱাৰমাৰা" গড়কাপ্টানী পথটি পকী কৰিবলৈ চলিত বিত্তীয় বৰ্ষত (২০১৩) প্ৰশাসনিক মঞ্জুৰী কৰিবনে?

শ্ৰীমতী অজন্তা নেওগ (গড়কাপ্টানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, জ্ঞাত।

(খ) হয়, জ্ঞাত।

(গ) "বাদলভেটা-দুৱাৰমাৰা" পথৰ মুঠ দৈর্ঘ্য ১৪ কিঃমিঃ। ইয়াৰে প্রায় ২ কিঃমিঃ PMGSY Package No. AS-23-15 আৰু ২ কিঃমিঃৰ পৰা ৫.৯৪ কিঃমিঃ Package No. AS-23-37 ত ইতিমধ্যে পকীকৰণ সম্পূর্ণ কৰা হৈছে। ৬ কিঃমিঃৰ পৰা শেষলৈ ১৪ কিঃমিঃলৈ বর্তমানলৈ কোনো আঁচনি লোৱা হোৱা নাই।

বিষয় ঃ চাৰিলেনযুক্ত পথ।

শ্রীমুকুন্দ ৰাম চৌধুৰীয়ে সুধিছে ঃ

৩৬৭। মাননীয় গড়কাপ্টানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বাইহাটা চাৰিআলিৰ পৰা ধেমাজিলৈ যোৱা ৫২নং ৰাষ্ট্রীয় ঘাইপথটো চাৰিলেনযুক্ত কৰাৰ বাবে আঁচনি লোৱা হৈছে নেকি?

(খ) যদি লোৱা নাই, কিয় আৰু কেতিয়ালৈ লোৱা হ'ব জনাবনে?

(গ) উক্ত পথটো মঙলদৈ চহৰৰ বাহিৰেদি লৈ যোৱাৰ বাবে কিবা আঁচনি লৈছে নেকি জনাবনে?

শ্রীমতী অজন্তা নেওগ (গড়কাপ্টানী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বাইহাটা চাৰিআলিৰ পৰা ধেমাজিলৈ যোৱা ৫২ নং ৰাষ্ট্রীয় ঘাইপথ গোটেইটো চাৰিলেনযুক্ত কৰাৰ বাবে বর্তমান কেন্দ্রীয় পথ পৰিবহণ মন্ত্রাণালয়ে কোনো আঁচনি লোৱা নাই। অৱশ্যে এই পথৰ এটা অংশ, মিছন চাৰিআলিৰ কাষৰ দোলাবাৰীৰ পৰা জামুগুৰীহে গহপুৰলৈ পথছোৱা, কেন্দ্রীয় পথ পৰিবহণ মন্ত্রাণালয়ৰ নগাঁও-ইটানগৰ সংযোগী প্রকল্পৰ অধীনত চৰিলেনযুক্ত কৰাৰ বাবে আঁচনি লোৱা হৈছে।

(খ) অসমৰ মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ পর্য্যালোচনাৰ সিদ্ধান্ত মর্মে, বাইহাটা চাৰিআলিৰ পৰা মিছন চাৰিআলিলৈ পথছোৱা চাৰিলেন যুক্ত কৰাৰ প্রস্তাৱ তথা প্রকল্পৰ ধাৰণা পত্র (Project Concept Paper) কেন্দ্রীয় চৰকাৰৰ পথ পৰিবহণ মন্ত্রাণালয়লৈ অনুমোদনৰ বাবে প্রেৰণ কৰা হৈছে।

(গ) ৫২নং ৰাষ্ট্রীয় ঘাইপথটো মঙলদৈ চহৰৰ বাহিৰেৰে নিয়াৰ বাবে যাৱতীয়

প্রাক্কলন প্রস্তুতিৰ বাবে আৱশ্যকীয় ধনৰ আৱণ্টন বিচাৰি প্ৰস্তাৱ কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰাণালয়লৈ প্ৰেৰণ কৰা হৈছে।

Sub : Back-log post.

Shri Pradip Kumar Brahma asked :

368. Will the Minister of P.W.D. be pleased to state:

(a) Please state the cadre strength for the post (i) Superintending Engineer (ii) Executive Engineer (iii) Asstt. Executive Engineer (iv) Asstt. Engineer in the P.W.D. Department of the state.

(b) Are the reserved category candidates adequately represented as per prescribed percentage i.e. 10% for ST(P), 5% for ST(H} r 7% for SC?

(c) Total No. of entitlement post in each cadre (SE, EE, AEE, AE) and total No. of candidates of SC, ST(P), ST(H) presently holding the post in each cadre (SE, EE, AEE, AE).

(d) Total No. of vacant post/ Back-log for reserved category candidates, SC, ST(P), ST(H) in each cadre.

(e) Why these back-log post has not been filled up by the Govt.?

(f) Will the Govt. clarify the reason for not filling up these back-log post and when these back-log post shall be fill up?

Smti Ajanta Neog (Minister, PWD) replied :

(a) The cadre strength for the post (i) Superintending

Engineer (ii) Executive Engineer (iii) Asstt. Executive Engineer (iv) Asstt. Engineer in the P.W.D. Department of the state are as follows :-

(i) Superintending Engineer(C) = 43 (forty three)
Superintending Engineer(M) = 3 (three)

(ii) Executive Engineer (C)= 139 (one hundred and thirty nine)
Executive Engineer (M) = 11 (eleven)

(iii) Asstt. Executive Engineer(C) = 394 (three hundred and ninety four)
Asstt. Executive Engineer (M) = 30 (thirty)

(iv) Asstt. Engineer (C) = 564 (five hundred and sixty four)
Asstt. Engineer(M) = 30 (thirty)

(b) No. Their representation is not yet achieved as on percentage basis.

(c) Total No. of entitlement post in each cadre (SE, EE, AEE, AE) and total No. of candidates of SC, ST(P), ST(H) presently holding the post in each cadre are shown below.

Cadre and No. of Post	Total No. of entitlement post in each cadre.			Present Man in Position		
	ST(P)	SC	ST(H)	ST(P)	SC	ST(H)
AE (C) = 564	56	40	28	51	37	23

AE(M) = 30	3	2	2	1	2	1
AEE (C) = 394	39	28	19	39	36	3
AEE(M) = 30	3	2	2	3	2	1
EE (C) = 139	14	10	7	5	7	3
EE(M) = 11	1	1	1	Nil	Nil	Nil
SE (C) = 43	4	3	2	Nil	2	Nil
SE (M) = 3	Nil	Nil	Nil	Nil	1	Nil

(d) Total No. of vacant post backlog for reserved category candidates are as follows.

Cadre of Post	Backlog as per Cadre Strength	
	ST(P)	SC ST(H)
AE (C)	5	3 5
AE(M)	2	Nil 1
AEE (C)	Nil	Nil 16
AEE(M)	Nil	Nil 1
EE (C)	9	3 4
EE(M)	1	1 1
SE (C)	4	1 2
SE(M)	Nil	Nil Nil

(e) Back-log post were filled up in time to time as per Assam Engineering Service Rule and RSVP Rules considering zone of consideration.

Now to bring adequate representation of reserved category, the new enactment of RSVP Rules will be followed to fill up the post.

(f) As stated above under (e).

বিষয় ঃ পথ আৰু দলং নির্মাণ।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

৩৬৯। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ধিং সমষ্টিত PMGSY ৰ অধীনত এতিয়ালৈকে কোনো কোন পথ (কিমান কিলোমিটাৰ) নির্মাণ কৰা হৈছে আৰু কোন কোন পথৰ কাম চলি আছে? কাম চলি থকা কোন কোন পথৰ কাম আবন্টন কাক আৰু কেতিয়া দিয়া হৈছে?

(অগ্রগতিৰ সবিশেষ সদনত দাখিল কৰিব)

(খ) ধিং সমষ্টিত কোন কোন পথ নির্মাণ কৰিবলৈ বাকী আছে?

(গ) ১০০০ তকৈ অধিক আৰু ৫০০ তকৈ অধিক জনসংখ্যা থকা কোন কোন পথ CNCPL ৰ আওঁতাৰ পৰা বাদ পৰি আছে আৰু উপৰোক্ত পথসমূহে সামৰি লোৱা জনসংখ্যা কিমান?

(ঘ) নগাঁও আৰু মৰিগাঁও গ্রাম্য পথ সংমণ্ডলৰ অধীনস্থ বাদ পৰি যোৱা পথসমূহ PMGSY/Bharat Nirman ৰ অধীনত নির্মাণ কৰিবলৈ চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিব লাগিব?

(ঙ) ধিং সমষ্টিৰ কোন কোন পথ (PMGSY) নির্মাণৰ ৫ বছৰীয়া সময়সীমা উকলি গৈছে? সময়সীমা উকলি নোযোৱা পথসমূহ কি

আৰু কোন পথৰ নির্দ্ধাৰিত সময়সীমা কিমান দিন উকলি গৈছে?
(পথসমূহ নির্মাণ কৰা ঠিকাদাৰৰ নামসহ তথ্য সদনত দাখিল কৰিব)

(চ) ধিং সমষ্টিত নির্মাণৰত দলংসমূহ কি কি? ঠিকাদাৰৰ নামসহ প্ৰাক্কলনৰ প্ৰতিলিপি সদনত দাখিল কৰিব?

শ্ৰীমতী অজন্তা নেওঁগ (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) জুৰীয়া আৰু মৈৰাবাৰী ব্লক দুটা ধিং বিধানসভা সমষ্টিৰ অন্তৰ্গত। এই দুটা ব্লকত PMGSY আঁচনিৰ অধীনত এতিয়ালৈ মুঠ ৩০ টা পথত দৈর্ঘ্য = ৮৩.৪৯৩ কিঃমিঃ ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে আৰু ১৪ টা পথত ৩০.১৮২ কিঃমিঃ কাম চলি আছে।

বিতং তথ্য Annexure A,B,C ত দাঙি ধৰা হ'ল।

(See Annexure- XXXVIII)

(খ) জুৰীয়া আৰু মৈৰাববী ব্লকৰ অন্তৰ্গত নির্মাণ কৰিবলৈ বাকী পথসমূহ হ'ল —

১) দীঘলীআটিৰ পৰা বৰপামলৈ, দৈর্ঘ্য = ১.০০ কিঃমিঃ।

২) মৈৰাবাৰী লোছনাবড়ী পথ, দৈর্ঘ্য = ৬.৪০ কিঃমিঃ।

৩) মৈৰাবাৰী বেছমাৰীৰ পৰ লালীপথাৰ নং ৩ =১.২০ কিঃমিঃ।

৪) মৈৰাৰাৰীৰ পৰা গৰিয়াবৰী পথাৰ = ৫.৫০ কিঃমিঃ।

(গ) PMGSY আঁচনিৰ পৰিকল্পনা Master Plan কৰাৰ সময়ত ২০০১ বৰ্ষৰ লোকপিয়ল অনুসৰি সকলো গাঁও/চুবুৰীসমূহক সংলগ্ন কৰাৰ বাবে একক সংযোগী পথৰ (Single Connectivity) ক'ৰ নেটৱৰ্ক (CN) প্ৰস্তুত কৰা হৈছিল আৰু জিলাত জনসংখ্যাৰ মুঠ সংখ্যাৰ ক্ৰম অনুসৰি CNPL (Comprehensive New Connectivity Priority List) প্ৰস্তুত কৰা হৈছিল। গতিকে PMGSY ৰ আওঁতালৈ অহা ৫০০ বা তাতোধিক জনবসতিপূৰ্ণ ২০০১ চনৰ census ৰ ভিত্তিত কোনো গাঁও/চুবুৰী বাদ পৰা নাই।

(ঘ) প্রযোজ্য নহয়।

(ঙ) জুৰীয়া আৰু মৈৰাবাৰী ব্লকৰ অন্তর্গত PMGSY আঁচনিৰ অধীনত নির্মাণ কৰা মুঠ ৯ টা পথৰ নির্মাণৰ ৫ বছৰীয়া সময়সীমা উকলি গৈছে। পথৰ তালিকা Annexure-II ত দাখিল কৰা হ'ল।
(See Annexure-XL)

(চ) ধিং সমষ্টিত নির্মাণৰত দলংসমূহ হ'ল ক্রমে ঃ

(১) মৈৰাবাৰী ৰংবাই পথৰ ৩/১ নং দলং মুখ্যমন্ত্রী পকীদলং নির্মাণ আঁচনি, ঠিকাদাৰৰ নাম ঃ M/s. Mechfab Engineering.

(২) সোনাইবেৰা তিংপাম পথৰ ২/১ দলং RIDF আঁচনি, ঠিকাদাৰৰ নাম ঃ Md. Lutfur Rahman.

(৩) মৰিগাওঁ মৈৰাবাৰী পথৰ ২৪/১ নং দলং, NLCPR আচঁনি, ঠিকাদাৰৰ নাম ঃ M/s N.B. Enterprise.

প্রাৰুকলনৰ প্রতিলিপি Annexure -IV ত দাখিল কৰা হ'ল।
(See Annexure-XL-I)

বিষয় ঃ PMGSY পথ আৰু দলং নির্মাণ।

শ্রীমজিবুৰ বহমানে সুধিছে ঃ

৩৭০। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ৮৫ নং ৰূপহীহাট সমষ্টিত এইবাৰ কিমান কিলোমিটাৰ ৰাস্তা ১০০০ প্লাছ আৰু ৫০০ প্লাচ জনবসতিৰ আওঁতাত আনিছে, কোন কোন ৰাস্তা নামেৰে সৈতে বিতং তথ্য দিবনে?

(খ) PMGSY ৰ কিমানটা ৰাস্তা এতিয়াও সমপূর্ণ হ'বলৈ বাকী আছে? কিয় কামখিনি অসম্পূর্ণ হৈ আছে, তাৰ কাৰণ সদনত জনাবনে?

(গ) শিঙিমাৰী লাওঁখোৱা ৰাস্তাৰ পৰা গৰাজানলৈ যোৱা ৰাস্তাটো ৫ বছৰ ম্যাদ অতিক্রম নকৰা সত্বেও ৰাস্তাটো মেৰামতি কৰাৰ বাবে বিভাগে কোনো তৎপৰতা নোলোৱাৰ কাৰণ কি?

(ঘ) এই ৰাস্তাটো মেৰামতি কৰা ব্যৱস্থা কৰিবনে?

শ্রীমতী অজন্তা নেওঁগ (গড়কাপ্তানী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) PMGSY আঁচনিত পথসমূহ জিলাভিত্তিত অগ্রাধিকাৰ অনুসৰি লোৱা হয়। এইবাৰ নগাঁও জিলাত ৫০০+ জনবসতি সংযোগী ৩০ টা পথলোৱা হৈছে। অনুবদ্ধ 'ক' ত এইপথৰ তালিকা দিয়া হ'ল। (See Annexure - XL-II)

১০০০+ জনবসতি সংযোগী কোনোপথ ৰাজ্যখনত লোৱা হোৱা নাই।

(খ) অসমত PMGSY আঁচনিৰ অধীনত এতিয়ালৈ ৪৬৪৮ টা পথৰ পকীকৰণৰ বাবে অনুমোদন পোৱা গৈছে আৰু এতিয়াও ১৪২৯ টা পথ পকীকৰণ হবলৈ বাকী আছে আৰু নির্মাণকার্য্য চলি আছে।

বিভিন্ন কাৰিকৰি অসুবিধা যেনে নির্মাণ সামগ্রীৰ নাটনি, বানপানী, প্রতিকুল পৰিবেশ, বন্ধ ইত্যাদিৰ বাবে অনিচ্ছাকৃত স্বত্বেও কিছু কাম অসমপূর্ণ হৈ আছে আৰু এই কাম সমূহ অহা ডিচেম্বৰ ২০১৩ ৰ ভিতৰত সম্পূর্ণ কৰাৰ বাবে বিভাগীয় ব্যৱস্থা গ্রহণ কৰা হৈছে।

(গ) উক্ত ৰাস্তা PMGSY আঁচনিৰ ২০০৬-০৭ বর্ষৰ অধীনত পেকেজ নং এ, এছ-১৯-৬১ (As-19-61) ৰ 'কুমাৰগাঁও নং ২ ৰ পৰা বালিকা' নামাকৰনেৰে (মুঠি দৈর্ঘ্য ৯.৫০ কি:মি:) অনুমোদন কৰা হৈছিল। ইতিমধ্যে, ঠিকাদাৰ শ্রী অজয় কুমাৰ দেৰে ইং ২৮/০২/২০০৯ বর্ষতে কামৰ নির্মাণ কার্য্য সমাপ্ত কৰিছে। কাম সম্পূর্ণ হোৱাৰ পৰা ৫ বছৰ পর্য্যন্ত সংশ্লিষ্ট ঠিকাদাৰ জনৰ ওপৰত নিয়মীয়া মেৰামতিৰ ভাৰ ন্যস্ত আছে। সেই মর্মে, উক্ত ঠিকাদৰ জনে নিয়মীয়া ৰক্ষণাবেনৰ কাম কৰি আছিল যদিও, ২০১২ চনৰ জুন, জুলাই, আগষ্ট মাহৰ বানপানীয়ে পথটোৰ বহু অংশ ক্ষতিগ্রস্ত কৰে। বানত ক্ষতিগ্রস্ত হোৱা ৰাস্তাৰ মেৰামতিৰ কাম, নিয়মীয়া মেৰামতি আৰু ৰক্ষনাবেক্ষনৰ আওতাত নপৰে। ইতিমধ্যে ৰাজ্যিক দুর্যোগ ব্যৱস্থাপনা (SDRF) আঁচনিৰ অধীনত মুঠ ৪৪.৩৩ লাখ টকাৰ প্রাককলন প্রস্তুত কৰি অতিৰিক্ত

তালিকাত তালিকাভুক্ত কৰি অনুমোদনৰ বাবে ব্যৱস্থা লোৱা হৈছে।

(ঘ) চৰকাৰৰ অনুমোদন সাপেক্ষে বাস্তাটো মেৰামতি কৰিব পৰা যাব।

বিষয় ঃ শিক্ষকের মৃত্যুর রহস্য উদ্‌ঘাটন।

মাওলানা আতাউর রহমান মাঝার ভূইয়া জিজ্ঞাসা করেছেন ঃ

৩৭১। মাননীয় গৃহ বিভাগেৰ মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) কাছার জেলার মইনুল হক চৌধুরী হাইয়র সেকেণ্ডারী স্কুল, সোনাঘাড়ীঘাট এর শিক্ষক আনোয়ার আহমেদ মজুমদার বিগত পঞ্চায়েত নির্বাচনে রামনগরস্থ ISBT গননা কেন্দ্রে কাউন্টিং সুপারভাইজার হিসাবে সরকাৰী দায়িত্ব পালন করে ফেরাৰ পথে গত ১৬ ফেব্রুৱারী ২০১৩ ইং নিখোজ হল। ১৭ ফেব্রুৱারী ২০১৩ অতপর ২১ ফ্রেব্রুৱারী তার মরদেহ বরাক নদী থেকে উদ্ধার করা হয়, সরকার কি এ সম্বন্ধে অৱগত ?

(খ) যদি অৱগত, তবে এঘটনার কি ভাবে ঘটেছে তা সদনে উপস্থাপন করবেন?

(গ) প্রয়াত শিক্ষক আনোয়াৰ আহমেদ মজুমদারে একমাত্র বেকার পুত্র (B.A. Passed) আলমগীর মজুমদারকে সরকারী কোন চাকুরী দেওয়ার ব্যৱস্থা করবেন কি?

(ঘ) সরকারী কর্মরত অৱস্থায় নিখোজ এবং পৰে মৃত প্রয়াত শিক্ষক আনোযাৰ আহমেদ মজুমদারের পরিবারে (আর্থিক দিক দিয়ে অসচ্ছল) ক্ষতিপূরণ দেওরায় কোন ব্যৱস্থা করবেন কি?

শ্রী বকিবুল হুছেইন (বন ও পবিৱেশ আৰু পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে গৃহ বিভাগৰ মন্ত্রী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) হয, অৱগত।

(খ) আনোৱাৰ আহমেদ মজুমদাৰৰ পুত্র মোঃ আলমগীৰ মজুমদাৰ, গাওঁ বদৰিপাৰ, খণ্ড-৪, থনা-শিলচৰ এ ১৭/০২/২০১৩ তাৰিখে শিলচৰ

থানাত এখন এজাহাৰ দাখিল কৰে যে ১৬/০২/২০১৩ তাৰিখে ৮.০০ মান বজাত তেওঁৰ পিতৃয়ে পঞ্চায়ত নিৰ্বাচনৰ ভোট গননাৰ কাৰ্য্য সমাপন কৰি আই.এছ.বি.টি., ৰামনগৰৰ পৰা খোজকাঢ়ি ঘৰলৈ ওভতাৰ পথত বৰাক নদী পাৰ হোৱাৰ হেতুকে নাওঁ এখন যোগাৰ কৰিবলৈ মবাইল ফোনেৰে পুতেকক জনায়। সেই অনুসৰি অভিযোগকাৰীয়ে বদৰিপাৰ ফেৰিঘাট, বেৰেঙাত নাওঁ এখন যোগাৰ কৰি ৰৈ থাকে, কিন্তু তেওঁৰ পিতৃ তাত উপস্থিত নহয় আৰু পিছত নিৰুদ্দেশ হৈ পৰে। সেই অনুসৰি শিলচৰ থানাত গোচৰ নং ৩৩৩/১৩ ইউ/এচ ৩৬৬/২০৪ আই. পি. চি. ৰুজু কৰা হয় আৰু তৎকাল অনুসন্ধান আৰম্ভ কৰা হয়। অনুসন্ধান কালত অনুসন্ধানকাৰী বিষয়াই ঘটনাস্থলী পৰিদর্শন কৰি তাত অৱস্থিত সকলো সাক্ষ্য-প্রমান পৰীক্ষা-নীৰিক্ষা কৰি নিৰ্ভৰযোগ্য সুত্রৰ দ্বাৰা অপহৃত ব্যক্তিজনৰ শূং-সূত্র উলিয়াবলৈ চেষ্টা কৰে।

পিছত শিলচৰ থানাৰ অধীনৰ বেৰেঙা খণ্ড-৫ ৰ অন্তর্গত বৰজুৰাৰীৰ ওচৰত এটি সুঁতিত এটা মৃতদেহ উদ্ধাৰ হয়। উক্ত মৃতদেহটো অভিযোগকাৰী আৰু তেওঁৰ পৰিয়ালবৰ্গই অপহৃত ব্যক্তি আনোৱাৰ আহমেদ মজুমদাৰৰ মৃতদেহ বুলি চিনাক্ত কৰে। পাছত অনুসন্ধানকাৰী বিষয়াই কার্যবাহী দণ্ডাধীশৰ দ্বাৰা তদন্তৰ ব্যৱস্থা কৰি মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে শিলচৰ মেডিকেল কলেজলৈ প্রেৰণ কৰে। অনুসন্ধানকাৰী বিষয়াই সংগ্রহ কৰা স্বাস্থ্য বিষয়াৰ মৰণোত্তৰ পৰীক্ষাৰ প্রতিবেদন অনুসৰি উক্ত ব্যক্তিজনে পানীত ডুবি নাড়ী বন্ধ হৈ মৃত্যুবৰণ কৰে। মৃতদেহৰ শৰীৰত পোৱা যখমসমূহ মৃত্যুৰ পূর্বে আঘাতজনিত আৰু মৃত্যুৰ সময় ৬-৭ দিন হৈছিল।

গোচৰটো বর্তমান নিষ্পত্তি হোৱা নাই আৰু অনুসন্ধান কৰি থকা হৈছে।

(গ) পৰিয়ালে অনুকম্পামূলক নিযুক্তিৰ কাৰণে সময়ত মতে আবেদন কৰিব পাৰিব।

(ঘ) জিলা উপায়ুক্তৰ পৰা পোৱা প্ৰতিবেদন মতে বিষয়টি বিবেচনা কৰি থকা হৈছে।

বিষয় ঃ আঁচনি ৰূপায়ণ।

শ্ৰীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

৩৭২। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) 'নগৰ উন্নয়ন' বিভাগৰ জৰিয়তে অসমত বৰ্তমান কি কি আঁচনি ৰূপায়ণ কৰি থকা হৈছে? (বিতংভাৱে জনাব)

(খ) উক্ত বিভাগত বিত্তীয় বৰ্ষ ২০০৭ চনৰ পৰা বৰ্তমানলৈকে কিমান পুঁজি আবণ্টিত হৈছিল আৰু সেইখিনি কোন কোন আঁচনিত কেনেধৰণে খৰচ কৰা হৈছে? (বিতংভাৱে জনাব)

(গ) উক্ত আঁচনিসমূহৰ চাপৰ নগৰ সমিতি আৰু বিলাসীপাৰা নগৰ সমিতিত কি কি আঁচনি ৰূপায়ণ কৰা হৈছে?

(২০০৭ চনৰ পৰা বৰ্তমানলৈকে আবণ্টিত পুঁজিৰ পৰিমাণ, আঁচনৰ নাম, কাম আৰম্ভ তাৰিখ, Executive Agency, Date of Completion, Physical Progress, mode of payment etc. Guideline for implementation etc. আদিৰ বিতংভাৱে জনাব)

(ঘ) উক্ত আঁচনিসমূহৰ কোনবিলাক সম্পূৰ্ণ হৈছে আৰু কোনবিলাক অসম্পূৰ্ণ হৈ আছে?

(ঙ) উক্ত আঁচনিসমূহৰ বাহিৰেও উক্ত নজৰ সমিতি দুখনৰ জৰিয়তে আৰু কি কি উন্নয়নমূলক কাম কৰা হৈছে?

(ৰাস্তা নাম, আবণ্টিত পুঁজিৰ পৰিমাণ, Contractor/Executive Agency ৰ নাম, কামৰ অগ্ৰগতি আদিৰ বিতং তথ্য দাখিল কৰিব)

(চ) নগৰ সমিতি দুখনৰ অন্তৰ্গত চাপৰ বজাৰ আৰু বিলাসীপাৰা বজাৰ দুখনত কোন কোন বিক্ৰীজাত সামগ্ৰীৰ নিৰিখত মাছুল সংগ্ৰহ কৰা হয়?

(বিতং তথ্য দাখিল কৰিব)

(ছ) ধুবুৰী জিলা পৰিষদে বিভিন্ন সামগ্ৰী /Asset আদিৰ বাবদ ধাৰ্য কৰা মাছুল/কৰৰ নিৰিখ সম্বলিত তালিকা দাখিল কৰিব?

(জ) উক্ত বজাৰ দুখনৰ অন্তৰ্গত মাছৰ বজাৰ, পাচলি বজাৰ আদিৰ কদৰ্যময় অৱস্থাৰ উন্নতি কৰিবলৈ চৰকাৰ কিবা ব্যৱস্থা ল'বনে?

(ঝ) যদি লয়, কেতিয়াৰ পৰা ল'ব?

শ্ৰীমতী অজন্তা নেওগ (নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) 'নগৰ উন্নয়ন' বিভাগৰ জৰিয়তে অসমত বৰ্তমান ৰূপায়ণ কৰি থকা আঁচনিসমূহ তলত উল্লেখ কৰা হ'ল—

১) জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় নগৰ নবীকৰণ (JNNURM) আঁচনি সংহত গৃহ নিৰ্মাণ আৰু বস্তী উন্নয়ন আঁচনি (IHSDP), ২) জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় নগৰ নবীকৰণ (JNNURM) আঁচনিৰ সৰু আৰু মজলীয়া চহৰৰ ৰাষ্ট্ৰীয় আন্তঃগাঁথনি উন্নয়ন আঁচনি (UIDSSMT) ৰ অধীনত জল নিষ্কাষণ আৰু পানী যোগান প্ৰকল্প, ৩) 10% Pool Fund, ৪) বস্তি উন্নয়ন, ৫) নৈশ আবাস আঁচনি, ৬) স্বৰ্ণজয়ন্তী চহৰী ৰোজগাৰ যোজনা, ৭) মুখ্যমন্ত্ৰীৰ অসম বিকাশ যোজনা, ৮) নৈশ আবাস আঁচনি, ৯) অল্পব্যয়ী শৌচাগাৰ নিৰ্মাণ, ১০) বিত্ত আয়োগৰ অনুদান আৰু প্ৰৰেশ কৰ দ্বাৰা চহৰৰ আন্তঃগাঁথনি উন্নয়ন, ১১) জনতা গৃহ নিৰ্মাণ আঁচনি, ১২) ভাৰা ভিত্তিক গৃহ নিৰ্মাণ আঁচনি, ১৩) Affordable Housing for all EWS and LIG in Silchar and Dhubri under 10% Pool Fund, ১৪) State Plan Scheme, ১৫) Accelerated Urban Water supply Programme, ১৬) NLCPR, ১৭) One Time ACA/SPA,

১৮) Prime Minister Special Package.

বিতং তথ্য পৰিশিষ্ট 'ক' সদনৰ মেজত দিয়া হ'ল।
(See Annexure-XL-III)

খ) বিতং তথ্য পৰিশিষ্ট 'খ' সদনৰ মেজত দিয়া হ'ল।
(See Anexure XL-IV)

গ) বিতং তথ্য পৰিশিষ্ট 'গ' দিনৰ মেজত দিয়া হ'ল।
(Seennexure-XL-V)

(ঘ) আঁচনিসমূহৰ সবিশেষ তলত উল্লেখ কৰা হ'ল।

সম্পূর্ণ হোৱা আঁচনি	অসম্পূর্ণ যদিও চলি থকা আঁচনি
১. বাজ্যিক পৰিকল্পনা শিতানৰ পৰা পোৱা পুঁজিৰ আঁচনিসমূহ যেনে জনতা গৃহ নির্মাণ আঁচনি আৰু ভাৰা ভিত্তি গৃহ নির্মাণ।	১. Affordable Housing for all EWS and LIG
২. UIDSSMT আঁচনিৰ অন্তর্গত পাঠশালা, বোকাখাত, হোজাই, মৰিগাঁও, হামৰেণ, চাবুৰা বাসুগাঁও, মাইবাং আৰু ওদালগুৰিৰ জল নিষ্কাষণ প্রকল্প।	২. UIDSSMT আঁচনিৰ অন্তর্গত বাকী চহৰৰ জল নিষ্কাষণ প্রকল্প
৩. প্রযোজ্য নহয়।	৩. 10% Pool Fund আঁচনি
৪. NLCPR আঁচনিৰ যোৰহাট বাস্তা প্রকল্প	৪. NLCPR আঁচনিৰ বাকী বাস্তা প্রকল্প।

বাকীকেইখন আঁচনিৰ বিতং তথ্য পৰিশিষ্ট 'গ'ত উল্লেখ আছে।
(See Annexure-XL-V)

ঙ) উক্তৰ আঁচনিসমূহৰ বাহিৰেও উক্ত নগৰ সমিতি দুখনৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ৰাজ্যিক বিত্ত আয়োগ আৰু ত্ৰয়োদশ বিত্ত আয়োগৰ অনুদান আগবঢ়োৱা হৈছে। বিতং তথ্য পৰিশিষ্ট 'গ'ত উল্লেখ আছে।
(See Annexure-XL-V)

চ) বিতং তথ্য পৰিশিষ্ট 'ঘ' সদনৰ মেজত দিয়া হ'ল।
(See Annexure-XL-VI)

ছ) তথ্য বিচৰা হৈছে।

জ) নগৰ সমিতি দুখনে লাভ কৰা বিত্ত আয়োগৰ অনুদানৰ জৰিয়তে বজাৰ দুখনৰ উন্নয়নৰ আঁচনি গ্ৰহণ কৰিব পাৰে।

ঝ) ২০১৩-১৪ বৰ্ষত উক্ত শিতানত লাভ কৰা পুঁজিৰ জৰিয়তে উন্নয়নৰ আঁচনি গ্ৰহণ কৰিব পাৰে।

বিষয় ঃ পার্কিং মাচুল সংগ্রহ।

শ্রীপ্রশান্ত ফুকনে সুধিছে ঃ

৩৭৩। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্রুগড় পৌৰসভাই ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত ৰখাই থোৱা যান-বাহনৰ পৰা পার্কিং মাচুল (Parking Fees) সংগ্ৰহ কৰিব পাৰে নেকি?
(যদি পাৰে, সেই নির্দেশাবলীত থকা National Highway Circular খন সদনত দাখিল কৰিব)

(খ) ডিব্রুগড় পৌৰসভাৰ অন্তর্গত কিমানখন অনুমোদিত পার্কিং স্থান আৰু আৰু কোন কোন ঠাইত আছে?
(তালিকা দাখিল কৰিব)

(গ) উক্ত পার্কিং স্থানসমূহৰ নিবিদা আহ্বান কৰা হৈছিল নেকি?
(যদি কৰা হৈছিল, সদনত তথ্য দাখিল কৰিব)

(ঘ) উক্ত পার্কিং স্থানসমূহ কোন কোন প্ৰতিষ্ঠান বা ব্যক্তিক আবণ্টন

দিয়া হৈছে, কি কি মূল্যত আৰু কিমান দিনৰ বাবে দিয়া হৈছে? (সদনত তথ্য দাখিল কৰিব)

শ্রীমতী অজন্তা নেওগ (পৌৰ প্রশাসন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) নোৱাৰে।

(খ) ডিব্রুগড় পৌৰসভাৰ অন্তর্গত মুঠ ৪ খন অনুমোদিত অস্থায়ী ভিত্তিক পার্কিং স্থান আছে। উক্ত স্থানসমূহ তলত উল্লেখ কৰা হ'ল—

১. এইছ, এছ, ৰ', ২. আৰ, কে বি, ৰ'ড,

৩. এ, টি, ৰ'ড আৰু ৪. ক'ল ৰ'ড়।

(গ) উক্ত পার্কি স্থানসমূহৰ বাবে নিবিদা আহ্বান কৰা হোৱা নাই। এই স্থানসমূহ স্থানীয় নিবনুৱা সমস্যা দূৰীকৰণৰ উদ্দেশ্য কেইজনমান শিক্ষিত নিবনুৱা যুবকক সম্পূর্ণ অস্থায়ী ভিত্তিত পৰীক্ষামূলক ভাৱে দিয়া হৈছে।

(ঘ) উক্ত পার্কি স্থান সমূহ আৱন্টন দিয়া ব্যক্তিৰ নাম, নির্ধাৰিত মূল্য আৰু সময়সীমা তলত উল্লেখ কৰা হ'ল —

ক্রমিক নং	পার্কিং স্থান	আৱন্টন দিয়া ব্যক্তিৰ নাম	নির্ধাৰিত মূল্য (টকা)	সময়সীমা
১	এইচ,এচ,ৰ'ড	ৰাচিম খান, আলতাফ হুছেইন	৬০,০০০.০০	২০১২-২৩ বর্ষ
২	আৰ,কে,বি,ৰ'ড	নিৰঞ্জন তাতী, মঃ মুনাফ	৪০,০০০.০০	২০১২-১৩ বর্ষ
৩	এ,টি, ৰ'ড	লক্ষী কোচ, আদিত্য হাজৰিকা	৪০,০০০.০০	২০১২-১৩ বর্ষ
৪	ক'ল ৰ'ড	আব্দুল মজিদ খান, ইদুল হক	২০,০০০.০০	২০১২-১৩ বর্ষ

Sub : Fire Service Station at Mandia.

Shri Sherman Ali Ahmed asked :

374. Will the Minister of Hoine be pleased to state:

(a) In reply to Unstarred Question No.273 dated 18.7.2011, it was informed that ADGP, SFSO, Assam had been instructed on 13.7.2010 to include Mandia in the list of the New Fire Service Stations to be opened up after 2011-12 whether the same had been included in the said list?

(If yes, please furnish a copy of the said list alongwith the forwarding letter of the Directorate, SFSO, Assam)

(b) How many Fire Service Stations are being sanctioned during 2012-13 in Assam?

(Please furnish the detail list)

(c) Is it true that DRSC recommended for sanctioning Mandia Fire Service Station on priority during the financial year 2012-13 ?

(If yes, please furnish a copy of recommendation of DRSC)

(d) Whether Mandia Fire Service Station is being sanctioned during this financial year? If yes, whether necessary budgetary provision have been made? If not, why?

Shri Rokybul Hussain (Minister, Forest, Panchayat etc. Department) replied on behalf of the Home Minister :

(a) Yes. (Forwarding letter enclosed as Annexure. (See Annexure-XL-VII)

(b) Nil.

(c) The DRSC had not mentioned the name of Mandia in the recommendation for opening of a new Fire & Emergency Services Station during the financial year, 2012-13. (A copy of recommendation of DRSC is enclosed as Annexure-II) (See Annexure-XL-VIII)

(d) The matter is under examination of the Government.

বিষয় ঃ পথ পকীকৰণ।

শ্ৰীযাদৱ চন্দ্ৰ ডেকাই সুধিছে ঃ

৩৭৫। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) অসম বিধান সভাৰ ইং ২৬/৩/২০১২ তাৰিখৰ বাজেট অধিৱেশনত প্ৰশ্নকৰ্তাৰ তৰাচিহ্নিত প্ৰশ্ন নং ১৯৩ (ক) ৰ উত্তৰত কামৰূপ (মেট্ৰ)ৰ অধীনত 'আতন বুঢ়াগোঁহাই পথটো বাৰিষাৰ আগে আগে পকীকৰণৰ কাম সম্পূৰ্ণ কৰাৰ ব্যৱস্থা লোৱা হৈছে' বুলি কোৱাৰ পিছতো পথটোৰ আজিলৈকে পকীকৰণৰ কাম সম্পূৰ্ণ নোহোৱাৰ কাৰণ কি?

(খ) উক্ত পথটো পকীকৰণ কাম সম্পূৰ্ণ কৰাৰ বাবে তৎকালীন কাৰ্য্য ব্যৱস্থা লবনে?

(গ) যদি লয়, কিমান দিনৰ ভিতৰত কামটো সম্পূৰ্ণ কৰিব?

(ঘ) আশ্বাস দিয়ামতে কামটো নিৰ্দ্ধাৰিত সময়ত সম্পূৰ্ণ কৰিব নোৱাৰা,

গাফিলতি কৰা বিষয়া, কৰ্মচাৰী আৰু ঠিকাদাৰৰ ওপৰত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে?

শ্ৰীমতী অজন্তা নেওগ (গড়কাপ্টানি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) পথটোৰ কাম আৰম্ভ হোৱাৰ সময়ত স্থানীয় বাসিন্দাসকলে পথটো বহলীকৰণৰ ক্ষেত্ৰত স্ব-ইচ্ছাই নিজ ভুমি এৰি দিয়া হ'ব বুলি সম্মতি প্ৰকাশ কৰিছিল যদিও তাৰে কিছু সংখ্যক বাসিন্দাই বিধি-পথালি দিয়াত উক্ত পথটোৰ কাম সম্পূৰ্ণ কৰাত বিলম্ব হয়।

বৰ্তমান সকলো স্থানীয় বাসিন্দাৰ সহযোগত পথটোৰ আধৰুৱা কামসমূহ আৰম্ভ কৰা হৈছে।

(খ) উক্ত পথটোৰ পকীকৰণৰ কাম সম্পূৰ্ণ কৰাৰ বাবে ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(গ) চলিত বৰ্ষৰ এপ্ৰিল মাহৰ ভিতৰত কামটো সম্পূৰ্ণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(ঘ) কামটো সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত বিষয়া, কৰ্মচাৰীৰ গাফিলতি পৰিলক্ষিত হোৱা নাই।

বিষয় ঃ ৰাস্তাৰ কাম।

শ্ৰীমনোৰঞ্জন দাসে সুধিছে ঃ

৩৭৬। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) পাটাছাৰকুছি-বগাপাৰা (বজালী মহকুমা) আৰু ডঃ জিনাৰাম দাস (টিহু-সৰ্থেবাৰী) ৰাস্তা আজি সাত বছৰে সম্পূৰ্ণ কৰিব নোৱাৰাৰ কাৰণ কি কি?

(খ) বিধান সভাত এই ৰাস্তা দুটা সম্পৰ্কে কিবা আশ্বাস দিছিল নেকি? যদি দিছিল, সেই আশ্বাস ৰক্ষা কৰাত চৰকাৰ ব্যৰ্থ হ'ল নেকি?

(গ) ৰাস্তা দুটিৰ কাম সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত ব্যৰ্থ ঠিকাদাৰৰ বিৰুদ্ধে চৰকাৰে কিম ব্যৱস্থা ললে? প্ৰয়োজনীয় বস্তু-বাহানীৰ দাম বৃদ্ধিৰ

ফলত Estimate মতে এনেধৰণৰ কাম সম্পূৰ্ণ কৰাত চৰকাৰ ব্যৰ্থ হ'ব নেকি?

(ঘ) বিভাগীয় মন্ত্ৰী মহোদয়াই বিভাগীয় কামবোৰ কেনেধৰণে চলি আছে এবাৰ নিজে চাই আহিব নেকি? নে আন কোনোবা "Third Party" মতে এনেধৰণৰ কাম সম্পূৰ্ণ কৰাত চৰকাৰ ব্যৰ্থ হ'ব নেকি?

শ্ৰীমতী অজন্তা নেওগ (গড়কাপ্টানি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) পাটাছাৰকুছি-বগাপাৰা পথটি ২০০৬-০৭ বৰ্ষৰ PMGSY ৰ পেকেজ নং AS-01-35 ৰ অন্তৰ্গত ৩ খন দলঙৰ সৈতে ৭.২০ কিঃমিঃ পথ পকীকৰণ কৰিবলৈ অনুমোদন পোৱা হৈছিল আৰু বিধি অনুযায়ী ২৯-৬-২০০৭ তাৰিখে ঠিকাদাৰক কামটো আৱণ্টন দিয়া হৈছিল। কিন্তু বিভিন্ন কাৰিকৰী অসুবিধা — প্ৰতিকূল বতৰ আৰু বানপানী, পথ নিৰ্মানৰ ব্যৱহৃত সামগ্ৰী সৰবৰাহ কৰাৰ অসুবিধা আৰু ঠিকাদাৰৰ হেমাহিৰ বাবে কাম সম্পূৰ্ণ হোৱাত বিলম্ব হৈছে।

ডঃ জিনাৰাম দাস পথটিৰ মুঠ দৈৰ্ঘ্য ১৮কিঃমিঃ। বিশ্ববেঙ্কৰ সাহায্য প্ৰাপ্ত AACP আঁচৰি অন্তৰ্গত ৪ খন দলঙৰ সৈতে মুঠ ১২.৩৬ কিঃমিঃ পথ পকীকৰণৰ আঁচনি আছিল। ঠিকাদাৰৰ হেমাহিৰ বাবে বিশ্ববেঙ্কৰ নিৰ্দ্ধাৰিত সময়সীমাৰ ভিতৰত কামটো সম্পূৰ্ণ কৰিব পৰা নোহোৱাত কামটো ঠিকাদাৰৰ পৰা বাতিল কৰা হৈছে।

(খ) অসম বিধান সভাৰ যোৱা ১৬ জুলাই, ২০১২ অধিৱেশনত মাননীয় বিধায়ক গৰাকীৰ তৰা বিহীন প্ৰশ্ন নং-৮ ৰ উত্তৰত উল্লেখিত পথ দুটাৰ কাম পৰ্য্যায়ক্ৰমে সম্পূৰ্ণ কৰাৰ সম্ভাব্য সময়সীমা মাৰ্চ ২০১৩ বুলি উল্লেখ কৰা হৈছিল। উক্ত কামত বিলম্ব হোৱাৰ কাৰণসমূহ প্ৰশ্নৰ 'ক' অংশৰ উত্তৰত উল্লেখ কৰা হৈছে।

(গ) পাটাছাৰকুছি-বগাপাৰা পথটো ঠিকাদাৰজনে সম্পূৰ্ণ কৰিব নোৱাৰাৰ বাবে কামটো বাতিল কৰা হৈছিল। কিন্তু পিছত ঠিকাদাৰৰ আবেদন আৰু আশ্বাসৰ ওপৰত ভিত্তি কৰি ৩১-০৩-২০১৩ পৰ্য্যন্ত সময়সীমা

বৃদ্ধি কৰি কামটো সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

ডঃ জিনাৰাম দাস পথটোৰ কাম সম্পূৰ্ণ কৰিব নোৱাৰাৰ বাবে ঠিকাদাৰজনৰ পৰা ১২.৬৬ লাখ টকা জৰিমনা হিচাবে আদায় কৰা হৈছে আৰু কামটো বাতিল কৰা হৈছে।

(ঘ) এই বিষয়ে বিভাগৰ বিষয়-ৱবীয়াসকলৰ লগত আলোচনা কৰি প্ৰয়োজন সাপেক্ষে কাৰ্য্যপন্থা স্থিৰ কৰা হ'ব।

Sub : Creation of Civil Sub-Division.

Shri : Kripanath Mallah asked :

377. Will the Minister of General Administration Deptt. be pleased to state :

(a) In response to an Unstarred AssemblyQuestion No.6, it was stated on 10-12-2012 that due to claim from other place like Patherkandi, the matter of creation of Ramkrishna Nagar Civil Sub-Division with its H.Q. at Ramkrishna Nagar has been kept pending from 1978. If so, why the Govt. has failed to resolve the dispute by constituting an impartial committee to recommend one place out of these two places based on distance factor with the district H.Q. availability of Govt. land, infrastructures etc. even after elapse of about 35 years?

(b) Whether Govt. will immediately constitute a committee with the three Deputy Commissioners of Barak Valley Districts and one acting Judge of the Gauhati High Court for recommending the most suitable place for Sub-Divisional H.Q. to solve the long pending issuel

dispute? If so, place copy of such notification/order? If not, why?

(c) How many committees have been constituted by the Govt. of Assam from 1978 to till date to recommend name of place for new Civil Sub-Division in Karimganj District? (Place copy of notifications by which such Committees were constituted and copies of their recommendation alongwith action taken report of the Secretary, GA.D., Govt. of Assam).

Shri Rakibul Hussain (Environment and Forest, P.&R.D. etc) replied on behalf of Hon'ble Chief Minister in charge of General Administration Deptt. :

(a) It may be mentioned that vide Notification No. GAG (B) 2712005/12 dated 04.02.2011, the Cabinet Sub-Committee was constituted with 9(nine) Cabinet Ministers to examine the proposals for the creation of new Sub-divisions of Assam. The first sitting of the said Sub-Committee was held on 2l.02.20 11. But no concrete decision could be arrived at the first sitting of the Cabinet Sub- Committee. After that the election for 15th Lok Sabha was announced and the Model Code of Conduct came into force thereafter. Moreover the Delimitation matter was also in force then. After that new ministry took charge, however constitution of the new Cabinet Sub- Committee is yet to be formally constituted.

New District and Sub-division is to be created based on the Cabinet Committee's recommendations.

(b) Govt. has not taken any decision in the matter.

(c) As per the records available in the department there have only been one Cabinet Sub- Committee and one Officers Level Committee for the creation of the new subdivisions. (Copy of Notification of formation of the committee, and their recommendation is enclosed at Annexure-A; & Annexure-B respectively)

(See Annexure-XL-VIII)

বিষয় ঃ PMGSY ৰাস্তা।

শ্রীমইন উদ্দিন আহমেদে সুধিছে ঃ

৩৭৮। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) জলেশ্বৰ সমষ্টিত এতিয়ালৈকে কিমান PMGSY আঁচনিৰ ৰাস্তা অসম্পূর্ণ হৈ আছে? (ৰাস্তা নাম ঠিকনা, কামৰ অগ্রগতিৰ সৈতে জনাব)

(খ) উক্ত কামবিলাক কি কি কাৰণত সম্পূর্ণ হোৱা নাই, কাৰণবোৰ জনাব?

(গ) উক্ত কামবিলাক সম্পূর্ণ কৰাৰ বাবে কি ব্যৱস্থা গ্রহণ কৰা হেছে জনাবনে?

শ্রীমতী অজন্তা নেওঁগ (গড়কাপ্তানী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) এতিয়ালৈ গোৱালপাৰা আৰু ধুবুৰী জিলাৰ জলেশ্বৰ বিধানসভা সমষ্টিৰ অন্তর্গত ব্লকসমূহত থকা প্রধানমন্ত্রীৰ গ্রামচড়ক যোজনা (PMGSY) ৰ অধীনত মুঠ ১৩ টা পথৰ কাম অসম্পূর্ণ হৈ আছে। (বিতং তথ্য Annexure-A ত দেখুওৱা হৈছে।)

(See Annexure–XL-IX)

(খ) সময়মতে সম্পূর্ণ কৰিব নোৱাৰা কিছুমান আঁচনি প্রাকৃতিক প্রতিকূল

বতৰ, নির্মাণৰ কাৰিকৰী অসুবিধা, প্ৰয়োজনীয় নির্মাণ সামগ্ৰীৰ নাটনি আদিৰ বাবে নির্দ্ধাৰিত সময়ত কামবিলাক সম্পূৰ্ণ কৰিব পৰা হোৱা নাই।

(গ) অসম্পূৰ্ণ হৈ থকা ১৩টা পথৰ ভিতৰত ঠিকাদাৰৰ পৰিকল্পনাৰ অভাৱ তথ্য হেমাহিৰ বাবে পেকেজ নং AS-07-32 & AS-07-61 ৰ অধীনত থকা ৬টা পথৰ কামৰ ঠিকা বাতিল কৰি বাকী থকা কামখিনি পুনৰ আৱন্টনৰ ব্যৱস্থা কৰি থকা হৈছে। ইয়াৰ উপৰিও পেকেজ নং AS-05-46 ৰ অধীনত থকা চাৰিটা পথৰ ভিতৰত এটা পথ বানপানীৰ দ্বাৰা বিধ্বস্ত হোৱাত আৰু বাৰংবাৰ খহনীয়াৰ ভাবুকিৰ সন্মুখীন হৈ থকাৰ পৰিপ্ৰেক্ষিতত পথটো বাতিল কৰাৰ বাবে প্ৰস্তাৱ লোৱা হৈছে।

বাকী থকা ৬টা পথৰ কাম বিভাগীয় পৰ্য্যবেক্ষনত বিভিন্ন পৰ্য্যায়ত চলি আছে, তদুপৰি সংশ্লিষ্ট ঠিকাদাৰসকললৈ লেহেমীয়া গতিৰে কাম কৰাৰ বাবে কৰাণ দৰ্শোৱা জাননী জাৰি (Shoe Cause Notice) কৰা হৈছে।

(UNSTARRED QUESTION NO. 379 WAS DEFERRED)

বিষয় ঃ Sinking Fund ৰ ধন।

শ্ৰীফণীভূষণ চৌধুৰী সুধিছে ঃ

৩৮০। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) বৰ্তমান Sinking Fund ত অসমৰ কিমান টকা জমা হৈ আছে? (বিত্তীয় বৰ্ষ অনুযায়ী জমা থকা ধনৰ তথ্য সদনত দিব) Sinking Fund ত যি ধন জমা আছে সেই ধন ক'ৰ পৰা আহিছে আৰু বৰ্তমান

অসমৰ জনমূৰি ঋণ কিমান?

(খ) বৰ্তমান ভাৰতীয় ৰিজাৰ্ভ বেংকত অসমৰ কিবা ধন জমা আছে নেকি? যদি আছে, কিমান আছে? কিয় এই ধন জমা কৰি ৰখা হৈছে? অসমে কোন শিতানৰ পৰা এই ধন জমা কৰিছে? জমা থকা ধন শেষৰবাৰ কেতিয়া অসমে ৰিজাৰ্ভ বেংকৰ পৰা কিমান ধন কিয় উলিয়াইছিল?

(গ) ২০০৬-০৭ বিত্তীয়বৰ্ষৰ পৰা ২০১২-১৩ বৰ্ষলৈ কেন্দ্ৰীয় চৰকাৰে অসমৰ কোন কোন বিভাগলৈ কিমান ধন আবণ্টন দিছিল, ইয়াৰে কিমান ধন বিভাগসমূহলৈ মুকলি কৰি দিয়া হ'ল আৰু বিভাগবোৰৰ ব্যয়ৰ পৰিমাণ কিমান?

(ঘ) ইয়াৰ বিপৰীতে কিমান ধন এতিয়াও ব্যৱহাৰ হোৱা নাই আৰু মুকলি হোৱা ধনৰ কিমান টকাৰ ইউটিলাইজেচন চার্টিফিকেট এতিয়া দিবলৈ বাকী আছে?

শ্ৰীনীলমণি সেন ডেকা (কৃষি আদি বিভাগৰ মন্ত্ৰী)য়ে বিত্ত বিভাগৰ মন্ত্ৰী, মুখ্যমন্ত্ৰী শ্ৰীযুত তৰুণ গগৈদেৱৰ হৈ উত্তৰ দিছে ঃ

(ক) বৰ্তমান (৩১/০৩/২০১২লৈ Sinking Fund ত সুতসহ মুঠ ২০১০.১০ কোটি টকা জমা হৈ আছে। ২০১২-১৩ বিত্তীয় বৰ্ষলৈকে sinking Fund ত জমা থকা ধনৰ পৰিমাণ বিত্তীয় বৰ্ষ অনুযায়ী তলত উল্লেখ কৰা হ'ল—

১৯৯৯-২০০০ ... ১৫.৩২

২০০০-২০০১ ... ২০.০০

২০০ ২০০২ ... ৬০.০০

২০০২-২০০৩ ... ৭২.০০

২০০৩-২০০৪ ... ৯৬.০০

২০০৫-২০০৬ ...১৪৪.০০

২০০৬-২০০৭ ...১৭৬.০০

২০০৭-২০০৮ ... ২০৪.০০
২০০৮-২০০৯ ... ১০৮.০০
২০০৯-২০১০ ... ১০৮.০০
২০১০-২০১১ ... ১২০.০০
২০১১-২০১২ ...১৩৩.০০
২০১২-২০১৩ ... ১৩৪.০০

মুঠ— ১৫২২.৩২ কোটি

এই Sinking Fund ত জমা থকা ধন চৰকাৰৰ নিজা ৰাজহৰ ধন। বিত্তীয়বর্ষ অনুযায়ী বাজেটত ধার্য কৰা ধৰণে এই ধন Sinking Fund ত বিনিয়োগ কৰা হয়।

২০১১ চনৰ জনসংখ্যা অনুসৰি ২০১২-১৩ চনৰ মার্চৰ শেষত অসমৰ জনমুৰি ঋণ ৯৩৫৯.০০ টকা।

(খ) ১৯/০৩/২০১৩ তাৰিখেত ভাৰতীয় ৰিজার্ভ বেংকত অসম চৰকাৰৰ ৰাজকোষৰ ৭৭৮৩.৫১ কোটি ধন জমা আছে। চৰকাৰী ধন ৰিজার্ভ বেংকত 'একত্রীকৃত পুঁজি'— তেই ৰখা হয়। এয়া কোনো বিশেষ শিতানৰ ধন নহয়। এই ধন ভাৰত চৰকাৰৰ বিভিন্ন শিতানৰ পৰা অহা আৰু অসম চৰকাৰৰ নিজা ৰাজহৰ ধন। বাজেটত ধার্য হোৱা অনুসৰি আৰু বিভিন্ন বিভাগৰ চাহিদা অনুসাৰে এই ধন খৰচ কৰি থকা হয়।

(গ) এই প্রশ্নৰ উত্তৰ (ঘ) নং প্রশ্নৰ উত্তৰৰ সৈতে বিভাগসমূহৰ পৰা পোৱা তথ্যৰ ভিত্তিত একেলগে পৰিশিষ্ট 'ক'ত সন্নিবিষ্ট কৰা হৈছে। উল্লেখ্য যে, চিলিং বহির্ভূত ধনসমূহ বাজেট গৃহীত হোৱাৰ পাছতেই বিভাগসমূহে খৰছ কৰিব পাৰে। চিলিং অন্তর্ভুক্ত ধনসমূহ মুকলি কৰাৰ ক্ষেত্রত বিভাগসমূহৰ পৰা পোৱা প্রস্তাৱৰ যথাযোগ্যতা অনুসৰি বিত্ত

বিভাগে সেই ধন মুকলি কৰে। বাকী থকা বিভাগৰ তথ্য সংগ্রহ কৰি থকা হৈছে।

(ঘ) এই প্রশ্নৰ উত্তৰ (গ) নং প্রশ্নৰ উত্তৰৰ সৈতে একেলগে পৰিশিষ্ট 'ক'ত সন্নিবিষ্ট কৰা হৈছে। (See Annexure - L)

বিষয় ঃ পথ সংমণ্ডলৰ কার্য্যালয়।

শ্রীগোপীনাথ দাসে সুধিছে ঃ

৩৮১। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গড়কাপ্টানি বিভাগ গুৱাহাটী পথ সংমণ্ডলটো যথেষ্ট ডাঙৰ হোৱা বাবে বিশেষকৈ মির্জা আৰু বকো উপ-সংমণ্ডলকলৈ (পথ) নতুনকৈ এটা পথ সংমণ্ডলৰ কার্য্যালয় স্থাপন কৰাৰ ব্যৱস্থা কৰিবনে?

(খ) যদি ব্যৱস্থা কৰা হয়, তেন্তে কেতিয়া ব্যৱস্থা গ্রহণ কৰা হ'ব জনাবনে?

(গ) যদি ব্যৱস্থা লোৱা নহয় তেন্তে কিয় ব্যৱস্থা লোৱা নহয় জনাবনে?

শ্রীমতী অজন্তা নেওঁগ (মাননীয়া গড়াকাপ্তানী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) গড়কাপ্তানী (পথ) বিভাগৰ বর্তমান কোনো পৰিকল্পনা নাই।

(খ) প্রশ্ন নুঠে।

(গ) যিহেতু বর্তমানলৈকে কোনো প্রয়োজন বোধ কৰা হোৱা নাই সেয়েহে ব্যৱস্থা লোৱাৰ প্রশ্ন নুঠে।

Sub : Loan Agreement.

Shri Prafulla Kumar Mahanta asked :

382. Will the Minister of G.D.D. be pleased to state:-

(a) Whether Govt. of India signed a Loan Agreement with Asian Development Bank (A.D.B.) on 9th March, 2012 so as to provide US 200 Million dollers (Rs.1 078.00 crores) under Multi Tranche financing facility

(MEF) to "Assam Urban Infrastructure Programme" (AUIIP)?

(b) Whether the entire loan is spread in to two Tranches? How many Dollers (Rupees) divided for two Tranches?

(c) What are the projects taken up in Assam with this Loan funds? (Indicate in details the funds against each project).

(d) Whether the projects have started? If started who is looking after these projects? Where it is started?

(e) Whether there is project management committee under direct direction of ADB ? And who are the Members?

(f) When the projects will be completed?

Smti. Ajanta Neog (Minister, Guwahati Development Department) replied :

(a) Yes.

(b) Yes, the entire loan of US 200 Million Dollars (Rs.1 078.00 crores) is spread into two Tranches as shown below :-

Tranche - I = US 81 Million Dollars (Rupees 436.59 crores).

Tranche - II = US 119 Million Dollars (Rupees 641.41 crores).

(c) The Project is to improve urban services in the cities of Guwahati and Dibrugarh Town. The following are

the projects to be taken up under this programme:-

1. **For Guwahati City:**

(i) South Guwahati East Zone Drinking Water Supply Project.

(ii) South Guwahati East Zone Sewerage Project.

(iii) Bus Rapid Transit System (BRTS).

2. **For Dibrugarh Town:**

(i) Improvement of Drainage

(ii) Solid Waste Management Project.

Detail Description of Works and Goods Packages

Description of Package		Estimated Value (US Million Dollars)
Tranche -1		
South Guwahati East Zone Water Supply Project	Design, Build and operation of Intake works, Raw water rising main, WTP, clear water pumping station and associated works at Guwahati.	17.2

Imp. of Drainage in Dibrugarh	Construction of storage reservoirs of various capacities at 6 locations at Guwahati, approach road and allied works.	9.1
	Construction of Transmission water supply pipelines and allied works at Guwahati.	12.3
	Construction of RCC DTP Drain, Widening of Culverts and allied works in Dibrugarh.	27.7
	Design, Build and operation of 100 MT processing plant and 60 MT sanitary landfill site and allied works at Dibrugarh.	2.82
Solid Waste Management project in Dibrugarh.	Procurement of equipment for primary, secondary collection and transportation vehicles for Municipal Solid waste management at Dibrugarh.	1.58

Tranche- 2

South Guwahati East Zone Water Supply Project	Distribution pipe lines in South-East zone Guwahati and supply of water metre (Water meter - 4.60 m$)	31.2
South Guwahati East Zone Sewerage Project.	Sewerage zone 1 A, Treatment plant of zone 1 A	28.9
Imp. of Drainage in Dibrugarh	DTP drain outfall, secondary drainage and allied works	26.2
Bus Rapid Transit System	BRT (Goods- 8 m$)	32.0

Consulting Services

General Description	Estimated Value (cumulative)
Design and Supervision consultant	5.1 Million US$

Project Management Consultant	4.0 Million US$
NGO	0.23 Million US$
Preparation of DPR and improvement of institutional arrangement for BRTS at Guwahati	1.67 Million US$

(d) Yes, the project has started. A Project Management Unit (PMU) headed by a project Director (PD) has been established for implementation of different Sub Project under AUIIP is looking after the projects. The work of Construction of water reservoir in 6 locations and allied works in Guwahati has been awarded, and the Contractors are in place (The process of mobilization is going on).

(e) Yes, a State Level Empowered Committee was set up, which is headed by Chief Secretary, Assam. The Members of the Committee are as listed below:-

1. Chief Secretary, Govt. of Assam. Chairman
2. Principal Secretary, Guwahati Dev. Deptt. Member-Secretary.
3. Principal Secretary, Urban Development Deptt. Member

4.	Principal Secretary, P&D Department.	Member
5.	Commissioner & Secretary, Finance Department.	Member
6.	Commissioner & Secretary, Transport Department.	Member
7.	Commissioner & Spl. Secretary, PWD (Roads).	Member
8.	Secretary, Forests & Environment Department.	Member
9.	Secretary, Water Resources Department.	Member
10.	Secretary, Public Health & Engineering Deptt.	Member
11.	Secretary, Revenue Department.	Member
12.	Project Director, AUIIP.	Member

(f) The Project is schedule to be completed by 31st December 2017.

Sub : Vacant Post.

Shri Debabrata Saikia asked :

383. Will the Minister of Home be pleased to state:

(a) What is the manpower strength of Assam Police? How many vacancies are there for various ranks?

(b) What steps the Govt. is taking to fill up the gap and when will the gap be fulfilled?

(c) What is the ideal ratio of policeman and Police Station per population density and the State is at par with this ideal ratio?

(d) Whether the CLG of each Police Station are formed according to the Govt. guidelines?

(e) Whether any complaint about formation of CLG/ Thana Committee in Simaluguri Police Station was received by the Department?

(f) What action was taken on the erring Police Officer who formed the Committee without holding a Public meeting?

(g) Whether the Govt. will consider engaging Civil Defence or Home Guard persons for traffic duty in the State so that those trained Policemen engaged in Traffic Duty can be used for tracking Crim, Investigation, Law and Order Duty etc ?

Shri Rockybul Hussain (Minister, Forests and Environment etc.) replied on behaif of Hon'ble Chief Minister, Assam :

(a) The manpower strength of Assam Police is 64642. There are 7819 posts lying vacant and another 2523 posts are newly created during 2012-13.

(b) Necessary steps have been initiated to fill up the

vacancies by direct recruitment as well as by way of Departmental promotion of various ranks.

(c) There is no specification about the number of Police personnel to be appointed against population.

However, as per the data compiled by Bureau of Police Research and Development (BPR&D) as on 01-01-2011, there is 1 policeman per 576 persons in the Country.

The ratio is 1 police person per 500 persons (as per sanctioned strength) and 1 for 568 persons (as per actual strength) in Assam.

Bureau of Police Research and Development (BPR&D) has recommended the following yeardsticks as general guideline for creation of a Police station:

i) IPC Crimes: 500 to 1000 (can be less in rural areas)

ii) Population : 50000 to 100000 (can be less in rural areas)

iii) Area upto 35 sqr. KM in semi-urban and rural areas (In urban areas, density of population to be the main criteria).

iv) 48 IPC cases and 60 non-IPC cases per investigation team per year with the staffing norms of 1 SII ASI, 1 HC and 2 Constables.

(d) Most of the Police Stations of the State have formed CLG as per Govt. guidelines.

(e) Yes, a complaint about formation ofCLGIThana Committee in Simaluguri P.S was received in the Office of the Superintendent of Police, Sivasagar.

(f) SI Girin Sonowal, OIC Simaluguri PS as well as SDPO Nazira were transferred out. However, the Guidelines do not make holding of public meeting essential in forming CLG.

(g) Some of the Home Guards are already engaged in traffic duty in the State.

বিষয় ঃ বি টি এ ডিৰ অবৈধ অস্ত্ৰ-শস্ত্ৰ সন্দৰ্ভত ।

শ্ৰীঅঞ্জন দত্তই সুধিছে ঃ

৩৮৪। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বি টি এ ডিচ বিগত জুলাই মাহত সংঘটিত হোৱা গোষ্ঠী সংঘৰ্ষত কিমান লোকে প্ৰাণ হেৰুৱাইছিল?

(খ) গোষ্ঠী সংঘৰ্ষ সংঘটিত হোৱা সময়ৰে পৰা বৰ্তমানলৈকে বি টি এ ডি অঞ্চলত কিমান অবৈধ অস্ত্ৰ-শস্ত্ৰ জব্দ কৰা হৈছে?

(গ) এই অবৈধ অস্ত্ৰ-শস্ত্ৰসমূহ কৰপৰা বি টি এ ডি অঞ্চললৈ আমদানি হৈছে— এই সন্দৰ্ভত গৃহ বিভাগৰ হাতত কেনেধৰণৰ তথ্য আছে?

(ঘ) কোকৰাঝাৰ জিলাৰ অসম-পশ্চিমবঙ্গ সীমান্ত থকা সিমলতাপুৰ আৰক্ষী চকীৰ চত্ৰ ছায়াত ব্যাপক হাৰত ধন সংগ্ৰহ কৰি সেই ধনেৰে অবৈধ অস্ত্ৰ-শস্ত্ৰ ক্ৰয় কৰা হয় বুলি সততে উৎথাপিত অভিযোগ সন্দৰ্ভত চৰকাৰৰ গৃহ বিভাগে কিবান অনুসন্ধানৰ ব্যৱস্থা কৰিছেনে?

(ঙ) বি টি এ ডিত অবৈধভাৱে ধন সংগ্ৰহ আৰু অবৈধ অস্ত্ৰ-শস্ত্ৰ সৰবৰাহ সন্দৰ্ভত কোনো জনপ্ৰতিনিধিয়ে অসম আৰক্ষীৰ সঞ্চালক প্ৰধানক লিখিতভাৱে অৱগত কৰিছে নেকি? যদি কৰিছে, এই সন্দৰ্ভত আৰক্ষী

সঞ্চালক প্রধানে কি ব্যৱস্থা গ্রহণ কৰিছে বিতংভাৱে জনাব?

শ্রীৰকিবুল হুছেইন (বন ও পৰিৱেশ আৰু পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে গৃহ বিভাগৰ মন্ত্রী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) বি.টি.এ.ডি.ত বিগত জুলাই মাহত সংঘঠিত হোৱা গোষ্ঠী সংঘর্ষত ৯৯ জন আৰু পৰবর্তী সময়ত (নৱেম্বৰ-২০১২) পূনৰ ১০ জন সর্বমুঠ ১০৯ লোকে প্রাণ হেৰুৱাইছিল।

(খ) বি.টি.এ.ডি. এলেকাত যোৱা ইং ২০১২চনৰ ১৯ জুলাইৰ পৰা বর্ত্তমানলৈকে ১০৩ টা মাৰনাস্ত্র, ৩৫৮ জাঁই সক্রিয় গুলী, ৩২ টা খালী খোকা, ৫১ টা গ্রেণেড, ৫০ টা ডিটনেটৰ, ২ টা বোমা, ২১০০ গ্রাম পাউদাৰ (Explosive)আৰু এখন খুকুৰী জব্দ কৰা হৈছে।

(গ) চোৰাং চোৰাৰ বিভাগৰ তথ্য অনুসৰি চুবুৰীয়া ৰাজ্য তথা ৰাষ্ট্রৰ পৰা অবৈধ অস্ত্র-শস্ত্রৰ অহাৰ সম্ভেদ পোৱা গৈছে।

(ঘ) সুনিদ্দিষ্ট লিখিত অভিযোগ পালে চৰকাৱে বিহিত ব্যৱস্থা গ্রহণ কৰিব।

(ঙ) এইটো সত্য যে এজন মাননীয় জনপ্রতিনিধিয়ে তেখেতৰ ২৪-১২-২০১২ তাৰিখৰ এখন চিঠিৰ দ্বাৰা বি.টি.এ.ডি এলেকাত উল্লেখিত অভিযান সন্দর্ভত আৰক্ষী সঞ্চালক প্রধান দৃষ্টি আকর্ষণ কৰিছিল। এই সম্পর্কত অতিৰিক্ত আৰক্ষী সঞ্চালক প্রধান পর্য্যায়ৰ এজন শীর্ষ আৰক্ষী বিষয়াই অনুন্ধান কৰি আছে।

Sub : Nos. of Fire Brigade Station.

Shri Abdur Rahman Ajmal asked :

385. Will the Minister of Home etc. be pleased to state:

(a) How many Fire Brigades Station are there in Assam? (Please give details, LAC wise.)

(b) How many houses were burnt-since 2010 to till date in South Salmara LAC?

(Please give in details, G.P. wise.)

(c) Are there any Fire Brigades Station in South Salmara LAC ?

(d) If not, is there any planning to setup new Fire Brigade Station in (i) Fakirgonj (ii) Bondihana and (iii) South Salmaraunder South SalmaraLAC?

(Please give in details.)

Shri Rockybul Hussain (Minister, Forest, Panchayat etc. Department) replied on behalf of the Home Minister :

(a) There are 110 (One hundred and ten) Fire & Emergency Service Stations throughout the State of Assam. (A list of LAC wise existing Fire & Emergency Service Stations is at Annexure-I)

(See Annexure-L-II)

(b) 27 Nos. of houses were burnt since 2010 to till date in-South Salmara LAC . (Details of G~P wise is at Annexure-II.)

(See Annexure-L-III)

(c) Yes, there is one Fire Brigade Station at Hatsingimari under SouthSalmaraLaC.

(d) At present there is no planning to set up new Fire Brigade Station in (i) Fakirgonj (ii) Bondihana and (iii) SouthSalmara under South Salmara LAC. However,

it will be examined on demand, as per guidelines of the' Compendium on Fire & Emergency Service Station.''

বিষয় ঃ ব্যাহত যোগাযোগ (Communication)ৰ ব্যৱস্থা।

শ্রীকমলাক্ষ্য দে পুৰকায়স্থই সুধিছে ঃ

৩৮৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে:

(ক) বৰাক নদীয়ে Panchgram ঠাইখিনি ভাঙি পেলোৱাৰ ফলত Tripura Connection (Road) কৰিমগঞ্জ আৰু বৰাক ভেলীৰ যোগাযোগ (Communication) ব্যাহত হোৱাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত, তেন্তে মেৰামতিৰ ব্যৱস্থা কৰিবনে?

(গ) যদি কৰে, কেতিয়া কাম আৰম্ভ কৰি কেতিয়া শেষ কৰিব?

শ্রীমতী অজন্তা নেওঁগ (গড়কাপ্তানী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বৰাক নদীয়ে ৫৩নং ৰাষ্ট্রীয় ঘাইপথৰ পাঁচগ্রাম অংশটো ক্ষতিগ্রস্ত কৰাৰ বিষয়ে চৰকাৰ জ্ঞাত। কিন্তু ইয়াৰ ফলত কৰিমগঞ্জ আৰু বৰাক ভেলীৰ যোগাযোগ ব্যাহত হোৱা নাই।

(খ) ৫৩ নং ৰাষ্ট্রীয় ঘাইপথৰ পাঁচগ্রাম অংশটো বর্তমান সীমান্ত পথ সংস্থান (BRO)ৰ অধীনস্থ। মেৰামতিৰ কাম সময়ে সময়ে সীমান্ত পথ সংস্থান (BRO) ই কৰি আহিছে। ইয়াৰ উপৰিও অসম চৰকাৰৰ গড়কাপ্তানী বিভাগৰ ৰাষ্ট্রীয় ঘাইপথ শাখাই ৫৩ নং ৰাষ্ট্রীয় ঘাইপথৰ পাঁচগ্রাম অংশটোৰ পথ উন্নতিকৰণ আৰু গড়াখহনীয়া প্রতিৰোধ কৰাৰ বাবে প্রাক্কলন প্রস্তুত কৰি অনুমোদনৰ বাবে ভাৰত চৰকাৰৰ পথ পৰিবহন মন্ত্রনালয়লৈ প্রেৰণ কৰিছে।

(গ) কেন্দ্রীয় চৰকাৰৰ অনুমোদন পালে কাম হাতত লোৱা হ'ব আৰু নির্দ্ধাৰিত সময়ৰ ভিতৰত কাম শেষ কৰা হ'ব।

বিষয় ঃ আলফা চৰকাৰৰ আলোচনা।

শ্রীউৎপল দত্তই সুধিছে ঃ

৩৮৭। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে:

(ক) আলফা, অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ মাজৰ আলোচনা কেতিয়াৰ পৰা আৰম্ভ হৈছে?

(খ) এই আলোচনা এতিয়া কি পর্য্যায়ত আছে আৰু এতিয়ালৈকে কেইখন বৈঠক সম্পন্ন হৈছে? অগ্রগতি সন্তোষজন নে?

(গ) আলফাই চৰকাৰৰ ওচৰত কি কি দাবী উত্থাপন কৰিছে? (দাবী চনদ (Charter of Demand) ৰ প্রতিলিপি সদনত দাখিল কৰিব)

(ঘ) আলোচনাত এই পর্য্যন্ত আলফা, অসম চৰকাৰ আৰু ভাৰত চৰকাৰক কোনে কোনে প্রতিনিধিত্ব কৰিছে? শেষ বৈঠক কেতিয়া অনুষ্ঠিত হৈছে?

(ঙ) চূড়ান্ত পর্য্যায়ৰ আলোচনা কেতিয়া হোৱাৰ সম্ভাৱনা আছে?

শ্রীৰকিবুল হুছেইন (বন ও পৰিবেশ আৰু পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে গৃহ বিভাগৰ মন্ত্রী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) ০৩-০৯-২০১১ তাৰিখে আলফা, অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ মাজত SoO (Suspension of Operation) চুক্তি স্বাক্ষৰিত হৈছিল আৰু ইয়াৰ পৰৱর্তী পর্য্যায়ত কেইবাৰলানিও আলোচনা অনুষ্ঠিত কৰা হৈছে।

(খ) এতিয়ালৈ আলোচনা সঠিক দিশত আগৰাঢ়ি আছে আৰু সকলো পক্ষই আলোচনা সন্দর্ভত সন্তুষ্টি ব্যক্ত কৰিছে।

(গ) আলোচনা আৰু দাবী চনদৰ সবিশেষ গোপনীয়তাৰ খাতিৰত প্রকাশ কৰিব পৰা নাযায়।

(ঘ) আলোচনা ভাৰত চৰকাৰৰ গৃহ সচিব আৰু অসম চৰকাৰৰ জ্যেষ্ঠ

বিষয়াবৰ্গ, ভাৰত চৰকাৰে মনোনয়ন কৰা Interlocutor আৰু আলফাৰ কেন্দ্ৰীয় সমিতিৰ সদস্যবৃন্দই প্ৰতিনিধিত্ব কৰিছে। শেহতীয়া বৈঠক যোৱা ৭ মাৰ্চ, ২০১৩ তাৰিখে নতুন দিল্লীত অনুষ্ঠিত হৈছিল। (See Annexure -L-IV)

(ঙ) যিহেতু আলোচনা সঠিক দিশত আগবাঢ়ি আছে, চূড়ান্ত পৰ্য্যায়ৰ অলোচনা অতি সোনকালে অনুষ্ঠিত হব বুলি চৰকাৰ আশাবাদী।

বিষয় ঃ ৰাজধানী চৌহদৰ আৱাসগৃহ মেৰামতি সম্পৰ্কত।

শ্ৰীদিলীপ মৰাণে সুধিছে ঃ

৩৮৮। মাননীয় সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম সচিবালয়ৰ কাষতে থকা বৰ্তমান দিশপুৰ ৰাজধানী চৌহদৰ আৱাসগৃহ সমূহ বসবাসৰ উপযোগী হৈ আছেনে? যদি বসৱাসৰ উপযোগী হৈ থকা নাই, মেৰামতিৰ ব্যৱস্থা কৰিছেনে? যদি কৰিছে, কোন আৱাসগৃহসমূহ কোন কোন বছৰ/মাহত মেৰামতি কৰিছে? (সবিশেষ তাৰিখেসহ আৱাসগৃহৰ নম্বৰ জনাব)

(খ) ৰাজধানী চৌহদৰ অন্তৰ্গত Block 43 আৰু 44 আৱাসীসকলৰ শৌচাগাৰটো (Septic Tank) জৰাজীৰ্ণ হৈ ব্যৱহৰৰ অনুপযোগী হোৱাৰ বিষয়ে আৱাসীসকলে বিভাগক বাৰম্বাৰ ২০০৮ চনৰ পৰা আবেদন জনোৱা সত্ত্বেও মেৰামতি/নিৰ্মাণ নকৰাৰ কাৰণ কি?

(গ) আৱাসীসকলৰ আৱাসগৃহৰ বাবগ বেতনৰ পৰা House Rent আদি বানচ কৰ্ত্তন কৰি আছেনে? যদি আছে, তেখেতসকলৰ প্ৰাপ্য সুৰিধাৰ পৰা বঞ্চিত কৰাৰ কাৰণ কি?

(ঘ) Qr.No. Type-VIII(m)44/2 ৰ আৱাসীয়ে বহুবাৰ আবেদন কৰাৰ পিছত যোৱা বছৰ আৱাস গৃহটো কিছু মেৰামতি কৰিলে যদিও Septic Tank, Latrin Pipe আদিৰ মেৰামতিৰ কাম নকৰাৰ কাৰণ কি?

(ঙ) আৱাসগৃহটোৰ মেৰামতিৰ কাম কোন ঠিকাদাৰক, কিমান টকাত

কৰিবলৈ দিয়া হৈছিল? কাম সম্পূৰ্ণ হোৱাৰ পিছত বিভাগে পৰিদৰ্শন কৰিছিলনে?

(চ) কাম শেষ নকৰাকৈয়ে ঠিকাদাৰৰ বিলৰ ধন আদায় দিয়া হ'লনে? যদি হ'ল, কাম নকৰাকৈ বিলৰ টকা আদায় দিয়া আৰু আদায় লোৱা বিষয়া আৰু ঠিকাদাৰৰ ওপৰত কি বিহিত ব্যৱস্থা গ্ৰহণ কৰিব জনাবনে?

(ছ) উক্ত আৱাস গৃহৰ লগত সংলগ্ন শৌচালয়, Latrine Pipe সহ আৱশ্যকীয় মেৰামতিৰ কাম শীঘ্ৰে কৰি আৱাসীসকলৰ ব্যৱহাৰৰ উপযোগী কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীৰফিকুল হুছেইন (বন তথা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদিৰ মন্ত্ৰী) য়ে সাধাৰণ প্ৰশাসন বিভাগৰ হৈ উত্তৰ দিছে ঃ

(ক) শিলংৰ পৰা ৰাজধানী যোৱা ১৯৭২ চনত ততাতৈয়াকৈ স্থানান্তৰিত কৰা হৈছিল। সেই সময়ত আৱাস গৃহসমূহ অস্থায়ী হিচাবে নিৰ্মাণ কৰা হৈছিল আৰু কিছু সংখ্যক আৱাস গৃহত মেৰামতিৰ প্ৰয়োজন আছে। আৱাসিকসকলৰ আবেদন মৰ্মে আৰু গড়কাপ্তানি (গৃহ) বিভাগৰ আৱশ্যক অনুযায়ী প্ৰতিবেদৰ ওপৰত নিৰ্ভৰ কৰি বাজেট সাপেক্ষে সাধাৰণ প্ৰশাসন বিভাগে মেৰামতিৰ বাবে অনুমোদন দিয়ে। যোৱা দুটা বিত্তীয় বছৰত (২০১১-২০১২ আৰু ২০১২-২০১৩চন) দিশপুৰ চৰকাৰী আৱাস গৃহ সমূহত অসামৰিক/ বৈদ্যুতিক (Civil/ Electrical), সলনি/মেৰামতি (replacement/repairing) অনুসূচী - ১উল্লেখ কৰা হ'ল। (See Annexure-L-V)

(খ) সাধাৰণ প্ৰশাসন বিভাগৰ অধীনত ১৪৪৮টা আৱাস গৃহ আছে আৰু বাজেট সাপেক্ষে প্ৰতি বিত্তীয় বছৰত কিছুসংখ্যক চৰকাৰী আৱাস গৃহৰ মেৰামতিৰ অনুমোদন দিয়া হয়। ২০১১-১২ আৰু ২০১২-১৩ বিত্তীয় বৰ্ষত Qtr.No. VIII(M)44/2 আৰু VIII(M) 43/1 মেৰামতি কৰা হৈছে।

(গ) অসম সচিবালয়ৰ চৰকাৰী আৱাসত থকা বিষয়া-কৰ্মচাৰী সকলৰ পৰা আৱাস গৃহৰ বাবদ প্ৰতিমাহে নিৰ্ধাৰিত হাৰত House rent কৰ্তন কৰা হয়। অসম সচিবালয়ৰ বাহিৰে অন্যান্য চৰকাৰী কাৰ্য্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলৰ পৰা আৱাস গৃহৰ বাবদ House Rent কৰ্তন কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক সাধাৰণ প্ৰশাসন বিভাগৰ পৰা নিৰ্দেশনা দিয়া হয়। সাধাৰণ প্ৰশাসন বিভাগৰ অধীনত ১৪৪৮টা আৱাস গৃহ আছে আৰু বাজেট সাপেক্ষে প্ৰতি বিত্তীয় বছৰত কিছুসংখ্যক চৰকাৰী আৱাস গৃহৰ মেৰামতিৰ অনুমোদন দিয়া হয়।

(ঘ) Qr.No Type-VII(M)44/2 ৰ আবাস গৃহটিত প্ৰাককলন মৰ্মে অনুমোদিত ধনেৰে যাৱতীয়া কমৰ লগতে Septic Tank Clearance কৰা হৈছে। উক্ত সময়ত pipe ইত্যাদিৰ কাম আৱশ্যক হোৱা নাছিল বাবে কৰা হোৱা নাছিল।

(ঙ) আৱাস গৃহটোৰ মেৰামতিৰ কামৰ ঠিকাদাৰ মহঃ চিদ্দিকৰ ৰহমান। চৰকাৰৰ অনুমোদিত ধনৰ পৰিমান আছিল ৫৭,৯৫৪/- টকা। উক্ত কাম সম্পূৰ্ণ হোৱাৰ পিছত গড়কাপ্তানী বিভাগৰ বিষয়াই পৰিদৰ্শন কৰিছিল।

(চ) কামৰ প্ৰাককলন আৰু অনুমোদিত নিৰিখৰ ভিতৰত কাম কৰা হৈছিল। কাম নকৰাকৈ কোনো ঠিকাদাৰক বিলৰ ধন আদায় দিয়া নহয়।

(ছ) আবাসিকসকলৰ আবেদন মৰ্মে আৰু গড়কাপ্তানি (গৃহ) বিভাগৰ আৱশ্যক অনুযায়ী প্ৰতিবেদনৰ/প্ৰাককলনৰ ওপৰত নিৰ্ভৰ কৰি ২০১৩-১৪ বাজেট সাপেক্ষে সাধাৰণ প্ৰশাসন বিভাগে মেৰামতিৰ অনুমোদন দিব।

বিষয় ঃ টকা আবণ্টন।

শ্ৰীজাহান উদ্দিনে সুধিছে ঃ

৩৮৯। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা বিত্তীয় ২০১০-১১, ২০১১-১২ আৰু ২০১২-১৩ বৰ্ষত ধুবুৰী

গৌৰীপুৰ উন্নয়ণ প্ৰাধীকৰণক Master Plan ৰ কিমান টকা আবন্টন দিয়া হৈছিল? (পৃথকে পৃথকে তালিকা দিব)

(খ) উক্ত আবন্টিত টকাৰে কি কি আঁচনি ৰূপায়ন কৰা হৈছিল?

(বিত্তীয় বৰ্ষ অনুযায়ী আঁচনিৰ নাম, টকাৰ পৰিমাণ সহ আঁচনিৰ অগ্ৰগতিৰ বিতং খাতিয়ান দিব)

(গ) ধুবুৰী গৌৰীপুৰ উন্নয়ন প্ৰধীকৰণ (DGDA) ত অভিযন্তা, কনিষ্ঠ অভিযন্তা বা কাৰিকৰী দিশসমূহ চোৱা চিতা কৰাৰ বাবে কোনো বিষয়া কৰ্মচাৰীক নিযুক্তি দিয়া হৈছিল নে? (যদি হৈছিল, তেন্তে তেনে বিষয়াৰ নাম, পদবীসহ মোবাইল নং দিব)

(ঘ) যদি নিযুক্তি দিয়া নাই, তেন্তে কিয় আৰু কিমান দিনৰ ভিতৰত নিযুক্তি দিব? (বিতং জনাব)

(ঙ) ধুবুৰী চহৰৰ সামগ্ৰীক উন্নয়নৰ বাবে বিত্তীয় বৰ্ষ ২০১১-১২ আৰু ২০১২-১৩ ত বিভিন্ন বিভাগৰ জৰিয়তে কিমান টকাৰ কি কি আঁচনি ৰূপায়ণৰ বাবে লোৱা হৈছিল? (ৰূপায়ণকাৰী বিভাগ, আঁচনিৰ নাম সহ বিতং অগ্ৰগতিৰ খাতিয়ান দিব)

(চ) ধুবুৰী চহৰৰ খোৱা পানী আঁচনিৰ বাবে বিত্তীয় বৰ্ষ ২০০৯-১০, ২০১০-১১, ২০১১-১২ আৰু ২০১২-১৩ ত কি কি আঁচনি ৰূপায়ণ কৰা হৈছিল?

(প্ৰতিটো আঁচনিৰ Plan & Estimate ৰ Abstract of Cost ৰ কপিসহ আঁচনিৰ অগ্ৰগতিৰ বিতং খাতিয়ান দিব)

(ছ) ধুবুৰী চহৰৰ গড়কাপ্তানি (ৰাস্তা) বিভাগৰ অধীনস্থ ৰাস্তা তথা নলা-নৰ্দমা সমূহ পুনঃ নিৰ্মাণৰ হকে কিবা বিশেষ আঁচনি গ্ৰহণ কৰিছে নেকি?

(যদি কৰিছে, তেন্তে বিতং খতিয়ান দিব)

শ্ৰীমতী অজন্তা নেওঁগ (নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বিত্তীয় ২০১০-১১ আৰু ২০১১-১২ বৰ্ষত Master Planৰ সহায়ত

অনুদান (Granys-in-aid) হিচাপে যথাক্রমে ১.২৫ লাখ টকা আৰু ১.৫০ লাখ টকা Dhubri Gauripur Development Authority ক আৱন্টন দিয়া হৈছিল। বিত্তীয় বর্ষ ২০১২-১৩ বর্ষত কোনো টকা আৱন্টন দিয়া হোৱা নাই।

(খ) আৱন্টন দিয়া টকাৰ খৰচৰ বিতং খাতিয়ান সমূহ Annexure-I ত দিয়া হ'ল। (See Annexure -I-VI)

(গ) ধুবুৰী গৌৰীপুৰ উন্নয়ন প্ৰাধীকৰণ (DGDA) ত এজন কনিষ্ঠ অভিযন্তা নিযুক্তি দিয়া হৈছিল। কনিষ্ঠ অভিযন্তা জনৰ নাম, পদবী, ঠিকনা আৰু মোবাইল নং তলত দিয়া হ'ল —

নাম— শেখ আখতাৰ উল ইছলাম।

পদবী—কনিষ্ট অভিয়ন্তা।

ঠিকনা — গাঁও- বাশজনী, পোঃঅঃ - ছাগলচৰা, থানা আৰু জিলা - ধুবুৰী, অসম।

মোবাইল নং — ৯৬৭৮৬-৯৯০৯৫

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) ধুবুৰী চহৰৰ সামগ্ৰীক উন্নয়নৰ বাবে বিত্তীয় বর্ষ ২০১১-১২ আৰু ২০১২-১৩ ত অসম নগৰ পানী যোগান আৰু পয়-প্ৰনালী পৰিষদে ধুবুৰী নগৰ পানী যোগান আঁচনিৰ বাবে সর্বমুঠ ২৫০ লাখ টকা চৰকাৰৰ পৰা লাভ কৰিছে। বর্তমান এই আঁচনিৰ বাবে ৮৫% সম্পূর্ণ কৰা হৈছে।

২০১১-১২ আৰু ২০১২-১৩ বিত্তীয় বর্ষৰ বাবে সঞ্চালকালয়, পৌৰ প্ৰশাসনৰ তৰফৰ পৰা আঁচনিৰ বিপৰীতে আৱন্টিত পুঁজিৰ তালিকা Annexure-II দিয়া হ'ল। (See Annexure-I-VII) অগ্ৰগতিৰ খাতিয়ান সম্পর্কে ধুবুৰী পৌৰ সভাৰ পৰা তথ্য বিচৰা হৈছে।

(চ) ধুবুৰী চহৰৰ খোৱা পানী যোগানৰ আঁচনিৰ অধীনত তলত উল্লেখ কৰা ধৰনে বিভিন্ন কাম হাতত লোৱা হৈছে।

(i) Contruction of clear water pump and filter cum chemical Dezor House.

(ii) Construction of clariflocullotor, aerato, flux mixture, raw water chemical.

(iii) Supplying installation, testing of commissioning of M.S. Floating barg.

(iv) Construction of ESR.

(v) Laying of pipe distribution Network.

(vi) Laying of Raw water pumping main.

(vii) Supplying instatllation, testing and commission of Raw & clear water pump set.

ধুবুৰী নগৰ পানী যোগান আঁচনিৰ Abstract of Cost Annexure দিয়া হ'ল। (See Annexure-L-VIII) এই আঁচনিৰ অধীনত এতিয়ালৈকে ৬৫% কাম সম্পূৰ্ণ হৈছে।

(ছ) এই বিষয়ে গড় কাপ্তানি (বাস্তা) বিভাগৰ পৰা তথ্য বিচৰা হৈছে।

বিষয় ঃ নগৰ সমিতিৰ কাম কাজ।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

৩৯০। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে:

(ক) এই কথা সচাঁনে যে চৰকাৰে ৩১খননগৰীয়া স্থানীয় নিকায়লৈ অসম বিকাশ যোজনাৰ অধীনত ৩১খন স্কীডষ্টিয়াৰ লোড়াৰ যোগান ধৰিছে?

(খ) যদি হয়, তেনেহলে কোন কোন নগৰীয়া স্থানীয় নিকায়লৈ স্কীডষ্টিয়াৰ যোগান ধৰা হৈছে আৰু প্ৰতিথনৰ বাবদ কিমান টকা খৰছ কৰা হৈছে? (সবিশেষ তথ্য দাখিল কৰিব)

(গ) নগৰ আৰু গাঁও পৰিকল্পনা সঞ্চালকালয়ে কোন কোন নগৰীয়া স্থানীয় নিকায়ৰ বাবে মাষ্টাৰ প্লেন প্ৰস্তুত কৰি আছে? (মাষ্টাৰ প্লেনৰ সবিশেষ তথ্য দিব)

(ঘ) ধিং নগৰ সমিতিয়ে যোৱা দুটা বিত্তীয় বছৰত Entry Tax আৰু অন্যান্য শিতানত মুঠ কিমান টকা লাভ কৰিছিল?

(উপৰোক্ত টকা ক'ত ক'ত খৰছ কৰা হল ব্যৱহাৰিক প্ৰমাণ পত্ৰ আৰু নগৰ সমিতিৰ বৈঠকৰ অনুমোদনৰ প্ৰতিলিপি সহ সদনত দাখিল কৰিব)

শ্ৰীমতী অজন্তা নেওঁগ (নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) হয়, সঁচা।

(খ) এই স্কিড ষ্টিয়াৰ লোডাৰ (Skid Steer Loader) যোগান ধৰা পৌৰসভা আৰু নগৰ সমিতি সমূহৰ তালিকা পৰিশিষ্ট 'ক'ত সন্নিবিষ্ট কৰা হ'ল। (See Annexure-L-IX)

(গ) নগৰ আৰু গাঁও পৰিকল্পনা সঞ্চালকালয়ে এতিয়ালৈকে ২৮ খন ফাইনেল মাষ্টাৰপ্লেন আৰু ১১খন ড্ৰাফট মাষ্টাৰপ্লেন প্ৰস্তুত কৰিছে। বৰ্তমান ৪০ খন চহৰৰ বাবে মাষ্টাৰ প্লেন প্ৰস্তুতিৰ কাম চলি আছে। এই বিষয়ে সবিশেষ তথ্য পৰিশিষ্ট 'খ' ত সন্নিবিষ্ট কৰা হ'ল। (Annexure-LX)

(ঘ) ধিং পৌৰসভাই যোৱা দুটা বিত্তীয় বছৰত Entry Tax আৰু অন্যান্য শিতানত পোৱা মুঠ টকা পৰিশিষ্ট 'গ'ত সন্নিবিষ্ট কৰা হ'ল। (See Annexure-LX-I)

খৰছৰ তালিকা, ব্যৱহাৰৰ প্ৰমাণ পত্ৰ আৰু ধিং পৌৰসভাৰ বৈঠকৰ প্ৰতিলিপি ধিং পৌৰসভাৰ পৰা বিচৰা হৈছে।

বিষয় ঃ নাৰী নিৰ্যাতনৰ তথ্য আৰু অপৰাধত জড়িত ব্যক্তিৰ শাস্তি।

শ্ৰীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

৩৯১। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ২০০২ চনৰ পৰা বৰ্ত্তমানলৈ ৰাজ্যত কিমানটা নাৰী নিৰ্য্যাতন, যৌতুকজনিত কাৰণত হত্যা আৰু নাৰী অপৰহৰণৰ ঘটনাৰ গোচৰ পঞ্জীভুক্ত হৈছে? (বিতং তথ্য দাখিল কৰিব)

(খ) নাৰী অপহৰণৰ পিছত কিমান গৰাকীক ক'ৰ পৰা উদ্ধাৰ আৰু নাৰী অপহৰণকাৰী, নাৰী ব্যৱসায়ী চক্ৰ গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হ'ল? চক্ৰবোৰত কোন কোন ব্যক্তি জড়িত? (বিতং তথ্য দাখিল কৰিব)

(গ) উক্ত অপৰাধ সমূহৰ লগত জড়িত ব্যক্তিসকলৰ ওপৰত চৰকাৰে কি শাস্তিমূলক ব্যৱস্থা লৈছে?

(ঘ) বিলাসীপাৰা পুব সমষ্টিৰ অন্তৰ্গত চাপৰত যোৱা ২৪ছেপ্তেম্বৰ, ২০১২ তাৰিখে সোমবাৰে চাপৰ থানাৰ আৰক্ষীয়ে ট্ৰাকৰ পৰা অন্যায় ভাবে টকা দাবী তথা সংগ্ৰহ কৰোতে আৰক্ষীৰ প্ৰহাৰত ট্ৰাকখনৰ ড্ৰাইভাৰজনৰ মৃত্যু হোৱাৰ বিষয় চৰকাৰ অৱগতনে?

(ঙ) যদি অৱগত, উক্ত ঘটনাৰ লগত জড়িত ব্যক্তিসকলৰ ওপৰত কি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিছে?

(চ) থানা সমূহৰ পৰা নীতি বহিৰ্ভূতভাৱে বিভিন্ন যান-বাহনৰ পৰা টকা সংগ্ৰহৰ এই ব্যৱস্থা বন্ধ কৰিবনে?

(ছ) যদি কৰে, কেতিয়াৰ পৰা কৰিব?

(জ) উক্ত কাম কাজত জড়িত আৰক্ষী বিষয়াসকলৰ ওপৰত কি শাস্তিমূলক ব্যৱস্থা ল'ব?

শ্ৰীৰকিবুল হুছেইন (পৰিবেশ ও বন আৰু পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) ইং ২০০২চনৰ পৰা বৰ্তমাললৈকে (৩১ জানুৱাৰী, ২০১৩ লৈকে) ৰাজ্যখনত মুঠ ৩৮,৮২৫ টা নাৰী নিৰ্যাতন, ১,২২৯ টা যৌতুক জনিত হত্যা আৰু ২২,০৫০ টা নাৰী অপহৰণৰ গোচৰ ৰুজু হৈছে। বছৰ ভিত্তিত অপৰাধৰ শিতান অনুযায়ী বিতং তথ্য 'সংলগ্ন ক' ত দিয়া হ'ল। (See Annexure-LX-II)

(খ) অপহৰণৰ পিচত, ইং ২০০২ চনৰ পৰা বৰ্তমানলৈকে মুঠ ৩৪১ গৰাকী নাৰী, দেশখনৰ বিভিন্ন ঠাইৰ পৰা উদ্ধাৰ কৰা হয়। বিতং তথ্য 'সংলগ্ন খ'ত দিয়া হ'ল। (See Annexure-LX-III)

নাৰী ব্যৱসায়ী চক্ৰৰ লগত জড়িত অপহৰণকাৰীসকলৰ নাম সমূহ বছৰ ভিত্তিত 'সংলগ্ন গ' ত দিয়া হ'ল। (See Annexure-LX-IV)

(গ) উক্ত অপৰাধসমূহৰ লগত জড়িত অপৰাধী সকলক গ্ৰেপ্তাৰ কৰি আদালতলৈ প্ৰেৰণ কৰা হৈছে।

(ঘ) যোৱা ২৪ চেপ্তেম্বৰ, ২০১২ তাৰিখে চাপৰ থানাত আৰক্ষীৰ প্ৰহাৰত ট্ৰাক চালকৰ মৃত্যু হোৱা সম্পৰ্কে চৰকাৰ জ্ঞাত।

(ঙ) উক্ত ঘটনা সংক্ৰান্তত চাপৰ থানাৰ গোচৰ নং ৩০৭/১২ ভা.দ.বি.আ ৩৮৪/৩০২ ধাৰাত ৰুজু কৰি দোষী আৰক্ষী ইয়াৰ আলী পাৰমানিকক গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰা হৈছে।

(চ),(জ) আৰু (জ)

যান-বাহনৰ পৰা নীতি বহিৰ্ভূত ভাবে কোনো টকা সংগ্ৰহ কৰা নহয়। কাচ্চিৎ কেতিয়াবা কোনোবাই টকা সংগ্ৰহ কৰা দৃষ্টি গোচৰ হলে লগে লগে তেওঁৰ ওপৰত আইনগত ব্যৱস্থা লোৱা হয়।

বিষয় ঃ ACS, APS, IAS আৰু IPS বিষয়া নিযুক্তি।

শ্ৰীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

৩৯২। মাননীয় কৰ্মচাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ-

(ক) অসমৰ কোন কোন জিলাত কোন কোন উপায়ুক্ত আৰু আৰক্ষী অধীক্ষক বৰ্তমান কৰ্মৰত হৈ আছে আৰু কিমান দিনৰ পৰা কৰ্মৰত হৈ আছে?

(প্ৰতিজন উৱাযুক্ত আৰু আৰক্ষী অধীক্ষকৰ মবাইল ফোন নম্বৰ উল্লেখ কৰিব)

(খ) অসমত বৰ্তমান কিমানজন ACS, APS, IAS আৰু IPS বিষয়া

কর্মৰত হৈ আছে?

(প্ৰত্যেকজন বিষয়াৰ নাম আৰু পদবীৰ বিপৰীতে তেওঁলোক বৰ্তমান কর্মৰত পদ আৰু স্থানৰ বিষয়ে বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

(গ) ওপৰোক্ত বিষয়াসকলৰ ভিতৰত কিমানজন মুছলমান, চাহ জনগোষ্ঠী, কোচ ৰাজবংশী, মিচিং, ৰাভা, বড়ো, ডিমাচা, কাৰ্বি আদি বিভিন্ন সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত?

(ঘ) ইয়াৰে প্ৰতিটো সম্প্ৰদায়ৰ কিমানজন বৰ্তমান উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকৰূপে অসমৰ বিভিন্ন জিলাত বৰ্তমান কর্মৰত হৈ আছে? (বিতং তথ্য দাখিল কৰিব)

শ্ৰীপৃথিৰী মাঝি (ৰাজহ আৰু দুৰ্যোগ প্ৰশমন ব্যৱস্থাপনা, শ্ৰম আৰু নিয়োগ তথা চাহ জনজাতি কল্যাণ, বিভাগৰ মন্ত্ৰী)য়ে কর্মচাৰী বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) অসমৰ কোন কোন জিলাত কোন কোন উপায়ুকত আৰু আৰক্ষী অধীক্ষক বৰ্তমান কর্মৰত হৈ আছে আৰু কিমান দিনৰ পৰা কর্মৰত হৈ আছে অনুবদ্ধ 'ক'ত দিয়া হৈছে।

(See Annexure-LX-V)

(খ) অসমত বৰ্তমান ১১২ জন IAS বিষয়া, ৭২৪ জন ACS বিষয়া, ৭৭ জন IPS বিষয়া আৰু ৩৫১ APS বিষয়া কর্মৰত হৈ আছে। বিতং তথ্য অনুবদ্ধ 'খ'ত দিয়া হৈছে

(See Annuxure-LX-VI)

(গ) সম্প্ৰদায়ৰ ভিত্তিত IAS আৰু ACS বিষয়াৰ এনে তথ্য কর্মচাৰী বিভাগত ৰখা নহয়। IPS আৰু APS বিষয়াৰ সম্পৰ্কে গৃহ বিভাগে দাখিল কৰা তথ্য অনুবদ্ধ 'গ'ত দিয়া হৈছে

(See Annexure LX-VII)

(ঘ) সম্প্রদায়ৰ ভিত্তিত উপায়ুক্তসকলৰ এনে তথ্য কর্মচাৰী বিভাগত ৰখা নহয়। আৰক্ষী অধীক্ষকসকলৰ গৃহ বিভাগে দাখিল কৰা তথ্য অনুবদ্ধ ঘ'ত দিয়া হৈছে (See Annexure-LX-VIII)

বিষয় ঃ ৫৪ নং ৰাষ্ট্রীয় ঘাইপথ।

শ্রীআব্দুৰ ৰহিম খানে সুধিছে ঃ

৩৯৩। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৫৪ নং ৰাষ্ট্রীয় ঘাইপথ Shillong to Assam National Highway ৰ মালিডোহাৰ সীমান্তৰ পৰা শিলচৰলৈ ৰাষ্ট্রীয় ঘাইপথৰ মেৰামতি-পুনৰ নির্মাণৰ বাবদ চৰকাৰে বিগত পাঁচ বছৰৰ ভিতৰত কোনো পুঁজি আবণ্টন দিছেনে?

(খ) যদি দিছে, কিমানকৈ পুঁজি আবণ্টন দিয়া হৈছে? (বিত্তীয় বর্ষ অনুযায়ী আবণ্টিত পুঁজিৰ পৰিমাণ উল্লেখ কৰি সদনত দাখিল কৰিব)

(গ) আবণ্টিত পুঁজিৰে কামৰ অগ্রগতি কিমান হৈছে? (বিতংভাৱে সদনত জনাব)

(ঘ) উক্ত ৰাষ্ট্রীয় ঘাইপথটো আজিলৈকে অতিকৈ জৰাজীর্ণ অৱস্থাৰ বিষয়ে চৰকাৰ অৱগতনে?

(ঙ) যদি অৱগত, এই ৰাষ্ট্রীয় ঘাইপথটোৰ মেৰামতি-পুনঃনির্মাণ কেতিয়া সম্পন্ন কৰিব?

(চ) উক্ত ৰাষ্ট্রীয় ঘাইপথটোত থকা মালিডোহাৰ সীমান্তত অসমৰ অংশত থকা দলং দুখন RCC কৰাৰ ব্যৱস্থা চৰকাৰে হাতত লৈছেনে?

(ছ) যদি লৈছে, RCC ৰ কাম কেতিয়া আৰম্ভ কৰিব?

(জ) যদি লোৱা নাই, অনতিপলমে RCC দলং কৰা ব্যৱস্থা চৰকাৰে কৰিবনে?

শ্রীমতী অজন্তা নেওঁগ (গড়কাপ্টানি বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) মালিডোহাৰ সীমান্তৰ পৰা বদৰপুঘাটলৈ পথছোৱা ৰাষ্ট্রীয় ঘাইপথ নং

৪৪ অসম গড়কাপ্টানি বিভাগৰ অধীনত আৰু বদৰপুঘাটৰ পৰা শিলচৰলৈ পথছোৱা ৰাষ্ট্ৰীয় ঘাই পথ নং ৫৩ সীমান্ত পথ সংস্থান, (BRO) ৰ অধীনত। মেৰামতি-পুনৰ নিৰ্মাণৰ বাবদ কেন্দ্ৰীয় চৰকাৰে পুঁজি আবণ্টন দিছে।

(খ) গড়কাপ্টানি বিভাগৰ ৰাষ্ট্ৰীয় ঘাইপথ শাখাৰ অধীনত বৰ্ষ অনুযায়ী আৱণ্টিত পুঁজিৰ তথ্য 'অনুবদ্ধ' ক'ত আৰু সীমান্ত পথ সংস্থান (BRO) ৰ অধীনত বৰ্ষ অনুযায়ী আবণ্টিত পুঁজিৰ তথা 'অনুবদ্ধ-খ'ত সন্নিবিষ্ট কৰা হ'ল (See Annexure-LX-IX)

(গ) গড়কাপ্টানি বিভাগৰ ৰাষ্ট্ৰীয় ঘাইপথ শাখাৰ অধীনত আবণ্টিত পুঁজিৰ কামৰ অগ্ৰগতি 'অনুবদ্ধ ক'ত আৰু সীমান্ত পথ সংস্থান (BRO) ৰ অধীনত আবণ্টিত পুঁজিৰ কামৰ অগ্ৰগতি 'অনুবদ্ধ-গ'ত সন্নিবিষ্ট কৰা হ'ল। (See Annuxure-LX-X)

(ঘ) অসম গড়কাপ্টানি বিভাগৰ ৰাষ্ট্ৰীয় ঘাইপথ শাখাৰ অধীনত থকা মালিদৰৰ পৰা বদৰপুৰ ঘাটলৈ ৰাষ্ট্ৰীয় নং ৪৪ জৰাজীৰ্ণ অৱস্থাত থকা কথাটো সঁচা নহয়। উক্ত ৰাস্তাটো পৰিবহণৰ উপযোগী হৈ আছে, যদিও যোৰা ৰাৰিষাত সামান্য ক্ষতিগ্ৰস্ত হৈছিল।

(ঙ) অসম গড়কান্টানি বিভাগৰ ৰাষ্ট্ৰীয় ঘাইপথ শাখাৰ অধীনত থকা মালিদৰৰ পৰা বদৰপুৰ ঘাটলৈ ৰাষ্ট্ৰীয় ঘাইপথ নং ৪৪ ত মেৰামতিৰ কাম চলি আছে আৰু ২০১৩ চনৰ মাচ মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

(চ) সীমান্ত পথ সংস্থান (BRO) ৰ অধীনত মালিডোহাৰ সীমান্তত RCC দলংখনৰ নিৰ্মাণ কাৰ্য চলি আছে।

(ছ) মালিডোহাৰ সীমান্তত RCC দলংখনৰ কাম চলি আছে।

(জ) মালিডোহাৰ সীমান্তত নিৰ্মাণ হৈ থকা RCC দলংখনৰ কাম সোনকালে শেষ কৰিবলৈ সীমান্ত পথ সংস্থান (BRO) ক অনুৰোধ জনোৱা হৈছে।

বিষয় ঃ SBI Branch.

শ্রীগোপীনাথ দাসে সুধিছে ঃ

৩৯৪। মাননীয় বিত্ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তর্গত নগৰৰেৰা বজাৰত 'State Bank of India'ৰ এটা শাখা কার্যালয় (Branch) নতুনকৈ স্থাপন কৰাৰ বাবে অসম চৰকাৰে ভাৰত চৰকাৰলৈ সোনকালে এটা প্রস্তাৱ প্রেৰণ কৰিবনে?

(খ) যদি প্রস্তাৱ প্রেণ কৰা হয়, তেন্তে কেতিয়া কৰা হ'ব জনাবনে?

শ্রীনীলমণিসেন ডেকা (কৃষি সংসদীয় পৰিক্রমা বিভাগৰ মন্ত্রী)য়ে বিত্ত বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্রী শ্রীযুত তৰুণ গগৈদেৱৰ হৈ উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰে ভাৰত চৰকাৰলৈ পোনপটীয়াকৈ ব্রেংকৰ শাখা কার্যালয় খোলাৰ সন্দর্ভত কোনো প্রস্তাৱ প্রেৰণ নকৰে।

(খ) এই প্রশ্ন উত্তৰ উপৰোক্ত (ক)ৰ উত্তৰত উল্লেখ কৰা হ'ল।

Sub : DHD(J) Bail & NIA in Autonomous Council.

Shri Prafulla Kumar Mahanta asked :

395. Will the Minister of Home be pleased to State:

(a) Is it a fact that Mr. Joel Gorlosa erstwhile the Chairman of DHD(J) and Mr. Niranjan Hojai the then Self Style C-in C of DHD(J) were granted interim bail by the Gauhati High Court against the National Investigation Agency (NIA) case NO.01/09 and NIA case No. 02/09 in the year 2011 and it has been extended from time to time till now after the affidavit filed by the Govt. of Assam stating that the State Govt did not opposed the bail petitions of the above

mentioned alleged accused persons. If yes, what steps has been taken for releasing other alleged co-accused persons ?

(Please Give in detail.)

(b) Whether the members of the banned DHD(J) organization had been recruited in the Assam Police Forces during the year 2010 and 2011 ? If yes, please furnish all the names of such appointees.

(c) Whether the withdrawal from the prosecution against all the alleged accused persons of National Investigation Agency (NIA) case No. 01/09 and the NIA case No. 02/09, New Delhi shall be considered as per the clause of the Memorandum of Settlement (MoS) signed between the Govt of India, Govt. of Assam and both groups of DHD ? If yes, what steps has been taken so far for the same?

(d) Is it a fact that State Govt of Assam has taken its stand in respect of Mr. Joel Gorlosa the then Chairman of DHD(J} and Mr. Niranjan Hojai the C-in -C of the DHD(J) other than alleged civilian co-accused persons to invoke the powers under article 161 and 162 of the constitution and its corresponding provisions of the C.R.P.C. in the matter of National Investigation Agency (NIA) case No. 01/09 and NIA case No. 02/09 ? If yes, please furnish in detail?

(e) Whether the Assam Police can arrest the Chief

Executive Member (CEM) of the Autonomous Council under the Sixth Schedule Area without the prior written permission from His Excellency, the Governor of Assam? If yes, please furnish in detail ?

Shri Rockybul Hussain (Minister of Environment and Forest and Panchayat & Rural Development etc.) replied on behalf of the Home Minister :

(a) It is a fact that Jeol Gariosa, the then Chairman of DHO(J) and Niranjan Hojai, the then self styled C-in-C of DHO(J) have been granted interim bail by the Hon'ble Gauhati High Court, Guwahati in National Investigation Agency (NIA) case NO.01/09 and NIA case NO.02/09 in 2011 on conditions laid down by the NIA. The State Govt. also recommended granting of the bail of the above mentioned accused persons in view of the peace process. The interim bail has been extended periodically in the interest of signing of the Memorandum of Settlement (MoS) which has been signed between the representative of the Govt of India, the Govt of Assam and the DHD(N) / DHD (J) on 08/10/2012 at New Delhi.

No such steps has been taken for releasing other alleged co-accused as they didn't have any role in the peace process.

(b) 110 DHD(J) cadres selected by the Recruitment Board were recruited as constables in Assam Police

Battalion. Their names are enclosed at Annexure 'A'. (See Annexure-LXX-I)

(c) Criminal cases registered against members of the DHD(N) and DHD(J) groups for non- heinous crime may be withdrawn by the State Government as per procedure established by law. Criminal cases registered against members of the OHO(N) and OHO(J) groups for heinous crimes shall be reviewed case by case according to the existing policy on the subject and, wherever feasible, steps for withdrawal of such cases will be initiated by the State Government. Withdrawal of cases against such persons and those related to over-ground DHO(N) and OHO(J) groups movement since their inception shall be considered according to the existing policy of the State of Assam. However, it is not possible to withdraw a case without permission from Hon'ble Courts.

(d) As mentioned in Sl. No.(a).

(e) There is no provision in Criminal Procedure Code, 1973 that prior permission, whether written or verbal, should be obtained before arresting a person, involved in any criminal case. So, the prior permission from His Excellency, the Governor of Assam is not necessary to arrest the CEM of the Autonomous Council under Sixth Schedule areas of the Constitution of India, if wanted in a criminal case.

বিষয়ঃ অপৰাধীক চিনাক্তকৰণ।

শ্রীপ্রশান্ত ফুকনে সুধিছে ঃ

৩৯৫। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ইংৰাজী ২০০২ চনত অসমত কিমান সংখ্যক হত্যা, ডকাইতি, অপহৰণ আৰু ধর্ষণৰ ঘটনা সংঘটিত হৈছিল?

(খ) এই ঘটনাবোৰৰ্ সন্দর্ভত (বেলেগ বেলেগকৈ দেখুৱাব) কিমানজন অপৰাধী চিনাক্ত হৈছিল বা সিহঁতৰ নাম আৰক্ষীয়ে পাইছিল?

(গ) সেই অপৰাধীবোৰৰ কিমানজন এতিয়ালৈকে গ্রেপ্তাৰ হ'ল?

(ঘ) কিমানজনৰ বিৰুদ্ধে আদালতত গোচৰ আৰম্ভ কৰা হৈছে?

(ঙ) কিমানজনৰ ইতিমধ্যে শাস্তি হৈছে?

শ্রীৰকিবুল হুছেইন (বন আৰু পৰিৱেশ আৰু পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে গৃহ বিভাগৰ মন্ত্রী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) ইংৰাজী ২০০২ চনত অসমত মুঠ হত্যা সংখ্যা ১,৩২১, ডকাইতিৰ সংখ্যা ৪৮৭, অপহৰণৰ সংখ্যা ১,৬০৫ আৰু ধর্ষণৰ সংখ্যা ৯০৩ টা।

(খ) এই ঘটনাবোৰৰ সন্দর্ভত মুঠ ৩,২৮৮ জন অপৰাধীক আৰক্ষীয়ে চিনাক্ত কৰিছে। শিতান অনুযায়ী চিনাক্তকৰণৰ সংখ্যা বেলেগ বেলেগকৈ দেখুওৱা হ'ল ঃ

হত্যা ঃ ১,০৯৬ জন

ডকাইটি ৫৬৫ জন

অপহৰণ ১,০৩৪ জন

ধর্ষণ ৫৯৩ জন।

(গ) এই অপৰাধবোৰৰ সন্দর্ভত সর্বমুঠ ২,৯৮৫ জন অপৰাধীক গ্রেপ্তাৰ কৰা হৈছে।

(ঘ) উক্ত ঘটনাবোৰৰ সন্দর্ভত মুঠ ২,০২৪ জনৰ বিৰুদ্ধে আদালতত গোচৰৰ বিচাৰ প্ৰক্ৰিয়া চলি আছে।

(ঙ) এই ঘটনাবোৰৰ সন্দর্ভত মুঠ ৩১৩ জনৰ শাস্তি হৈছে।

বিষয় ঃ পথ আৰু গৃহ বিভাগৰ পুঁজি।

শ্ৰীযাদৰ চন্দ্ৰ ডেকাই সুধিছে ঃ

৩৯৭। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ গড়কাপ্টানি পথ আৰু গৃহ বিভাগৰ জৰিয়েত ২০১১-২০১২ আৰু ২০১২-২০১৩ (মাৰ্চ) বৰ্ষত বৰচলা সমষ্টিত কি কি শিতানত কিমান পুঁজি আবণ্টন দিয়া হৈছে? (আবণ্টিত পুঁজিৰ সম্পূৰ্ণ তথ্য সদনৰ মেজত দিব)

(খ) এই আবণ্টিত পুঁজি আন সমষ্টিৰ তুলনাত বেছি নে কম?

(গ) যদি বেছি, তেনেহ'লে এই বৈষম্য দূৰ কৰি চৰকাৰ সমবিতৰণৰ ব্যৱস্থা কৰিবনে?

শ্ৰীমতী অজন্তা নেওঁগ (গড়কাপ্টানি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০১১-১২ আৰু ২০১২-১৩ বৰ্ষত বৰচলা সমষ্টিত বিভিন্ন শিতানত আবণ্টন দিয়া পুঁজিসমূহ ঃ

(i) বাৰ্ষিক পৰিকল্পনা .....২০১১-১২ .....৩২৫.০০ লাখ

(i) বাৰ্ষিক পৰিকল্পনা .....২০১২-১৩ .....৭৫০.০০ লাখ

(iii) বাৰ্ষিক পৰিকল্পনা .....২০১১-১২ .....৫০.০০ লাখ

(iv) United SCA .....২০১১-১২ .....১৩৯৩.০০ লাখ

(v) PMGSY .....২০১১-১২ .....২৭৪.৬৮ লাখ

(vi) PMGSY .....২০১১-১৩ .....১০২.৬০ লাখ

আবণ্টিত পুঁজিৰ বিতং তথ্য Annexure-A ত উল্লেখ কৰা হ'ল।

(খ) এই আবণ্টিত পুঁজি বাৰ্ষিক পৰিকল্পনা (SCSP) ২০১১-১২,

PMGSY (Regular) আৰু Left out Bridge ২০১১-১২ বৰ্ষৰ শিতানত আন সমষ্টিৰ তুলনাত কম। বাৰ্ষিক পৰিকল্পনা (G.A)২০১১-১২ আৰু ২০১২-১৩ United SCA-২০১১-১২-১৩, PMGY (RCIP) ২০১১-১২ বৰ্ষৰ শিতানত আন সমষ্টিৰ তুলনাত বেছি।

(গ) ২০১১-১২ আৰু ২০১২-১৩ বৰ্ষত বৰচলা সমষ্টিত বিভিন্ন শিতানত আবণ্টন দিয়া ধনৰ পৰিমাণ আন সমষ্টিৰ তুলনাত তিনিটা শিতানত বেছি আৰু দুটা শিতানত কম। ইয়াত বৈষম্য হোৱাৰ প্ৰশ্ন নুঠে।

Sub : C.I.D.

Shri Debabrata Saikia asked :

398. Will the Minister of Home be pleased to state :

(a) How many policemen in Assam are posted in CID ? (please specify rankwise) Are there vacancise?

(b) Of those presently posted in CID, how many got special crime detection training in addition to the training received at the time of recruitment in police force?

(Please specify rankwise)

(c) What type of cases are investigated by the C.I.D.?

(d) How many cases are taken up as per judicial order, Government order and of its own through the orders of the State Director General of Police in the past 3 years ?

(Please give the details)

(e) In the past 5 years how many cases are taken up by the CID ? Please give yearly statistics and specify

the cases taken up this year and how they are taken up (referral) or based on nature of crime?

Shri Rockybul Hussain (Minister, Forests and Environment eto., Assam) replied on behalf of Hon'ble Chief Minister, Assam :

(a) 376 Policemen are posted in CID Organisation, Assam, as on 18/03/2013. Rank wise details are shown at Annexure-A. There are 71 vacancies.

(b) 262 Police Officers and men have undergone special training on different ~bjects. Details are shown at Annexure-B.

(c) CID investigates heinous/important ases like financial scam, sensational murder cases, cyber crime, cases under NDPS Act etc.

(d) 349 cases are taken up by CID as per Judicial order, Government order and on its own through the order of the Director General of Police, Assam in the last 3 (three) years w.e.f. 2010 to 2012 and upto February, 2013. The break-up is as under:

Judicial order -	48
Govt. order -	51
DGP's order -	25
Own -	225
Total -	349

The details are shown at Annexure-'C'

(e) 498 cases have been taken up by the CID in the last 5 years w.e.f. 2008 to 2012 up to February, 2013. Year wise statistics are as follows:

Year	No. of cases taken up
2008	55 cases
2009	64 cases
2010	99 cases
2011	144 cases
2012	119 cases
2013 (upto February	17 cases
Total	498 cases

Further Details are shown in "Annexure-D"

বিষয় ঃ আৰক্ষী চকী আৰু আৰক্ষী নিয়োগ সন্দৰ্ভত

শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থই সুধিছে ঃ

৩৯৯। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

ক) উত্তৰ কৰিমগঞ্জ সমষ্টিৰ অন্তৰ্গত থকা আৰক্ষী চকী, থানাসমূহত বৰ্তমান মুঠ কিমান গৰাকী আৰক্ষী আৰু বিভিন্ন পদবীৰ বিষয়া-কৰ্মচাৰী কৰ্মৰত অৱস্থাত আছে?

(বিতং তালিকা সদনত দাখিল কৰিব)

খ) স্পৰ্শকাতৰ সমষ্টিটোত সঘনাই চলি থকা বিভিন্ন অসামাজিক, দুষ্কৃতিমূলক কাৰ্যকলাপৰ বিষয়ে চৰকাৰ অৱগতনে?

গ) যদি অৱগত, তেন্তে স্পৰ্শকাতৰ এলেকা—মদনপুৰ অঞ্চল, লঙ্গাই অঞ্চল আৰু লাটুমইসাসন অঞ্চলত শীঘ্ৰেই একোটাকৈ Outpost

নির্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

ঘ) যদি ব্যৱস্থা গ্ৰহণ কৰে, এই ব্যৱস্থা কিমান দিনৰ ভিতৰত কাৰ্যকৰী হ'ব, সদনত জনাবনে?

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভাগৰ মন্ত্ৰী)য়ে গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

ক) উত্তৰ কৰিমগঞ্জ সমষ্টিৰ অন্তৰ্গত আৰক্ষী চকী, থানাসমূহত কৰ্মৰত আৰক্ষী বিষয়া-কৰ্মচাৰী সংখ্যা ১৪৮ জন। (বিতং তালিকা 'ক'ত সংলগ্ন কৰা হ'ল)

খ) চৰকাৰ অৱগত। এই কাৰ্যকলাপবোৰ ৰোধ কৰিবৰ বাবে আৰক্ষী চকীসমূহ, বি এছ এপ চাউনী আৰু গাঁওৰক্ষী বাহিনীসমূহক সতৰ্ক হৈ থাকিবলৈ কোৱা হয়।

গ) চৰকাৰৰ হাতত কোনো প্ৰস্তাৱ নাই।

ঘ) প্ৰস্তাৱ পালে পুঁজি সাপেক্ষে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

বিষয় ঃ চুৰি গাড়ীৰ সংখ্যা।

শ্ৰীউৎপল দত্তই সুধিছে ঃ

৪০০। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ২০১১ আৰু ২০১২ চনত ৰাজ্যৰ পৰা কিমান গাড়ী চুৰিৰ ঘটনা সংঘটিত হৈছিল ?

(জিলা অনুসৰি তথ্য দিব)

(খ) উক্ত সময়ছোৱাত কিমানজন গাড়ী চোৰক ধৰা হ'ল?

(গ) গাড়ী চুৰি ৰোধ কৰাৰ বাবে গৃহ বিভাগে কিবা ব্যৱস্থা গ্ৰহগ কৰিছে নেকি, যদি কৰিছে সবিশেষ জনাব?

(ঘ) গাড়ী চুৰি ৰোধ কৰাৰ বাবে 'স্পেচিয়েল প্ৰকেটচন ফ'চ' এটা খোলাৰ বাবে চৰকাৰে ব্যৱস্থা ল'ব পাৰে নেকি?

(ঙ) ২০১১-১২ চনত গাড়ী চুৰি ঘটনাৰ বাবে কিমানজন চালকক হত্যা

কৰা হ'ল ঃ

(জিলা অনুসৰি মৃত চালক সংখ্যা, মৃতদেহ উদ্ধাৰ হোৱা স্থানসমূহ তথ্য দিব)

শ্রীৰকিবুল হুছেইন (বন আৰু পৰিবেশ আৰু পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে গৃহ বিভাগৰ মন্ত্রী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) যোৱা ইং ২০১১ চনত মুঠ ২৭৮৯ খন আৰু ইং ২০১২ চনত মুঠ ৩০৬৬ খন গাড়ী ৰাজ্যখনৰ পৰা চুৰি হয়। (জিলা ও বছৰ ভিত্তিত সংলগ্ন ক ৰ 'ক' অংশত বিতংভাৱে দেখুওৱা হ'ল।

(খ) উক্ত সময়চোৱাত ইং ২০১১ বৰ্ষত ৬৩৩ জন আৰু ইং ২০১২ বৰ্ষত ৬৭৪ জন গাড়ী চোৰক ৰৰায়ত্ব কৰা হয়। (জিলা ও বছৰ ভিত্তিত সংলগ্ন- ক ৰ 'খ' অংশত বিতংভাৱে দেখুওৱা হ'ল)

(গ) গাড়ী চুৰি ৰোধ কৰাৰ বাবে নিম্ন উল্লেখিত তহলদাৰী ব্যৱস্থা কৰা হৈছে।

১) থানা এলেকাসমূহত দিবা-নৈশ তহলদাৰী ব্যৱস্থা কৰা হৈছে।

২) গাঁওৰক্ষী বাহিনী-/NGO সকলক অচিনাকি ব্যক্তিৰ ওপৰত নজৰ ৰাখিবলৈ আৰু সন্দেহ হ'লে স্থানীয় থানাত খবৰ দিবলৈ ৰুজাই দিয়া হৈছে।

৩) আকস্মিকভাৱে থানা এলেকাসমূহৰ বিভিন্ন স্থানত যান-বাহনৰ তালাচী চলোৱা হৈছে আৰু যান-বাহনবোৰৰ যাৱতীয় কাগ-পত্রবোৰ বৰ্যবেক্ষণ কৰি থকা হৈছে।

৪) ব্যস্ততাপূর্ণ এলেকাসমূহত C.C.T.V. ৰ ব্যৱস্থা কৰা হৈছে।

৫) চুৰি হোৱা গাড়ী উদ্ধাৰৰ বাবে অসমৰ বাহিৰতো চোৰাংচোৱা নিয়োগ কৰি ৰখা হৈছে।

৬। প্রতিখন জিলাৰ আৰক্ষী অধীক্ষকক স্থানীয় জিলা পৰিবহণ বিষয়াৰ লগত যোগাযোগ ৰাখিবলৈ নির্দেশনা দিয়া হৈছে যাতে গাড়ীৰ মালিকী

স্বত্ব বদলিকৰণৰ সময়ত ইঞ্জিন-চেচিছ নং সঠিকভাৱে পৰীক্ষা কৰাৰ ব্যৱস্থা কৰা হয়।

৭) ইঞ্জিন-চেচিছ নং জ্বালকৰণ (Tempering) ৰ সন্দেহ হ'লে F.S.L. ৰ পৰীক্ষা কৰাৰ ব্যৱস্থা কৰা হৈছে।

৮) জিলা পৰিবহণ বিষয়া কার্যালয়ত ভিতৰত বা আশে-পাশে ঘূৰিফুৰা দুষ্ট-দালালৰ ওপৰত চোকা নজৰ ৰখাৰ ব্যৱস্থা কৰা হৈছে।

৯) ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃৰাজ্যিক সীমান্তত থকা ৰাস্তাৰে চলাচল কৰি প্ৰতিখন সন্দেহজনক গাড়ী পৰীক্ষা কৰিবৰ বাবে আৰক্ষী অধীক্ষকসকলক নির্দেশ দিয়া হৈছে।

১০) গাড়ী চুৰি সংক্ৰান্তত ফটো-আঙুলি চাপ আদি আৰু সঠিক নাম-ঠিকনা আদি জিলা-ভিত্তিত তথ্য ৰখাৰ বাবে C.I.D. H.Q. লৈ পঠিয়াবৰ বাবে নির্দেশনা দিয়া হৈছে।

(ঘ) স্পেচিয়েল প্ৰটেকশ্যন ফৰ্চ গঠন কৰা সন্দর্ভত বর্তমানলে কোনোধৰণৰ সিদ্ধান্ত গ্ৰহণ কৰা হোৱা নাই।

(ঙ) উক্ত সময়ছোৱাত ইং ২০১১ বর্ষত গাড়ী চুৰি ঘটনাৰ বাব মুঠ ২৩ জন চালকক হত্যা কৰে, ইয়াৰে বিভিন্ন স্থানৰ পৰা ২১ জনৰ মৃতদেহ উদ্ধাৰ কৰা হয় আৰু ইং ২০১২ বর্ষত গাড়ী চুৰি ঘটনাৰ বাবে ২৮ জন চালকক হত্যা কৰে, ইয়াৰে বিভিন্ন স্থানৰ পৰা ২৭ জনৰ মৃতদেহ উদ্ধাৰ কৰা হয়। (জিলা আৰু বছৰ ভিত্তিত সংলগ্ন ক ৰ 'গ' অংশত বিতংভাৱে দেখুওৱা হ'ল।)

বিষয় ঃ বি টি এ ডিৰ হিংসাত আক্ৰান্তৰ ক্ষতিপূৰণ।

হাফিজ বছিৰ আহমেদে সুধিছে ঃ

৪০১। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বি.টি.এ.ডি অঞ্চলত ২০১২ চনৰ জুলাইৰ পৰা অক্টোবৰলৈ চলা হিংসাত্মক ঘটনাৱলীত কিমানজন লোকৰ ঘৰ-দুৱাৰ ভস্মীভূত হৈছে

আৰু কিমানজন লোক আহত তথা নিহত হৈছে? (উত্তৰ বিতং তালিকাসহ দাখিল কৰিব)

(খ) উক্ত ঘটনাৱলী সংক্ৰান্তত কিমানজন লোকে কিমানটা ঘটনা সংক্ৰান্তিত গোচৰ দাখিল কৰিছে? উক্ত গোচৰবোৰৰ সংক্ৰান্তত কিমানজন লোকক গ্ৰেপ্তাৰ কৰি বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে? (উত্তৰ বিস্তৃত তথ্যসহ দিব)

(গ) বি.টি.এ.ডিৰ হিংসাত্মক ঘটনাত ক্ষতিগ্ৰস্থ পৰিয়ালসমূহক কিমান টকাকৈ ক্ষতিপূৰণ আদায় দিয়া হৈছে? ক্ষতিপূৰণ পাবলৈ বাকী থকা পৰিয়ালবোৰক কি কাৰণত ক্ষতিপূৰণ আদায় দিয়া নাই? (উত্তৰ তথ্যসহ দিব)

(ঘ) বি.টি.এ.ডিৰ শেহতীয়া গোষ্ঠীগত সংঘৰ্ষত ক্ষতিগ্ৰস্তসকলক ১৯৮৪ চনৰ দিল্লীৰ শিখ সংঘৰ্ষ আৰু ২০০২ গুজৰাটৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ ক্ষতিগ্ৰস্তসকললৈ কেন্দ্ৰৰ ইউ পি এ চৰকাৰৰ গৃহ মন্ত্ৰালয়ে জাৰি কৰা নিৰ্দেশ নং ইউ ১৩০১৮/৪৬/২০০৫ দিল্লী-১ (এন. চি) আৰু ১৩০১৬/৪/০৭ এন আই-১ ৰ ভিত্তিত ক্ষতিপূৰণ পৰিমাণ বৃদ্ধি কৰি আদায় দিয়া হ'বনে?

শ্ৰীৰকিবুল হুছেইন (বন আৰু পৰিবেশ আৰু পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) বি.টি.এ.ডি অঞ্চলত ২০১২ চনৰ জুলাই পৰা অক্টোবৰলৈ চলা হিংসাত্মক ঘটনাৱলীত সংশ্লিষ্ট জিলাসমূহত ১৪৫৪১ জন লোকৰ ঘৰত ভষ্মীভূত-ক্ষতিগ্ৰস্ত হয়। মুঠ ৯৯ জন লোক নিহত হয় আৰু ১৩৪ জন লোক আহত হয় (ইয়াৰ লগত তালিকা 'ক' সদনৰ মেজত উপস্থাপন কৰা হ'ল।

(খ) বি.টি.এ.ডি অঞ্চলত ২০১২ চনৰ জুলাই মাহৰ পৰা অক্টোবৰ মাহলৈকে চলা হিংসাতমক ঘটনাৱলীত মুঠ ৫৭৪১ জন লোকে মোকৰ্দ্দমা ৰুজু কৰাৰ মুঠ ৫৭৪১ খন এজাহাৰ দাখিল কৰিছিল, উক্ত

গোচৰবোৰৰ সংক্ৰান্তত মুঠ ৩৭৮ জন অপৰাধীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে আৰু উক্ত অপৰাধীসকলৰ বিৰুদ্ধে তলত উল্লেখ কৰা ধৰণে বিচাৰ প্ৰক্ৰিয়া চলি আছে।

জিলা ভিত্তিক তথ্য তলৰ তালিকাত উল্লেখ কৰা হ'ল ঃ

ক্ৰমিক	জিলা	এজাহাৰকাৰী ও গোচৰ সংখ্যা	গ্ৰেপ্তাৰ হোৱা লোকৰ সংখ্যা	স্থিতি
১	কোকৰাঝাৰ	৫৬৩৪	৩১৩	বৰ্তমান বিচাৰ প্ৰক্ৰিয়া চলি আছে
২	চিৰাং	১০০	১৩৩	৩৮ জনৰ বিৰুদ্ধে বিচাৰ প্ৰক্ৰিয়া চলি আছে
৩	বাগ্‌ছা	৫	২০	বৰ্তমান বিচাৰ প্ৰক্ৰিয়া চলি আছে
৪	ওদালগুৰি	২	১২	বৰ্তমান বিচাৰ প্ৰক্ৰিয়া চলি আছে

(গ) বি.টি.এ.ডি হিংসাত্মক ঘটনাত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক ৰাজ্য চৰকাৰৰ তৰফৰ পৰা প্ৰদান কৰা ক্ষতিপূৰণ বিৱৰণ তলত দিয়া হ'ল।

১। সম্পূৰ্ণৰূপে ক্ষতিগ্ৰস্ত হোৱা ঘৰৰ পৰিয়াললৈ ৩ (তিনি) বাণ্ডিলকৈ টিনপাট, নগদ সাহায্য ২০,০০০ টকা, বস্ত্ৰ সাহায্য ১,৩০০ টকা আৰু বাচন-বৰ্তন সাহায্য ১,৪০০ টকা।

২) আংশিকভাৱে ক্ষতিগ্ৰস্ত হোৱা ঘৰৰ পৰিয়াললৈ নগদ ২০,০০০ টকা।

৩) মৃত্যু হোৱা প্ৰতিজন ব্যক্তিৰ নিকটাত্মীয়ক অসম চৰকাৰৰ পৰা তিনি

লাখ টকাকৈ প্রদান কৰা হৈছে।

(ইয়াৰ লগত তালিকা 'গ' সদনৰ মেজত উপস্থাপন কৰা হ'ল)

৪) আহত ব্যক্তিৰ ক্ষেত্রত (ক) সামান্যভাৱে ব্যক্তিক, ১০,০০০ টকাকৈ (খ) গুৰুত্বৰভাৱে আহত ব্যক্তিক ৫০,০০০ টকাকৈ প্রদান কৰা হৈছে।

(ঘ) এই বিষয়ত বর্তমানলৈকে কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

বিষয় ঃ গড়কাপ্তানী পথ।

শ্রীমুকুন্দ ৰাম চৌধুৰীয়ে সুধিছে ঃ

৪০২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) কলাইগাঁও বিধান সভা সমষ্টিত এতিয়ালৈ কিমানটা (PWD) পথ পকীকৰণ হ'ল?

(পথসমূহৰ নাম আৰু দৈর্ঘ্য সংমণ্ডল হিচাপে তালিকা গাঠি দিব)

(খ) বর্তমানলৈ PWD ৰ অন্তর্গত কিমানটা পথ আছে? (উক্ত পথসমূহৰ নাম আৰু দৈর্ঘ্য সংমণ্ডল হিচাপে তালিকা গঠন দিব)

(গ) বর্তমানলৈ কলাইগাঁও বিধান সভা সমষ্টিত কিমানটা পথ PMGSY ৰ অধীনত কাম চলি আছে? (উক্ত পথসমূহৰ তালিকা দৈর্ঘ্যসহ জনাব)

(ঘ) গৰুবন্ধা-গোমঠা পথটিৰ বাকী থকা অংশৰ পকীকৰণৰ ব্যৱস্থা কৰিছে নেকি? যদি কৰিছে, কেতিয়াৰ পৰা আৰম্ভ হ'ব?

শ্রীমতী অজন্তা নেওগ (গড়কাপ্তানী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) কলাইগাঁও বিধান সভা সমষ্টিত এতিয়ালৈ ৩২টা PWD পথ পকীকৰণ কৰা হৈছে। পথসমূহৰ নাম ও তালিকা সংমণ্ডল হিচাৰে অনুবদ্ধ 'ক' ত দিয়া হ'ল। (Annexure-LXX-IX)

(খ) বর্তমানলৈ কলাইগাঁও বিধান সভা সমষ্টিত ১১৪ টা PWD পথ আছে। বিতং তথ্য অনুবদ্ধ 'খ' ত দিয়া হ'ল। (Annexure-LXX-IXA)

(গ) বর্তমানলৈকে কলাইগাঁও বিধান সভা সমষ্টিৰ অধীনত মুঠ ১৭.৬১ কিঃমিঃ দৈর্ঘ্যৰ দুটা ৰাস্তা নির্মাণৰ কাম চলি আছে। বিতং তথ্য অনুবদ্ধ 'গ' ত দিয়া হৈছে। (Annexure -LXX-IX-B)

(ঘ) গৰুবন্ধা গোমঠাপাৰা পথটোৰ পকীকৰণৰ কাম ইতিমধ্যে সম্পূর্ণ কৰা হৈছে।

SHORT NOTICE QUESTIONS AND ANSWERS

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

মাননীয় অধ্যক্ষ ঃ তাকৰিয়া সময়ৰ প্রশ্ন নং-১, ইয়াৰ উত্তৰ দিয়া আছে। গতিকে পঢ়ি দিয়া বুলি ধৰি লোৱা হ'ল।

শ্রীআব্দুৰ ৰহিম খানে সুধিছে ঃ

১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ASRB Election Urgent 2006-07 ৰ ৰৰপেটা জিলাত work-order মর্মে কৰা কামসমূহৰ বিল আদায় দিয়া হ'ব বুলি যোৱা দুটা বিধান সভাত উত্থাপিত প্রশ্নৰ উত্তৰত প্রতিশ্রুতি দিয়া সন্দর্ভত মন্ত্রী মহোদয়া অৱগতনে?

(খ) যদি অৱগত, উক্ত বিলৰ ধনসমূহ Contractor সকলক ধন আদায় দিয়া হৈছেনে?

(গ) যদি আদায় দিয়া হোৱা নাই? বিগত এই সুদীর্ঘ ছয় বছৰৰ ভিতৰত দুবাৰকৈ বিধান সভাত প্রতিশ্রুতি দিয়া স্বত্বেও কিয় আদায় দিয়া হোৱা নাই (সদনত জনাব)

(ঘ) Election urgent ৰ নামত কাম কৰাই বিলৰ ধন Urgently আদায় নিদিয়াকৈ থাকিলে কোনোবা Contractor যে Election ৰ urgent কাম সদিচ্ছাৰে কৰিবনে?

(ঙ) এই অনাদায় বিল কেতিয়া আদায় দিব? (সদনত জনাব)

শ্রীমতী অজন্তা নেওগ (গড়কাপ্তানী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) আংশিক ভাৱে আদায় দিয়া হৈছে।

(গ) ASRB Election Urgent ৰ শিতানত বৰ্তমানে কোনো পুঁজি আৱন্টিত হোৱা নাই, সেইবাবে বিলসমূহ সম্পূৰ্ণ ভাৱে আদায় দিব পৰা হোৱা নাই।

(ঘ) পুঁজি পালে বিলৰ ধন আদায় নিদিয়াৰ কথা নাথাকে।

(ঙ) ধনৰ আৱন্টন অনুযায়ী বিলসমূহ আদায় দিয়াৰ ব্যৱস্থা লোৱা হ'ব।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্রীউৎপল দত্তই সুধিছে ঃ

২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০১ চনৰ পৰা ২০১৩ চনলৈ বিভিন্ন শিতানত জৰিয়তে অসমত কিমানখন কাঠৰ দলং পকীকৰণ কৰা হ'ল জনাবনে? (সংমণ্ডল অনুযায়ী তালিকা গাঠি দিব)

(খ) পুৰনি কাঠৰ দলংসমূহ পকীকৰণ কৰাৰ পিচত তাত থকা জুইচ (Joist) সমূহ বিক্রী কৰা হয় নে জমা ৰখা হয় জনাবনে?

(গ) যদি জমা ৰখা সংমণ্ডল অনুসৰি কত কিমান জুইচ সংৰক্ষণ কৰি ৰখা হৈছে তথ্য সহকাৰে সদনৰ মজিয়াত দাখিল কৰিব নে?

শ্রীমতী অজন্তা নেওগ (গড়কাপ্তানী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ২০০১ চনৰ পৰা ২০১৩ চনলৈ গড়কাপ্তানী পথ বিভাগে শিতানত সৰ্বমুঠ ২৯৯৪ খন কাঠৰ দলং পকী দলঙলৈ ৰূপান্তৰ কৰিছে। বিভিন্ন শিতানৰ পৰিসংখ্যা অনুবদ্ধ 'ক' ত সংলগ্ন কৰা হল।

(See Annexure-LXX-IXC)

(খ) পুৰনি কাঠৰ দলং সমূহ পকীকৰণ কৰাৰ পিচত তাত থকা 'জইষ্ট'

(Joist) সমূহ বিক্রী কৰা নহয়। সংমগুলৰ Numerical Account ত জমা ৰখা হয়।

(গ) সংমগুল অনুযায়ী বিতং তথ্য দিবলৈ কিছু সময়ৰ প্ৰয়োজন হ'ব।

VOTING ON DEMANDS FOR GRANTS

মাননীয় অধ্যক্ষ ঃ গ্ৰান্ট নং ৪৮ কৃষি।

* শ্ৰীৰফিকুল ইছলাম ঃ মননীয় অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত মই আলোচনা আৰম্ভ কৰিব বিচাৰিছো। আমাৰ সকলোৱে জানে আমাৰ অসম ৰাজ্যখনত যিমান জনসংখ্যা আছে তাৰে প্ৰায় ৮০ শতাংশ মানুহ কৃষিজীৱী। ভাৰতৰ ভিতৰত থকা বিভিন্ন ৰাজ্যসমূহতকৈ আমাৰ ৰাজ্যখনৰ পজিচন ভাল আছিল কিন্তু এতিয়া লাহে লাহে পজিচন কমি আহিবলৈ ধৰিছে। ডেভলেপমেন্ট চেক্টৰ কৰিলে আৰু কৃষিৰ লগে লগে বেলেগ বেলেগ চেক্টৰতো বহুত আগুৱাই গৈছে। কিন্তু আমাৰ অসমখন কৃষিৰ ওপৰত নিৰ্ভৰশীল। অন্যান্য উদ্যোগৰ ক্ষেত্ৰত আহৰাটিবলৈ হলে বিদ্যুতৰ নাটনিৰ বাবে আগবাঢ়ি যাব পৰা নাই। যি কেইটা উদ্যোগ আছে বন্ধ হোৱাৰ উপক্ৰম হৈছে। মই মাননীয় কৃষি-মন্ত্ৰী মহোদয়ক কব বিচাৰিছো বেলেগ বেলেগ চেক্টৰ বেছিকৈ লৈ কৃষিৰ ওপৰত শতকৰা ১০০ভাগ সক্ৰিয় কৰিবৰ কাৰণে বিভিন্ন ধৰণৰ আঁচনিসমূহ লব লাগিব। ৮০শতাংশ কৃষিজীৱী লোকক সহাৰি দিয়াৰ কাৰণে বিভিন্নধৰণৰ ব্যৱস্থা হাতত লব পাৰে। কৃষি বিভাগৰ ফালৰ পৰা কৃষিৰ ক্ষেত্ৰত বহুত টকা ধাৰ্য্য কৰা হৈছে। ২০১১,২০১২

* Speech not corrected

আৰ ২০১৩ চনত কৃষিজীৱীসকলৰ কাৰণে এখন তালিকা প্ৰস্তুত কৰা হৈছিল, তাত থকা আঁচনিসমূহৰ নাম পঢ়ি শেষ কৰিব নোৱাৰি। ইমান আঁচনি লৈছে যে কেতিয়াবা কোনোবাখন আঁচনিৰ নাম বিচাৰিলে পোৱা নাযায়। কিছুমান আঁচনি নাম নহয় বেলেগ বস্তুহে নাম যেন লাগে। ২৫টা আঁচনি কৰা আছে, ইয়াৰ পিচত কিছুমান আঁচনি আছে কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা ৩০-৩৫ টা আঁচনি লোৱা হৈছে ভাল কথা কৃষকসকলক আগুৱাই নিব লাগে। আঁচনিবিলাক আমি লৈ থাকিম নে ইমপ্লিমেন্ট কৰা হব। আমি আঁচনি লৈছো যদিও চাকচেচ হব পৰা নাই।

(মাননীয় অধ্যক্ষই আসন এৰে আৰু মাননীয় উপাধ্যক্ষই আসন গ্ৰহণ কৰে)

মাননীয় উপাধ্যক্ষ মহোদয়, ২০১০ চনত কৃষি ক্ষেত্ৰত অলপ উন্নতি হৈছিল ২০১১ চনত কৃষি উৎপাদন কমি আহিছে। সেইদিনা আমাৰ বাইদেৰে আক্ষেপ কৰি কৈছিল বটাটো বাইদেৰে পাব লাগে। আমি কৈছো আপোনালোকে ভগাই লব। হাতত লোৱা আঁচনিসমূহ কিমান ফলপ্ৰসু হব তথাপি আমি কওঁ কৃষি কাৰ্যত যাতে আগুৱাই লৈ যাব পৰা যায় তাৰ কাৰণে চেষ্টা কৰিব লাগে। ২০১০ চনত ধানৰ উৎপাদন আছিল ১৫১.৬৪ আৰু ২০১১ চনত উৎপাদন হল ১৪২.৯ । আগৰ বছৰতকৈ কিছু কমিছে। ঘেহুঁ মৰাপাট আদি ২০১০ চনত আছিল ১৪৯.৮৯, ২০১১ চনত কমি গৈ ১৪০.৪৩ হৈছে। অন্যান্য শস্য ২০১০ চনত আছিল ৯৫.৩০, ২০১১ চনত কমি হে হৈছে ৯২.০০। মাননীয় মন্ত্ৰী মহোদয়ে কব খৰাঙৰ কাৰণে কমিছে। মাননীয় উপাধ্যক্ষ মহোদয়, এনেকুৱা কিছুমান আঁচনি আছে সেইবিলাক পঢ়িলে কৃষি আঁচনি নে কিহৰ আঁচনি বুজা নাযায়। সেই আঁচনিবিলাক যাতে ভালদৰে ইমপ্লিমেন্ট কৰে তাৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালোঁ। অসমৰ জন-গণ কৃষিৰ ওপৰত নিৰ্ভৰশীল। অসমৰ ছাত্ৰ-ছাত্ৰীসকল কৃষি কলেজ আৰু কৃষি বিদ্যালয়ত পঢ়া আমি দেখা

নাই। সেই স্পীডটো আমি দেখা নাই। অসমত ২-১ খন কৃষি কলেজ আছে বিশ্ববিদ্যালয় আছে তাত অসমৰ ষ্টুডেন্টক পঢ়ুৱাই এক্সপার্ট কৰি অসমখনক কৃষি ক্ষেত্ৰত আগুৱাই নিবৰ বাবে চেষ্টা কৰিব লাগে। আজিকালি লৰা-ছোৱালীবিলাকক কৃষি ক্ষেত্ৰত উৎসাহ উদ্দিপনা দেখা নাযায়। এই ক্ষেত্ৰত সকলোৱে লগত আলোচনা হোৱা দৰকাৰ। চায়েন্স এন্ড টেকনলজিৰ জৰিয়তে বিজ্ঞান সন্মতভাৱে কাম কৰিবৰ বাবে অনুপ্ৰেৰণা দিব লাগে। ১হেজাৰ বা ২হেজাৰ টকা দি সৰু সৰু আঁচনিবিলাকত কাম কৰি আছে। যি সময়ত বেলেগ বেলেগ ৰাজ্যত চিন্তা চৰ্চ্চা কৰি কৃষি উৎপাদন বৃদ্ধিৰ কাৰণে চেষ্টা কৰিছে। সেইমতে আমাৰ অসমত যি ধৰণে কাম হব লাগিছিল সেই ধৰণে হোৱা নাই। ইনদাষ্ট্ৰিয়েল চেক্টৰত অসমখনক উন্নতিৰ পথত আগুৱাই নিবৰ বাবে চিন্তা চৰ্চ্চা কৰিব লাগে। ইলেকট্ৰিচিটি অভাবৰ কাৰণে বহুত ইনদাষ্ট্ৰি বন্ধ হৈ গৈছে। অসমৰ মানুহে বুজিব লাগিব আৰু নিজৰ ভৰিত নিজে থিয় হব লাগিব। কৃষকসকলৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ আঁচনি লয়, প্ৰতিশ্ৰুতি দিয়ে কিন্তু এইখিনি পালন কৰা দেখা নাযায়। এইবাৰ ডেভলেপমেন্ট কৰা কাৰণে মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালোঁ।

মাননীয় উপাধ্যক্ষ মহোদয়, আজি বানপানীৰ কাৰণে ৫লাখ ৩০ হাজাৰ ৫০ হেক্টৰ মাটি নষ্ট হেছে। এই বানপানীয়ে মাটি নষ্ট কৰা কৃষকসকলক ক্ষতি পূৰণ দিয়া হোৱা নাই। অহা সময়ত যাতে আৰু খেতি মাটি নষ্ট নহয় তাৰ কাৰণে আহি থকা সময়ৰ কাৰণে যি ব্যৱস্থা গ্ৰহণ কৰিব লাগে সেইটো আমি দেখা পোৱা নাই। মোৰ সমষ্টিটো এনেকুৱা হেছে। আকৌ বানপানী আহিব আকৌ কৃষক বন্ধুসকলৰ অনিষ্ট হব। আমি কৰ্ত্তণ প্ৰস্তাৱ আনিছো সচাঁ কিন্তু যদি ভাল কাম হয়, আমি আৰু টকা দিব কম। যিহেতুকে ভাল কাম হোৱা নাই

গতিকে কর্ত্তণ প্রস্তাৱ আনিছোঁ। পেপাৰে-পত্রই আহে সেইবোৰ মই নকওঁ। গোটেই অসমত ১০০ টকা আহিলে মানুহে ১০ টকাহে পায়। কৃষিজাত সামগ্রীসমূহ নষ্ট হে যায়। এই কৃষিজাত সমাগ্রীসমূহ যাতে নষ্ট হে নাজায় তাৰ কাৰণে এটা ভাল পদক্ষেপ লবৰ কাৰণে মই মন্ত্রী মহোদয়ক অনুৰোধ জনাইছোঁ। মাননীয় উপাধ্যক্ষ মহোদয়, কৃষক বন্ধুসকলক প্রশিক্ষণ দিবৰ কাৰণে এ.পি.ও বিলাক আছে ভি.এল.ই.ডাবিলিউ বিলাক আছে। তেখেতসকলক পোৱা নাযায়। তেখেতসকলে তিনি, চাৰি, পাচঁটা কৈ বলক চাব লাগে। আমি বিধায়কসকলে মাতিলেও তেওঁলোকক নাপাওঁ তেওঁলোকে ৩০,৪০,৫০. কিলোমিটাৰ দূৰত ভাৰা কৰি থাকে। তেনেকৈ চলাই আছে। যিহেতু আমাৰ অসমৰ মানুহখিনি একমাত্র কৃষিৰ ওপৰত নির্ভৰশীল গতিকে এই ভি,এল,ই,ডব্লিউকে ধৰি যি ৩০০ পোষ্ট খালি হে আছে সেইপোষ্টখিনি অতি সোনকালে পূৰণ কৰাৰ ব্যৱস্থা গ্রহণ কৰিব লাগে। ঘৰ ভাৰা কৰি থকা মানুহখিনিক নিজৰ এৰিয়াৰ ভিতৰত ভাৰা কৰি লৈ থাকিব দিব লাগে যাতে কৃষকসকলক সকলো প্রকাৰে সহায় কৰিব পাৰে। পাহাৰ অঞ্চলতো খেতি হয়। আমাৰ ৩০ লক্ষ্য মানুহৰ ভিতৰত ৫ লক্ষ মানুহ নিৰক্ষৰ। এই নিৰক্ষৰ লোকসকলে মেহনত কৰি খেতি কৰি আছে। তেওঁলোকক কৃষি বিভাগৰ ফালৰ পৰা যিখিনি বীজ আদি দিয়া হয়, সেই বীজ বা সাৰ খিনি সময়মতে নাপায়। বীজবোৰ নষ্ট হে যায়। আনহাতে সময় পাৰ হে যোৱাৰ পিছত প্রায় ৯০ শতাংশ বীজ বীতৰণ হয়। আমি সহায় নকৰাকৈ কৃষক বন্ধুসকলে যিখিনি উৎপাদন কৰে, সেই উৎপাদিত সামগ্রীখিনিবো তেওঁলোকে উচিৎ মূল্য নাপায়। বজাৰৰ যি মূল্য, কৃষকসকলে সেই মূল্য নাপায়। ভাৰতীয় খাদ্য নিগমে ধান কিনিছে কিন্তু তেওঁলোকে ১০শতাংশ টাৰগেট ফুল-ফিল কৰিব পৰা নাই। চৰকাৰে নিদ্ধাৰণ কৰা ধানৰ দাম ১২৮০ টকা

কৃষকসকলে পাব লাগে ১২৫০ টকা। ডিব্রুগড়ত ধানৰ দাম ৮০০ টকা সাধাৰণ দাম ৭০০ টকা। এইক্ষেত্ৰত দেখা যায় গৰীব কৃষকসকলে উচিৎ মূল্য পোৱা নাই। এই গৰীব কৃষক বন্ধুসকলে সুদৰ টকা লৈ কাম কৰে। উচিত মূল্য নোপোৱাৰফলত ঋণ পৰিশোধ কৰিব নোৱাৰে। ইয়াৰ ফলত বহু সময়ত দেখা যায় কোনো কোনো কৃষকে আত্মহত্যা পৰ্য্যন্ত কৰে। বজাৰত যাতে কৃষকসকলে উচিৎ মূল্য পায় তাৰ কাৰণে দৃষ্টি দিব লাগে। আজি মৰাপাটৰ মূল্য পোৱা নাই। তাৰ ফলত উৎপাদন কমিছে। উৎপাদন বঢ়াৰ ঠাইত উৎপাদন কমিছে। আমি ঠিক মতে মূল্য দিব নোৱাৰাৰ ফলত এইবোৰ হৈছে। বিমোট এৰিয়া বিলাকত চাবচিডি পাব বুলি কোৱা হৈছে। বৰপেটা ৰোডৰ বজাৰত বস্তু পেলাই দিছে। কাৰণ উচিৎ মূল্য নাপায় এটকা ঠেলাভাৰা লাগে সেই এটকা ঠেলাভাৰাও নাপায়।

মাননীয় উপাধ্যক্ষ মহোদয়, সৌসিদিনা বৰপেটাৰোড বজাৰত কৃষকে বস্তুৰ উচিত মূল্য নোপোৱাৰ বাবে হাজাৰ হাজাৰ কুইন্টল বস্তু পেলাই দিছে। কৃষকসকলে বস্তুবোৰ ঘৰৰ পৰা ঠেলাৰে বজাৰলৈ লৈ আহে। কিন্তু বস্তুবোৰ বিক্ৰী কৰি ঠেলাৰ ভাৰাটোও নাপায়। যাৰ কাৰণে খেতিয়কসকলে বস্তুবোৰ বজাৰত পেলাই দিছিল। এই বিষয়ে আমাৰ মন্ত্ৰী মহোদয়ে সিদিনাখন অখিল গগৈয়ে বৰপেটাৰোড বজাৰত পেলাই দিয়া বস্তু গুৱাহাটীলৈ আনি বিক্ৰী কৰাৰ কথাটো কৈছিল। উপাধ্যক্ষ মহোদয়, যদি অখিল গগৈয়ে বৰপেটাৰোড বজাৰত পেলাই দিয়া বস্তু গুৱাহাটীলৈ আনি ১২/১৪ টা ঠাইত বিক্ৰী কৰিব পাৰে তেতিয়াহ'লে চৰকাৰে নোৱাৰে কিয়? গতিকে আমি আশা কৰিছো যে এই বিষয়ে মন্ত্ৰী মহোদয়ে উচিৎ বিবেচনা কৰিব। যদি চৰকাৰে বৰপেটাৰোড, খাৰুপেটীয়া বা অন্যান্য যিবিলাক ঠাইত বস্তু বেছি উৎপাদন হয় সেইবোৰ ঠাইৰ পৰা বস্তুবোৰ ক্ৰয় কৰি আনে

তেতিহ'লে আমাৰ খেতিয়কসকলে উচিত মূল্য পাব। আজি আমি দেখিছো যে খেতিয়কসকলে যেতিয়া বস্তুবোৰ গুৱাহাটীলৈ নিজে লৈ আহে ৰাস্তাত চিণ্ডিকেটৰ নামত পইচা দিবলগীয়া হয়। কিন্তু এতিয়া আমি শুনি ভাল পাইছো যে মাননীয় মুখ্যমন্ত্রীয়ে এই চিণ্ডিকেট বন্ধ কৰিবলৈ ওলাইছে। আজি এঘাৰ বছৰে এই চিণ্ডিকেট চলি আছে। চৰকাৰ দহ বছৰ আগতেই চিণ্ডিকেট বন্ধ কৰিব পাৰিলেহেঁতেন। যানহওক, এতিয়াও যদি এই চিণ্ডিকেট বন্ধ হয় তেতিয়াহ'লে খেতিয়কসকল লাভৱান হ'ব আৰু এইটো এটা ভাল কাম হ'ব। গতিকে এই বিষয়ে বিভাগীয় মন্ত্রী মহোদয়ে বিশেষ দৃষ্টি ৰাখিব বুলি মই অনুৰোধ জনালো। উপাধ্যক্ষ মহোদয়, যান্ত্রিকীকৰণৰ যিটো কথা কোৱা হৈছে সেইটো আমি ভাল পাইছো। আজি চণ্ডীগড়, পঞ্জাৱ, উত্তৰ প্ৰদেশ আদি ৰাজ্যৰ খেতিয়কসকলে বীজ সিচোৱাকে আদি শস্য চপোৱালৈকে সকলোবোৰ কাম যন্ত্ৰৰ দ্বাৰাই কৰিব পাৰে। আজি আমাৰ ইয়াতো বহু দিনৰ পাছত হ'লেও কৰিব বিচাৰিছে। কিন্তু এইক্ষেত্ৰত মই ক'ব বিচাৰিছো যে যান্ত্রিকীকৰণৰ নামত বিভাগে খেতিয়কসকলক যিবোৰ বস্তু যোগান ধৰিছে সেইবোৰ উচিত কামত ব্যৱহাৰ হৈছে নে নাই বিভাগে অধ্যয়ন কৰিব লাগিব। কাৰণ আমি দেখিছো যে যান্ত্রিকীকৰণৰ নামত যিবোৰ বস্তু পাৰাৰটিলা, স্প্রেমেচিন, টেক্টৰ আদি দিয়া হৈছে সেইবোৰ খেতিৰ কামত ব্যৱহাৰ নহৈ অন্য কামত ব্যৱহাৰ হৈ আছে। আজি গাঁৱে-ভুঁয়েও যিবোৰ টেক্টৰ দিয়া হৈছে সেইবোৰ মাটি টনা কামত ব্যৱহাৰ হৈ আছে। উপাধ্যক্ষ মহোদয়, এইখিনিতে এই ৰৰপেটাৰ আলোপতি চৰৰ কথা এটা ক'ব বিচাৰিছো। এই আলোপতি চৰত চৰ এৰিয়া বিভাগে গাটাৰ গুটি খেতিয়কক বিতৰণৰ বাবে দিছিল যদিও এইবোৰ খেতিয়কক বিতৰণ নকৰি বিষয়াৰ ঘৰত ৰাখি দিছে। যদি এনেকুৱাই হয় তেতিয়াহ'লে

খেতিয়কৰ উন্নতি কেনেকৈ হ'ব। আজি বিভাগে যান্ত্রিকীকৰণৰ নামত যিবোৰ বস্তু খেতিয়কক দিছে সেইখিনি বহু কম। গতিকে এইক্ষেত্ৰত বিভাগে যি লক্ষ্য ৰাখি লৈছে সেই লক্ষ্যত উপনীত হ'ব নোৱাৰিব। গতিকে যিখিনি বস্তু যোগান ধৰা হয় সেইখিনি যাতে শুদ্ধকৈ হয় আৰু বস্তুবোৰ যাতে প্ৰকৃত খেতিয়কে পায় তাই কাৰণে বিভাগে দৃষ্টি ৰাখিব লাগিব। যানহওক মন্ত্ৰী মহোদয়ে যিহেতু মোক বেছি ক'ব নালাগে বুলি কৈছে সেয়ে মই বেছি দীঘলীয়া নকৰো। উপাধ্যক্ষ মহোদয়, আজি আমাৰ অসমৰ শতকৰা ৮০ শতাংশ মানুহ জড়িত হৈ থকা এই বিভাগটো আগবাঢ়ি যোৱাৰ বাবে যিবিলাক আঁচনি লৈছে সেই আঁচনিসমূহ যাতে ভালদৰে ৰূপায়ণ হয় তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। আজি আমাৰ কৃষক বন্ধুসকলে বানপানীৰ ফলত বহু ক্ষতিগ্ৰস্ত হৈছে, আনহাতে খৰাং ৰতৰৰ বাবেও জুৱলা হ'ব লগাত পৰিছে। আজি আমাৰ কৃষি বিভাগটো জলসিঞ্চন বিভাগৰ লগত জড়িত হৈ আছে। কিন্তু অতি দুখৰ বিষয় যে গোটেই কৃষিভূমিৰ ভিতৰত মাত্ৰ ৬/৭ শতাংশ মাটিতহে জলসিঞ্চনৰ ব্যৱস্থা হৈছে। বাকী আল্লাৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে। যদি কৃষিৰ উন্নতি কৰিবলগীয়া হয় তেতিয়াহ'লে জলসিঞ্চন ব্যৱস্থাটো ভাল হ'ব লাগিব।

শেষত, যিসকল খেতিয়কে মূৰৰ ঘাম মাটিত পেলাই কষ্ট কৰি বস্তু উৎপাদন কৰিছে, সেই দুখীয়া খেতিয়কে যাতে বস্তুৰ উচিত মূল্য পায় আৰু এইক্ষেত্ৰত চৰকাৰে যাতে বস্তু মূল্য নিৰ্ধাৰণ কৰি দিয়ে আৰু বজাৰৰ পৰা দালাল চক্ৰ উৎখাত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা কৰি আৰু কৰ্তন প্ৰস্তাৱটো সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীআলী হুছেইন ঃ মাননীয় উপাধ্যয় মহোদয়, আজি কৃষি খণ্ডৰ বাবে যিখিনি

* Speech not corrected

টকা আবণ্টন বিচাৰিছে এইক্ষেত্ৰত মোৰ কিছু ক'বলগীয়া আছে। উপাধ্যক্ষ মহোদয়, অসম এখন কৃষিপ্ৰধান ৰাজ্য। এইক্ষেত্ৰত যদি আমি কৃষিৰ ওপৰত গুৰুত্ব নিদিওঁ তেতিয়াহ'লে ৰাজ্যৰ উন্নতি সম্ভৱ নহয়। ২০১১ চনত উজনিৰ পৰা নামনিলৈ যি প্ৰলয়ংকাৰী বানপানী হৈছিল সেই বানপানীৰ ফলত বিশেষকৈ ৰৱপেটা, নলবাৰী, ধুবুৰী আদি কৃষকসকলৰ বহু খেতিবাতি নষ্ট হৈছিল।

মাননীয় উপাধ্যক্ষ মহোদয়, ২০১১ চনত অসমৰ উজনিৰ পৰা নামনিলৈ যি প্ৰলয়ংকাৰী বান হৈছিল, সেই বানত ৰৱপেটা, নলবাৰী আৰু ধুবুৰী জিলাৰ কৃষকসকলৰ এনেকুৱা অৱস্থা হৈছিল সেই সম্পৰ্কে আমাৰ মন্ত্ৰী মহোদয়ে লক্ষ্য কৰিছিল নে নাই মই নাজানো। কিন্তু আমি প্ৰত্যক্ষ কৰিছিলো, ৰাইজৰ যি দুৰৱস্থা। খেতি-বাতি বানে উটুৱাই লৈ গৈছিল। কৃষকসকলৰ হাহাকাৰ হৈছিল। কিন্তু বিভাগৰ ফালৰ পৰা কোনো ব্যৱস্থা লোৱা দেখা নগ'ল। ২০১১ চনৰ বাবে গোটেই অসমৰে ৰাস্তা-ঘাট, কৃষিভূমি বিধ্বস্ত হৈছিল। আজি যদি আমি লক্ষ্য কৰো, বানত ক্ষতিগ্ৰস্ত হোৱা মঠাউৰিবোৰৰ ৰিয়োৰিঙৰ নামত এটা টকাও খৰচ কৰা হৈছিল নাই। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ কৃষি বিভাগৰ লগত জলসম্পদ বিভাগ আৰু জলসিঞ্চন বিভাগৰ সম্পৰ্ক আছে। কিন্তু কোনো দিনে তেওঁলোকে একেলগে বহি কৃষকসকলৰ সমস্যাৰ কথাটোত আলোচনা কৰা নাই। বিগত সময়ছোৱাত কৃষকসকল যথেষ্ট পৰিমাণে ক্ষতিগ্ৰস্ত হৈছে। এতিয়া কৃষকসকলক যি বীজৰ যোগান ধৰা হয়, সেই বীজ প্ৰকৃততে কৃষকসকলে সময়মতে পাইনে নাই, সেই তথ্য মন্ত্ৰী মহোদয়ৰ হাতত আছে নে নাই? যোৱা বানৰ সময়ত ক্ষতিগ্ৰস্ত কৃষকসকলক দুদিনৰ বাবে ৰেহাই মূল্যত চাউল, দাইল আদি যোগান ধৰা হৈছিল। তাৰ পাছত আৰু সেইটো দিয়া নাই। আনহাতে যিসকল মাছমৰীয়া মানুহে এক কেজি মাছ মাৰি

বজাৱত বিক্রী কৰি পেট প্ৰৱৰ্তাই আছে তেওঁলোকৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে?

* শ্রীনীলমণি সেন ডেকা (মন্ত্রী) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়া কৃষি বিভাগৰ গ্রাণ্টৰ ওপৰত আলোচনা চলি আছে, এই বিষয়টো ইয়াৰ লগত সম্পর্কিত নহয়।

* শ্রী আলী হুছেইন ঃ মাননীয় উপাধ্যক্ষ মহোদয়, কৃষিৰ লগত ইয়াৰ সম্পর্ক আছে, সেই কাৰণেই কৈছো। আমাৰ ৪ হেজাৰ ৪৪৮ টা মঠাউৰিৰ ভিতৰত এক হেজাৰি ২০০ শ কিঃমিঃ মানুহে ভালে আছে। বাকীখিনি নষ্ট হৈছে। আৰু এনবেংকমেণ্টৰ ওপৰত যথেষ্টৰ গুৰুতৰ দিয়া নাই। মোৰ কথা হ'ল আমাৰ ৰাজ্যখনৰ ৮০ শতাংশ মানুহেই কৃষিজীৱী। এই মানুহখিনিৰ দায়িত্ব আমাৰ চৰকাৰৰ। তাৰোপৰি খেতিয়কসকলক সময়মতে শালিধানৰ কঠিয়া বা বীজ দিয়া হয় নে নহয় সেই সম্পর্কে মন্ত্রী মহোদয়ে চোৱাৰ দৰকাৰ। তেওঁলোকক কঠিয়া যোগান ধৰিব লাগে আহাৰ-শাওণ মাহত কিন্তু বিভাগে যোগান ধৰে আহিন-ভাদ মাহত। কৃষি বিভাগৰ নামত আবণ্টিত পুঁজি এইখিনিৰে যথেষ্ট নহয়। কিন্তু আমি কৰ্তন কৰাৰ কাৰণে প্রস্তাৱ ৰাখিছো। বিভাগত যিবিলাক ডি. ও. এ. ডি. ও আৰু গ্রামসেৱকে কাম কৰি আছে তেওঁলোক সময়মতে বীজৰ যোগান ধৰিলেহে কৃষকসকল উপকৃত হ'ব। তেওঁলোকে সমন্বয়ৰে কাম কৰিব লাগিব, সেই সমন্বয় তেওঁলোকৰ মাজত নাই। মোৰ সমষ্টিত সৰিয়হৰ বীজ যেতিয়া দিছিল তেতিয়া খেতিয়কে সৰিয়হ চপাই আছিল। মই নিজে এ.ডি.ওক কৈছিলো পথাৰ পৰিচালনা সমিতিসমূহ যে আছে সেইবোৰ ভাঙি দিয়ক। কৃষকসকল উপকৃত হ'ব। মই আবেদন ৰাখিছো যিহেতু কৃষি বিভাগটো এটা গুৰুত্বপূর্ণ বিভাগ, এনেকৈ চলিছে কেনেকৈ হ'ব। মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে মোক চর্ট কৰিবলৈ কৈছে,

* Speech not corrected

গতিকে মই আৰু বেছি ক'বলৈ নাযাওঁ। মই আজি কৃষি বিভাগৰ ওপৰত অনা কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি আৰু ইয়াত থকা অসুবিধাসমূহ আঁতৰ কৰিবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় উপাধ্যক্ষ ঃ এতিয়া কৃষি মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

* শ্ৰীনীলমণি সেন ডেকা (মন্ত্ৰী) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি আমাৰ কৃষি বিভাগৰ ওপৰত অনা কৰ্তন প্ৰস্তাৱটোৰ ওপৰত জ্যেষ্ঠ সদস্য সদস্যা শ্ৰীৰফিকুল ইছলাম, শ্ৰীআলী হুছেইন আদি কৰি মাননীয় সদস্যসকলে বক্তব্য ৰাখিছে। তেওঁলোকে কেতিয়াবা মিঠা কেতিয়াবা তিতা ভাষাৰে কৃষি বিভাগক সমালোচনা কৰিছে। লগতে কিছু ভাল পৰামৰ্শও দিছে। তেওঁলোকে যিখিনি কথা কৈছে আৰু পৰামৰ্শ আগবঢ়াইছে তাৰবাবে মই তেওঁলোকক ধন্যবাদ দিছো। যিবিলাক সমস্যা তথা অনুবিধাৰ কথা কৈছে কৃষকসকলৰ ক্ষেত্ৰত তেনে সমস্যা বা অসুবিধাসমূহ ময়ো অনুধাৱন কৰিছো। আৰু এইবোৰ সমাধানৰ বাবে চেষ্টা চলাই আহিছো। তেওঁলোকে কৈছে অসমৰ কৃষকসকলে আৱণ্টিত বীজ সময়মতে নাপায় আৰু কৃষি বিষয়াসকলেও এইৰিলাক নাচায়। এইখিনি কথা আমি জানো আৰু বুজো। সেইবাবেই আমি এইবোৰ যাতে নহয় তাৰবাবে চেষ্টা চলাই আহিছো। মাননীয় সদস্যসকলে কৈছে যে অসমৰ খেতি-পথাৰ সেউজীয়া হওক, কৃষি অৰ্থনীতি সবল হওক আৰু সুদৃঢ় হওক, এই পৰামৰ্শ সাৰোগত কৰিয়েই আমি কাম কৰিবলৈ চেষ্টা কৰি আহিছো। আমাৰ মাননীয় সদস্য শ্ৰীফণীভূষণ চৌধুৰী ডাঙৰীয়াই কেইটামান গুৰুতৰপূৰ্ণ অভিযোগ আনিছে আৰু পৰামৰ্শও দিছে। তেখেতে অভিযোগ কৰিছে যে কৃষি বিভাগৰ যিখিনি গ্ৰথ হৈছে বুলি কৈছে, সেয়া হোৱা নাই। ই অতি নগণ্য। যোৱাবাৰ ইকনমিক চাৰ্ভেত যিটো জি ডি পি গ্ৰথ আছিল ৬.৬ শতাংশ। এইবাৰ আগতকৈ

* Speech not corrected

কম ২ শতাংশ দেখুৱাইছে। হয়তো প্ৰিণ্টিং মিষ্টেক হ'ব পাৰে। আৰু দুই এটা সৰুসুৰা ভুল আছে। এইবাৰ আমাৰ একচুৱেল গ্ৰথটো ৭.৫ শতাংশ হ'ব বুলি আশা ৰাখিছো।

* শ্ৰীফণীভূষণ চৌধুৰী ঃ ছাৰ, ইকনমিক ছাৰ্ভেত যিটো দেখুৱাইছে সেইটো আপুনি প্ৰিণ্টিং মিষ্টেক বুলি কৈ দিয়ক।

* শ্ৰী নীলমণি সেন ডেকা (মন্ত্ৰী) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, হয়তো প্ৰিণ্টিং মিষ্টেক হ'ব পৰে। মই আৰু এটা গুৰুত্বপূৰ্ণ বিষয় ক'ব বিচাৰিছো। ২০১০-২০১১ চনত চাউল উৎপাদন যিমানখিনি বৃদ্ধি পাইছিল ২০১১-১২ চনত কমা বুলি কোৱা হৈছে। আচলতে চাউলৰ উৎপাদন কমা নাই। এইক্ষেত্ৰত আমি দুটা চাৰ্ভে কৰিছিলো। এই চাৰ্ভে দুটা আমি ক্ৰপ কাটিঙৰ ওপৰত কৰিছিলো। যোৱা বছৰ ১৯ লাখ ১০ হেজাৰ হেক্টৰ মাটিত আমাৰ শালি খেতি কৰা হৈছিল। যোৱা বছৰ ড্ৰট আছিল। গতিকে যোৱা বছৰতকৈ তাৰ আগৰ বছৰৰ এৰিয়া কভাৰেজ বহুত বেছি আছিল। সেয়েহে আগৰ বছৰতকৈ ধানৰ উৎপাদন অলপ বেছি হৈছে। কিন্তু য'ত ধান নাথাকে ইকোনমিক এণ্ড ষ্টেটিষ্টিকছ তাতো ক্ৰপ কাটিং চাৰ্ভে কৰে। এই কথাটো আমি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত বাৰে বাৰে আপত্তি দৰ্শাই আহিছো। কাৰণ য'ত ধান নাই তাকো ক্ৰপ কাটিং চাৰ্ভে কৰা হয়। গতিকে কিমান ধান উৎপাদন হৈছে একচুৱেল পিকচাৰটো পোৱা নাযায়। অৱশ্যে কেন্দ্ৰীয় চৰকাৰে আমাৰ চাৰ্ভে ৰিপোৰ্ট আৰু তেওঁলোকৰ চাৰ্ভে ৰিপোৰ্ট এই দুয়োটা ৰিপোৰ্ট কমবাইন কৰি কিমান ধান উৎপাদন হৈছে সেইটো নিৰ্ণয় কৰে। ৪৭ লাখ মান মেট্ৰিক টন চাউল উৎপাদন হোৱা বুলি কৈছে যদিও আচলতে ৫০.৫০ লাখৰো অধিক মেট্ৰিক টন চাউল উৎপাদন হৈছে। তথাপিও আজি কৃষি বিভাগৰ ওপৰত সমালোচনা

হৈছে। মই এটা কথা গৌৰৱ সহকাৰে ক'ব বিচাৰিছো যে আমাৰ মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ প্রচেষ্টাত আমি এই বিভাগটোৰ কাম-কাজ উন্নত কৰি তুলিব পাৰিছো। ২০০৬ চনত যেতিয়া বিধানসভাৰ অধিৱেশ হৈছিল তেতিয়া কোৱা হৈছিল আজিলৈকে ধান-চাউলৰ ক্ষেত্রত অসম স্বাৱলম্বী হোৱা নাই। আগৰ বাজেট বক্তৃতাবিলাকত এই কথা উল্লেখ কৰা হৈছিল। বিত্ত-বিভাগৰ বাজেট ধান আৰু চাউলৰ উৎপাদন সম্পর্কত কোৱা হৈছিল যে আমি বেলেগ ৰাজ্যৰ পৰা চাউল আনিব লাগে। আনকি প্রয়াত মাননীয় মুখ্যমন্ত্রী বিষ্ণুৰাম মেধীৰ দিনতো বাহিৰৰ ৰাজ্যৰ পৰা ধান-চাউল আনিবলগীয়া হৈছিল বুলি কোৱা হৈছে। কিন্তু ২০১০-২০১১ চনৰ পৰা প্রথম আমাৰ ধান-চাউল ছাৰপ্লাছ হৈছে। এতিয়া আমি এইক্ষেত্রত স্বাৱলম্বী হ'ব পাৰিছো। এইটো এটা ঐতিহাসিক ঘটনা। আজি মই পৱিত্র সদনত এই কথাখিনি কৈছো। মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ কৃষি বিভাগৰ প্রতি যি দিহা-পৰামর্শ আৰু নির্দেশনা তাৰ কাৰণেই আজি কৃষি বিভাগত এটা গৌৰৱোজ্জল দিশ আৰম্ভ কৰিব পাৰিছো বুলি ক'ব পাৰি। অৱশ্যে আমি এই বিভাগটো ক্ষেত্রত সম্পূর্ণ চাকচেছ হৈছো বুলি কোৱা নাই। অসমত আগতে কোনোবাৰেই ধান উৎপাদনৰ ক্ষেত্রত ৰিমার্কেবুল চাকচেছ হৈছে। ধান উৎপাদনৰ ক্ষেত্রত অসম, বিহাৰ আৰু পশ্চিমবংগ চাকচেছ হোৱা বুলি চিহ্নিত কৰা হৈছে। সেইটো হয় যে এই বিভাগটোত আমাৰ কৰিবলগীয়া বহুত কামেই আছে। আমাৰ মাননীয় সদস্য চৌধুৰী ডাঙৰীয়াই সাৰ-বীজ আদি যোগান ধৰাৰ ক্ষেত্রত দুর্নীতি হোৱা বুলি কৈছে। আমি আগৰবাৰ ইয়াৰ দাম বেছিকৈ ঠিক কৰিছিলো। অৱশ্যে পাছত কমিছে। আগৰবাৰ জিলাৰবিলাকে এইবিলাক বস্তুৰ যোগান ধৰিছিল। তেওঁলোকে বেচিকৈ বেটটো দিছিল। কিন্তু আমি চালো যে ৰসায়নিক দ্রব্যই হওক বা সাৰেই হওক আমি যদি

সেই বস্তুবিলাক ডাইৰেক্ট মেনুফেকচাৰিং কোম্পানীৰ পৰা ক্ৰয় কৰিব পাৰো তেতিয়াহ'লে বহুত কম দাম ক্ৰয় কৰিব পাৰিম। সেই কাৰণেই আমি চেণ্ট্ৰেল গভৰ্ণমেণ্ট ৰিকোগ্নাইছ কোম্পানীৰ পৰা সাৰ, হাই ব্ৰীড আদি কম দামত ক্ৰয় কৰিছো। সেই বীজবিলাক আমি ডাইৰেক্ট কোম্পানীৰ পৰা নিগেচিয়েট কৰি কিনিছো। সেই কাৰণে আমি সেই বীজ, সাৰবিলাক কম দামত পাইছো। কোনোবা চাপ্লাইয়াৰে বহুতো সেই বস্তুবিলাক যোগান ধৰাৰ সুবিধা পোৱা নাই কাৰণে এনেকুৱা ধৰণৰ আপত্তিজনক কথাবিলাক ক'ব পাৰে। আমাৰ কথা হ'ল বস্তুবিলাক যোগান ধৰাৰ সুবিধা পোৱা নাই কাৰণে এনেকুৱা ধৰণৰ আপত্তি জনক কথা বিলাক ক'ব পাৰে। আমাৰ কথা হ'ল বস্তুবিলাক ভাল হ'ব লাগিব, বীজ ভাল হ'ব লাগিব, দামো কম হ'ব লাগিব আৰু কৃষি বিভাগৰ বদনাম হ'ব নালাগিব। আজি দুবছৰ ধৰি কৃষি বিভাগৰ কোনো ধৰণৰ বেছি বদনাম হোৱা নাই। হয়তো কৰবাত বীজ, সাৰ আদি বিতৰণ কৰাৰ ক্ষেত্ৰত অলপ গণ্ডগোল হ'ব পাৰে। এ জি পি, বি জেপি, এ ইউ ডি এফ আদি যিকোনো দলৰেই বিধায়ক নহওক কিয় সকলো বিধায়ককে এইক্ষেত্ৰত ইনভোলব কৰিব লাগে।। কাৰণ ক'ত খেতি হয় ক'ত খেতি নহয় সেইটো স্থানীয় বিধায়কসকলেহে গ'ম পাব। পাৰাৰ পাম্প আৰু ট্ৰেক্টৰ বিতৰণ কৰাৰ ক্ষেত্ৰত বহুত গণ্ডগোল হোৱা বুলি কোৱা হৈছে। পাৰাৰ পাম্প আৰু ট্ৰেক্টৰ বিতৰণ কৰাৰ ক্ষেত্ৰত পঞ্চায়তীৰাজ প্ৰতিষ্ঠানবিলাকক ইনভোল্ড কৰিব লাগে বুলি চেণ্ট্ৰেল গভৰ্ণমেণ্টৰ পৰা গাইড লাইন আহিছিল। অকল গাঁও পঞ্চায়ত আঞ্চলিক পঞ্চায়তকেই ইনভোল্ড কৰিলে সেইক্ষেত্ৰত খেতি-মেলিও হ'ব পাৰে। মই জ্যেষ্ঠ বিধায়কসকলৰ লগত এই বিষয়ে আলোচনা কৰি বিধায়কসকলকো ইনভোল্ড কৰাৰ কথা কৈছো। পাৰাৰ টিলাৰ, ট্ৰেক্টৰ আদি বিতৰণ কৰাৰ ক্ষেত্ৰত আমি

বিধায়কসকলক সভাপতি পাভিব বিচাৰিছো। মই দিয়া এই পৰামৰ্শটো নিশ্চয় আপোনালোকে গ্ৰহণ কৰিব। আমি ক'বলৈ গ'লে কৃষি বিভাগৰ বহুত কথাই ক'ব লাগিব। এইবাৰ আমাৰ ৰাজ্যত বানপানী হ'ল। ৫ লাখ হেক্টৰ মাটি ডুবি গ'ল। আমি আমাৰ কৃষি বিভাগৰ বিষয়াসকলক বানপানী অহাৰ আগতেই সাজু হৈ থাকিবলৈ কৈছো। এইৰাৰ আমাৰ এৰিয়া কভাৰেজ আছিল ১১ লাখ হেক্টৰ। বানপানী অহাৰ আগতে আমাৰ খেতিয়কসকলে চাৰে বাইশ লাখ হেক্টৰ মাটিত খেতি কৰিছে। তাৰ পাছত আমি ঠিক কৰিলো যে আমাৰ বিষয়াসকলে যিটো চার্ভে ৰিপোৰ্ট দিয়ে বা বিভিন্ন চোৰ্চৰ পৰা যিটো ৰিপোৰ্ট দিয়ে সেইটো শুদ্ধ নহ'বও পাৰে। কাৰণ খেতি কৰা এৰিয়া বাঢ়ি গ'লে উৎপাদনো বাঢ়ি যাব। সেই কাৰণে আমি ৰিপোৰ্ট চেনচিং চার্ভে দিব বিচাৰিছো। সেই পদ্ধতিত আমি চার্ভে কৰিলে এতিয়াৰ পৰা আমি শুদ্ধভাৱে ৰিপোৰ্টটো পাম। আমাৰ বিষয়াসকলে ভুল কৰিলেও আমি শুদ্ধভাৱে ৰিজাল্ট পাম। আমাৰ মাননীয় বিধায়ক ৰফিকুল ইছলাম আৰু আলী হুছেইন ডাঙৰীয়াই কৈছে যে কঠিয়া বীজ আদি সময়মতে যোগান ধৰা হোৱা নাই। এই কথাটো শুদ্ধ নহয়। আমি বানপানী অহাৰ পাছত বহুত কঠিয়া বীজ যোগান ধৰিছো। আমি এইবাৰ ৫৫ লাখ মেট্ৰিক টন ধান উৎপাদন হ'ব বুলি আশা কৰিছো। ২০১০-২০১১ চনত ধান-চাউল হিচাপে ১৯ লাখ মেট্ৰিক টন মান উৎপাদন হৈছিল।

মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা বছৰ দুই হেজাৰ সাতশ কেজিৰ ওপৰ ধান উৎপাদন হৈছিল। এক হেক্টৰ মাটিত এক হেজাৰ অধিক ধান উৎপাদন হৈছিল। দেখা যায় ধানৰ উৎপাদন বাঢ়িছে। আহু, শালি দুয়োবিধ ধানৰ উৎপাদন বাঢ়িছে। আমি ৰাষ্ট্ৰীয় পৰ্যায়ৰ লগত সমানে সমানে যাব পাৰিছো। আগতে চাউল বাহিৰৰ পৰা আনিব

লাগিছিল। এতিয়া এফ চি আইয়ে লৈছে। তেওঁলোকে ২০ টা চেণ্টাৰ লৈছে। আমাৰ ধান মৰণা মাৰি শুকাব লাগে। দহ কিলো মিটাৰ আঁতৰ বজাৰত ধান বিক্রী কৰিবলগীয়া হয়। খেতিয়কসকলক ম'টিভেশ্ন কৰিব লাগিব। খেতিয়কসকলে যেতিয়াই ইচ্ছা হয় ধান বিক্রী কৰিব পাৰে। আমি এপ্রিল মাহত প্রকিউৰ কৰো, মে' মাহৰ লাষ্টলৈ প্রকিউৰ কৰিব পাৰি। আমাৰ চৰকাৰৰ ফালৰ পৰা মাননীয় মুখ্যমন্ত্রী শ্রীতৰুণ গগৈ ডাঙৰীয়াই পশ্চিমবংগ চৰকাৰৰ মুখ্যমন্ত্রী মাননীয়া মমতা বেনার্জী মহাশয়ালৈ চিঠি লিখিছিল। মৰাপাটৰ প্রতি কুইণ্টলত পাঁচশ টকা হ'ব লাগে। কিন্তু ব্যক্তিগতভাৱে বেপাৰীসকলে বেছি দাম দি লৈ যায়। আমোৰ বহুত স্কীম আছে, সেইবিলাক কার্যকৰী হৈ আছে। ষ্টেট লেভেল, ডিষ্ট্রিক লেভেল, ব্লক লেভেল কমিটী আছে। তেওঁলোকে মণিটৰিং কৰি থাকে। আমি ৰিঅৰগেনাইজ কৰিব পাৰো। দুহেজাৰমান ভি এল ডব্লি পোষ্ট খালি আছে। তেওঁলোকে গাঁৱত চাকৰি কৰিব লাগিব। আমি এই বাজেট চেছনতে এডভাইটাইজ কৰিম। বহুত দিনৰ পৰা পদসমূহ খালি হৈ আছে। ভিজিটেবুল আলু দিল্লীলৈ যায়, জলকীয়া চিলিগুৰি, বিহাৰলৈ যায়। আমাৰ ২৭ খন ৰেগুলেটৰী মাৰকেট আছে। তাত ৰেজিষ্টাৰ কৰিব লাগে। ৩০ খন অৰগেনিক মাৰকেট এগ্রিকালচাৰ ইউনিভাৰচিটিৰ পৰা পৰামর্শ আহিছে। আমি অৰগেনিক ফার্ম কৰিম। জৈৱিক সাৰৰ বাবে আমি আমেৰিকাৰ লগত যোগাযোগ কৰিছো। পেটেন ৰাইট দিয়া হৈছে। আমাৰ ইয়াত নেমুটেণ্ডা যথেষ্ট হয়। বানপানীৰ সময়ত বীজ দিব লাগে বুলি কৈছে, আমি এই বিষয়ে চিন্তা কৰিছো। বিভিন্ন ধৰণে পাঁচ লাখ হেক্টৰ মাটিত খেতি কৰা হৈছে। এইবাৰ সৰিয়হ খেতি ভাল হৈছে। আমাৰ বহুকেইজন বিধায়কে সৰিয়হ ফুলৰ মাজত ফটো উঠিছে, ময়ো উঠিছো। সৰিয়হৰ হালধীয়া ফুল দেখিলে আমাৰ মনটো ভাল লাগি

যায়। মই ভাবো যেনেকৈ সৰিয়হ ফুলে হালধীয়া কৰিছে, তেনেকৈ গোটেই পথাৰখনে সেউজীয়া হ'ব। খেতিয়কসকলে ইনভেষ্ট কৰিব লাগিব। এইটো এতিয়াও সিদ্ধান্ত লোৱা হোৱা নাই। বেংকৰ পৰা কে চি চি লোন দিয়া হ'ব। এই বিষয়ে ইতিমধ্যে বেংকৰ লগত যোগাযোগ কৰা হৈছে। কে. চি. চি. লোন প্ৰকৃততে খেতিয়কক দিয়া হয়, কিন্তু ইয়াত কিছুমান অসুবিধা আছে। সেই কাৰণে পথাৰ পৰিচালনা কমিটী কৰি দিয়া হৈছে। তেওঁলোকৰ যোগেদি খেতিয়কক যি লোন দিয়া হ'ব, সেই লোনৰ কোনো ইনটাৰেষ্ট নালাগে। অকল মূল টকাখিনিহে ঘুৰাই দিব লাগে। খেতিয়কক সাৰ, বীজ যি লাগে আমি দিম। সৰিয়হ খেতিৰ ওপৰত পৰ্যালোচনা হোৱা নাই। চেণ্ট্রেল গভৰ্ণমেণ্টে তিনিখন জিলা চিলেক্ট কৰিছে। যুৱক-যুৱতীসকলে খেতি -পথাৰলৈ যাব পাৰিব।

(মাননীয় উপাধ্যই আসন এৰে আৰু মাননীয় সভাপতি (শ্ৰীমেম্বৰ গগৈ)য়ে আসন গ্ৰহণ কৰে।)

মাননীয় সভাপতি মহোদয়, আমি এটা বিশেষ বিষয়ৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগিব, সেইটো হ'ল আমাৰ যি মাটি আমাৰ যি কৃষিভূমি সেই ভূমিৰ গুণগত মানদণ্ড যাতে হেজাৰ বছৰলৈকে ঠিকেই থাকে সেইটো আমি বিশেষভাৱে চাব লাগিব। কৃষিভূমি বা আমাৰ মাটি যিটো গুণগত মানদণ্ড সেইটো আমি ধৰি ৰাখিব পাৰিলেহে আগলৈ মাটিৰ উৎপাদন শক্তি ধৰি ৰাখিব পাৰিম। আপোনালোকে জানে আজি পঞ্জাৱত কি সমস্যা হৈছে। পঞ্জাৱৰ নিচিনা উৎপাদনশীল ৰাজ্যই আজি মাটিৰ গুণগত মানদণ্ড ধৰি ৰাখিব পৰা নাই। তাত মাটিৰ উৰ্ব্বৰতা শক্তি কমি গৈছে। বহু ঠাইত শুকাই গৈছে। আজি যদি আমি মাটিত সকলো সময়তে পেষ্টিচাইডকে ধৰি বিভিন্ন ৰাসায়নিক প্ৰডাক্ট ব্যৱহাৰ কৰো তেতিয়াহ'লে সামুহিকভাৱে খেতিৰ উৎপাদন

বৃদ্ধি হ'ব পাৰে বা লাভৱান হ'ব পাৰো। কিন্তু অদূৰ ভৱিষ্যতে সেই মাটিৰ গুণাগুণ হ্ৰাস পাই যায়। আনকি আমি ডিপ্‌টিউৱেলো ১০ বছৰৰ ভিতৰত বন্ধ কৰাৰ কাৰণে অনেক চিন্তা কৰিছো। কিয়নো এই টিউবেলবিলাকৰ পৰা যি পানী তোলা হয় তাৰপৰা আইৰণ ওলাই আৰু বহু ঠাইত আৰ্চেনিকো পৰিবাহিত হৈছে। এই ব্যৱস্থাই অদূৰ ভৱিষ্যতে মাটিৰ গুণাগুণৰ দিশত ভয়ংকৰভাৱে আঘাত কৰিব। সেই কাৰণে টিউবেলৰ ব্যৱস্থাটো বন্ধ কৰি জলসিঞ্চন পদ্ধতিৰে বা নদীৰ পানী আন ব্যৱহাৰ কৰিলে আমি লাভান্বিত হ'ম। তদুপৰি, বহুতে কয়, জৈৱিক সাৰ ব্যৱহাৰ কৰিলে উৎপাদন বেছি নহয়, এইটো অসত্য কথা। মই দীঘলীয়া কৰিব বিচৰা নাই। মাননীয় শক্তি মন্ত্রীয়েও খৰধৰকৈ উত্তৰ দিব লাগিব। মাননীয় সদস্যসকলে আমাক সমালোচনা কৰিলে আমি ভাল পাওঁ। সমালোচনা কৰিলে আমি বেয়া নাপাওঁ কিয়নো আপোনালোকৰ পৰা আমি বহুত জানিবলগা কথা আছে। বহু সময়ত মন্ত্রী হৈ থকা অৱস্থাত বিভিন্ন ঠাইত আমি যাবলৈ সময় নাপাওঁ বা অসুবিধা হয়। কিন্তু আপোনালোকৰ পৰা আমি এইক্ষেত্রত বহুত কথা জানিব পাৰো। মাননীয় সদস্যগৰাকীয়ে এটা কথা জানিব বিচাৰিছিল, তাত আচলতে এছ ডি ওই দিয়া চার্টিফিকেটৰ প্রমাণ পত্র আছে। মই পঢ়িবলৈ বিচাৰিছো। তাত ৩৫ খন গাঁও আছে, ভি এল ই ডব্লিউ কর্মী ৩১ জন আছে। তেওঁলোকে প্রমাণ পত্র দিছে। এছ ডি ওই প্রমাণ পত্র দিয়াৰ পাছত সেইমতে আমি ব্যৱস্থা কৰিছো। এইক্ষেত্রত মাননীয় মুখ্যমন্ত্রী মহোদয়ে চিন্তা-চর্চা কৰি আছে যে ডিজেল ব্যৱহাৰ কৰি ইঞ্জিন চলাই পানীৰ যোগান ধৰাতকৈ ইলেকট্রিক পাৰাৰ ব্যৱহাৰ কৰিলে বেছি সুবিধা হয় আৰু খেতিয়কসকলৰো লাভ হয়। কিছুমান ফিডাৰ লাইনৰ জৰিয়তে পাৰাৰ দিলে খেতিয়কৰ কামত আহিব। মাননীয় শক্তিমন্ত্রীৰ লগত এই বিষয়ত আলোচনা হৈছে।

ইয়াতো কিছুমান সমস্যা আছে, সমস্যা থাকিবই। সমস্যা থাকিলেও তাক আমি দূৰ কৰিব লাগিব। যোৱাবাৰ এইক্ষেত্ৰত কেবা কোটি টকা ধৰা হৈছিল। এইক্ষেত্ৰত আমি ৪৩ কোটি টকা পাইছোঁ। এন ইৰ ফালৰ পৰাও ৯৫ কোটি পঠিয়াইছে। আচলতে ভাল পাৰফৰমেঞ্চ দেখুওৱাব। পাৰিলে এন ইৰ ফালৰ পৰা কেবা কোটি প্ৰায় ৯৫ কোটি টকা দিছে। আচলতে ভাল পাৰফৰমেঞ্চ দেখুৱাব পাৰিলে টকা-পইচা বেছি দিয়ে। আমি চেষ্টা অব্যাহত ৰাখিছো। আপোনালোকে সহযোক কৰক। আমি এই যাত্ৰা আৰম্ভ কৰিব খুজিছোঁ। এই যাত্ৰাত কোনো ৰাজনীতি কৰিব খোজা নাই। ৰাজ্যখনৰ শতকৰা ৮০ ভাগ মানুহক অৰ্থনৈতিক সকাহ দিয়াৰ কাৰণে অৰ্থনৈতিকভাৱে সবল কৰাৰ কাৰণে প্ৰচেষ্টা হাতত লৈছো। আপোনালোকে এইক্ষেত্ৰত সহযোগ আগবঢ়াওক। আমি সকলোৱে কান্ধত কান্ধ মিলাই আমাৰ ৰাজ্যখনত উৎপাদন বৃদ্ধি কৰাৰ কাৰণে আৰু অসমখনক খেতিৰ ক্ষেত্ৰত সেউজীয়া, ৰাঙলি আৰু হালধীয়া কৰিব পাৰো তাৰবাবে সহযোগ বিচাৰি আপোনাসকলৰ কৰ্টন প্ৰস্তাৱটো উঠাই লৈ আগবাঢ়ি যোৱাৰ কাৰণে পৰামৰ্শ দিলে তাৰ কাৰণে আপোনালোক সকলোলৈকে ধনব্যবাদ জনালো।

* শ্ৰীযতীন মালি ঃ মাননীয় সভাপতি মহোদয়, কৃষিমন্ত্ৰীয়ে যিখিনি কথা ক'লে শুনি ভাল লাগিছে। কিন্তু মই এটা কথা ক'বলৈ বিচাৰিছো, সেইটো হ'ল মাটি থাকিলেহে কামখিনি হ'ব আৰু খেতি হ'ব। পলাশৰাৰী সমষ্টিত এনে বহু ধৰণৰ মাটি আছে, কৃষিভূমি আছে যিবিলাক নেকি বিক্ৰী হৈ গৈছে। কিন্তু এই মাটিৰ কি উদ্দেশ্যত বিক্ৰী হৈছে বা কিনোতাই সেই মাটি ক্ৰয় কৰাৰ পাছত কেনেভাৱে ব্যৱহাৰ কৰিছে বা কি কামত ব্যৱহাৰ কৰিছে সেইটো চাবলগীয়া হৈছে। এফিদেফিদত কিন্তু খেতিৰ কাৰণে ব্যবহাৰ বুলি লিখা থাকে। কিন্তু আচলতে

* Speech not corrected

সেইবিলাক মাটি অইন কামতহে ব্যৱহাৰ কৰিছে। সেয়েহে মন্ত্ৰী মহোদয়ক মই এইক্ষেত্ৰত বিশেষ ব্যৱস্থা ল'বলৈ অনুৰোধ জনাইছো।

* শ্ৰীনীলমণি সেন ডেকা (কৃষি মন্ত্ৰী) ঃ মাননীয় সভাপতি মহোদয়, মাননীয় সদস্যগৰাকীয়ে গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে। তেখেতে কোৱা মতে, কেৱল পলাশবাৰীতেই নহয়, অসমৰ বিভিন্ন অঞ্চলত কৃষিভূমিৰ মাটি ইটাভাটাকে ধৰি বিভিন্ন উদ্যোগ স্থাপন বা অন্যান্য বিশেষ কামত ব্যৱহাৰ কৰিছে। এই সম্পৰ্কত মাননীয় মুখ্যমন্ত্ৰী, ৰাজহ মন্ত্ৰীৰ লগত আলোচনা কৰিছিলো। সেইমৰ্মে আমি কৃষকৰ মাটি আৰু খেতিৰ মাটি যাতে অইন কামত হস্তান্তৰিত নহয়, তাৰ কাৰণে লেণ্ড ইমপ্লিমেণ্টেছন এক্ট এখন গঠন কৰাৰ পৰিকল্পনা লৈছো। এইখন অতি সোনকালে প্ৰয়োগ কৰাৰ কাৰণে চিন্তা কৰিছো। মাননীয় সদস্যগৰাকীয়ে এই বিষয়টো উত্থাপন কৰাৰ কাৰণে ধন্যবাদ জনাইছো।

* শ্ৰীপ্ৰশান্ত ফুকন ঃ মাননীয় সভাপতি মহোদয়, মই এটা স্পষ্টিকৰণ বিচাৰিছো। কিয়নো এই বিষয়টো যদি এতিয়াই ক্লিয়াৰ নহয় তেতিয়াহ'লে পাছলৈ অসুবিধা হ'ব। মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণত উল্লেখ কৰিছিল ৫৫ লাখ মেট্ৰিক টন ধান উৎপাদন হৈছে কিন্তু কথা হ'ল এইটো ধান নে চাউল। কিয়নো এক কুইণ্টল ধানত ৬৫ কেজি চাউল ওলায়, গতিকে এইটো ধান নে চাউল এইটো ক্লিয়াৰ হ'ব লাগে। ইমান কুইণ্টল চাউল বা ইমান কুইণ্টল ধান এইটো একে নহয়। এইটো ক্লিয়াৰ হ'ব লাগে।

* শ্ৰীনীলমণি সেন ডেকা (কৃষি মন্ত্ৰী) ঃ মাননীয় সভাপতি মহোদয় ট্ৰেনচেলেচনত এইটো ভুল হ'ব পাৰে। এইটো আচলতে ধান নহয় চাউলহে। চাউলৰ পৰিমাণ হিচাপে ধানৰ পৰিমাণ বেছি হ'ব। গতিকে এইটো চাউল।

মাননীয় সভাপতি ঃ এতিয়া মাননীয় সদস্য শ্ৰীৰণজিৎ কুমাৰ দাসকে ধৰি ১৩ গৰাকী

---

* Speech not corrected

সদস্যই যি কর্তন প্রস্তাৱ উত্থাপন কৰিছে। তেখেতসকলে প্রস্তাৱটো প্রত্যাহাৰ কৰিবনে? (মাননীয় সদস্যসকলে উঠাই লয়) প্রস্তাৱটোত মাননীয় সদস্যসকলৰ সন্মতি আছেনে ? (মাননীয় সদস্যসকলে হয় আছে, বুলি জনালে) প্রস্তাৱটো প্রত্যাহাৰ কৰা হ'ল।

এতিয়া মই প্রস্তাৱটো সদনৰ অনুমোদনৰ কাৰণে দাঙি ধৰিলো।

২০১৪ চনৰ ৩১ মার্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত ভাৰপ্রাপ্ত মন্ত্রীক কৃষি শিতানৰ প্রশাসনৰ অর্থে ১০৩৯২২,১০ লাখ টকা মঞ্জুৰ কৰিব লাগে।

এই প্রস্তাৱত যিসকল সপক্ষে আছে, তেখেসকলে কওক হয়

আৰু যিসকল সদস্য প্রস্তাৱটো বিপক্ষে তেওঁলোকে কওক নহয়,

মই ভাবো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে।

প্রস্তাৱটো গৃহিত কৰা হ'ল, আৰু ৪৮ নং মঞ্জুৰাটো গৃহীত হ'ল।

এতিয়া মঞ্জুৰী নং-৬২ , এতিয়া শক্তি বিভাগৰ মন্ত্রী প্রদ্যুত বৰদলৈয়ে প্রস্তাৱটো দাঙি ধৰিব।

শ্রীপ্রদ্যুৎ বৰদলৈ (মন্ত্রী) ঃ মাননীয় সভাপতি মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্রমে মই প্রস্তাৱ কৰিব খোজো যে ২০১৪ চনৰ ৩১ মার্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত ভাৰপ্রাপ্ত মন্ত্রীক শক্তি (বিদ্যুৎ) শিতানৰ প্রশাসনৰ অর্থে ৬৪৯৭৩,৫৩ লাখ টকা মঞ্জুৰ কৰিব লাগে।

মাননীয় সভাপতি ঃ তিনিটা কর্টন প্রস্তাৱ আছে, মাননীয় সদস্য শ্রীৰঞ্জিত কুমাৰ দাস, শ্রীমনোৰঞ্জন দাস, শ্রীদিলীপ মৰাণ, শ্রীযাদৱ চন্দ্র ডেকা, শ্রীফণীভূষণ চৌধুৰী, শ্রীপ্রফুল্ল কুমাৰ মহন্ত, শ্রীকেশৱ মহন্ত, শ্রীভূপেন ৰায়, শ্রীপদ্ম হাজৰিকা, শ্রীউৎপল দত্ত, শ্রীপ্রবীণ হাজৰিকা, শ্রীমুকুন্দৰাম চৌধুৰী, শ্রীনৱ কুমাৰ দলৈ, শ্রীচিৰাজ উদ্দিন আজমল, মৌলনা আটাউৰ ৰহমান

মাজৰ ভূঞাকে ধৰি যিসকল মাননীয় সদস্যই কর্তন প্রস্তাৱ আনিছে, তেখেতসকলক এজন এজনকৈ উত্থাপন কৰিবলৈ অনুৰোধ কৰা হ'ল।

* শ্রীদিলীপ মৰাণ ঃ মাননীয় সভাপতি মহোদয়, ২০১৩-১৪ চনৰ বাজেট দ্বিতীয় খণ্ডৰ ৯ আৰু ৮০-৮৮ পৃষ্ঠাত থকা শক্তি শিতানৰ ৬২ নং মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৬৪৯৭৩,৫৩ লাখ টকা এটকালৈ হ্রাস কৰা হওক। অর্থাৎ মঞ্জুৰীৰ ৬৪৯৭৩,৫৩ লাখ টকা এটালৈ হ্রাস কৰা হওক।

শ্রীকেশৰ মহন্ত ঃ মাননীয় সভাপতি মহোদয়, ২০১৩-১৪ চনৰ বাজেটৰ দ্বিতীয় খণ্ডৰ ৯ অংশৰ ৮০-৮৮ পৃষ্ঠাত থকা শক্তি শিতানৰ ৬২ নং মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৬৪৯৭৩,৫৩ লাখ টকা এটকাকৈ হ্রাস কৰা হওক। অর্থাৎ মঞ্জুৰীৰ ৬৪৯৭৩,৫৩ লাখ টকা এটকালৈ হ্রাস কৰা হওক।

শ্রীআব্দুৰ ৰহিম খান ঃ মাননীয় সভাপতি মহোদয়, ২০১৩-১৪ চনৰ বাজেটৰ দ্বিতীয় খণ্ডৰ ৯ অংশৰ ৮০-৮৮ পৃষ্ঠাত থকা শক্তি শিতানৰ ৬২ নং মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৬৪৯৭৩,৫৩ লাখ টকা এটকালৈ হ্রাস কৰা হওক। অর্থাৎ মঞ্জুৰীৰ ৬৪৯৭৩,৫৩ লাখ টকা এটকালৈ হ্রাস কৰা হওক।

মাননীয় সভাপতি ঃ কর্তন প্রস্তাৱ কৰা মাননীয় সদস্যসকলৰ ভিতৰৰ পৰা এজন এজনকৈ বক্তব্য আগবঢ়াবলৈ অনুৰোধ জনালো।

* শ্রীমনোৰঞ্জন দাস ঃ মাননীয় চেয়াৰমেন মহোদয়, কর্তন প্রস্তাৱটো উত্থাপন কৰি মই এই বিভাগটোৰ ওপৰত কেইটামান কথা ক'ব বিচাৰিছো—

শক্তি বিভাগৰ এই কথাৰিলাক আমি বহুদিনৰ পৰা দেখি আহিছো আমাৰ শক্তি বিভাগটোৱে বাইজৰ উপকাৰৰ কাৰণে যিধৰণৰ চিন্তা-চর্চা কৰিব লাগিছিল বা প্রয়োজন ভিত্তিক কাম কৰিব লাগিছিল সেই ধৰণে চেষ্টা কৰা নাই। চৰকাৰৰ কৃষি বিভাগতে হওক বা ক্ষুদ্র জলসিঞ্চনৰ কাৰণেই বা দোমেষ্টিক কঞ্জামচন বা কমার্চিয়েল কঞ্জামচন

* Speech not corrected

নাইবা ল'ৰা-ছোৱালীৰ কাৰণে যিখিনি বিজুলিৰ দৰকাৰ সেইখিনি কৰিব পৰা নাই অর্থাৎ উৎপাদন আৰু কঞ্জামচনৰ মাজত এটা গেপ আছে এই গেপটো বছৰ বছৰ ধৰি চলি আছে সেই গেপটো কমাব পৰা নাই। মোৰ বোধেৰে আমাৰ যিবিলাক থার্মেল প্ৰজেক্ট আছিল বঙাইগাঁও চন্দ্রপুৰ সেইবিলাকত ইনষ্টল কেপাছিটি বন্ধ হৈ যোৱাৰ কাৰণে বা কমি যোৱা কাৰণে এই অৱস্থা হৈছে। এইবিলাকৰ ইনষ্টল কেপাছিটি ৰিভাইভ কৰিবৰ কাৰণে চৰকাৰে যিধৰণে চিন্তা-চর্চা কৰিব লাগিছিল, সেই ধৰণে কৰা নাই। বঙাইগাঁও চন্দ্রপুৰৰ থার্মেল পাৱাৰ প্ৰজেক্ট পুনৰ উদ্ধাৰ কৰা হ'ব ২০০৭ চনৰ পৰা কৈ আছে। তাৰ কাৰণো কৈছে যে বিহাৰৰ পৰা কয়লা আনিব লাগিব কিন্তু বিহাৰৰ পৰা কয়লা আনিলে খৰচ বেছি হয়। আমাৰ অসমেও কয়লা উৎপাদন কৰে কিন্তু অসমৰ কয়লাত এছ কম পোৱা যায় অর্থাৎ ইয়াৰ কোৱালিটিৰ ভাল নহয় কাৰণে অসমৰ কয়লা লগাব পৰা নাই, সেই কাৰণে থার্মেল প্ৰজেক্টবিলাক ৰিভাইভ কৰিব পৰা নাই কিন্তু এই প্ৰজেক্টৰ পৰা উৎপাদন বঢ়াব নোৱাৰিলে গেপটো কমাব পৰা নাযাব। Toral available capacity to instal remain uncharged during 2011-12 কিন্তু আমাৰ শক্তি বিভাগৰ কোনো পৰিৱর্তন নাই এই বিভাগটো আই চি ইউত থকাৰ নিচিনা হৈছে হস্পিতালত বেমাৰী থকা নিচিন। এই বিষয়ে একো চিন্তা-চর্চা কৰা হোৱা নাই। আমিতো বছৰে বছৰে বাজেটত টকা দি আছো তথাপি অত্যাধুনিক চিন্তা-চর্চা কৰিব পৰা নাই। অসমত আজি বহুত বাহিৰৰ লোকে প্ৰাইভেট পার্টিয়ে উদ্যোগ গঢ়াৰ আগ্রহী। আমাৰ শক্তি মন্ত্রী ডাঙৰীয়া উদ্যোগ মন্ত্রীও তেখেতে জানে শক্তি যদি পর্যাপ্ত পৰিমাণৰ নাপায় তেতিয়া উদ্যোগ কেনেকৈ হ'ব? সেই কাৰণে আমাৰ উদ্যোগবিলাক মৰি গৈছে নন ফাংচনিং হৈছে কাৰণ সেইবিলাকৰ ভিতৰত এইটোও

এটা কাৰণ। উদ্যোগ গঢ়িবলৈ হ'লে আন্তঃগাঁথনি উন্নয়ন কৰি দিব লাগিব। তাৰ কাৰণে যিখিনি ৰিকুইজিট বিজুলী সেইখিনি পাম নে নাই? কিন্তু মন্ত্ৰী মহোদয়েতো হাত দাঙি দিছে। তেখেতে কৈছে পানী নাই বৰষুণ নাই আমি কি কৰিম। বিভাগটোয়ে ভেকুলিৰ বিয়া পাতিব নোৱাৰে। কিন্তু বিভাগে জানিব লাগে অসমত যে খৰালীত পানী নাথাকে, এই চিন্তা-চৰ্চা আগতে কৰিব লাগে। তেখেতে পাৱাৰ গ্ৰীডৰ কথা কৈছে পাৱাৰ গ্ৰীডৰ পৰা পাৱাৰ আনিলে টকা দিব লাগিব। আমাক ৪০৯ মেগাৱট লাগে ৰা লওঁ তেওঁলোকে আমাক নিদি বেলেগকো বিক্ৰী কৰিব পাৰে। পাৱাৰ গ্ৰীডৰ নিষেধাজ্ঞাৰ বাবেই বিদ্যুৎ আনিব পৰা নাই বুলি বিভাগে কৈছে। বিদ্যুৎ সংকট সম্পৰ্কত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ বক্তব্য সলনি হৈছে, পূৰ্বতে বিদ্যুৎ সংকট সম্পৰ্কত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ বক্তব্য আছিল ধন দিলে পৰ্যাপ্ত বিদ্যুৎ পোৱা যায় যদিও উচ্চ নিৰিখত বিদ্যুৎ ক্ৰয় কৰি গ্ৰাহকক যোগান ধৰিবলৈ পৰিষদৰ হাতত পৰ্যাপ্ত ধন নাই। এতিয়া পৰিষদৰ বক্তব্য হ'ল পৰিষদৰ হাতত ধন থাকিলেও ৰাজ্যৰ বাহিৰৰ পৰা বিদ্যুৎ ক্ৰয় কৰি আনিব নোৱাৰে। কিয়নো অত্যাধিক বিদ্যুৎ সৰবৰাহৰ ক্ষেত্ৰত পাৱাৰ গ্ৰীডে জাৰি কৰিছে নিষেধাজ্ঞা। এইটো আজিৰ দৈনিক অসম বাতৰি কাকতৰ বাতৰি। এই অজুহাততেই ৰাজ্যখনত ঘণ্টাৰ পাছত ঘণ্টা ধৰি বিদ্যুৎ কৰ্তন কৰা হৈছে। এতিয়া আমাৰ মন্ত্ৰী মহোদয় মাৰ্ঘেৰিটাত সিফালে সিমান সংকট নাই। নামিন অসমত বিদ্যুতে ক্ৰন্দন উলিয়াই আছে। বিধায়ক হিচাপে আমাক আহি ধৰে আমি বিপদত পৰো। এতিয়া যোৱাকালি ধৰক ৰাতি এঘণ্টা বন্ধ পালন কৰো এক ঘণ্টা বিদ্যুৎ বন্ধ কৰি ৰাহি কৰো। কিন্তু আমাৰ বিদ্যুৎ নায়েই যেতিয়া, বিজুলী বাতি জ্বলাই নাই যেতিয়া এঘণ্টা ক'ৰপৰা পালন কৰিম? ক'ৰ পৰা ৰাহি হ'ব? আমি ক্ষুদ্ৰ জলবিদ্যুৎ

প্রকল্পবিলাকত একেবাৰে গুৰুতৰ দিয়া নাই। বৰ্তমান অসমত ৯৫ টা জলবিদ্যুৎ প্রকল্প আছে। ইয়াত জোৰ দিয়া হ'লে হাইড্রোনিক গেপটো আমি কম্যাব পাৰিলোহেঁতেন। কিছুমান জলবিদ্যুৎ প্রকল্পৰ কাম আৰম্ভই কৰা নাই। হ'ব হ'ব বুলি কৈ আছে কিছুমান বন্ধ হয়েই আছে। অর্থাৎ আহক বাৰিষা কটিক পাত বৈ যা ভিনিহি খাই যা ভাত। গতিকে আমি লোৱা ব্যৱস্থাবিলাক এনকাৰেজিং নহয়। যাৰ কাৰণে আমি কামবিলাকত আগবাঢ়িব পৰা নাই।

আমাৰ চৰকাৰে ক্ষুদ্র জলবিদ্যুৎ প্রকল্পত গুৰুত্ব দিয়া নাই। কথাটো সঁচা যেন লাগিছে। কাৰণ কামবিলাকত আগবাঢ়িব পৰা নাই। এতিয়া কথা হ'ল অসম চৰকাৰৰ হাতত পইচা আছে নে নাই? অন্যথাই অন্য যিবিলাক সংস্থা আছে, যেনে ৱর্ল্ড বেংক, ইণ্টাৰনেচনেল মানি বেংক যিবিলাক আছে তাৰ পৰা টকা ধাৰ ল'ব লাগে। কিন্তু তাতো কিছুমান কণ্ডিচন আছে। যেনে আমাৰ ইয়াত কাবুলীওৱালাবিলাকে ধাৰ দিয়ে, কিন্তু তাতো কণ্ডিচন আছে সুদ কিমান দিব লাগিব, আৰু সুদ বা টকা পৰিশোধ কৰিব নোৱাৰিলে ঘৰৰ চাইকেলখনকে লৈ যাব। ইত্যাদি ইত্যাদি। এই যে টকাবিলাক ধাৰ কৰি অনা হ'ব ইণ্টাৰনেচনেল বিখ্যাত সংস্থাবিলাকৰ পৰা তাত আমাৰ কণ্ডিচন নাখাটে, তেওঁলোকৰ যিটো কণ্ডিচন সেইটোহে খাটিব। এতিয়া কেন্দ্রীয় চৰকাৰৰ পৰা আনিব পৰা হ'লে বেলেগ কথা আছিল। আমাৰ মাননীয় প্রফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই যেনেকৈ শতকৰা ১০০ ভাগেই ফ্রী লোন অর্থাৎ লোন ঘুৰাই দিব নলগাকৈ টকা আনিছিল, অৱশ্যে তেনেকৈ টকা আনিব লাগিলে বহুত কষ্টৰ কথা। বিভাগবিলাকৰ কষ্টৰ অনুপাতে বিলম্বো কথা থাকে। এইক্ষেত্রত জলবিদ্যুৎ প্রকল্পকেইটা প্রাইভেট কোম্পানীলে ঠেলি দিয়া হৈছে। কিন্তু তেওঁলোকৰ ফিজিবিলিকে আদি কৰি নানান কথা আছে। গতিকে যাক দিছে তেওঁলোকৰো

অসুবিধা হৈছে। মই ভাবো আমাৰ কৃষি আৰু জলসিঞ্চন বিভাগেও কৰিব পাৰিলেহেঁতেন। আমি যদিও ভাবিছো যে বা চিন্তা-চৰ্চা কৰিছো যে ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্প সম্পূৰ্ণ হ'লে ১৭০ মেগাওৱাট পাম। কিন্তু সেইটো নহয়। এই সকলোবিলাক ষ্টেগনেণ্ট হৈ আছে। ইম্প্লিমেনটেচন হোৱা নাই কাৰণে আগবাঢ়িব পৰা নাই। কাৰণ আমাৰ ব্যক্তিগত খণ্ডৰ অনুষ্ঠান-প্ৰতিষ্ঠানক আগবঢ়াই নিয়াৰ টেনডেনচি আছে। নামনি অসমৰ সোৱণশিৰি প্ৰকল্প কৰিছে। আৰম্ভ হৈছে অৰুণাচলত। এতিয়া নামনি অসমত মাছ মৰক, ভেকুলী মৰক, মানুহ মৰক সেইটো কথা নাই। প্ৰকল্প কৰিব লাগিব। নামনি অসমত যে বানপানী হয় তাৰ কোনো চিন্তা-চৰ্চা নাই।

এই প্ৰকল্পবিলাক চিন্তা-চৰ্চা কৰাৰ সময়ত যিবিলাক কথালৈ বিতৰ্ক হ'ব লাগিছিল সেইবিলাক বিতৰ্ক এতিয়া আৰম্ভ হৈছে। ধৰক ৩০ মিটাৰ ওপৰৰে পানী গৈছে বানপানীৰ সময়ত। নামনি অসমত ১৯৯৭ চনৰ ভূমিকম্প, ১৯৫০ চনৰ ভূমিকম্প ইত্যাদি। কিন্তু এইবিলাক চিন্তা-চৰ্চা বা বিতৰ্ক আগতে হোৱা নাছিল যদিও এই ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্প কৰোতে আমাৰ কোনো কথাই নাখাটে, তথাপি এই সাৱধানতাবিলাক অৱলম্বন কৰিব লাগিব। আমাৰ মন্ত্ৰী মহোদয়ে এই প্ৰকল্পবিলাক আগবঢ়াই নিবলৈ যত্ন কৰি আছে আৰু ৰাইজৰ আশা-আকাংক্ষাবিলাক পূৰণ কৰিবলৈ। এইটো মোৰ নিজা কথা নহয়। ইয়াত যি লিখা আছে সেইটোহে মই কৈছো। এই বিষয়ে মই বেছি নকওঁ, দীঘলীয়া নকৰো।

মাননীয় সভাপতি মহোদয়, আমাৰ কেইটামান সুবিধা আৰু অসুবিধা আছে। তাৰে কেইটামান হ'ল ২০০৯-১০, ২০১০-১১ আৰু ২০১১-১২ত ট্ৰেঞ্চমিছন আৰু ডিষ্টিবিউচন এনেধৰণৰ। ২০০৯-১০ত ১,১৪৪.৯১, ২০১০-১১ত ১,২৩৮.৩০ আৰু ২০১১-১২ত

১,৬৭৮.৮১ । এইবিলাক ট্রেঞ্চমিছন আৰু ডিষ্ট্রিবিউচন হিচাপ কৰি দেখুৱাইছে যে লছ হৈছে। ট্রেঞ্চমিছন আৰু ডিষ্ট্রিবিউচন লছ হৈছে। প্রডাকচনত লছ হোৱা নাই। ৰাইজৰ পৰা পইচা পাই আছে। কিন্তু ট্রেঞ্চমিছন আৰু ডিষ্ট্রিবিউচন সাংঘাতিক। এইটো মন্ত্রী মহোদয়ে দিলে ভাল হয়। এনেকুৱা কাহিনী আৰু বহুতো আছে। আৰু নকওঁ। কনজুমাৰে চুৰি কৰে কেনেকৈ। তাত লছ দেখুওৱা নাই। আমি ট্রেঞ্চমিচন আৰু ডিষ্ট্রিবিচনতহে পাইছো। গাঁৱত চুৰি কৰে কেনেকৈ। তাঁৰত হাকোটা লগাই বিদ্যুৎ চুৰি কৰে। তাৰোপৰি কিছুমানৰ মিটাৰ নাই। ইয়াত সেইবিলাক দেখুওৱা নাই। বিজুলী বাটিৰ কাৰণে গাঁৱৰ মানুহে কান্দি থাকে। আমাৰ এযাৰ কথা আছে— আকাশত ঘৰ পাতালত দুৱাৰ, ঘনে সোমাই, ঘনে ওলায়। সেইটো আছিল চৰকাইৰ ক্ষেত্রত। কিন্তু এতিয়া আমাৰ বিজুলীৰ ক্ষেত্রটো হৈছে। গতিকে বিজুলী সদায় থকাৰ ব্যৱস্থা কৰিব পাৰে নেকি। এইটো চিন্তা কৰিব লাগে। গাঁৱত ৰাইজে জোনাকৰ পোহৰত আছিল। এতিয়া গাঁৱৰ ৰাইজে ভাবিছে যে বিজুলীবাটিৰ পোহৰ আহিব। সদায়ে পূৰ্ণিমা নিচিনা হৈ থাকিব। ৰাজীৱ গান্ধী গ্রাম্য বৈদ্যুতিকৰণ আঁচনি এইটো আঁচনি বৰ ভাল আছিল। ভাৰিছিল যে সকলো দুখীয়া ৰাইজে বিজুলী বাটিৰ পোহৰ পাব। এই সম্পর্কত গাঁৱৰ ৰাইজে দৰ্খাস্ত লৈ আছে। তেওঁলোকে অভিযোগ কৰে যে বি পি এল কার্ড থকা সত্ত্বেও আমি লাইন পোৱা নাই। যিয়ে পাইছে সেইবিলাকেও হেনো পইচা দিবলগীয়া হৈছে। এই সংক্রান্তত কিমান যে দৰ্খাস্তত চহী কৰিলো তাৰ হিচাপ নাই। ঠিকাদাৰক শোধো যে বেলেগ বেলেগ গাঁওত যে বিজুলি বাটি হৈছে আমাৰ গাঁওত কিয় হোৱা নাই। তেতিয়া ঠিকাদাৰে কলে যে খুড়া হৈ আছে। এই বিষয়ত কে কৈ ভাগৰী পৰিছো। টিম্বৰ ফালে গাঁওত হৈছে। বিষয়াক শুধিলে কয় যে চেনচন লাহে। কিমান

গাঁওত বিজুলীবাটি হৈছে ইয়াত লিখা আছে। যিহেতু প্রডাকচন ষ্ট্রেগনেন্ট সেই কাৰণে কনজুমাৰো ষ্টেগনেন্ট হৈ আছে। ৰাজীৱ গান্ধী গ্রাম্য বৈদ্যুতিকৰণ যোজনাত ষ্টেগনেন্ট হৈ আছে। কথাটো হৈছে যাৰ, টকা পইচা আছে তাৰ কাম হব আৰু যাৰ টকা পইচা নাই তাৰ কামো নহয়। এই চৰকাৰে কৈছিল যে ৰাইজৰ চৰকাৰ ৰাইজৰ পদুলিত। এতিয়া কথাটো হৈছে যে ৰাতি ৰাইজৰ ওচৰলৈ গলে কিন্তু খালত পৰিব। কাৰণ গাঁওত বিজুলীৰ পোহৰ নাই।

সভাপতি মহোদয়, সামগ্রীকভাবে গাঁওৰ উন্নয়ন হব লাগিব। সকলো ধৰণৰ আন্তঃগাঠনি তৈয়াৰ কৰিব লাগিব। গাঁওত অকল কৃষকৰ কথা কলেই নহব। কৃষি ক্ষেত্রত বিজুলী লাগিব। উদ্যোগতো বিজুলী লাগিব। আনকি বিয়া, ৰিছটো বিজুলি লাগিব। বিহুতটো যথেষ্ট পৰিমানে বিজুলী লাগে ভাল গীত এটি গাবলৈ হলেও বিজুলীৰ সংযোগ লাগিব। নহলে গান বেয়া হৈ যাব। গতিকে বিজুলী সকলোতে লাগিব। সামগ্রীকভাবে উন্নয়নৰ কাৰণে আন্তঃগাঠনিৰ উন্নয়ন লাগিব। আমি বাৰে বাৰে কৈ আহিছো যে শক্তি আধুনীক যুগত প্রয়োজনীয় উপাদান। সামাজিক গাঠনিয়েই হওঁক বা অর্থনৈতিক গাঠনিয়েই হওঁক সকলো ক্ষেত্রত বিজুলীক দৰকাৰ। যিহেতু আমাৰ উন্নয়নমুখী ৰাজ্য আৰু যিসকল সমাজৰ প্রতিনিধি তেওঁলোকে ৰাইজৰ কথাকে ভাবে। Total number of villages as per 2011 census 25124, villages electrified 18567. অসমৰ উন্নতিৰ কাৰণে বিজুলীৰ ব্যৱস্থা কৰিবই লাগিব। আৰু কিছু উন্নতকৰণৰ কথা চিন্তা কৰিব পাৰে নেকি। সভাপতি মহোদয়, আপোনাৰ জড়িয়তে উৎথাপন কৰি কর্ত্তন প্রস্তাৱৰ সপক্ষে বক্তৃতা ৰাখি আশা ৰাখিছো চিক্‌মিক বিজুলীৰ দৰে নহে (চিকমিত বিজুলী চিনেমাও আছে) যাতে গ্রাম্য সকলোকে ধৰি সকলোৰে বিজুলীৰ পোহৰ পায় তাৰে আশা কৰিলো

আৰু মোৰ বক্তিতাৰ সামৰণি মাৰিলো।

* শ্ৰী আব্দুৰ ৰহিম খাম ঃ মাননীয় সভাপতি মহোদয়, মই আমাৰ বিদ্যুত বিভাগত ২০১৩-১৪চনৰ ৰাবে যি বাজেট ধৰা হৈছে সেইখিনি হৈছে ৬৪১৭৩.৫৩লাখ টকা। কৃষিৰ ক্ষেত্ৰত ১.৫ কোটি টকা ধাৰ্য্য কৰা হৈছে। তেনেকৈ বিভিন্ন বিভাগৰ কাৰণে বাজেট বিচৰা হৈছে। আমাৰ এইবাৰ যিমানখিনি টকা বিচৰা হৈছে সেইটো মই ভাৱো কম হে হৈছে। ইয়াত ধৰাত কৈ বেছি টকাৰ প্ৰয়োজন আছিল। বৰ্তমান বিদ্যুৎ বিভাগটোৰ যি পৰিস্থিতি হৈছে ৰাজ্যখনত কাম কাজ বন্ধ হবলগীয়া হৈছে। বিদ্যুতৰ কাৰণে অফিচৰ কাম ক্ষতি হৈছে ঘৰৰা কামৰ ক্ষতি হৈছে তাৰোপৰি সৰু সৰু উদ্যোগ বিলাকৰ বেছি ক্ষতি হৈছে। মাননীয় মন্ত্ৰী মহোদয়ক এইখিনিতে এটা কথা জনাবলৈ বিচাৰিছো যে বিদ্যুৎ বিভাগৰ কৰ্মচাৰীসকলৰ পেঞ্চনৰ বিষয়ে। এইপেঞ্চনৰ ক্ষেত্ৰত বহুটো টকাৰ খেলিমেলি হৈছে। সেই বিষয়টো চোৱাৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক দৃষিআকৰ্ষণ কৰিলো। মাননীয় সভাপতি মহোদয়, বিদ্যুৎ পৰিষদৰ তথ্য অনুসৰি দৈনিক ১১৫০ মেগাৱাট বিদ্যুতৰ চাহিদাৰ পৰিবৰ্তে দৈনিক সংগ্ৰহ হয় ৬৫০ মেগাৱাট বিদ্যুৎ। ইয়াৰ পৰা আমি দেখা পাইছো আমাৰ সদায় ৫০০ মেগাৱাট বিদ্যুতৰ নাটনি হৈ থাকে। এই বিলাকৰ ক্ষেত্ৰত মাননীয় মন্ত্ৰীয়ে উত্তৰ দিব লাগিব। বিদ্যুতৰ নাটনি হোৱাৰ কাৰণে ছাত্ৰ-ছাত্ৰীসকলৰ অসুবিধা হৈছে। ঘৰৰা কাম-কাজৰ অসুবিধা হৈছে। অফিচৰ কাম কাজত ব্যাঘাত হৈছে, বানিজ্যিক ক্ষেত্ৰতো লোকচান হৈছে। সৰু-সুৰা উদ্যোগ বিলাকৰ ক্ষতি হৈছে এই বিষয় বিলাকত কিয় এতিয়ালৈকে আলোচনা হোৱা নাই। আজি গাঁৱৰ মানুহে বিদ্যুতৰ ঠাইত হাৰিকেন ব্যৱহাৰ কৰিব লগা হৈছে। জলসিঞ্চনৰ ক্ষেত্ৰতো বিদ্যুতৰ নাটনীৰ কাৰণে অচল হৈ যাব লগাহৈছে আৰু স্ব-নিয়োজন যি বিলাক আঁচনি সেই

বিলাক ক্ষতি হৈছে দৈনিক ৩ কোটি টকাৰ লোকচান হবলৈ ধৰিছে। এই বিলাকত গুৰুত্বৰ দিয়া নাই কিয়? ক্ষুদ্ৰ উদ্যোগ বিলাক বন্ধ হৈ গলে সাধাৰণ মানুহ বিলাক কেনেকৈ চলিব। বিদ্যুতৰ নাটনিৰ কাৰণে ৫০শতাংশ উদ্যোগ ইতিমধ্যে বন্ধ হৈ গৈছে। মাননীয় মন্ত্ৰীয়ে এই বিলাকৰ স্পষ্ট উত্তৰ দিব লাগিব।

মাননীয় সভাপতি মহোদয়, ৰাজ্যিক বিদ্যুৎ পৰিষদত বৰ্তমান বিভিন্ন ধৰণৰ অনিয়ম হোৱাৰ কাৰণে লাষ্ট গেটত বিদ্যুত কৰ্মচাৰী সকলে দাবী সম্বলিত কৰি প্ৰতিবাদ কৰিবলৈ বাধ্য হৈছে। অসম ৰাজ্যিক বিদ্যুত পৰিষদ ভঙ্গৰ ৰাজ্যিক কেবিনেটত সিদ্ধান্ত বাতিল কৰা, বিদ্যুত পৰিষদৰ অধিনত নতুন প্ৰকল্প গঢি তুলি নিজস্ব উৎপাদন বৃদ্ধি কৰা, পৰিষদৰ ভবিষ্যত সুৰক্ষিত কৰা, বিদ্যুত পৰিষদৰ কাম কাজত ফ্ৰেন্সাইজীকৰণ বন্ধ কৰা, সুলভ মূল্যত বিদ্যুত মাচুল নিদ্ধাৰণ কৰা আৰু অস্থায়ী বিদ্যুত কৰ্মচাৰীৰ চাকৰি নিয়মীয়া কৰণ কৰাৰ বাবে বিদ্যুত কৰ্মচাৰী আৰু অভিযন্তাৰ ৰাষ্ট্ৰীয় সমন্বয়ৰক্ষীয়ে দাবী তোলে।

বিদ্যুতৰ ক্ষেত্ৰত নতুন নতুন আঁচনি পোৱা হৈছে আমি ভাল পাইছো। ইয়াৰ পৰা কৃষক সকল উপকৃত হব। আমাৰ তালিকা বিলাকো পোহৰ হৈছে। আঁচনি বিলাকৰ পৰা আমি উপকৃত হৈছো। আমাৰ যি বিলাক পাৱৰ উন্নয়নৰ কাৰণে এই আচনি বিলাক পোৱা হৈছে সেই বিলাক সফল হব লাগে। মই এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো এই ক্ষেত্ৰত আমাৰ আলোচনা হব লাগে। কাম বিলাক কৰিবলৈ ঠিকাদাৰক দিয়া হৈছে সেই বিলাক ঠিকমতে হোৱা নাই। আমি অভিযোগ পাইছো পইচা নহলে নীতি নিয়ম মতে কাম নকৰে। পইচা পালেহে কাম কৰে। এই কথা বিলাকত মন্ত্ৰী মহোদয়ে গুৰুত্ব দিব বুলি আশা কৰিলো। বিপিএলৰ মানুহৰ ক্ষেত্ৰত এই বিলাক হৈছে। কিছুমান ঠাইত বিদ্যুত বিভাগৰ খুটা

কেইটাহে আছে লাইন নাই। বিভাগে এই বিলাক চাব লাগে।

মাননীয় সভাপতি মহোদয়, ইয়াব উপৰিও য'ত ট্ৰেন্সফৰমাৰ এভেইলেবল নহয় তাত ট্ৰেন্সফৰমাৰ দিয়ক আৰু বহুত ঠাইত ধন নোপোৱাৰ কাৰণে নতুন কানেকচন দিব পৰা নাই। এই কথাটো মই বৰ দুখেৰে কব লগা হৈছে। যিখিনি চার্ভিচ দিব লাগে সেইখিনি আমি পোৱা নাই। আজি ৰাইজে ১০০ টকাৰ পৰা ৩০০ টকা বা ৭০০ টকা ভৰিব লগা হৈছে। ৰেট বাঢ়ি যোৱাৰ কাৰণে আজি এই টকাখিনি ভৰিব লগা হৈছে। বহুত ঠাইত ট্ৰেন্সফৰমাৰৰ কাৰণে অযথা পইচা ভৰিব লগা হৈছে। পইচা নিদিলে লাইন দিচকানেক্ট কৰিব লগা হৈছে। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাবলগীয়া হৈছো। এই স্পেচিফিক আলোচনা কৰিবৰ কাৰণে, সেইটো ছাত্ৰ-ছাত্ৰী থকা এখন গাঁৱত লাইন সংযোগবিহীন কৰা হৈছে। যিটো হব নালাগিছিল। তেওঁলোকে বিবেচনা কৰাৰ কাৰণে বিভাগক যি আবেদন কৰিছিল। মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ ছাত্ৰ-ছাত্ৰী থকা এই অঞ্চলটোত যাতে লাইন সংযোগ বিহীন নকৰে।

মাননীয় সভাপতি মহোদয়, মোৰ চাবডিভিজনত মিটিং দিবলৈ কওঁ আমি কথাবিলাক আলোচনা কৰিবৰ কাৰণে, কিন্তু প্ৰথমদিনাই যি আলোচনা কৰা হ'ল তাৰ পাছত আৰু নাই। অফিচৰ মানুহে আমাক কয় আপোনালোকে নোট কৰিব আমিও নোট কৰিম। ট্ৰেন্সফৰমাৰ নাই বিকল হৈ আছে। আমি স্থায়ীভাৱে ব্যৱস্থা ল'ব পাৰো নেকি? আজিলৈকে দিয়া হোৱা নাই। আমাৰ বিধায়ক আবুল কালাম আজাদ, তেওঁ তিনি বছৰ তিনিখন বিধান সভাত একেটা প্ৰশ্ন উত্থাপন কৰিছিল তেওঁৰ ঘৰত কানেকচন দিবৰ বাবে। কিন্তু তিনিবাৰ উত্থাপন কৰাৰ পাছতো নহ'ল। তেতিয়াহ'লে এই গৰীৰ মানুহবিলাকৰ কি অৱস্থা

হ'ব। যদি টকা-পইচা অলপ দিব পাৰিলেহেঁতেন তেতিয়া কাম হ'লহেঁতেন। আজি বিভিন্ন পলিচি সলনি হৈছে। ট্রেন্সফর্মাৰ এটাৰ কাৰণে আজি বিষয়া-কর্মচাৰীসকলৰ ওচৰলৈ গ'লে যিটো ব্যৱহাৰ পোৱা যায় সেই ব্যৱহাৰে মনত আঘাত দিয়ে। এই সকলোবিলাক কথা চালি-জাৰি চাবৰ কাৰণে এটা ভিজিলেন্স যদি কৰি দিয়া হয় ভাল হ'ব বুলি মই ভাবো। তাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক টানি অনুৰোধ জনাইছো।

গ্ৰাণ্ট নং ৬২

পাৰাৰ (ইলেকট্ৰিছিটি)

* শ্ৰী কেশৰ মহন্ত ঃ মাননীয় সভাপতি মহোদয়, আজি শক্তি বিভাগৰ কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত মই কেইটামান কথা উল্লেখ কৰিব বিচাৰিছো। আমাৰ শক্তি বিভাগৰ মন্ত্ৰী মহোদয় যথেষ্ট সৌভাগ্যৱান। একেধাৰে তিনিবাৰ শক্তি বিভাগৰ মন্ত্ৰী হৈছে আৰু ৰাজ্যখনত পাৰাৰ পাবৰ কাৰণে তেখেত সক্ষম হৈছে। ৰাজ্যখনত বিদ্যুৎ আনিবৰ কাৰণে সময় পাইছে। সেই কাৰণে মই তেখেতক যথেষ্ট সৌভাগ্যৱান বুলি ভাবিছো। ১৯৫৮ চনৰ জুন মাহত অসমৰ ইলেকট্ৰিছিটি বোৰ্ডখন গঠন কৰা হৈছিল। তাৰ পাছত মেঘালয় ৰাজ্য হওঁতে বোৰ্ডখন ভাগ হ'ল। আগতে একেলগে আছিল। বোৰ্ডখন ভাগ হোৱা পাছত অসমত 'আসাম ষ্টেট ইলেকট্ৰিছিটি বোৰ্ড' হ'ল। পাছত এ এছ ই বি ভংগ কৰি ইয়াক কোম্পানীলৈ নিয়া হৈছে। এইটো এটা সংস্কাৰ। গোটেই ভাৰতবৰ্ষত ২০০৩ চনত ইণ্ডিয়ান ইলেকট্ৰিছিটি বিৰ্ফমৰ কাৰণে ভাল হ'ল আৰু কোম্পানী গ'ল আৰু ইয়াত এটা সংস্কাৰ আনিবলগীয়া হ'ল। এই কাৰণে কথাটো আনিছো, মাননীয় মন্ত্ৰী ডাঙৰীয়াই সংস্কাৰ

* Speech not corrected

কৰাই নহয় পোনপ্ৰথমে মন্ত্ৰী হৈ থকা সময়ত তেখেতৰ ওপৰত দায়িত্ব আহি পৰিছে। অসম তিনিটা কোম্পানী হ'ল— আসাম পাৱাৰ কোম্পানী, ইলেকট্ৰিছিটি গ্ৰীড কোম্পানী আৰু ডিছট্ৰিবিউচন কোম্পানী। আমাৰ অসমত পাঁচটা, আপাৰ আসাম আৰু লৱাৰ আসাম ধৰা হয় যদিও প্ৰধানকৈ তিনিটাৰ হে সংস্কাৰ হ'ব। এই তিনিটাৰ কাম বেলেগ বেলেগ। জেনেৰেচন ট্ৰেন্সফৰ্মাৰ আৰু ডিছট্ৰিবিউচন। শক্তি টেন্সমিচন হৈছে নে নাই, ডিছট্ৰিবিছন হৈছে নে নাই। আদি যদি চাওঁ, ৯০ দশকত ৫৫৭৪ মেগাৱট আছিল আৰু তেতিয়া ৫০০ ৰ ভিতৰত আছিল প্ৰায় মিলি গৈছিল। আজি প্ৰায় ১৩০০ মেগাৱট পাৱাৰ লগলগাই দিয়া হ'লে আমাৰ প্ৰকৃত উৎপাদন ৩৭৬ বা ৩৭৭ মেগাৱট হ'লহেঁতেন বুলি আমি ভাৰিছো। যিটো 'এন টি পি এছ'ত হ'ল। তাত ১১৯.৫ মেগাৱট কেপাছিটি আছিল। আমি পাই আছো ৮০ মেগাৱট। 'এল টি পি এছ' ১৫৭.২ মেগাৱট পাৱাৰ লৈ আছে তেতিয়াহ'লে ১২০ ৰ পৰা ১৩০ মেগাৱট পাই আছো। আমাৰ ১০০ মেগাৱট আছে। আমাক লাগে ২৪০ বা ২৫০ মেগাৱট। উইন্টাৰ চিজনৰ কাৰণে আমি কম মেগাৱট পাই আছো। ৰেইনি চিজনত লেপ বাঢ়িব। বাকী গোটেইখিনি আমাৰ চৰ্ট। বাকীখিনি আমি নিজৰ পৰাও পোৱা নাই। প্ৰয়োজনীয়খিনি আমি বেলেগৰ পৰা কিনি আনিব লাগিব। চেণ্ট্ৰেল ছেক্টৰ কঠালগুৰি পাৱাৰ ষ্টেচনৰ পৰা ৫৮.২০ পাৰ্চেণ্ট পাওঁ। নেপকো তিনিটা, কপিলী এটা আদি কৰি দয়াং আৰু ৰঙানদীৰ পৰা পাৱাৰ উৎপাদন হৈ আছে। অৱশ্যে কম উৎপাদন হৈছে। কৰবাত ৫৫ পাৰ্চেণ্ট, কৰবাত ৪৫ পাৰ্চেণ্ট এনেধৰণে আমি পাওঁ। যদি প্ৰডাকচন হয় তেতিয়াহ'লে আমি পাম। কম উৎপাদন হ'লে কম পাম, বেছি উৎপাদন হ'লে বেছি পাম। বাহিৰৰ পৰা অহা যিটো লাইন ইষ্টাৰ্ণ বিজিয়নৰ পৰা যিটো লাইন আহে সেইটো ২৬ কিলোৱাট চিজন

লাইন। সীমিত ৪০০ মেগাৱট পাৱাৰ পাৱলৈ হ'লে ৩৬৫ মেগাৱট কাটি পাৱ হ'বলৈ দিয়ে। তাৰ কেপাছিটি নিচেই ক'ম। কেপাছিটি কম হোৱা কাৰণে গোটেই বস্তুটো উত্তৰ-পূৰ্বাঞ্চলৰ কাৰণে গোটেই লাইনটো আহে।

মাননীয় সভাপতি মহোদয়, ৩০০ মেগাৱট কমি থকাৰ কাৰণে লোড চেডিং হৈ আছে। মাজতে আমি পি ইউ চি কমিটীৰ মিটিংত অইলৰ এজন অফিচাৰ মাতি কথাটো আলোচনা কৰা হৈছিল। তেতিয়া আমাৰ সভাপতি মহোদয়, গগৈ ডাঙৰীয়া কমিটীৰ চেয়াৰমেন আছিল। পাছত এই কথাটো নহ'লগৈ। চন্দ্রপুৰ অইলত ২৪ মাহত হোৱা কথা আছিল চাৰি বছৰ হ'ল এতিয়াও কৰিব পৰা নাই। কাৰণ মন্ত্রী মহোদয়ে কয়লাৰ পাৰমিছন আনি দিব পৰা নাই। আমি চন্দ্রপুৰটো কৰিব পৰা নাই। আমাৰ গেছৰ পৰা উৎপাদন কৰিব পৰা গোলাঘাট, শিৱসাগৰ, শিলচৰ ৪৫.৫০ শতাংশ নেচাৰেল গেছ পুৰি আছে। এই নেচাৰেল গেচৰ পৰা কেইবাটাও কম কেপাছিটিৰ জেনেৰেটৰ কৰিব পাৰিলেহেঁতেন। এইক্ষেত্রত চৰকাৰী বিভাগে আগবাঢ়িব পৰা নাই। বঙাইগাঁৱত যিটো ইউনিট ২০১৪ চনত হোৱাৰ কথা এই ইউনিটটো হ'লে আমি ৭৫০ মেগাৱট পাৱ লাগিছিল কিন্তু যিহেতু এইটো চেণ্ট্রেল চেক্টৰ গতিকে ৭৫০ হ'ব পাৰে তথাপি আমি কমাই পাম। সোৱণশিৰিৰ যিটো প্রকল্প সেই প্রকল্পটো অৰুণাচল আৰু অসমৰ সীমাত যদিও তাত অৰুণাচলৰ মাটি বেছি গৈছে তথাপি অসমে গোটেই বিপদৰ দায়িত্ব ল'ব লাগিব। ১২ শতাংশ মেগৱাটৰ ২০৮ মেগৱাট আমি ল'ব পাৰিম। ৬০০ মেগৱাট পাম বুলি আমাৰ মন্ত্রী মহোদয়ে কৈছে। সেইটো আমি সদনৰ মজিয়াত চুক্তি দাঙি ধৰিলে ভাল পাম। অৰুণাচল মাটি গ'লে অসমে দায়িত্ব ল'ব লাগিব। অৰুণাচলে ১২ শতাংশ আমি ২৫ মেগৱাট পাম। এই কথাটো মন্ত্রী

মহোদয়ৰ পৰা সদনত স্পষ্টভাৱে পালে ভাল পাম। এগ্ৰিকালচাৰ, ইণ্ডাষ্ট্ৰিজ আৰু চাৰ্ভিছ ছেক্টৰ সকলোতে পাৱাৰ লাগিব। পাৱাৰটো মূল কথা। এ জি পিৰ দিনৰ পাঁচ বছৰ দোষ দিৰ পৰা আছিল। মাননীয় সভাপতি মহোদয়, আজিৰ দিনটোত তেওঁ নিজকে সমালোচনা কৰিব লাগিব। তিনিটা কামৰ দায়িত্ব পোৱাৰ পাছত পাৱাৰ ছেক্টৰ প্ৰডাকচন বাধা হৈ আছে। আজি ভাৰতবৰ্ষৰ ইলেক্ট্ৰিছিটি ৰিৰ্ফম হৈছে। ত্ৰিপুৰা ছাৱপ্লাছ ষ্টেট হৈছে। এতিয়া আমাৰ নামৰূপ থাৰমেল ষ্টেচনত ৬০ মেগাৱট হৈ আছে। চন্দ্ৰপুৰ হাতত লৱ পৰা নাই কয়লা আনি দিব পৰা নাই কাৰণে। নামৰূপ থাৰ্মেলত ৫ নং ইউনিটতত কাম হৈ আছে। ঠিক সেইদৰে লাকুৱা, থাৰ্মেল পাৱাৰত দুই আৰু তিনিত এইটো হোৱা বুলি আশা কৰিব লোৱাৰি।

মাননীয় সভাপতি মহোদয়, শিৱসাগৰৰ গেলেকীত যিটো আছে সেইটোত তিনিটা ইউনিট আছে, সেইটোও এবাগুন হৈ পৰি আছে। বঙাইগাঁও থাৰমেল প্ৰজেক্টোও সেই কাৰণে আছে। লাকুৱাটো হৈ আছে। কঠালগুৰি মোবাইল গেছ টাৰবাইনটোও পৰি আছে। যিকেইটাত আমি আশা কৰিছিলো সেই গোটেইকেইটা এবাগুন হৈ পৰি আছে। গতিকে এবাগুন হৈ পৰি থকা তালিকাখন মই মাননীয় মন্ত্ৰী মহোদয়ক দি মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো। ইয়াৰ পাছত ২০০৮ চনত ৩৪০ মেট্ৰিক টন কয়লা কেন্দ্ৰীয় চৰকাৰে আমাক আবণ্টন ক্ষেত্ৰত কেন্দ্ৰত এটা খেলিমেলি হোৱা বুলি শুনিছো। কেন্দ্ৰত কয়লাৰ খেলিমেলি লগাৰ পাছত আমাৰ কয়লাৰ কথাটো বাদ পৰিল। মাৰ্ঘেৰিটা থাৰমেল পাৱাৰ প্ৰজেক্ট আৰু আমগুৰিৰ গেচবেছ প্ৰজেক্টৰ কামো হোৱা নাই। নামৰূপৰ ৰিপ্লেছমেণ্ট পাৱাৰ প্ৰজেক্ট যিটো আছে সেইটো মন্ত্ৰী মহোদয়ৰ সমষ্টিত্তে। এইটো দ্বাদশ পৰিকল্পনাত লোৱা হৈছিল। এই কামটোটো একো আগবঢ়া নাই। এইটো কি কাৰণে কৰিব

পৰা নাই। কেন্দ্ৰীয় চৰকাৰৰ পৰা কয়লাখিনি কিয় আনিব পৰা নাই। চন্দ্ৰপুৰ আৰু মাৰ্ঘেৰিটাৰ এই দুটা প্ৰজেক্ট হোৱা নাই। এই আটাইকেইটা প্ৰজেক্টৰ ক্ষেত্ৰত কিয় আগৰাঢ়িব পৰা নাই এই কথাটো মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। ধনশিৰিৰ যিটো প্ৰজেক্ট আছিল সেইটোত জলসিঞ্চনৰ লগত পাৱাৰ উৎপাদন হোৱাৰ কথা আছিল। সেইটোও হোৱাৰ কোনো আশা নাই। লৱাৰ কপিলি হাইড্ৰ' ইলেকট্ৰিকেল প্ৰজেক্টৰ পৰা আমি কেতিয়া প্ৰডাকচন পাম। সভাপতি মহোদয়, আজি গুজৰাটত সৌৰশক্তিৰ জৰিয়তে বিদ্যুৎ উৎপাদন কৰিছে। কিন্তু এইক্ষেত্ৰত আমাৰ অসমে কিয় কৰিব পৰা নাই বুলি যদি মন্ত্ৰী মহোদয়ক কোৱা হয় তেতিয়া তেখেতে ক'ব যে আমাৰ ইয়াত তেনে ধাৰণৰ সা-সুবিধাৰ অভাৱ। সৰু সৰু যিবিলাক কয়লাবেছ প্ৰজেক্ট আছে সেইবোৰো হোৱা নাই। গতিকে এই আটাইখিনি প্ৰজেক্ট কিয় কৰিব পৰা নাই আৰু কিমান দিনৰ ভিতৰত কৰিব পাৰিব এই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ পৰা বিষদভাৱে জানিব বিচাৰিছো। সভাপতি মহোদয়, কাৰ্বি লাংপি প্ৰজেক্ট ১৯৮০ চনত আৰম্ভ হৈছিল। প্ৰথমে এইটো সুভাষ প্ৰজেক্টক দিয়া হৈছিল। পাছত ইয়াত বহু খেলিমেলি হৈছিল আৰু এই বিষয়ে আমাৰ এই বিধান সভাতো আলোচনা হৈছিল। ইয়াৰ পাছত ১৯৯৬ চনত এইটো ভাৰত হাইড্ৰ'পা�ৱাৰ কৰ্পোৰেচনক দিয়া হ'ল। ২০০৬ চনত কাৰ্বি লাংপি প্ৰজেক্ট হ'ল। গতিকে যিখিনি প্ৰজেক্ট এবাগুন হৈ পৰি আছে এইক্ষেত্ৰত কি ব্যৱস্থা লোৱা হ'ব। এই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। আজি চৰকাৰে বিকাশৰ কথা কৈ আছে। কিন্তু বিকাশৰ মূল আহিলাই হৈছে শক্তি। ট্ৰেন্সমিছনৰ যিটো কথা সেইটো ঋণ লৈ কৰা হৈছে। ট্ৰেন্সমিচন আমাৰ বাঢ়িছে। কিন্তু বাহিৰৰ পৰা বিদ্যুৎ কিনাৰ বাবে আমাৰ পইচা থাকিলেও কিছু সীমাবদ্ধতা আছে।

সভাপতি মহোদয়, ডিষ্ট্রিবিউচনৰ ক্ষেত্ৰত মই কিছু কথা ক'ব বিচাৰিছো। আজি চাহ বাগানবিলাকত কোম্পানীবিলাকে লাইট দিছে তাৰবাবে যথেষ্ট পইচা দিব লাগে। গতিকে চাহ বাগানৰ দুখীয়া শ্ৰমিকসকলক এ এছ ই বিয়ে কেনেধৰণে লাইট দিব, কেনেধৰণে মিটাৰ লগাব এই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। ট্ৰেন্সফৰ্মাৰ কিনাৰ ক্ষেত্ৰত যিবিলাক কোম্পানীক দায়িত্ব দিয়া হয় সেই বিলাকে পাছত গৈ নিজেই সৰ্বেসৰ্বা হৈ পৰে। এই কোম্পানীবিলাকৰ ওপৰত বহুতো অভিযোগ আছে। এই বিষয়ে থানাত কেচো হৈছে। গতিকে এই অভিযোগসমূহ কেনেকৈ নিৰাময় কৰিব পাৰি এই বিষয়ে গুৰুত্ব দিব লাগে। ৰাজীৱ গান্ধী গ্ৰাম্য বৈদ্যুতিকৰণৰ আঁচনিত যিবিলাক মিটাৰ দিছে এই সম্পৰ্কে অফিচত কোনো বিপৰ্ট নাই, যাৰ কাৰণে বিল অহা নাই। একেলগে ৬/৭ বছৰৰ বিল দিয়াৰ ফলত মানুহৰ যথেষ্ট দিগদাৰি হৈছে। গতিকে এইটো এটা ডাঙৰ সমস্যা হৈছে। গতিকে যিবিলাক লোকক কানেকচন দিব তেলঁলোকক এটা নিৰ্দিষ্ট সীমা নিৰ্ধাৰণ কৰি দিয়ক। ঠিক তেনেদৰে ট্ৰেন্সফৰ্মাৰৰ ক্ষেত্ৰতো তেওঁলোকে কেতিয়া পাব তাৰ কোনো নিশ্চয়তা নাই। ৫০ পৰা ৬০ শতাংশ মানুহে বিল পৰিশোধ কৰি থাকে। ৪০ শতাংশ মান মানুহেহে বিল পৰিশোধ নকৰে। এইক্ষেত্ৰত যিসকলে নিয়মীয়া বিল পৰিশোধ কৰি আছে তেওঁলোকে কিয় ট্ৰেন্সফৰ্মাৰ পোৱাৰ ক্ষেত্ৰত বঞ্চিত হ'বলগীয়া হয়। এইটো কি পাইকাৰী জৰিমনা নেকি? এইক্ষেত্ৰত মন্ত্ৰী মহোদয়ে এটা উচিত সিদ্ধান্ত গ্ৰহণ কৰিব লাগে।

মাননীয় সভাপতি মহোদয়, এতিয়া আহো পাৰাৰ কাটৰ কথালৈ। যিসময়ত ৰাজ্যত মেট্ৰিক, হায়াৰ ছেকেণ্ডাৰী আদি পৰীক্ষাসমূহ চলি আছে, সেই সময়ত লাইটৰ অভাৱত ল'ৰা-ছোৱালীবিলাকে যথেষ্ট

কষ্ট ভোগ কৰিবলগা হৈছে। ফলত পৰীক্ষার্থীসকলে সম্পূর্ণভাৱে ৰেৰুৰ কেৰাচিন তেলৰ ওপৰত নির্ভৰ কৰিবলগা হৈছে। আমি সমষ্টিলৈ গ'লে আমাক সোধে, পৰীক্ষাৰ সময়ত পাৱাৰ কাট কিয় কৰে, সুলভ মূল্যৰ তেলৰ আবণ্টনটো অল্প বঢ়াই দিব পাৰে নেকি? আমি এনেকুৱা প্রশ্নৰ সন্মুখীন হওঁ। তিনিটা টাৰ্ম এইখন চৰকাৰত শক্তিমন্ত্রী মহোদয়ে দায়িত্ব লৈ থকাৰ পাছত আমি এইখিনি কথা ক'বলৈ আমি সুবিধা পাব নালাগিছিল। মই অনুৰোধ জনাইছো যিকেইটা কথা মই কৈছো সেইকেইটাৰ উত্তৰ যাতে মন্ত্রী মহোদয়ৰ পৰা পাওঁ। পাৱাৰ বাহিৰৰ পৰা কিনি অনাৰ ক্ষেত্রত লিমিটেশ্যন আছে বুলি কৈছে। এই কথাটোৰো এটা সদুত্তৰ মন্ত্রী মহোদয়ৰ পৰা পাম বুলি আশা কৰিলো। পর্যাপ্ত পাৱাৰ আমি কেনেকৈ আৰু কেতিয়া পাম। চৰকাৰে কৈ আছে দুই বছৰ পাছত, চাৰি বছৰ পাছত বুলি। আমি দেখিছো চৰকাৰে কৈ আছে ২০০৯-১০ত হ'ব কিন্তু তাৰ পাছত ক'লে ২০১১-১২ত হ'ব কিন্তু এতিয়া কৈছে ২০১৬-১৭ত হ'ব বুলি। এনেকৈ বঢ়াই গৈ থাকিব নেকি। ৩০০শ মেগাৱট চর্ট আছে ২০১৬চনত সেইটো বাঢ়ি গৈ ৫০০শ মেগাৱট নহ'বনে। গতিকে আজি অসমৰ ৰাইজে আপোনাৰ পৰা জানিব বিচাৰিছে এই অৱস্থাৰ উন্নতি কেতিয়া হ'ব, ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্রীকমল সিং নার্জাৰী : মাননীয় সভাপতি মহোদয়, আজি কর্তন প্রস্তাৱটোৰ বিৰোধীতা কৰি মই দুটামান কথা ক'বলৈ বিচাৰিছো। পাৱাৰৰ কথাটো আলোচনা হ'লে মোৰ মনলৈ এটা কথা আহে যে পাৱাৰ জেনেৰেশ্যনৰ ক্ষেত্রত আমি স্বাবলম্বী হ'বলৈ আগবাঢ়ি গৈছো নে নাই। পাৱাৰৰ ক্ষেত্রত পর্যালোচনা কৰিবলৈ যাওঁতে দেখা যায় যে আমি সদায় আনৰ ওপৰত নির্ভৰশীল হৈ থাকিব লাগিব নেকি। আমি কিমান দিন ধৰত পোত গৈ থাকিম এইক্ষেত্রত মাননীয় মন্ত্রী মহোদয়ক মই এই সদনৰ

জৰিয়তে অনুৰোধ জনাব বিচাৰো যে পাৰাৰৰ ক্ষেত্ৰত অসম্ভ যাতে স্বাৱলম্বী হয় তাৰবাবে প্ৰয়োজনীয় ব্যৱস্থা তেখেতে গ্ৰহণ কৰে যেন। মই সৰু থাকোতে এটা কথা শুনিছিলো যে আমাৰ প্ৰয়াত প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰী ডাঙৰীয়াই ৰাস্তাৰ লাইটৰ তলত বহি পঢ়িছিল, কাৰণ তেখেতৰ মাক-দেউতাকে প্ৰয়োজনীয় কেৰাচিন তেলৰ যোগান ধৰিব পৰা নাছিল। কথাটো সঁচা নে মিছা মই নাজানো। কিন্তু মই শুনিছিলো। আমাৰ বি পি এল পৰিয়ালসমূহক ৰাস্তাৰ লাইটে বহুতখিনি সকাহ দিছে। জৰ্জ ষ্টিফেনশ্যন যিজনে যি ৰেল ইঞ্জিন আৱিষ্কাৰ কৰিছিল তেওঁ সৰুতে ৰাস্তাৰ লাইটৰ পোহৰত পঢ়িছিল। মাননীয় সভাপতি মহোদয়, আমাৰ অসমত মেট্ৰিক, হায়াৰ ছেকেণ্ডাৰী আদি পৰীক্ষাৰ সময়ত প্ৰায়ে লাইট নাথাকে। সন্ধিয়া ৬ বজাৰ পৰা লাইট যায়। কিন্তু এইটো যদি ৰাতি ১১ বজা কৰে তেন্তে পৰীক্ষাৰ্থীসকলৰ অসুৰিধা নহয়। এইক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰো যে এইবাৰতো পৰীক্ষা হৈছে গ'ল, অহাবাৰ যাতে এই ব্যৱস্থাটো কৰে। আমাৰ মাননীয় সদস্য, কেশৰ মহন্ত ডাঙৰীয়াই লোৱাৰ শোৰণশিৰি হাইড্ৰেল প্ৰজেক্টৰ কথা কৈছে। এই সম্পৰ্কত আমাৰ বিধান সভাতো এখন হাউছ কমিটী গঠন কৰা হৈছিল। কমিটীৰ ৰিপৰ্টতো এটা কথা কৈছে যে প্ৰজেকটো অৰুণাচলত হোৱাৰ বাবে তেওঁলোকে যদি ১২ শতাংশ পাৱাৰ পাব পাৰে আমাৰ অসমে কিয় ৬ শতাংশ পাব নোৱাৰে।

অসমে যাতে ৬ পাৰ্চেণ্ট পাই সেই কথাটো আলোচনা কৰিব লাগে। ৬০০ মেগাৱট বিদ্যুৎ কেনেকৈ পাব সেইটো মই বুজি পোৱা নাই। ২০০ মেগাৱট বিদ্যুৎ উৎপাদন হ'লে অৰুণাচল প্ৰদেশে ২৪০ মেগাৱট বিদ্যুৎ পাব বুলি কৈছে। সেই হিচাবত আমি যদি ৬ পাৰ্চেণ্ট বিচাৰিছো তেতিয়াহ'লে ১২০ মেগাৱট বিদ্যুৎহে পাম। গতিকে মই

১২০মেগাৱট বিদ্যুৎ পোৱাৰ ব্যৱস্থা কৰিবৰ কাৰণে চৰকাৰক অনুৰোধ জনাইছোঁ। এইক্ষেত্ৰত আলোচনা-বিলোচনা কি হৈছে কি হোৱা নাই সেইটো মাননীয় মন্ত্ৰী ডাঙৰীয়াই আমাক জনাই দিব। অৱশ্যে এই প্ৰকল্পটো হ'ব নালাগে বুলি বহুতেই বিৰোধ কৰি আছে। আমাৰ অসমত লয়াৰ সোৱণশিৰি হাইড্ৰো ইলেকট্ৰিক পাৱাৰ প্ৰজেক্ট হোৱাৰ পাছত ডাউন ষ্ট্ৰীমত অসুবিধাৰ সৃষ্টি হ'ব পাৰে। তাত যিবিলাক পৰিয়াল এফেকটেড হ'ব সেই পৰিয়ালবিলাকৰ সুৰক্ষাৰ কাৰণে ব্যৱস্থা কৰিব লাগিব। তেওঁলোকৰ কাৰণে বহুমুখী ওৱেলফেয়াৰ স্কীমৰ ব্যৱস্থা কৰিব লাগে। এই লয়াৰ সোৱণশিৰি হাইড্ৰো ইলেকট্ৰিক পাৱাৰ প্ৰজেক্টৰ জৰিয়তে এনেকুৱা ধৰণৰ ওৱেলফেয়াৰ যাৰদ্বাৰা ভুক্তভোগী ৰাইজ উপকৃত হ'ব। জম্মু চালাল আৰু কাশ্মীৰৰ উৰি নামৰ দুটা হাইড্ৰো ইলেকট্ৰিক পাৱাৰ প্ৰজেক্ট আছে। এই দুটা প্ৰজেক্টৰ ডাউন ষ্ট্ৰীমত থকা বহুত পৰিয়াল এফেটটেড হৈছে। কিন্তু সিহঁতৰ কল্যাণৰ বাবে বহুমুখী আঁচনি লৈ সকাহৰ ব্যৱস্থা কৰা হয়। সদায় এটা টাৰ্বাইন তাত মুকলি কৰি দিয়া হৈছে। সেই প্ৰজেক্ট দুটাৰ এফেকটেড পৰিয়ালসমূহৰ কাৰণে বিভিন্ন ধৰণৰ ওৱেলফেয়াৰ স্কীম লোৱা হৈছে। আমি চালাল হাইড্ৰো ইলেকট্ৰিক পাৱাৰ প্ৰজেক্টটো চাবলৈ গৈ গম পাইছোঁ যে তাৰ ওচৰত থকা এফেকটেড পৰিয়ালসমূহক বিনা পইচাই বিদ্যুতৰ যোগান ধৰা হৈছে। তদুপৰি আমাৰ অসমত লয়াৰ সোৱণশিৰি হাইড্ৰো ইলেকট্ৰিক পাৱাৰ প্ৰজেক্টৰ প্ৰায় ৭৫ পাৰ্ছেণ্ট কাম সম্পূৰ্ণ হৈছে। মাত্ৰ ২৫ পাৰছেণ্ট কামহে কৰিবলৈ বাকী আছে। গতিকে তেওঁলোক প্ৰত্যেকৰে কাৰণে ওৱেলফেয়াৰ আঁচনি লোৱাৰ ব্যৱস্থা কৰিবৰ বাবে চৰকাৰীভাবে সুব্যৱস্থা গ্ৰহণ কৰিব লাগে। তাত যেতিয়াই তেতিয়াই পানী এৰি নিদি এটা টাৰ্বাইন সদায় মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে। এতিয়া তাত পানী পাবলৈ নাই। গৰুক

পানী খুৱাবৰ কাৰণে তাত পানী নাপায়। সেই প্ৰজেক্টৰ ওচৰত থকা পৰিয়াল সমূহে লীন চিজিনত খেতি কৰিবৰ কাৰণে যাতে পানী পায় নিশ্চয় তাৰ ব্যৱস্থা কৰিব। লয়াৰ সোৱণশিৰি হাইড্ৰো ইলেকট্ৰিক পাৱাৰ প্ৰজেক্টটোত অকল পাৱাৰ উৎপাদনৰব্যৱস্থা নকৰি সেই প্ৰজেক্টটোত মাল্টি পাৰপোজ প্ৰজেক্ট কৰাৰ ব্যৱস্থা কৰিব পাৰি নেকি সেইটো বিষয় কেন্দ্ৰীয় চৰকাৰৰ লগত আলাপ আলোচনা কৰিব লাগে। এই প্ৰজেক্টটোত মাল্টি পাৰপোজ প্ৰজেক্টলৈ ডাইভাৰ্ট কৰিলে বা ৰূপান্তৰ কৰিলে তাৰ পৰা অকল অৰুণাচল প্ৰদেশেই নহয় অসমেও লাভবান হব। এইখিনি কৰিলে অসমৰ ৰাইজে নিশ্চয় সুৰক্ষা পাবলৈ সক্ষম হব। কথাটো হৈছে অসমত যিখিনি পাৱাৰ উৎপাদন হয় বা হে আছে সেই পাৱাৰ খুব কম। বঙ্গাইগাঁও থাৰ্মেল পাৱাৰ প্ৰজেক্টত পাৱাৰ উৎপাদন যাতে অতি কম দিনৰ ভিতৰত কৰিব পাৰি তাৰ যথোপযুক্ত ব্যৱস্থা কৰি উক্ত উৎপাদিত পাৱাৰ যাতে অসমত যথেষ্ট পৰিমাণে পায় তাৰ বাবে দ্ৰুত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। তাৰ পিছত মই ৰাজীৱ গান্ধী গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনিৰ কথা কব বিচাৰিছো। এই যোজনাৰ অধীনত প্ৰথম ফেজত ৰেভিনিউ গাঁও বিলাক চাৰ্ভে কৰা হৈছে। এখন ৰেভিনিউ ভিলেজৰ আন্ডাৰত ৫/৬ খনকৈ চুবা থাকে। কিন্তু যিসকলে চাৰ্ভে কৰিছিল তেওঁলোকে সেই চুবা বিলাক চাৰ্ভে কৰা নাছিল। সেই চুবা বিলাক চাৰ্ভে নকৰাকৈয়ে থাকি গৈছে। তেতিয়া গাঁওৰ ৰাইজে ভাবিছিল আমাৰ চুবা কেইখন ৰাজীৱ গান্ধী গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনিৰ অধীনত নপৰিব নেকি? আমি সদায় আন্ধাৰত থাকিব লাগিব নেকি? যেতিয়া চেকেন্ড ফেজত চাৰ্ভে কৰা হ'ল তেতিয়া কিছুমান অন্তৰ্ভুক্ত কৰা হ'ল। সকলো বিলাক চুবা তেওঁলোকে চাৰ্ভে কৰিবলৈ অনিচ্ছুক। গতিকে তৃতীয়বাৰৰ কাৰণে চাৰ্ভে কৰিলে বাদ পৰি যোৱা গোটেই কেইখন চুবা চাৰ্ভে কৰাৰ ব্যৱস্থা

কৰিব নেকি? যদি গোটেই কেইখন চুবাই চাৰ্ভে কৰে তেতিয়াহ'লে অসমত চাৰ্ভে নকৰাকৈ থকা সেই গাঁও আৰু চুবা কেইখনৰ জনসাধাৰণ লাভবান হব। তাৰ পিচত মই ফৰেষ্ট ভিলেজৰ কথা কব বিচাৰিছো। আমাৰ কিছুমান ফৰেষ্ট ভিলেজ আছে সেই ফৰেষ্ট ভিলেজ বিলাক ৰেভিনিউ ভিলেজৰ আন্ডাৰত নপৰে। ফৰেষ্ট ভিলেজ এপ্ৰোভ কৰি দিয়া হৈছে যদিও সেই এলেকাসমূহ ভিলেজৰ আন্ডাৰত নপৰা কাৰণে তাত ইলেকট্ৰিচিটি বাদ পৰি হৈছে। গতিকে যেতিয়া সেই ভিলেজ বিলাক চাৰ্ভে কৰিব তেতিয়া ৰাজীৱ গান্ধী গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনিৰ অধীনত তেওঁলোকক বিদ্যুৎ যোগান ধৰাৰ ব্যৱস্থা কৰিব নেকি? চাৰ, মই আৰু বেচি কথা নকও এইখিনিতে কৈ মই মোৰ বক্তব্যৰ ইমানতেই সমাৰণি মাৰিলো।

* শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (শক্তি মন্ত্ৰী) ঃ- মাননীয় সভাপতি মহোদয়, মাননীয় বিধায়ক শ্ৰীমনোৰঞ্জন দাস, শ্ৰীআবদুৰ ৰহিম খান, শ্ৰীকেশব মহন্ত আৰু শেষত শ্ৰীকমল সিং নাৰ্জাৰী ডাঙৰীয়াই যিবিলাক কথা কৈছে তাত কোনো সন্দেহ নাই। অসমত এতিয়া যিটো বিদ্যুৎৰ সংকট হৈছে সেইটো তেখেত সকলে প্ৰতিফলিত কৰিছে।

(মাননীয় সভাপতি মহোদয়ে আসন এৰে আৰু মাননীয় উপাধ্যক্ষ মহোদয়ে আসন গ্ৰহণ কৰে)

মাননীয় উপাধ্যক্ষ মহোদয়, আজিকালি বিদ্যুৎ শক্তি নাথাকিলে কেনেকুৱা অৱস্থা হয়। সেইটো তেখেতসকলে ডাঙি ধৰিছে। এই আলোচনা বৰ সৰব হ'ব বুলি ভাবিছিলো, আগ্নেয়গিৰীৰ উৎভৱ হ'ব বুলি ভাবিছিলো। কিন্তু সেইটো নহ'ল। এই বিলাক বৰ গুৰুত্বপূৰ্ণ বিষয়। আচলতে মাননীয় সদস্য, শ্ৰী কেশব মহন্তই যি কৈছে তাত মই এ,জি,পি দলক দোষাৰোপ কৰিব খোজা নাই। যিবিলাক কাম সময়ত কৰিব লাগিছিল সেই বিলাক কাম সময়মতে নহল। বিদ্যুৎ

* Speech not corrected

খণ্ডত ৭০ দশকত চাহিদা আছিল, বঙাইগাঁও, চন্দ্রপুৰ, লাকোৱা থাৰ্মেল প্ৰজেক্টৰ সেই সময়ত প্ৰস্তাৱ কৰিছিল। বিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰত তিনিটা ভাগ কৰিছিল — ট্ৰেন্সমিশ্বন, জেনেৰেশ্বন আৰু ডিষ্ট্ৰিবিউশ্বন। এই গোটেই কেইটাত বিদ্যুৎ খণ্ডত ৭০ দশকৰ মাজ ভাগত বন্ধ হৈ গৈছিল। অসম আন্দোলনৰ সময়ত বাধা আহি পৰিছিল। বিদ্যুৎ খণ্ডত ক্ৰমাগত ভাবে উন্নতি হব লাগিছিল, কিন্তু সেইটো নহল। ফলস্বৰূপে বঙাইগাঁও, চন্দ্রপুৰ, লাকোৱাৰ লগতে সুৰুসুৱা যিবিলাক আছিল সেইবিলাকো বন্ধ হ'ল। তাৰ পৰিৱৰ্ত্তে নতুনকৈ স্থাপন হোৱাৰ কাৰণে বিনিয়োগ হোৱা নাছিল। মই মাননীয় সদস্য, শ্ৰী কেশৱ মহন্ত ডাঙৰীয়াক দোষ দিব খোজা নাই, তেখেতে যদিও মই তিনিটা কাল শক্তি মন্ত্ৰী হৈ থকা বুলি কৈছে, আচলতে নহয়। মোৰ আগৰ কালত থকা মন্ত্ৰী ডাঙৰীয়াৰ সময়তো বিদ্যুতৰ ক্ষেত্ৰত বিনিয়োগ হোৱা নাছিল। ২০০৫ চনৰ পৰাহে বিনিয়োগ আৰম্ভ কৰা হৈছে। ডিষ্ট্ৰিবিউশ্বন, জেনেৰেশ্বন আৰু টেন্সমিশ্বন ক্ষেত্ৰত ডাঙৰ কথা আছিল। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে আগতে গাঁওবিলাকত বিদ্যুৎ দিয়া নাছিল, চহৰ বিলাকত দিছিল। ১১/১২ হেজাৰ গাঁও ইলেক্ট্ৰিছিটি আছিল। বিদ্যুৎ শক্তিৰ চাহিদা বঢ়াব পৰা ক্ষমতা নাছিল। ২০০৬ চনলৈকে সামগ্ৰিক ভাবে বিদ্যুৎ শক্তি আহৰণ কৰি ট্ৰেন্সমিশ্বন, ডিষ্ট্ৰিবিউশ্বন মাত্ৰ সাতশ মেগাৱট আছিল। পিক্ আৱাৰত ৫৪৫ মেগাৱট দিব পাৰিছিল। বিদ্যুৎ শক্তি বঢ়াই আনিব পৰা সামৰ্থ নাছিল। কোনোবাই যদি উচ্চস্বৰে গান গায়, তেতিয়া ছেপি ছেপি গাবলৈ কোৱা হয়। বিদ্যুতৰ ক্ষেত্ৰতো সেইটো হৈছিল। বেছি ভাগ অঞ্চলত বিদ্যুৎ শক্তি বিতৰণৰ আওতাত নাছিল। দুৰ্ভাগ্যৰ কথা যে গাঁও অঞ্চলত মাত্ৰ ১৬ শতাংশ বিদ্যুৎ শক্তি দিয়া হৈছিল। ৮৪ শতাংশ বিদ্যুৎ শক্তি গাঁও অঞ্চলত নাছিল। আমি দায়িত্ব লোৱাৰ পিচত

কেনেকৈ বিনিয়োগ কৰিব পাৰি, বিদ্যুৎ শক্তি কেনেকৈ বঢ়াব পাৰি চিন্তা কৰা হৈছিল। ইয়াৰোপৰি গোটেই চেক্টৰ বিলাক যাতে সম্প্রসাৰণ কৰি অসমৰ চুকে কোণে বিদ্যুৎ দিব পাৰি, বিদ্যুৎ উৎপাদন যাতে চলি থাকে এই গোটেই ব্যৱস্থা আমি লব লাগিব। এই কথাটো এই কাৰণেই কৈছো যে বঙাইগাঁও, চন্দ্রপুৰ থার্মেল পাৱাৰ প্রজেক্ট বন্ধ হৈ গৈছে, তাত আমি নতুনকৈ বিদ্যুৎ শক্তি উৎপাদন কৰাৰ ব্যৱস্থা হাতত লব লাগিব। মাননীয় সদস্য শ্রী কেশৱ মহন্ত ডাঙৰীয়াই আমগুৰিৰ কথা কৈছে। আমগুৰিৰ গোটেইবিলাক কাম সম্পূর্ণ কৰি ৰাখিছিল, কিন্তু ইন্ধন নথকাৰ কাৰণে আমগুৰি প্রকল্প কৰিব পৰা নাই। আমাৰ টকা নোহোৱাৰ কাৰণে সামর্থ নাই, কিন্তু কেন্দ্রীয় চৰকাৰৰ টকা আছে। মই মাননীয় বিধায়ক সকলৰ জ্ঞাতার্থে জনাব বিচাৰিছো যে এই মেগাৱাট উৎপাদন কৰিবৰ কাৰণে একশ কোটিৰো অধিক বিনিয়োগ কৰিব লাগে। মাননীয় সদস্য, শ্রী মনোৰঞ্জন দাস ডাঙৰীয়াই কৈছে যে অসমত কয়লা আছে। আচলতে সেইটো নহয়, চালফাৰ আছে। আগতে টেক্‌ন'লজি নাছিল।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ টি,এন,টি কিমিউলেটিভ কেৰিং কেপাচিটি গাঁও অঞ্চলত ১৬ শতাংশ উপলব্ধ হয়। শতকৰা ৮৪ শতাংশ আমাৰ কম আছে। গতিকে এই ক্ষেত্রত আমি বিনিয়োগ বঢ়াব লাগিব। সেই অনুপাতে আমি টি,এন,টি বঢ়াব বা সম্প্রসাৰণ কৰিব লাগিব। বঙ্গাইগাঁও আৰু চন্দ্রপুৰত বন্ধ হৈ থকা অৱস্থাত আছে। আমগুৰিৰ মৱাইল গেছ টার্বাইন বন্ধ অৱস্থাত আছে। তাৰোপৰি, এ.এচ.ই. বিৰ যি মাটি আছে সিও অধিগ্রহণ হৈ আছে। আজি এনেকুৱা এটা অৱস্থা হৈছে, পাৱাৰ থওত ইন্ধন নাই। গেছ নাই। বঙ্গাইগাঁও ২৪০ মেগাৱাট ৰ প্রজেক্টৰ কাৰণে বহু হেজাৰ কোটি টকা লাগিব। সেই কাৰণেই বঙ্গাইগাঁওত আমি ৭৫০ মেগাৱাট প্রকল্প আৰম্ভ কৰিছো।

কিন্তু ইয়াত চালফাৰ বেছি হোৱা কাৰণে বয়লাৰ বেয়া হোৱাৰ সম্ভাৱনা আছে। যদিও বঙ্গাইগাঁওৰ পৰা পাৱাৰ অনা যিটো সিদ্ধান্ত হ'ল তাত কিন্তু এন.টি.পি.চি ইচ্ছুক নহয়। গতিকে ইয়াত কেন্দ্ৰীয় চৰকাৰৰ হস্তক্ষেপ লাগিব। ১৯৬৫ ৰে যি প্ৰকল্প সেইবিলাক এতিয়া অচল হৈ গৈছে। গতিকে বঙ্গাইগাঁওতে প্ৰকল্প আৰম্ভ কৰাৰ লগে লগে মিডিয়াম প্ৰজেক্ট আৰম্ভ কৰিবলৈ চেষ্টা কৰা হৈছে। বহু ঠাইত নতুন নতুনকৈ সৰু সৰু প্ৰজেক্ট লোৱাৰ কাৰণে চিন্তা কৰা হৈছে। চন্দ্ৰপুৰৰ পাৱাৰ প্ৰজেক্টৰ যিটো ইন্ধন সেইটো পেট্ৰল জাতীয় সামগ্ৰীৰে চলোৱা ব্যৱস্থা আছিল। কিন্তু তাত পাৰ ইউনিটত ১১/১২টকা খৰচ হয়। আমি কনজিউমাৰক যোগান ধৰো ২ টকাকৈ। এনে অৱস্থাত এ.এচ.ই.বিৰ অৱস্থাটো কেনে হ'ব। গতিকে ইন্ধনৰ যিটো চিষ্টেম সেইটো সলনি কৰিব লাগিব। নতুন ডি.পি.আৰ বিলাক বন্ধ হৈ গ'ল। তাৰ পিচত কয়লাৰ ব্যৱহাৰ কৰা হ'ল। যিটো নেকি চন্দ্ৰপুৰৰ পাৱাৰ প্ৰজেক্টত সিদ্ধান্ত ললে। প্ৰশ্ন আছিল অসমক কয়লা দিব লাগে। আনহাতেদি, মাৰ্ঘেৰিটা এন.ই কোন ফিল্ডখন উঠাই লব বিচাৰিছিল। নতুন টেকনলজি এপ্লাই কৰিবলৈ যাওতে টেকনিকেল কষ্টৰ প্ৰডাকচন বঢ়ি যাব। আমাৰ এফোৰ্ড অনুযায়ি ৭৫০ মেগাৱটৰ কাম আৰম্ভ হৈছে। চন্দ্ৰপুৰ থাৰ্মেল প্ৰজেক্টটোৱে গুৱাহাটী মহানগৰীৰ চাহিদা পূৰণ কৰিব পৰা নাই। কিয়নো গুৱাহাটীৰ চাহিদা দিনক দিনে বাঢ়ি গৈ আছে। ইয়াৰ কাৰণে প্ৰচুৰ কয়লা লাগিব। আজিকালি যিকোনো প্ৰজেক্টৰ ক্লিয়াৰেঞ্চ লওতে লওতে বহুত দেবি হৈ যায়। পুৰণা নামৰূপ আৰু লাকোৱা গেছভিত্তিত প্ৰকল্প এচিয়াৰ প্ৰথম। এইবিলাক আধুনিকৰণ কৰিবলৈ আৰম্ভ কৰা হৈছে। অসম চৰকাৰৰ ইমান পইচা নাই। গতিকে চিষ্টিমটো কনভাৰচন কৰিব লাগিব। সেইকাৰণে চন্দ্ৰপুৰ থাৰ্মেল প্ৰজেক্টটো গুৱাহাটীৰ মহানগীৰৰ কাৰণে কৰা হৈছে। মোৰ সতীৰ্থ বন্ধু শ্ৰীৰকিবুল হুছেইন

দেৱে কথাতো আৱগত ২০০৫ চনতে আমচাং ৰিজার্ভ হিচাপে ঘোষণা কৰা হৈছিল। তাতে ওৱাইল্ড লাইফচেনচুৰী হিচাবে মই বন মন্ত্রী থাকোতে ঘোষণা কৰি ৰিজার্ভ কৰা হৈছিল। সেইটো ২০০৪/০৫ চনৰ কথা। কিন্তু চন্দ্রপুৰৰ থার্মেল পাৱাৰ প্রজেক্টতো ১৯৭০ চনৰে। পৰিৱেশ আৰু প্রাকৃতিক নিয়ম বিলাক কঠোৰ হোৱা কাৰণে তাত পুণৰ ৰিন্যাস কৰাতো যথেষ্ট অসুবিধা হয়। এনভাৰনমেন্টৰ কাৰণে ফৰেষ্ট ক্লিয়াৰেঞ্চ পোৱাতো অসুবিধা। তাত কিছুমান কঠোৰ নিয়ম আছে। এই ক্ষেত্রত আমি যথেষ্ট চেষ্টা কৰিলো। ক্লিয়াৰেঞ্চ পোৱাৰ ক্ষেত্রত আমি বহুৱাৰ চেষ্টা কৰিছো। কিন্তু এতিয়ালৈকে পোৱা নাই। কোল্ড লিংকেজ নাথাকিলে ইন্ধন যোগান সুনিশ্চিত হব নোৱাৰে। সেইকাৰণে আমি মার্ঘেৰিটাত ১০০৮ শ বিঘা মাটি ললো। কিন্তু তেওঁলোকে কয়লা দিব নোৱাৰিব। কয়লা লিংকেজ নাথাকিলে নতুন কাম কৰাতো সম্ভৱ নহয়। গতিকে আমি চন্দ্রপুৰৰ থার্মেল পাৱাৰ প্রজেক্টতো কমিচন কৰিবলৈ হলে কয়লা আমি আমদানি কৰিব লাগিব। এই ক্ষেত্রত আমাৰ ফৰেষ্টৰ পৰা ক্লিয়াৰেঞ্চ লাগে। ২০০৩ চনৰ পৰা বিদ্যুৎ খন্ডত জেনেৰেল টি.ডি. হেডত ৭১২৭ কোটি টকা বিনিয়োগ কৰা হৈছে। আগতে ৫৬০ মেগাৱাট আছিল। এতিয়া ১৬০০ শ মেগাৱাটৰ ব্যৱস্থা কৰা হৈছে। কনজিউমাৰ তেতিয়া ১২ লাখ আছিল। এতিয়া ২৫ লাখ হৈছে। মাননীয় সদস্য মনোৰঞ্জন দাস দেৱে কোৱাৰ ধৰণে।

মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিধায়ক মনোৰঞ্জন দাসে কোৱাৰ দৰে বিতৰণৰ ক্ষেত্রত লোকচান হে যায়। আগতে এই যিখিনি শক্তি ইনজেক্ট হৈছিল, সেইখিনি ৫০ শতাংশ আছিল, এতিয়া সেই ইনজেক্টতো ৫০ শতাংশৰ পৰা ৩৭ শতাংশ পাইছেগৈ। এতিয়া অপচয় ২৫ শতাংশ কমিছে। আমি তাতে সন্তুষ্ট হ'লে নহ'ব। আমি ১৫ শতাংশলৈ কমাব লাগিব। আমাৰ এতিয়া কালেকচন এফিচিয়েন্সি

বাঢ়ি ১৭ শতাংশ হৈছেগৈ। লোকচান কমি ২৯ শতাংশ হৈছে। এন.আৰ.জি ডেলিভাৰি যিটো আছিল ৫৩০০ মিঃ ইউনিট আছিল। টোটেল ৰেভিনিউ আছিল, ২০০৫-৬ ত ৯৭২ কোটি টকা। এতিয়া হৈছেগৈ ২০৩০ কোটি টকা। ঠিক তেনে ধৰণে বিনিয়োগ কৰাৰ কাৰণে নতুন নতুন লাইন ট্ৰেন্সমিচন কৰা হৈছে। ২০০৫ চনত আছিল ৩৪০০ কিউবিক মিটাৰ। এতিয়া বাঢ়ি গৈ গৈ সেইটো ৬৫০০ কিঃমিঃ হৈছে। ট্ৰেন্সমিচন কেপাচিটি ২০০৫ ত ১৭ এমটিয়াৰ আৰু এতিয়া ৩৫৩০ এমটিয়াৰ বৃদ্ধি পাইছে। মই স্বীকাৰ কৰিছো যে আমি যিমানখিনি উৎপাদন কৰিছো তাতকৈ চাহিদা বহুখিনি বাঢ়ি গৈছে। ২০০৫ চনত গুৱাহাটীৰ চাহিদা আছিল ৯৬ মেগাৱট এতিয়া গৈ ২৪০ মেগাৱটলৈ বাঢ়িছে। এতিয়া বহুত চৰ্টফল্ট হৈছে। বিদ্যুৎৰ চাহিদা অনুপাতে যিমানখিনি বিদ্যুৎ শক্তি উৎপাদন হব লাগিছিল সেইখিনি উৎপাদন হোৱা নাই। চৰ্টফলড হৈ থকা কাৰণে প্ৰজেক্ট হোৱা নাই। কাৰ্বি লাংপি প্ৰজেক্টটো ২০০৭ চনত কমিচন কৰা হৈছিল। লাকোৱা হাইড্ৰ পাৱাৰ প্ৰজেক্ট নতুনকৈ ৮০ মেগাৱটৰ কৰা হৈছে। তাৰোপৰি অসমৰ ১২ টা সৰু সৰু কেপাচিটিৰ পাৱাৰ প্ৰজেক্ট কৰিবলৈ চেষ্টা কৰা হৈছে। বি.টি.এডি ত ৪ মেগাৱট, ৰঙাইগাঁওত ২০১৩ চনত কমিচন কৰাৰ কথা আছিল কিন্তু কৰিব পৰা নাই। তাত নানা ধৰণৰ বাধা আহি পৰে। বন্ধ, অৱৰোধৰ কাৰণে শ্ৰমিকসকল গুছি যায়। ফলত কাম বন্ধ হৈ থাকে। কেতিয়াবা শ্ৰমিকসকলক ধৰি বান্ধি আনি কাম কৰাব লগা হয়। ৰঙাইগাঁৱৰ প্ৰজেক্টটো এন.টি.পি.চিয়ে লৈছে। সেইদৰে লোৱাৰ সোৱণশিৰি প্ৰজেক্টতো ২০০৫ চনতে আৰম্ভ কৰা হৈছিল। মাননীয় শ্ৰীকেশৰ মহন্ত যেতিয়া আছুৰ সভাপতি আছিল, তেতিয়া তেখেতসকলে ১০ বাৰমান স্মাৰকপত্ৰ দিছিল। তেখেতৰ চহী থকা স্মাৰকপত্ৰ এতিয়াও মোৰ লগতে আছে। এই প্ৰজেক্টটো ৮০০০

মেগাৱট কৰিবৰ কাৰণে স্মাৰকপত্ৰ দিছিল। তেতিয়া এন ডি এ চৰকাৰৰ দিনত এই কামৰ দায়িত্ব এন এইছ পি চি দিলে। কিন্তু তেতিয়া কোনোৱে মাত নামাতিলে। এইটো গ্ৰুপ অব মিনিষ্টাৰেও চাইছে। যাতে নিৰীক্ষণ কৰিব পাৰে। তেতিয়া ৬০০ মেগাৱটৰ পাৱাৰ চেয়াৰিং এগ্ৰিমেণ্ট। এম ও ইউ আমি কৰা নাই। কিন্তু আমাৰ কথা হ'ল যে ৬০০ মেগাৱট লাগিব। হেষ্ট ষ্টেটে পেৰামেট্ৰিক মতে ৬ শতাংশ পাব লাগে। আৰু চাবষ্টিটুৱেণ্ট পেৰামেট্ৰিক ১২ শতাংশ হ'ব। ২০১২ চনত ১৭ ছেপ্টেম্বৰৰ সিদ্ধান্ত মৰ্মে ৬০০ মেগাৱট পাৱাৰ পাম। লোৱাৰ কপিলি প্ৰজেক্টত ১২০ মেগাৱট, মাৰ্ঘেৰিটাত ১২ টা ক্ষুদ্ৰ জলপ্ৰকল্প, ডিচাঙত, মিনট্ৰিয়াঙত গেছ ভিত্তিক প্ৰকল্প হাতত লোৱা হৈছে। আজি ত্ৰিপু�ৰাত যথেষ্ট গেছ আছে সেই অনুপাতে আমাৰ নাই। পালাটানাত কমিচন হৈছে। ইকুউটি চেয়াৰ মতে তাৰ পৰা আমি ২৪০ মেগাৱট পাম। পাৱাৰ আমি ওচৰৰ ৰাজ্যৰ পৰা কিনিব লাগিব। ষ্টেট চেক্টৰত বিনা পইচাই পাম সেইটো কথা নহয়। সেইটো আমি কিনিব লাগিব। বাহিৰৰ পৰা আমি কিনিবলগা হৈছে।

মাননীয় উপাধ্যক্ষ ঃ সদন আৰু ১০ মিনিটৰ বাবে বঢ়াই দিয়া হৈছে।

* শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (মন্ত্ৰী) ঃ উপাধ্যক্ষ মহোদয়, আমি পাৱাৰ কিনাৰ কথা কৈছো। লাকোৱা, নামৰূপ, কাৰ্বিলাংপি এইবিলাকৰ পৰাও আমাৰ বিতৰণ কম্পেনীয়ে পাৱাৰটো কিনি ল'ব লাগিব। আমি কেন্দ্ৰীয় চৰকাৰৰ পাৱাৰ গ্ৰীডৰ পৰাও পাৱাৰ কিনি ল'ব লাগিব। কঠালগুৰি প্ৰজেক্টটো হ'ল বুলি যে আমি বিনা পইচাই পাৱাৰ নাপাও। আমাৰ এইখন দোকান। দোকানৰ বস্তু নিজৰ ঘৰত খাই শেষ কৰিলে কেনেকৈ হ'ব? দোকানখন কেনেকৈ চলিব? আমাৰ এই ৰাজ্য চৰকাৰৰ প্ৰকল্পই হওক বা ডিছট্ৰিবিছন কম্পানীয়ে কিনি ল'ব লাগিব তাৰ পাছতহে আমি পাম। কিনাৰ লগে লগে খৰচও বাঢ়িব। বিভিন্ন ক্ষেত্ৰত আমি যথেষ্ট

ব্যৱস্থা লৈছো। মাননীয় সদস্যসকলে কৈছে লোড চেডিঙৰ ভয়াৱহতাৰ কথা। আমাক ৰাতিৰ কাৰণে ১২ মেগাৱাট লাগে। ১৬৫ চেয়াৰ পাওঁ। ইয়াক আমি আৰু বঢ়াব লাগিব। কিন্তু উৎপাদনৰ তুলনাত খৰচটো বেচিকৈ হয়। আমি লাকোৱা ৰঙা নদী, কপিলি সেইবিলাকৰ পৰা পাৱাৰ পোৱা নাই। খৰালি হৈছে পানী শুকাই গৈছে। প্ৰতি বছৰে পানীৰ অৰ্থাৎ ৰাটাৰ ৰিচোৰ্ছ লেবেল কমি আহিছে। যোৱা ১০ বছৰ দাতাত ৰাটাৰ ডিচছ্বাৰ্জ লেভেলটো কমি আহিছে। নাজানো গ্লেবেল ৰামিংও হ'ব পাৰে। বিজ্ঞানীসকলে জানিব। জলবিদ্যুৎ প্ৰকল্পসমূহত ৰাটাৰ লেভেলটো অস্বাভাৱিকভাৱে লাহে লাহে হ্ৰাস পাইছে। বিজ্ঞানীসকলক এইটো পৰীক্ষা কৰিবলৈ অনুৰোধ জনাইছো। সেই কাৰণে আমি বিভিন্ন সময়ত বিভিন্ন সূত্ৰৰ পৰা শক্তি কিনিবলগীয়া হৈছে। আমি যিখিনি চেয়াৰ পাৱ লাগে সেইখিনি পোৱা হ'লে লোড চেডিং কৰিবলগীয়া নহ'লহেঁতেন। আমি অধিক উৎপাদনৰ কাৰণে চেষ্টা কৰি আছো আৰু ভাবিছো কাৰ্যক্ষম হ'ম। আমাৰ কমাৰচিয়েল মিছট্ৰিয়াৰ উৎপাদন হোৱাৰ লগে লগে ১২০ মেগাৱট পাম। বঙাইগাঁও থাৰমেল প্ৰজেক্টৰ ইউনিটকেইটা কাৰ্যকৰি হ'লে আৰু ১২০ মেগাৱট পাম। এইবিলাকৰ কাম ২০১৪ চনত আৰম্ভ গতিকে এই প্ৰকল্পসমূহৰ উৎপাদিত শক্তি জুন-জুলাইৰ ভিতৰত পাম। তেতিয়া টাৰগেটটো ফুলফিল কৰাত কিছু সকাহ হ'ব। থাৰমেল পাৱাৰ চেয়াৰবিলাক বৰষুণত বেছি একটিভ হয়। কেন্দ্ৰীয় চৰকাৰৰ থাৰমেল পাৱাৰ প্ৰজেক্ট পহেলগাঁও, ফাৰাকা আদিৰ পৰা আমি চেয়াৰ বিচাৰিছো। এতিয়াতো আমি চলি থাকিব পাৰিম নিজৰ ফালৰ পৰা কিন্তু নৱেম্বৰ, ডিচেম্বৰ আৰু জানুৱাৰী মাহত আকৌ নাইকীয়া হ'ব। সেই কাৰণে আমি থাৰমেল হাইড্ৰমিল হেলডিমিস্ক মন্দাকিনী প্ৰকল্প আদিৰ পৰা আমি পাৱাৰ বিচাৰিছো। কিন্তু মন্দাকিনী পাৱাৰ প্ৰকল্পটোৰ কাৰণে ১২

মেট্রিক টন কয়লা লাগে। সেই কাৰণে আমি ৪ খন ৰাজ্যই জইন ভেনচাৰত সেইটো কৰিবলৈ লৈছো। শক্তি বিভাগেও আৰু অসমৰ মিনাৰেল ডেভেলাপমেণ্ট কোৰপৰেচনে লগ হৈ কোল মন্ত্রণালয়ত জোৰ দি ধৰিছো। ভৱিষ্যতৰ কাৰণে এইটো বৰ ডাঙৰ সংস্কাৰ। কয়লাৰ ভাৰত বৰ্ষত বৰ ক্রাইছিছ হৈছে। সেই কাৰণে উৎপাদন কমি গৈছে। আমি ভাবিছিলো অসমৰ চাহিদা নাবাঢ়ে কিন্তু এতিয়া দেখিছো এতিয়া বহুত চাহিদা বাঢ়ি গৈছে। দেশৰ ভিতৰতেই এতিয়া আমাৰ ডিমাণ্ড বেছি। আগতে হাৰিয়ানাত ১১ লাখৰ পৰা ২৩ লাখ হৈছিল। কিন্তু এতিয়া গুৰাহাটীত যোৱা ৫ বছৰত হঠাৎ চাহিদা বাঢ়ি গৈছে কনজিউমাৰৰ। আমি চেষ্টা কৰিও চাহিদা পূৰণ কৰিব পৰা নাই। ট্রেন্সমিছন আৰু জেনেৰেচন চেক্টৰত অসম চৰকাৰৰ পৰা যোৱা ৫ ৰছৰৰ ভিতৰত ৮২৯.৬৫ কোটি টকা তেওঁলোকে বিনিয়োগ কৰিবলৈ দিছে। আগতে সেইটো হোৱা নাছিল। অর্থাৎ আমি সমস্যা সমাধানৰ কাৰণে চেষ্টা চলাই আছো। ৰাজীৱ গান্ধী বৈদ্যুতিকৰণ আঁচনিৰ কথা কোৱা হৈছে আমি কার্যক্ষম কৰি আছে। একেলগে ২৬ হেজাৰ গাঁৱত বৈদ্যুতিকৰণৰ কাৰণে আমাক ১০ হেজাৰ কোটি লাগিব। কিন্তু ইমান টকা পোৱা সম্ভৱ নহয়, সেই কাৰণে পর্য্যায়ক্রমে কৰা হৈছে। মাননীয় সদস্য আৱদুৰ ৰহিম খান ডাঙৰীয়াই তেখতৰ ঘৰত বিদ্যুৎ নোযোৱা কথা উল্লেখ কৰিছে। তেওঁৰ গাঁৱৰ ঘৰত। কিন্তু কাম বিলাক ফেজ ওৱাইজ হৈ আছে তেখেতৰ গাঁওলৈ লাইনে যোৱা নাই। গতিকে তেখেতৰ ঘৰত পাবলৈ হ'লে আৰু বহুত দীঘল লাইন টানিব লাগিব। দ্বিতীয় পর্য্যায়ত ৬মাহৰ ভিতৰত হৈ যাব বুলি আশা কৰিছো। উপাধ্যক্ষ মহোদয়, গাঁও অঞ্চলত লাইন দিওতে মাজৰ মানুহে টকা খাই বুলি আমি অভিযোগ পাই আহিছো। আমাৰ যিবিলাক চাব কনট্রেক্টৰ আছে, তেওঁলোকে আৰু

চাৰ কনট্ৰেক্ট দিয়ে। তাতে কিছু খেলি-মেলি হয় বুলি।

আমি অভিযোগ পাই আছো। সেই কাৰণে আমাৰ বোৰ্ডে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰি আছে। গাঁও বিলাকত বিভিন্ন ধৰণৰ এজেন্ট দিছে, গাঁও সভা পাতিছে, নোপোৱাসকলে বিভিন্ন প্ৰকাৰে পোৱাৰ চেষ্টা চলাইছে। সেই বিলাক বন্ধ কৰিবলৈ যথেষ্ট চেষ্টা কৰা হৈছে। সেই কাৰণে আমি চৰকাৰৰ ফালৰ পৰা এ.পি.ভি.চি.এলৰ সহযোগত প্ৰতিটো সমষ্টিতে একোখন নিৰিক্ষণ কমিটি কৰিবলৈ ব্যৱস্থা কৰিছো। তাত টেকনিকেল মানুহ থাকিব, ইঞ্জিনিয়াৰকে ধৰি। যিসকল অভিযন্তাই এনে নিৰ্দ্দেশাৱলী পালন নকৰে আমি তেওঁলোকৰ বিৰোদ্ধে ব্যৱস্থা লম। অভিযোগ চৰিওফালৰ পৰা পাইছো। এপিডিচিএলৰ সভাপতিক তাৰ কাৰণে ব্যৱস্থা লবলৈ নিৰ্দ্দেশ দিয়া হৈছে। অভিযোগ কক্ষ বিলাকৰ অৱস্থা আগত কৈ বহুত ভাল হৈছে। আগতে অভিযোগ পালে ভেকাহি মাৰিছিল। আগতে ভিতৰুৱা অঞ্চলত নগৈছিল। এতিয়া যায়। আমি বাধ্য কৰাইছো গাঁৱলৈ যাবলৈ। বহুত ঠাইত আকৌ আমাৰ মানুহ বিল দিবলৈ গলে পইচাটো নিদিয়ে আৰু বহুতে মাৰ পিট কৰে। এনে সমস্যাৰো সন্মুখীন হৈছো। সেই কাৰণে মই বিধায়কসকলৰ সহযোগ বিছাৰিছো। য'ত উপলব্ধ নহয় তাত উৎভাৱনৰ ব্যৱস্থা লৈছো। আমি বহুত এজেন্ট নিয়োগ কৰিছো। তাৰ পৰা বহুতে কৰ্ম্মসংস্থাপনৰ সুবিধা পাইছে। ইয়াৰ বাহিৰে যদি কাৰোবাৰ স্পেচিফিক কিবা আছে তেনেহ'লে আমাক দিলে সেইমতে ব্যৱস্থা লম। ইয়াৰ পাচতো যদি কিবা কৰিবলগীয়া থাকে নতুন নতুন ব্যৱস্থা, তেন্তে সেই ব্যৱস্থাও হাতত ল'ম। আমাৰ বিভাগটো আচলতে ৰাজহ সংগ্ৰহ বিভাগ। ৰাজহ সংগ্ৰহত যদি গুৰুত্ব দিয়া নাযায়। তেনেহ'লে দেউলীয়া হ'ব। সেই কাৰণে বিভিন্ন সংস্কাৰ আৰম্ভ কৰা হৈছে। সেই কাৰণে আগৰ ৫ হাজাৰ কোটি টকা আউট ষ্টেনডিং চৰকাৰে গাত পাতি লৈছে। যাতে

তেওঁলোকে এটা ক্লেয়াৰ ষ্টেট কাম আৰম্ভ কৰিব পাৰে। কিন্তু পাৱাৰ কষ্টটো আমাৰ দিনক দিনে বাঢ়ি গৈ আছে। সেই কাৰণে উৎপাদনৰ তুলনাত কষ্টটো বাঢ়ি গৈ আছে। ষ্টেট চেক্টৰত সেই কাৰণে আমি বেচি জোৰ দিব নোৱাৰো। কষ্ট অৱ পাৱাৰ টো সৰ্বসাধাৰণ ৰাইজে উপলব্ধি কৰিব নোৱাৰে। সেইটোত আমি বেচি গুৰুত্ব নিদিলে ৰঙালাইট জ্বলিব। পাৱাৰ কম কিন্তু কনজামচন ৩ শতাংশ বৃদ্ধি হয়। সেই কাৰণে কষ্ট অৱ চাপ্লাই আমাৰ ৰেগুলেটৰী কমিচনে সময়ে সময়ে পৰীক্ষা নিৰিক্ষা কৰি থাকে। সেই হিচাবে দিল্লীত যিমান বাঢ়িছে আমাৰ ইয়াত কিন্তু সিমান বঢ়া নাই। এতিয়া কষ্ট অৱ চাপ্লাই পাৰ ইউনিট ৪.৪৮ আছিল, বাধ্য হৈ সেইটো ৫.৫০ কৰিলে। আমি ভৱা সংস্কাৰ বিলাক যদি হয় তেনেহ'লে এইটো তেতিয়ালৈ কমিব পাৰে।

উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য আবদুৰ ৰহিম খান ডাঙৰীয়াই চাৰি হাজাৰ কৰ্মচাৰীৰ কথা কৈছে। তাৰ কাৰণেও প্ৰশাসনিক ব্যৱস্থা লোৱা হৈছে। তাৰ কাৰণে চৰকাৰে এচ.বি.আই পেনচন লায়েবিলিটি ৪৬৪৪ কোটি টকা পেনচন লায়েবিলিটি কেনেকৈ মিট কৰিব পৰা যায়, চৰকাৰে এইটো পৰীক্ষা কৰি আছে। তাৰ কাৰণে চৰকাৰে এটা কৰপাচ ফান্ড তৈয়াৰ কৰিছে। এতিয়া সামান্য পইচা তেওঁ লোকৰ পৰা লৈছে। পেনচন দিয়া নহ'ব বুলি কৈছে কিন্তু পেনচন দিয়া হব। থুলমুল ভাৱে মই এইখিনিকে কলো। আমাৰ আৰু বহুত সংস্কাৰৰ ব্যৱস্থা লৈছো, অসমৰ ৰাইজে অতিসোনকালে তাৰ সুফল পাব। আগতে বিদ্যুৎ পৰিষদত ১৯৮৫ চনৰ পৰা ২০০০ চনলৈ ৭৬ জনহে মানুহ আছিল। ২০০৩ চনৰ সংস্কাৰৰ পাচত ৪১২০ লোৱা হৈছে। ইয়াৰ ভিতৰত কা�ৰিকৰী অভিজ্ঞ অভিযন্তা চাকৰীয়াল আছে। তেওঁলোকে পৰ্য্যাপ্ত পৰিমানৰ দৰমহা পায়। এইখিনি কৈয়েই মই কৰ্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰিলো।

* শ্রী কেশৱ মহন্ত ঃ মন্ত্রী মহোদয়ে, যি ডাউন চাইজৰ কথা উল্লেখ কৰিছে কিন্তু এই কথাটো আমি আগতে কোৱা নাই। অসমৰ বিশেষজ্ঞ সকলৰ কিবা মতান্তৰৰ ভিত্তীতহে কেন্দ্রীয় চৰকাৰক স্মাৰক পত্র দিছিল।

* শ্রী প্রদ্যুৎ বৰদলৈ (মন্ত্রী) ঃ ২০০০ চনত কেন্দ্রত এন.ডি এ চৰকাৰ আছিল। তেতিয়া মহন্ত ডাঙৰীয়া এনডিএৰ অংশীদাৰ আছিল। এই প্রকল্পটো তেতিয়াই ডাউন চাইজ কৰি এনএচপিচিক দিয়াৰ কথা কৈছিল।

* শ্রী কেশৱ মহন্ত ঃ ২০০০ চনত মই এম.পি নাছিলো আৰু এনডিএ চৰকাৰৰ দিনত কৰা নাছিল ।

মাননীয় উপাধ্যক্ষ ঃ এতিয়া সর্বশ্রী ৰণজিত কুমাৰ দাস, মনোৰঞ্জন দাস, দিলীপ মৰাণ, যাদৱ চন্দ্র ডেকা, ফণীভূষণ চৌধুৰী, প্রফুল্ল কুমাৰ মহন্ত, কেশৱ মহন্ত, ভূপেন ৰয়, পদ্ম হাজৰিকা, উৎপল দত্ত, প্রবীণ হাজৰিকা, মুকুন্দ ৰাম চৌধুৰী, নৰ কুমাৰ দলে, চিৰাজউদ্দিন আজমল, আতাউৰ ৰহমান মাজাৰভুঞা, স্বপন কৰ, জাহানউদ্দিন আব্দুল কালাম আজাদ, শেৰমান আলী আহমেদ, মইনুদ্দিন আহমেদ, ৰফিকুল ইছলাম, আলী হুছেইন, শেখ শাহ আলম, আব্দুৰ ৰহিম খান, গোপী নাথ দাস, হাফিজ ৰছিৰ আহমেদ, আমিনুল ইছলাম, আব্দুৰ ৰেহমান আজমল, মজিবুৰ ৰহমান, মনোৰাৰ হুছেইন আৰু শ্রীমতী গুল আখটাৰা বেগম আপোনালোকে কর্তন প্রস্তাৱসমূহ প্রত্যাহাৰ কৰিব নেকি?

(হয়)।

(সকলোৱে কর্তন প্রস্তাৱসমূহ প্রত্যাহাৰ কৰে।)

কর্তন প্রস্তাৱসমূহ প্রত্যাহাৰ কৰাত মাননীয় সদনৰ সম্মতি আছেনে?

ধ্বনি ঃ (হয় আছে)

সদনৰ সম্মতি সাপেক্ষে কর্তন প্রস্তাৱসমূহ প্রত্যাহাৰ কৰা হ'ল।

---

* Speech not corrected

মই এতিয়া প্রস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্রস্তাৱটো হ'ল—

'২০১৪ চনৰ ৩১ মার্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত শক্তি (বিদ্যুৎ) সম্পর্কীয় কেতবোৰ ব্যয় বহন কৰিবলৈ ভাৱপ্রাপ্ত মন্ত্রীক ছশ ঊনপঞ্চাশ কোটি তেসত্তৰ লাখ তেৰন হেজাৰ টকা মঞ্জুৰ কৰিব লাগে।'

যিসকলে প্রস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়';
যিসকল প্রস্তাৱটোৰ বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়';
মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।
প্রস্তাৱটো গৃহীত হ'ল।
দাবী মঞ্জুৰী নং ৬২ টো গৃহীত হ'ল।

STATEMENT BY MINISTER

মাননীয় উপাধ্যক্ষ ঃ এতিয়া মাননীয় মন্ত্রী, শ্রীৰাজীৱ লোচন পেগুৱে এটা বিবৃতি দাঙি ধৰিব।

শ্রীৰাজীৱ লোচন পেগু ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এই সদনত সকলো মাননীয় সদস্যই দায়িত্বসহকাৰে ৰাজ্যখনৰ কথা আলোচনা কৰে আৰু এই সদনৰ বাহিৰত অসমৰ ৰাইজে এই আলোচনাৰ কথা জানিব বিচাৰে। ইলেকট্রনিক মিডিয়াই হওক বা অন্য ধৰণে হওক সঠিকভাৱে প্রচাৰ নকৰে। যোৱা ২২ তাৰিখে কাট মোচনৰ উত্তৰ দিছিলো। নোকোৱা কথা এটা বিকৃতভাৱে নিউজত দিছে। মই সিদিনা খহনীয়া সংক্রান্তত কৈছিলো আৰম্ভ হওঁতেই মোৰ যদি চিকিৎসাৰ ব্যৱস্থা কৰে তেন্তে এটা টেবলেটে বেমাৰ ভাল কৰে। বেমাৰ ডাঙৰ হ'লে আই চি ইউলৈ

নিব লাগে। গতিকে খহনীয়া আৰম্ভ হওঁতে যদি প্ৰতিকাৰ লোৱা হয় তেতিয়াহ'লে খহনীয়া ৰোধ হ'ব পাৰে। মাননীয় মুখ্যমন্ত্ৰীকো খহনীয়া প্ৰতিৰোধৰ ফাণ্ড দিব লাগে বুলি কৈছিলো। কিন্তু 'খবৰ' কাগজত ওলাইছে—সদনত অসহায় জলসম্পদ মন্ত্ৰীৰ স্বীকাৰোক্তি প্ৰতি বছৰে অভাৱনীয় বান আৰু খহনীয়াৰ সংহাৰী ৰূপৰ কৰুণ মুখামুখি হোৱা অসমবাসীৰ বাবে এক চৰম দুঃসংবাদ। ভয়ানক বান আৰু খহনীয়াৰ পৰা ৰাজ্যবাসীক আৰু উদ্ধাৰ কৰিব নোৱাৰে জলসম্পদ বিভাগে। ৰাজ্যবাসীৰ একমাত্ৰ ভৰাৱহ বানৰ কবলৰ পৰা উদ্ধাৰ কৰাৰ উদ্দেশ্যে ১৯৫৪ চনত বান নিয়ন্ত্ৰণ বিভাগ হিচাপে গঠিত হৈ বৰ্তমান জলসম্পদলৈ ৰূপান্তৰিত বিভাগটো ভয়ানক ৰোগত আক্ৰান্ত। মাৰাত্মক ৰোগত আক্ৰান্ত জলসিঞ্চন বিভাগটো সম্প্ৰতি আই চি ইউত ভেণ্টিলেচন চাপোৰ্টৰ সহায়ত কোনোমতে জীয়াই আছে। আনকি জলসম্পদ বিভাগটোক সুস্থ কৰাৰ উদ্দেশ্যে কৰিবলগীয়া হৈছে অত্যাধুনিক বায়পচি পৰীক্ষা। গতিকে ইয়াত উল্লখ কৰা আৰু মই উত্তৰ দিয়া কথাটো ইয়াত বিকৃত ৰূপত প্ৰকাশ পাইছে। এনেকুৱা বাতৰিয়ে ডিমৰেলাইজ কৰে। গতিকে আমি আশা ৰাখিছো এনে বাতৰিৰ জৰিয়তে অসমৰ ৰাইজক বিভ্ৰান্তি কৰিব নালাগে। ইয়াত যিখিনি কোৱা হয় দায়িত্ব সহকাৰে কোৱা হয়। সেইটো সঠিক ৰূপত প্ৰকাশ হ'ব লাগে। মাননীয় অধ্যক্ষ মহোদয়, এই সদনৰ Custodian, গতিকে ইয়াত আলোচনা বিষয়সমূহ যাতে সঠিকভাৱে Record হয় আৰু Publish হয় তাৰ ব্যৱস্থা হ'ব লাগে। আমাৰ নলবাৰীৰ মাননীয় বিধায়কগৰাকীয়ে নোনা নদীত ১৬ লাখ টকাৰ কাম চলিছে বুলি কৈছে। সেইটো ১৬ লাখ টকা নহয়। মেইনটেনেঞ্চ আৰু ৰিপিয়াৰিঙৰ কাৰণে সাত লাখ টকা দিছে।

মাননীয় উপাধ্যক্ষ ঃ এতিয়া সদন ২৬/৩/২০১৩ তাৰিখৰ পুৱা ৯-০০ বজালৈ সদন স্থগিত ৰখা হ'ল।

ADJOURNMENT

The House then stood adjourned at 1.38 A.M. till 9 A.M. on Tuesday, the 26th March, 2013.

Dispur :
The 25th March, 2013

G. P. Das,
Principal Secretary,
Assam Legislative Assembly

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
1.	Agril & Allied			
	activities			
1 i)	Crop Husbandary	37225.60	35469.60	34548.71
	AACP (EAP)	13735.00	13735.00	0.00
ii)	Horticulture	648.00	248.00	201.53

ANNEXURE-I

25th March

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
iii)	Agril. Research & End.	6725.00	6725.00	6715.76
iv)	Marketing	152.00	149.00	149.00
2	Soil Conservation	37225.60	35469.60	34548.71
3	Animal Husbandry	13735.00	13735.00	0.00
	AACP(EAP)	648.00	248.00	201.53

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
4	Daurt Devekionebt	1383.45	1053.45	795.15
	AACP (EAP)	200.00	200.00	0.00
5	Fisheries	6725.00	6725.00	6715.76
	AACP (EAP)	152.00	149.00	149.00
6	Cooperation	37225.60	35469.60	34548.71

ANNEXURE-I

25th March

Rs. In Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
i)	Food Storage &	575.00	55.00	1015.35
	Warehousing			
7	Environment & Forest	6616.00	7111.00	550.00
	AACP (EAP)	331.00	331.00	3518.65
i)	Forest (Ecology & Environ	1383.45	1053.45	795.15

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
	Total-1	78567.05	77234.15	54374.45
II	Rural Development			
1	(i) Swarn Jayanti	6616.00	7111.00	550.00
	Gram	331.00	331.00	3518.65
	Swarozgar Yojana	1383.45	1053.45	795.15

ANNEXURE-I

25th March

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
	(SGSY)/ NRLM	1383.45	1053.45	795.15
iii)	DRDA	200.00	200.00	0.00
	Administration	6725.00	6725.00	6715.76
III)	Rural	152.00	149.00	149.00
	Emplyment	37225.60	35469.60	34548.71

ANNEXURE-I

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
	(MGNREGA)	152.00	6725.00	149.00
iv)	RGSY	37225.60	149.00	34548.71
v)	SIRD	13735.00	35469.60	0.00
vi)	Integrated	648.00	13735.00	201.53
	Washland	1383.45	248.00	4374.45

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
	Dev. Project (IWDP)	3735.00	5469.60	149.00
	vii) BRGF	648.00	13735.00	34548.71
	viii) Rural Housing	1383.45	248.00	0.00
	(IAY)	200.00	6725.00	201.53
	ix) Other Rural Dev.	6725.00	149.00	4374.45

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
	Progm	1383.45	6725.00	201.53
	x) NSAP	200.00	149.00	4374.45
	xi) NSAP (SS)	6725.00	5469.60	149.00
	Land Reforms	3735.00	13735.00	34548.71
	Panchayat & C.D.	648.00	248.00	0.00

ANNEXURE-I

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
	Total-II	6725.00	248.00	149.00
	Special Area	3735.00	6725.00	4548.71
	Programme	648.00	149.00	0.00
	Hill Areas	1383.45	5469.60	201.53
	Development Plan	200.00	3735.00	4374.45

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
2	Bodo Territorial	29806	31121.71	29556.00
	Council (BTC)			
3	Other Autonomous	15296.00	15296.00	15296.00
	Councils			
4	Tribal Sub-Plan (TSP)	6316.00	1248.00	149.00

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
5	Schedule Caste	6725.00	6725.00	1556.00
	Sub-Plan (SCSP)	3735.00	149.00	15296.00
6	Grants in aid to Dey.	29806	1121.71	149.00
	Councils	15296.00	15296.00	4548.71
7	Char Areas Development	6316.00	1248.00	0.00

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
8	Border Areas	15296.00	1248.00	0.00
	Development	6316.00	5469.60	201.53
	Total-III	6725.00	3735.00	4374.45
	Irrigation & Flood	3735.00	7234.15	550.00
	Control	29806	7111.00	3518.65

ANNEXURE-I

25th March

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
1	Major & Medium Irrigation	6725.00	1248.00	550.00
		3735.00	5469.60	3518.65
2	Minor Irrigation	29806	3735.00	795.15
i)	Command Areas Development	648.00	7234.15	0.00
		15296.00	7111.00	121.53

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
3	Water Resource	648.00	1248.00	332.00
	Assam Integrated Flood	15296.00	5469.60	121.53
	& River Bank Erosion	6316.00	3735.00	4374.45
	Management Progm.	1383.45	7234.15	615.76
	Total-IV	200.00	7111.00	550.00

ANNEXURE-I

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
V	Energy	1383.45	3735.00	4374.45
1	Power (ASEB)	200.00	7234.15	615.76
i)	Assam Power Sector	567.05	7111.00	550.00
	Enhancement Investment Programme (ADB)	648.00	1248.00	3518.65
		15296.00	5469.60	332.00

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
II	Non-Con-Sources of	567.05	1248.00	4374.45
	Energy	648.00	5469.60	615.76
	Total-V	15296.00	331.00	550.00
VI	Industries & Commerce	6316.00	3735.00	3518.65
1	Village & Small Scale	6616.00	7234.15	332.00

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
	Industries	6616.00	3735.00	4374.45
ii)	Small Scale Industries	331.00	7234.15	615.76
iii)	Handloom & Powerloom	152.00	7111.00	550.00
iv)	Khadi & Village	37225.60	1053.45	3518.65
	Industries			

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
	Sericulture	152.00	1053.45	550.00
2	Industries (Other than	37225.60	200.00	3518.65
	V & S.I.)	6725.00	6725.00	332.00
3	Minning	3735.00	149.00	121.53
	Total-VI	29806	1121.71	795.15

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
VII	Transport	6725.00	149.00	332.00
1	PWD (Roads & Bridges)	3735.00	1121.71	121.53
	AACP (EAP)	29806	296.00	795.15
	Assam State Road	1383.45	1248.00	1556.00
	Project (WB)	200.00	5469.60	15296.00

ANNEXURE-I

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
	Assam PWD	1383.45	296.00	332.00
	Computerisation Project	200.00	1248.00	121.53
	PWD (Building)	567.05	5469.60	795.15
2	Road Transport	648.00	331.00	1556.00
I)	ASTC	15296.00	3735.00	15296.00

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
3	Other Transport	5.00	5.00	5.00
i)	Transport Survey Cell	274.00	1248.00	121.53
ii)	Commissioner of Transport	200.00	5469.60	795.15
4	Inland Water Transport	567.05	331.00	1556.00
-	TOTAL-VII	648.00	3735.00	15296.00

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
VIII	COMMUNICATION	567.05	331.00	795.15
1	Information & Technology	648.00	3735.00	1556.00
	TOTAL-VIII	15296.00	7234.15	5.00
ix	SCIENCE,TECHNOLOGY &	6316.00	7111.00	121.53
	ENVIRONMENT	5.00	5.00	15296.00

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
1	Scientific Research	296.00	7111.00	121.53
i)	Pollution Control	6316.00	5.00	15296.00
	TOTAL-IX	5.00	1248.00	149.00
X	GENERAL ECONOMIC	274.00	5469.60	4548.71
	SERVICES	567.05	1053.45	4374.45

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
1	Sectt. Economic Services	5.00	7111.00	121.53
2	Tourism	274.00	5.00	15296.00
3	Survey & Statistics	567.05	1248.00	149.00
4	Public Enterprises	648.00	5469.60	4548.71
5	Sub-divisional Spl.	296.00	1053.45	4374.45

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
	Problems	296.00	1248.00	4548.71
6	Food & Civil Services	6316.00	5469.60	4374.45
7	Weights & Measures.	200.00	1053.45	615.76
8	Administration of Justice	6616.00	200.00	550.00
	TOTAL	331.00	6725.00	3518.65

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
XI	SOCIAL SERVICES	331.00	1248.00	4548.71
1	General Education	152.00	5469.60	4374.45
i)	Elementary Education	225.60	1053.45	615.76
ii)	Adult Education	6725.00	200.00	550.00
iii)	Secondary Education	3735.00	6725.00	3518.65

Rs. In Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
iv)	Madrassa Education	6725.00	1248.00	550.00
v)	SCERT	3735.00	5469.60	3518.65
vi)	Higher Education	29806	1053.45	795.15
	Sub-Total (General	5.00	200.00	1556.00
		274.00	6725.00	5.00

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
2	Technical Education	6725.00	1248.00	550.00
3	Sports & V.W	3735.00	5469.60	3518.65
4	Arts & Culture	29806	1053.45	795.15
i)	Cultural Affairs	5.00	200.00	1556.00
ii)	Library Services	274.00	6725.00	5.00

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
iii)	Museum	1274.00	1053.45	795.15
iv)	Archaeology	567.05	200.00	1556.00
v)	Manusripts	648.00	6725.00	5.00
vi)	Archives	296.00	149.00	121.53
	Sub-Total (Arts & Culture)	6316.00	1121.71	15296.00

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
	Total- (Gen. Education,	1274.00	1053.45	795.15
	Tech. Education,Sports	567.05	200.00	1556.00
	and Arts & Culture)	648.00	6725.00	5.00
5	Health & Family Welfare	296.00	149.00	121.53
i)	Health & Family	6316.00	1121.71	15296.00

ANNEXURE-I

25th March

Rs. in Lakh

Sl. No.	Name of Sectors/ Depts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
ii)	Medical Education	296.00	6725.00	121.53
iii)	Anti-Drugs	6316.00	149.00	15296.00
	Sub-Total: 5	200.00	1121.71	149.00
6	Water Supply And	6616.00	331.00	4548.71
	Sanitation	331.00	3735.00	4374.45

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
i)	Rural Water Supply	6616.00	6725.00	121.53
ii)	Rural Sanitation	331.00	149.00	15296.00
iii)	Urban water Supply	152.00	1121.71	149.00
iv)	Urban sanitation by	225.60	331.00	4548.71
	sewerage Board	6725.00	3735.00	4374.45

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
v)	Sewerage & Sanitation by	6616.00	331.00	149.00
	T & C.P.	331.00	3735.00	4548.71
	Sub-Total:	152.00	7234.15	4374.45
7	Housing	225.60	7111.00	795.15
i)	Housing Board	6725.00	5.00	1556.00

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
ii)	Other Housing Programme	225.60	331.00	149.00
	bv GAD	6725.00	3735.00	4548.71
	Sub-Total: 7	296.00	7234.15	4374.45
8	Urban Development	6316.00	7111.00	795.15
i)	Development Progm.by	200.00	5.00	1556.00

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
	& c.r.	6316.00	331.00	149.00
ii)	Programme undrer MAD	200.00	3735.00	4548.71
iii)	GDD(GMDA)	6616.00	7234.15	4374.45
	South Guwahati Central	331.00	7111.00	795.15
	Water Supply Project &	152.00	5.00	1556.00

Rs. in Lakh

Sl. No.	Name of Sectors/ Deptts	Approved original Outlay	Approved revised Outlay	Expenditure for the year 2011-12
	North Guwahati Water	6616.00	331.00	795.15
	suoolv Prnipc:tIJICA\ WR	331.00	3735.00	1556.00
	Asaam Infrastructure	152.00	7234.15	121.53
	Proiect {ADB}	225.60	7111.00	15296.00
	Sub-Total: 8	6725.00	5.00	5.00

ANNEXURE-I

25th March

Rs. in Lakh
